# দিচপুৰ

সপ্তম সংখ্যা

ডিচেম্বৰ, ২০১৩ চন

ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কীয় গৱেষণাধৰ্মী বছৰেকীয়া পত্ৰিকা
দিশপুৰ মহাবিদ্যালয়

সম্পাদনা
অসমীয়া বিভাগ
দিশপুৰ মহাবিদ্যালয়
গুৱাহাটী-৭৮১০০৬

20150

সপ্তম সংখ্যা, ডিচেম্বৰ, ২০১৩ চন

20150

# দিচপুৰ

*ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কীয়*
*গৱেষণাধৰ্মী বছৰেকীয়া পত্ৰিকা*
দিশপুৰ মহাবিদ্যালয়

*সম্পাদনা*
*অসমীয়া বিভাগ*
*দিশপুৰ মহাবিদ্যালয়*

মুখ্য উপদেষ্টা ঃ ড° অমৰ শইকীয়া

উপদেষ্টা ঃ ড° নন্দিনী বৰুৱা

সম্পাদনা সমিতি ঃ ড° নমিতা ডেকা
ড° জয়জ্যোতি গোস্বামী
ড° ৰীণা চৌধুৰী
ড° মালবিকা ভট্টাচাৰ্য্য
অজিত প্ৰসাদ শৰ্মা

## সম্পাদকীয় ঃ

*দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সাধনা - চৰ্চাত অধ্যাপক, ছাত্ৰ-ছাত্ৰীক নিমজ্জিত কৰি এখন সুন্দৰ গৱেষণা-পত্ৰিকা প্ৰকাশ কৰি উলিয়াবলৈ সদায়ে চেষ্টা কৰি আহিছে। এনে প্ৰচেষ্টাৰে ইতিমধ্যেই বিভাগে ছটা সংখ্যা প্ৰকাশ কৰিছে 'দিচপুৰ' নামেৰে। প্ৰতিটো সংখ্যাই বিশিষ্ট ব্যক্তিৰ দ্বাৰা উন্মোচন কৰোৱা হৈছে। তেওঁলোকে উন্মোচন কৰাৰ লগতে একোটাকৈ সমালোচনা লিখি ভুল-শুদ্ধবোৰ আঙুলিয়াই দি আমাক কৃতাৰ্থ কৰিছে। সু-সাহিত্যিক, সাহিত্য অকাডেমি বঁটা প্ৰাপক শ্ৰীযুত যতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে ষষ্ঠ সংখ্যা উন্মোচন কৰি তেওঁৰ বহুমূলীয়া ভাষণেৰে আমাক লগতে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিছে। ষষ্ঠ সংখ্যা 'দিচপুৰ' সম্পৰ্কে লিখা তেওঁৰ মনোগ্ৰাহী আলোচনা সপ্তম সংখ্যাত সন্নিবিষ্ট কৰা হৈছে।*

*'দিচপুৰ' সপ্তম সংখ্যা বিভাগীয় অধ্যাপক-অধ্যাপিকাসকলৰ গৱেষণাধৰ্মী প্ৰবন্ধৰে সজাই তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ গৱেষণাধৰ্মী লেখাকো অগ্ৰাধিকাৰ দি উচ্চমান বিশিষ্ট কৰি তুলিবলৈ যত্ন কৰা হৈছে। উল্লেখযোগ্য যে ষষ্ঠ সংখ্যাত প্ৰকাশিত অসমীয়া প্ৰধান বিষয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন বিষয়ক প্ৰবন্ধটোৰ জৰিয়তে 'দিচপুৰ' গৱেষণা-পত্ৰিকাখনিয়ে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ দ্বাৰা প্ৰকাশিত পত্ৰিকাৰ প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰি অসমীয়া বিভাগলৈ গৌৰৱ কঢ়িয়াই আনে। বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তীৰ শুভক্ষণত বেজবৰুৱা বিষয়ক প্ৰবন্ধও এই সংখ্যাত দিয়া হৈছে। এই সংখ্যাটোও মনোগ্ৰাহী কৰি তুলিবলৈ প্ৰতিগৰাকী লেখক-লেখিকাই যত্ন কৰিছে। তৎসত্বেও বৈ যোৱা ভুল-ভ্ৰান্তিবোৰ সহৃদয় পাঠকে আঙুলিয়াই দিলে কৃতাৰ্থ হ'ম আৰু 'দিচপুৰ'ক অধিক উন্নত পৰ্যায়লৈ লৈ যাবলৈ চেষ্টা কৰিম।*

*'দিচপুৰ' প্ৰকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ে দিহা-পৰামৰ্শৰে আমাক উপকৃত কৰিছে। মহাশয়লৈ আমাৰ আন্তৰিক শলাগ নিবেদন কৰিছোঁ।*

*'গিৰিজা প্ৰিণ্টাৰ্চ এণ্ড পাব্লিচাৰ্চে' সময়মতে 'দিচপুৰ' ছপা কৰি উলিয়াই দিয়াৰ বাবে সমূহ কৰ্মচাৰীলৈ আমাৰ ধন্যবাদ জনাই শলাগ ললোঁ। সপ্তম সংখ্যাটিয়ে পাঠকৰ আদৰ লাভ কৰিলে আমি উৎসাহিত হ'ম।*

বিনীত -

**অসমীয়া বিভাগ**

দিশপুৰ মহাবিদ্যালয়

# সূচীপত্র


১। 'দিচপুৰ' ষষ্ঠ সংখ্যা ক্ষুদ্ৰ অথচ সুন্দৰ আৰু ঐশ্বৰ্যশালী
যতীন্দ্ৰ কুমাৰ বৰগোহাঞি ... ১

২। যতীন্দ্ৰ নাথ দুৱৰাৰ কথা-কবিতা
ড° নমিতা ডেকা ... ৫

৩। ভৱানীপুৰীয়া গোপাল আতা আৰু তেওঁৰ সাহিত্য কৃতি
ড° জয়জ্যোতি গোস্বামী ... ৩১

৪। ব্ৰহ্মপুত্ৰ জড়িত অনুষ্ঠান ঃ অশোকাষ্টমী
ড° বীণা চৌধুৰী ... ৪৫

৫। বেজবৰুৱাৰ ৰচনাৱলীত সামাজিক লোক-প্ৰথা ঃ এটি চমু আলোচনা
ড° মালবিকা ভট্টাচাৰ্য ... ৬২

৬। অসমৰ সামাজিক সাংস্কৃতিক চিত্ৰ সম্বলিত বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'
গীতাঞ্জলি শইকীয়া ... ৭৪

৭। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাত স্বদেশপ্ৰেম - এক তুলনামূলক আলোচনা
গীতিলেখা দেৱী ভাগৱতী ... ৮১

৮। শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰ ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন
বিকাশ ভৰালী ... ৯১

৯। চান্দৰ মেৰঘৰ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন
লৰ বণিক্য ... ১০৬

১০। অসমৰ বিভিন্ন জনজাতিৰ মাজত প্ৰচলিত বাদ্যযন্ত্ৰ
ময়ূৰী কলিতা ... ১১৯

১১। শ্ৰী সূৰ্যপাহাৰ - এক ক্ষেত্ৰভিত্তিক অধ্যয়ন
ৰবিতা বৰ্মন ... ১২৮

১২। বিহুগীতত প্ৰকৃতিৰ চিত্ৰ
ৰূপন ডেকা ... ১৩৮

১৩। বেজবৰুৱাৰ গল্পত প্ৰকাশিত সমাজ
মৃদুস্মিতা দেৱী, নমিতা ডেকা
গীতিকা বৰ্মন ... ১৪৫

১৫। বড়ো জনগোষ্ঠীৰ লোক সংস্কৃতি
ভাগ্যশ্ৰী ঠাকুৰীয়া ... ১৫০

১৬। সংস্কৃত ভাষাত একৰ পৰা এশ লৈ সংখ্যা গণনা ... ১৬১




# 'দিচপুৰ' ষষ্ঠ সংখ্যা
# ক্ষুদ্ৰ অথচ সুন্দৰ আৰু ঐশ্বৰ্যশালী

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা সম্পাদিত 'দিচপুৰ' আলোচনীখনৰ ষষ্ঠ সংখ্যা (ডিচেম্বৰ, ২০১২) উন্মোচন কৰি কেইবাটাও কাৰণত মই আনন্দ পাইছিলো। প্ৰথম কাৰণ, বহুদিনৰ মূৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ, বিশেষকৈ গুৱাহাটী মহানগৰীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ প্ৰতি থকা ধাউতিৰ উমান ল'বৰ বাবে এটা সুযোগ পাইছিলো। দ্বিতীয়তে দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° নমিতা ডেকাক তেওঁৰ পৰিপাটি কাম-কাজৰ বাবে মই সদায় প্ৰশংসা কৰোঁ। তেওঁ মুৰব্বী হিচাপে থকা বিভাগৰ 'দিচপুৰ' আলোচনীখনত তেওঁৰ সহকৰ্মীসকলে কি কি লিখিছে বা তেওঁলোকৰ সাহিত্য-স্পৃহা কেনে ধৰণৰ সেয়া জানিবৰ বাবে মোৰ ইচ্ছা আছিল। 'দিচপুৰ' ষষ্ঠ সংখ্যা হাতত লৈ মহাবিদ্যালয়ৰ শিক্ষকসকলৰ জ্ঞান-গম্ভীৰ চৰ্চাৰ চহকী নমুনা দেখি মই স্তম্ভিত হ'লো। কাৰণ প্ৰকাশিত প্ৰবন্ধসমূহৰ প্ৰায় প্ৰতিটোৱেই সুলেখিত, তথ্য-সমৃদ্ধ আৰু ভুৰুকাত ভৰোৱা হাতীৰ দৰে জ্ঞান-গৰ্ভ কথাৰে ভৰা। সংকলনটোত অঠোটি গৱেষণামূলক লেখা, ছাত্ৰ-ছাত্ৰীসকলৰ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু পঞ্চম সংখ্যা 'দিচপুৰ'ৰ এক নিৰীক্ষণ অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি আগ্ৰহী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সহায় হ'ব পৰাকৈ সংস্কৃতত একত্ৰিশৰ পৰা যাঠিলৈ সংখ্যা গণনা আৰু কেইগৰাকীমান প্ৰসিদ্ধ সাহিত্যিকৰ প্ৰসিদ্ধ ছদ্মনাম সংযোজিত কৰা হৈছে। অতিথি লেখিকা, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মঞ্জুৰী শৰ্মাৰ 'Gandhi Re-visited : A study of Anita Desai's Where shall we go this summer' প্ৰবন্ধটোৰ বাহিৰে বাকীবোৰ গৱেষণামূলক লেখা অসমীয়া বিভাগৰ শিক্ষকসকলৰ।

ড° নমিতা ডেকাৰ 'ওমৰ খায়ামৰ ৰুবায়ত, ফিট্‌জেৰাল্ড আৰু ওমৰ তীৰ্থ' - শীৰ্ষক গৱেষণাধৰ্মী প্ৰবন্ধটোত ওমৰ খায়ামৰ অনুবাদ, তেওঁৰ চিন্তা ধাৰাৰ বৈপ্লৱিক স্বৰূপ, ফিট্‌জেৰাল্ডৰ অনুবাদৰ জৰিয়তে ভিক্টোৰিয়ান যুগৰ কঠোৰ ৰীতি-

নীতিৰ বিৰুদ্ধে ইংলেণ্ডৰ উত্তৰ-ভিক্টোৰিয়ান যুগৰ কবি সাহিত্যিকসকলে লাভ কৰা উদ্দীপনা সম্পৰ্কে এক নাতিদীৰ্ঘ অথচ সম্পূৰ্ণ চিত্ৰ ফুটি উঠিছে। ওমৰ খায়ামৰ অনুবাদক হিচাপে অসমীয়া সাহিত্যত কবি যতীন্দ্ৰ নাথ দুৱৰাৰ মূল্যায়ন কৰোঁতে এই কথা সাধাৰণতে কোৱা হয় যে যতীন্দ্ৰ নাথ দুৱৰাৰ প্ৰাঞ্জল ভাষাত ওমৰ খায়ামে পুণৰ জনম পালে। ফিট্‌জেৰাল্ডৰ ক্ষেত্ৰতো ড° ডেকাই কৈছে ঃ 'ৰুবায়তৰ ৰচয়িতা হিচাপে ওমৰৰ কৃতিত্ব যিমান সাৰ্থক অনুবাদক হিচাপে ফিট্‌জেৰাল্ডৰ কৃতিত্ব তাতোকৈ কম নহয়।' ফিট্‌জেৰাল্ডৰ কৃতিত্ব হ'ল তেওঁ ৰুবায়তসমূহৰ অনুবাদৰ বুকুত প্ৰাণ সঞ্চাৰ কৰাত, উকা শব্দক আত্মিক - বিদ্যুতেৰে হৃদস্পন্দন প্ৰদান কৰাত। অসমীয়া কবি যতীন্দ্ৰ নাথ দুৱৰায়ো ফিট্‌জেৰাল্ডৰ অনুবাদৰ দ্বাৰা অনুপ্ৰাণিত হৈ ওমৰ তীৰ্থ ৰচনা কৰিছিল বুলি ড° ডেকাই উল্লেখ কৰিছে। ওমৰ খায়ামৰ অধ্যয়নৰ ক্ষেত্ৰত ড° ডেকাৰ প্ৰবন্ধটিয়ে নিশ্চয় ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক অনুপ্ৰেৰণা যোগাব।

'ভক্তিধৰ্মত গুৰুৰ স্থান' ড° জয়জ্যোতি গোস্বামীৰ উল্লেখযোগ্য ৰচনা। প্ৰকৃতাৰ্থ বৈষ্ণৱ ভকতৰ বাবে গুৰু শংকৰদেৱ আৰু শ্ৰীকৃষ্ণ অভিন্ন। শ্ৰীকৃষ্ণৰ অভিন্ন ৰূপ বা শ্ৰীমন্ত শঙ্কৰক কৃষ্ণাংশ বুলি গণ্য কৰা বাবেই গুৰুশঙ্কৰ হ'ল নৱবৈষ্ণৱ সাধনাৰ এক প্ৰধান উত্থান। মাধৱদেৱৰ গুৰু ভটিমাৰ সেই মতটিয়ে এই যুগৰ বৈষ্ণৱ ভক্ত সকলৰ মন-প্ৰাণ আচ্ছন্ন কৰি ৰাখিছে ঃ 'ত্ৰিভুবন বন্দন দৈৱকী নন্দন যো হৰি মাৰল কংস। জগজন তাৰণ দেৱ নাৰায়ণ শঙ্কৰ তাকেৰি অংশ'। শঙ্কৰক গুৰু ৰূপত শ্ৰীকৃষ্ণৰ অংশ হিচাপে প্ৰতিষ্ঠা কৰি নাম ধৰ্মৰ মহিমাৰে শ্ৰীমাধৱদেৱে যি গুৰুপদ সৃষ্টি কৰিলে সম্ভৱতঃ শ্ৰীমাধৱদেৱৰ এই অৱদান নথকা হ'লে নব বৈষ্ণৱ আন্দোলনৰ ভক্তবৃন্দই গভীৰ ভক্তি মাৰ্গৰ অতল তলিত নিমগ্ন হোৱাটো সহজসাধ্য নহ'লহেতেঁন। নৱবৈষ্ণৱ সমাজত ব্যাপ্ত গুৰু ভক্তিৰ মহিমা ব্যক্ত কৰিবৰ বাবে জয়জ্যোতি গোস্বামীয়ে শ্ৰীমাধৱদেৱ, গোপাল আতা, শ্ৰীশঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰ আদিৰ ৰচনাৰ সহায় লোৱাৰ উপৰি অসমীয়া লোক-জীৱনক কেন্দ্ৰ কৰি ঠন ধৰি উঠা লোকগীতবোৰৰো সহায় লৈছে।

'কাঁহৰ বিবিধ সামগ্ৰী ঃ ঐতিহ্য আৰু প্ৰাচুৰ্য' ড° বীণা চৌধুৰীৰ এক গুৰুত্বপূৰ্ণ প্ৰয়াস। কাঁহ শিল্পৰ ঐতিহ্য ৰক্ষা কৰি কেবা শ বছৰ ধৰি অসমৰ সমাজ আৰু সংস্কৃতিত কাঁহ শিল্পক স্বৰূপত প্ৰতিষ্ঠা কৰা 'পাঁচটা খেল আৰু যোল্লখন চুপাৰে গঠিত সৰ্থেবৰীৰ' কাঁহ আৰু কাঁহৰ অন্তৰালত লুকাই থকা সংগ্ৰামী, পৰিশ্ৰমী আৰু সভ্যতা ধৰি ৰখা মানুহখিনিক ড° বীণা চৌধুৰীয়ে প্ৰাণৱন্ত কৰি তুলিছে। আলোচনাৰ সম্প্ৰসাৰণ ঘটাই তেওঁ তিতাবৰ আৰু ৰহাৰ কাঁহ শিল্পৰ বিষয়েও কিছু



আলোচনা কৰিছে যদিও সৰ্থেবাৰীৰ উৎপাদন, উৎপাদক আৰু ঐতিহ্যকহে অতি সুন্দৰ ৰূপত মাত্ৰ চুটি নিবন্ধ এটাতে ধৰি ৰাখিছে। প্ৰবন্ধটোত কাঁহ শিল্পীসকলৰ কৃতিত্বৰ কেবাটাও উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা হৈছে। অকল কাঁহৰ সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰতে নহয় সমাজৰ বৈপ্লৱিক ৰূপান্তৰৰ পথত কৃষক বিদ্ৰোহত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা 'পুষ্প কঁহাৰ', সমবায় আন্দোলনত গুৰুত্বপূৰ্ণ ঐতিহাসিক ভূমিকা গ্ৰহণ কৰা " কৌহিৰাম দাস, গড়গাঁৱলৈ কাঁহ শিল্পৰ জয়যাত্ৰাৰ সূচনা কৰা " জীউধন চৌধুৰী আদিৰ প্ৰাণৱন্ত পৰিচয়ে নিঃসন্দেহে প্ৰবন্ধটোত এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। ড° চৌধুৰীৰ প্ৰবন্ধটোত এক গুৰুত্বপূৰ্ণ আৰু সততে আলোচনা চকুত নপৰা বিষয় হ'ল শ্ৰীমন্ত শংকৰদেৱৰ কাঁহৰ পাদুকা। কলিয়াবৰৰ চামগুৰিৰ 'খৰম গোঁসাই'খ্যাত নামঘৰটি আৰু মূল্যবান সম্পদটিৰ বিষয়ে বহুতেই নাজানে। কলিয়াবৰত থকা পাদুকাপাত সোঁ ভৰিৰ, বাওঁ ভৰিৰ পাদুকাপাত মাজুলীৰ চামগুৰি সত্ৰত থকা বুলি জনা যায়। আমাৰ ধাৰণা এই ধৰণৰ নিবন্ধই পাঠকক সচেতন কৰাৰ উপৰি অসমীয়া কৃষ্টিৰ এক শক্তিশালী দিগন্ত উন্মোচিত কৰি নব প্ৰজন্মৰ মনত হয়তো অতীতৰ শিল্পীসকলে কৰা কৃষ্টিৰ বিষয়ে জনাৰ ধাউতি জগাব। ড° বীণা চৌধুৰীৰ কাঁহ শিল্প বিষয়ক প্ৰবন্ধটিৰ দৰেই ড° মালবিকা ভট্টাচাৰ্যৰ 'বৈশিষ্টপূৰ্ণ বাদ্য - ঢোল কামৰূপীয়া ঢুলীয়া' শীৰ্ষক নিবন্ধটিয়েও 'দিচপুৰ'ৰ ষষ্ঠ সংখ্যাক বিশেষত্ব প্ৰদান কৰিছে। প্ৰবন্ধটিত বিভিন্ন ধৰণৰ ঢোলৰ এক বৰ্ণনা দিয়াৰ উপৰি ঢুলীয়া বা বাইন, ভাৱৰীয়া, বা ভাইৰা, খোৰ দিয়া' বা কুন্তি কৰা ঢুলীয়া, তালুৱৈ, গায়ন বা গাইন, কালীয়া, আঁৰিয়া ধৰা বা তেমেকা আদিৰ এক বৰ্ণনাত্মক বিশ্লেষণ দাঙি ধৰা হৈছে।

সাধাৰণতে আহোম যুগৰ আহোম ৰাজ্যৰ শ্ৰেষ্ঠ কবি হিচাপে জনাজাত কবিৰাজ চক্ৰৱৰ্তীৰ জীৱন আৰু সাহিত্যৰ বিভিন্ন দিশ উন্মোচিত কৰি ৰচনা কৰা প্ৰবন্ধৰ অভাৱ চকুত লগা ধৰণৰ। "কবিৰাজ চক্ৰৱৰ্তীৰ জীৱন আৰু সাহিত্য ঃ এটি আলোচনা" এই দিশত এক উল্লেখযোগ্য অৱিহণা। লেখক অজিত প্ৰসাদ শৰ্মাই সঠিক ভাৱেই উল্লেখ কৰিছে যে, "কবিৰাজ চক্ৰৱৰ্তীৰ ৰচনা ৰাজিৰ সঠিক মূল্যায়ন বৰ্তমানেও হোৱা নাই। কবিৰাজ চক্ৰৱৰ্তীৰ জীৱনীৰ এটি চমু আভাস দিয়াৰ উপৰি লেখকে তেওঁৰ (কবিৰাজ চক্ৰৱৰ্তীৰ) জীৱনৰ বহু তথ্য সঞ্জীৱিত কৰিছে আৰু তেওঁৰ ৰচনাৰাজি বা অৱদানসমূহৰ শ্ৰেণী বিভাজনো কৰিছে।

'দিচপুৰ' ষষ্ঠ সংখ্যাৰ এক উল্লেখযোগ্য সংযোজন ক্ষেত্ৰভিত্তিক অধ্যয়ন। এই ক্ষেত্ৰভিত্তিক অধ্যয়নৰ ভিতৰত সামৰি লোৱা হৈছে টঙৰা সত্ৰ, পঞ্চকন্যা ধাম আৰু শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ। পঞ্চ কন্যা ধাম অংশটো অধিক তথ্য সমৃদ্ধ

কৰাৰ থল আছিল। ভৃগুগিৰি মহাৰাজৰ মুখৰ কথাৰে যদিওবা পঞ্চকন্যাৰ এটি বিৱৰণ দাঙি ধৰা হৈছে, এই বৰ্ণনা উপকথাৰ আধাৰত অধিক আকৰ্ষণীয় কৰাৰ থল আছিল। একে দৰে কন্যাক্ষেত্ৰৰ সম্পদবোৰৰ বৰ্ণনাত্মক দিশটোও অতি চমু হৈছে। এয়া অধিক আকৰ্ষণীয় হ'ব পাৰে আৰু পাঠকে য'তেই নপঢ়ক - পঢ়ি উঠি পাঠকে নিজেও চাবৰ বাবে আগ্ৰহান্বিত হ'ব পাৰে যদিহে বৰ্ণনাসমূহ অধিক জীৱন্ত হয়।

শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত অঙ্কীয়া নাটসমূহৰ ভিতৰত আকাৰত আটাইতকৈ ডাঙৰ 'ৰুক্মিনীহৰণ নাট'ৰ সামগ্ৰিক আলোচনা' - গীতাঞ্জলি শইকীয়াৰ ৰচনা। যদিওবা 'সামগ্ৰিক আলোচনা' বুলি লেখিকাই কৈছে, তথাপি লেখাটোত সামগ্ৰিকতাই অতি থোৰতে কোৱা' মৰ্ম কথাৰহে ৰূপ লৈছে। এটি বহু চৰ্চিত জনপ্ৰিয় বিষয় তেনেই চমুকৈ আলোচনা কৰিলে, চুম্বক গুণৰ বাবে লেখাটো চহকী হ'ব পাৰে, কিন্তু নাট কথা, নাট্য ৰস তথা 'নাটসন্ধি'ৰ বিৱৰণ, মূল কথাবস্তুৰ বিষয়ে গৱেষণা তথা তুলনামূলক অধ্যয়ন, সমালোচনাত্মক মূল্যায়ন আদি সম্ভৱ নহয়। 'দেউৰীসকলৰ সাঁৱিয়া, হেদাৰি প্ৰথা আৰু মৰংঘৰ' অসমীয়া সাহিত্যৰ ছাত্ৰ-ছাত্ৰীতকৈও সমাজতত্বৰ গৱেষকসকলৰ বাবে অধিক আকৰ্ষণৰ বিষয়। বিষয়বস্তুৰ বৈশিষ্ট্য আৰু নতুনত্বৰ বাবে এইবোৰে সদায় পাঠকৰ মনোযোগ আকৰ্ষণ কৰে। লোক প্ৰথা আৰু লোক কৃষ্টিৰ মূল ভিত্তি হ'ল সামাজিক উৎপাদন। সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ যিটো স্তৰত সাঁৱিয়া, হেদাৰি প্ৰথাৰ উদ্ভৱ হৈছে আৰু মৰংঘৰৰ বিকাশ ঘটিছে - সেই বিষয়ে থোৰতে আলোচনা কৰি যোৱা হ'লে প্ৰবন্ধটো অধিক সাৰ্থক হ'লহেঁতেন। নতুন আৰু আকৰ্ষণীয় বিষয় কেইটাই জনজাতি সমাজক কিদৰে বিশেষ চৰিত্ৰ বা বৈশিষ্ট্য প্ৰদান কৰিছে আৰু ইয়াক ৰক্ষা কৰিছে সেয়া সাঁৱিয়া; হেদাৰি প্ৰথা আৰু মৰং ঘৰৰ সম্যক পৰ্যালোচনাই স্পষ্টতৰ কৰিব পাৰে।

'দিচপুৰ'ৰ সাৰ্থকতা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লেখা আৰু পঢ়া কাৰ্যৰ প্ৰতি আগ্ৰহ জাগ্ৰত কৰা। অনুষ্ঠানটোত উপস্থিত থাকি মোৰ ধাৰণা হ'ল যে মহাবিদ্যালয়খনৰ এই বিভাগটোৱে প্ৰকৃততে সীমিত সুবিধাৰ মাজতে যথেষ্ট সফলতা অৰ্জন কৰিছে। আলোচনী উন্মোচনী সভাত তেওঁলোকৰ উপস্থিতি তথা অংশগ্ৰহণে এই সত্যকে প্ৰতিষ্ঠিত কৰিছে।

***



# যতীন্দ্ৰ নাথ দুৱৰাৰ কথা-কবিতা

ড° নমিতা ডেকা
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

যতীন্দ্ৰনাথ দুৱৰা আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটি জনপ্ৰিয় নাম। গীতিধৰ্মী কবিতা ৰচনাত দুৱৰা যেনেকৈ অনন্য আৰু অদ্বিতীয় তেনেকৈ কথা-কবিতা ৰচনাতো অনন্য-সাধাৰণ। ৰুছ দেশীয় লেখক আইভান টুৰ্গেনিভ আৰু দক্ষিণ আফ্ৰিকীয় মহিলা লেখিকা অলিভ শ্ৰীনাৰৰ ভাবৰ ছাঁ লৈ দুৱৰাই নিজৰ বুকুৰ উমেৰে ভাব আৰু অনুভূতিক সজাই-পৰাই অসমীয়া ভাষাত নোহোৱা-নোপজা এজাতি সাহিত্য সৃষ্টি কৰি যশস্যা আৰ্জি থৈ গৈছে। গীতিধৰ্মিতা যেনেকৈ দুৱৰাৰ কবিতাৰ সাধাৰণ লক্ষণ, সেই গীতিধৰ্মিতাই দুৱৰাৰ কথাকো গীতিধৰ্মী স্পন্দনেৰে মধুৰ কৰি তুলিছে। দুৱৰাৰ কথা-কবিতাৰ সকলোবোৰ দিশৰ এটি সমালোচনাত্মক অধ্যয়ন আগবঢ়োৱাই এইখনি ৰচনাৰ উদ্দেশ্য।

'কথা-কবিতা' (১৯৩৩ চন) অসমীয়া সাহিত্যত যতীন্দ্ৰনাথ দুৱৰাৰ একক সৃষ্টি। যতীন্দ্ৰনাথ দুৱৰাই 'বাঁহী' আৰু 'আৱাহন' আলোচনীত কথা-কবিতা লিখিবলৈ আৰম্ভ কৰে। দুৱৰাৰ পিছত শ্ৰীমান প্ৰফুল্ল গোস্বামীয়ে 'ফিৰিঙতি' (১৯৪০ চন) নামেৰে এখনি কথা-কবিতাৰ পুথি ৰচনা কৰে। কথা-কবিতা হ'লেও শ্ৰীমান গোস্বামীৰ ৰূপ আৰু ৰীতিৰ অলপ পাৰ্থক্য আছে। ঠিক দুৱৰাৰ ৰূপ আৰু ৰীতিৰ আৰ্হিত বৃদ্ধ বয়সত ৰঘুনাথ চৌধুৰীয়ে 'নৱ-মল্লিকা' (১৯৫৮ চন) নামেৰে নটি কথা-কবিতাৰ এখন পুথি লিখি উলিয়ায়। ইয়াৰ বাহিৰে বাতৰি কাকত আৰু আলোচনীৰ পাতত কোনো কোনো ন-পুৰণি লেখকৰ ছেগা-চোৰোকাকৈ কৰা প্ৰচেষ্টাৰ পৰিণতি স্বৰূপে অলপ সংখ্যক কথা-কবিতাৰ সৃষ্টি নোহোৱাকৈ নথকা নহয়।[১] তথাপি যতীন্দ্ৰনাথ দুৱৰাৰ কথা-কবিতাৰ ৰূপ আৰু ৰীতি স্বাভাৱিকতে একক, অনন্য।

দুৱৰাই দেশী-বিদেশী মহৎ লেখকসকলৰ ভাব আৰু আদৰ্শ আহৰণ কৰি

---

১। 'আৱাহন'ৰ ১ ম বছৰ ১ ম সংখ্যাত 'বাণী' নামে লেখকৰ 'নিৰাশা' নামৰ টুৰ্গেনিভৰ ইংৰাজী অনুবাদৰ ছাঁত লিখা বুলি উল্লেখ কৰা এটি গদ্যকবিতা পোৱা যায়। ইয়াৰ বাহিৰেও 'আৱাহন'ৰ ১ ম বছৰ ৩ য় সংখ্যাত লিখকৰ নামৰ উল্লেখ নথকা 'তন্ময়তা' নামৰ আন এটি কথা-কবিতাও পোৱা গৈছে।

তাক নিজৰ সাঁচত ঢালি অসমীয়া সাহিত্যলৈ দান দিয়াৰ অহৰহ প্ৰচেষ্টা কথা-কবিতাৰ ক্ষেত্ৰতো প্ৰযোজ্য হৈছে। আন্তৰ্জাতিক সাহিত্যজগতত দুজন লেখকেই কথা-কবিতা ৰচনা কৰি গৌৰৱ অৰ্জন কৰাৰ কথা জনা যায়। এজন হ'ল কেন্সাৰ ৰোগত পৰি মৃত্যুৰ ক্ষণ গণি থকা সৃষ্টিধৰ্মী ৰুছীয় লেখক আইভান্ ' টুৰ্গেনিভ, আনগৰাকী হ'ল দক্ষিণ আফ্ৰিকাৰ মহিলা লেখিকা অলিভ শ্ৰীনাৰ (Olive Schreiner)। [২] দুৱৰাই এই দুয়োখন পুথি গভীৰ আগ্ৰহেৰে অধ্যয়ন কৰিছিল আৰু সততে লগত ৰাখিছিল। এই দুয়োখন পুথিৰ পৰাই বাছকবনীয়া ৰচনা বুটলি আনি কেতিয়াবা ভাবানুবাদ, কেতিয়াবা ছায়ানুবাদ আৰু কেতিয়াবা মুকলি অনুবাদ কৰি দুৱৰাই নোহোৱা-নোপোজা কথা-কবিতা অসমীয়া সাহিত্যত সৃষ্টি কৰে।

'কথা-কবিতা'ৰ শেহতীয়া সংস্কৰণত 'সেই হালধীয়া ফুলপাহি' শিতানৰ এটি কথা-কবিতা সংযোজিত কৰা হৈছে। মূলত এই কবিতাটি নাছিল। কবিতাটি বিশেষ অৰ্থব্যঞ্জক। কবিতাটিৰ ৰচনা-কাল সম্ভৱতঃ কুৰি শতিকাৰ ষষ্ঠ দশক।

টুৰ্গেনিভৰ 'Poems in Prose' তেওঁৰ শেষ বয়সৰ ৰচনা। 'Poems in Prose' ৰ Introduction ত উল্লেখ আছে "This title work consists of a series of short pieces of a very miscellaneous character-meditations, sketches, visions, allegories, fantasies - written by Turgenieff during the last-years of his life. Between 1878 and 1882 he composed a large number of such pieces, and in the latter year made a selection of fifty to be given to the public. There he sent to M. Stassyulevitch, editor of the European Massenger ("Vyestnik Evropy"), a high-class Russian journal, and they appeared in the number for December, 1882. They form the basis of the present work."[১]

যতীন্দ্ৰনাথ দুৱৰাদেৱেও জীৱনৰ কাইটীয়া বনৰ মাজত থাকিবলগীয়া হোৱাত টুৰ্গেনিভৰ আদৰ্শতে অনুপ্ৰাণিত হৈ 'কথা-কবিতা' ৰচনা কৰি উলিয়ায়। এপাহি বিৰল বিদেশী ফুলক আপোন কৰি দুৱৰাই স্বকীয় কবি প্ৰতিভাৰে জীপ দি লহপহীয়া কৰি তুলিবলৈ মন কৰিছিল। ই সমকালীন পাঠকক নতুন আস্বাদনৰ সুযোগ দিয়াৰ উপৰিও অসমীয়া কাব্য সাহিত্যৰ পৰিসৰ বৃদ্ধি কৰিলে।

টুৰ্গেনিভে তেওঁৰ ৰচনাৱলীৰ সংকলনৰ নাম দিছিল - 'Senilia' - "The title given by Turgenieff to his contribution to the Messenger was Senilia; (The author gave no formal title to the work, but the envelope containing the Ms. bore the supercription - 'Senilia') but the editor, rightly judging that these compositions bear no trace of the fubleness

২। অমিয়কুমাৰ দাস, জীৱনস্মৃতি, পৃ- ৫৫



of old age, published them under a title used by the author as a description of them in a letter accompanying the Ms. namely, 'Poems in Prose'. Under this title also they were published in German by Wilhelm Lange, the accomplished interpreter of Russian Literature for Germany, and thence for the world at large. Herr Lange thinks he selected the title Senilia out of modesty, - and this may well be, for Turgenieff invariably displays the modesty of the true artist, and was indeed, rather disposed to under value his contributions to the literature of his country."[১]

'কথা-কবিতা' দুৱৰা ডাঙৰীয়াৰ প্ৰায় কুৰি বছৰ কাল ব্যাপি বিভিন্ন সময় আৰু বিভিন্ন অৱস্থাৰ অনুভূতিৰ চিত্ৰৰ সমাৱেশ। ডঃ কাকতিৰ ভাষাত - "ই তেখেতৰ কোমল বুকু ভেদ কৰি ওলোৱা বালিৰ নিজৰাৰ দৰে।" তেওঁ আকৌ কৈছে - "ৰূপকৰ ছলেৰে দুৱৰাই তেখেতৰ প্ৰহেলিকাময় জীৱনৰ ব্ৰতৰ কথা ঠায়ে-ঠায়ে ঠাঁৱেৰে কৈছে।".

কথা-কবিতাত ভাৱেই প্ৰধান বস্তু। কবিতাত চিত্ৰ থাকিব পাৰে, কিন্তু চিত্ৰ কল্পনাই কবিতাৰ উপজীব্য হ'ব নোৱাৰে। কথা-কবিতা চিত্ৰধৰ্মিতাৰ ওপৰত প্ৰতিষ্ঠিত। কথা-কবিতা এবিধ কবিতাই, কিন্তু কবিত্বময়ী কথা-লিখাৰ ভংগী বা ভাষাৰ ৰীতি মাথোন। কথা-কবিতাত ৰূপৰ সমাৱেশ থাকে আৰু ই প্ৰায়েই ৰূপকাত্মক। কথা-কবিতাৰ ৰূপকাত্মক গুণ দুৱৰাৰ কথা-কবিতাত বিৰাজ কৰিছে।

'কথা-কবিতা'ৰ 'এখনি-চিঠি'ত দুৱৰাই লিখিছে,

"সেইদিনা পুৱা তিনি ঠাইৰ তিনিজন ল'ৰাই
একেলগে বং মনেৰে লুইত চাবলৈ যোৱা
কথাটো আজি মোৰ বৰকৈ মনত পৰিছে।
- হঠাতে এজনৰ নাওঁখনি চাঁত কৰি
কেনিবাদি আঁতৰি গ'ল। আন দুজনে বহুত
পৰ বিচাৰিও তাৰ একো উৱাদিহ নাপালে।
তেওঁলোকৰ আনন্দৰ জ্যোতি ম্লান হৈ
পৰিল, পুৱাৰ সেই উছাহ কমি আহিল।
অলপ পৰ গৈ এটা ঘাট পাই আনজনেও
তাতে তেওঁৰ নাও বান্ধিলে - কিন্তু ইজনে
নোৱাৰিলে। সোতৰ টানে তেওঁৰ নাও

১। Turgenieff, p. ii

উটাই লৈ গ'ল। এতিয়াও তেওঁ সোতৰ
মাজত নাৱৰ বুকুত।"

কবিতাত বহিৰংগ ৰূপটোৱেই সকলো নহয়, তাৰ অন্তৰ্নিহিত চৰিত্ৰৰ ওপৰতহে কবিতাৰ সৌন্দৰ্য নিৰ্ভৰ কৰে। কথা-কবিতাৰ ক্ষেত্ৰতো এই কথাৰ ব্যতিক্ৰম হ'ব নোৱাৰে। দুৰ্বাৰ কথা-কবিতাত তেওঁৰ ইন্দ্ৰিয়ানুৰক্তি স্বপ্নময় ভাবাবেগ হৈহে প্ৰকাশিত হৈছে। এনে ৰমন্যাসিক স্বপ্নময়তাই দুৰ্বাৰ কথা-কবিতাৰ ঘাই বৈশিষ্ট্য।

ডাঃ কাকতিদেৱে লিখিছে - "দুই এটি বিষয় বিদেশী মূলৰ পৰা অনা হৈছে, কিন্তু সেইবোৰকে বুকুৰ তপত তেজৰ উম দি সজীৱ কৰি তোলা হৈছে।" এইখিনিতে ডাঃ কাকতিদেৱৰ এই মতৰ লগত একমত হোৱাত কিছু অসুবিধা। কথা-কবিতাৰ প্ৰতিটো কবিতাতে দুৰ্বাদেৱৰ বুকুত তপত তেজৰ উম আছে যদিও টুৰ্গেনিভৰ 'poems in prose' ৰ পৰা পোৱা কবিতা সমূহৰ বেচি ভাগেই অনুবাদ সদৃশ। উদাহৰণ স্বৰূপে - 'এজনী বুঢ়ী', 'কুকুৰ', 'এপাহি গোলাপ', 'মগনিয়াৰ', 'শেষ দেখা, ইত্যাদি। দুৰ্বাদেৱৰ 'কথা-কবিতা' ত টুৰ্গেনিভৰ বাহিৰেও দক্ষিণ আফ্ৰিকাৰ মহিলা সাহিত্যিক অলিভ শ্ৰীনাৰৰ (Olive Schreiner) গদ্য-কবিতা ড্ৰীম (Dream) বোলা কিতাপখনৰো এটি দুৰণিৰটীয়া প্ৰভাৱ পৰা যেন লাগে। টুৰ্গেনিভৰ 'poems in prose' ত মুঠ পঞ্চাশটা কথা-কবিতা আছে।[1]

অলিভ শ্ৰীনাৰৰ 'ড্ৰীম' নামৰ কিতাপখনৰ উচৰ্গাতি এনেদৰে লিখা আছে-

To A small Girl-child
Who may live to grasp
Somewhat of That which for us
is yet sight, not touch.

'কথা-কবিতা'ৰ 'এখন - চিঠি'ৰ ভাব - অনুভূতিৰ লগত শ্ৰীনাৰৰ এই ভাব

১। Contents (p 878)

1. In the village, 2. A dialogue, 3. The old woman, 4. The Dog, 5. My Adversary, 6. The Beggar, 7. 'The fool's jadgement Thou wilt hear, 8. A contented man, 9. Rule of life, 10. The End of the world, 11. Masha, 12. A Blockhead, 13. An Esern tale, 14. The two poets, 15. The sparrow, 16. The Bkulls, 17. The workling man and the man with the white hands, 18. The Rose, 19. In Memordam I. P.W. - Skaya 20. The last Good-bye, 21. A visit, 22. Necessitas-vis-liberias, 23. The Alms, 24. The loseet, 25. Cabbage soup, 26. The fields of the Best, 27. Which is the Rlober? 28. The old man, 29. The Reporter, 30. The two Brothers, 31. The Egolst, 32. Jupiter's Feast, 33. The Sphlox, 34. The Nymphs, 35. Friend and Foe, 36. Christ.

1872-1882

37. The stone; 38. The Doves, 39. To-morrow, To-morrow, 40. Nature, 41. "Hang Him", 42. On the sea, 45. N. N., 46. Abide, 47. The monk, 48. Weare still at war, 49. Prayer, 50. The Russian language.



অনুভূতিৰ সাদৃশ্য আছে। শ্ৰীনাৰৰ গদ্য-কবিতাৰ দুৰ্বাই হুবহু অনুবাদ কৰা নাই। শ্ৰীনাৰৰ ভাবৰহে সাঁচ পৰিছে। 'Dream' ত মুঠ এঘাৰটা গদ্য-কবিতা আছে।[2]

'কথা-কবিতা'ত মুঠ দুকুৰি সাতোটা কবিতা আছে। ইয়াৰ মাজেৰে কবিৰ ব্যক্তিগত অনুভূতিক বিশ্বজীৱন ৰচনাৰ উপাদান কৰিব পৰা শক্তিতহে দুৰ্বাৰ কৃতিত্ব প্ৰকাশ পাইছে।

'কথা-কবিতা'ৰ প্ৰথমটি পাঠ 'দেৱী'ত দুৰ্বাৰ কল্পনা সুন্দৰীৰ এটি ধাৰণা পোৱা যায় আৰু সেয়া নিজৰো চিনাকি। এই কথা কবিতাটোৰ টুৰ্গেনিভৰ 'A visit' নামৰ কথা-কবিতাটোৰ লগত সাদৃশ্য আছে।

'A visit - "I sat at the open window........ early, very early morning of the first of May.

The horizon was not yet red with the glow of morning, but it had already become pale, and the dark, mild night was passing into the child hour of dawn." (p 72)

'দেৱী' - 'ৰাতি পুৱাওঁ পুৱাওঁ হৈছে, ভালকৈ পোহৰ হ'বলৈ এতিয়াও বাকী আছে, এতিয়াও পুৱাৰ সুকুমাৰ কণক কিৰণে ধৰণীৰ গছ লতাৰ গাত সোণোৱালী ৰহন সনা নাই, এই মাথোন পুৱাৰ শীতল সমীৰ ধীৰে ধীৰ বৱলৈ ধৰিছে।

মই মোৰ খোটালীৰ মেলি থোৱা খিৰিকিৰ ফালে মুখ কৰি বহি আছো। ফাগুন মাহ, ৰতৰ ফৰকাল, ক'তো অকণো ভাৱৰ দেখা নাই।' (পৃঃ১)

'A visit' - Suddenly, with a slight rustling sound, a large bird flew through the open window into the room." (p. 72)

"I trembled and looked.......... It was not bird, It, was a small winged female figure in a close-fitting, long, flowing robe." (p.73)

'দেৱী' - 'হঠাতে মোৰ খিৰিকিয়েদি এটি ধুনীয়া চৰাই উৰি আহি মোৰ কোঠালীত সোমোৱাৰ শব্দ শুনিলোঁ। মই চকুমেলি চালোঁ। দেখিলো, চৰাই নহয় - এজনী পাখি থকা মাইকী মানুহ - দেৱী নে মানৱী ক'ব নোৱাৰো।' (পৃঃ ১)

কবিৰ 'তোমালৈ' কবিতাটিতো একে ধ্বনি প্ৰতিধ্বনিত হৈছে।

"সপোনৰ প্ৰথম পুৱাত
সাৰ পাই উঠিলো যেতিয়া
দেখিছিলো তোমাৰ ছবিটি

২. The Lost joy, 2. The Hunter, 3. The Gardens of pleasure. 4. In a Far-off world, 5. Three Drama in a Desert, 5. A Drama of wild Dream of wild Bees, 7. In a Ruined Chapel, 8. Life's Gifts, 9. The Arid a Secect, 10. I thought stood, 11. The Bunlight lay across my bed.

জীৱনত প্ৰেমৰ অমিয়া।

ধীৰে ধীৰে বলিছে বতাহ
কাণে কাণে বাতৰি বিলাই,
আকাশত তৰাৰ পোহৰ
এতিয়াও মাৰ যোৱা নাই।"

'এজনী বুঢ়ী' কথা-কবিতাত এজনী বুঢ়ী বুলি নিয়তিক বুজাইছে। এই বুঢ়ী-ৰূপা নিয়তিৰ ভয়ত কবিয়ে পলাবৰ যতন কৰিছে। কিন্তু নিয়তিৰ হাতৰ পৰা কবি ৰক্ষা নপৰিল। আনহাতে 'শূন্য পৰিচয়' কবিতাটিত এই নিয়তিৰ হাততে ধৰি কবিয়ে সিপাৰৰ নজনা দেশলৈ যোৱাৰ পৰিকল্পনা কৰিছে।

'নিচিনা বাটেদি মোক নজনা দেশৰ পিনে
নিয়তিয়ে হাতধৰি নিব আওবাই।'

টুৰ্গেনিভৰ 'The old woman' নামৰ কথা কবিতাৰ ই হুবহু অনুবাদ। 'The old woman' - "I was walking along across a wide field. Suddenly I heard light, cautious steps behind me........ Some one was following me. 'Who are thou? What dost thou want of me? Art thou a beggar? Dost thou desire an alms?' The old woman answered not'... (p. 11)

'এজনী বুঢ়ী- 'এখন মুকলি পথাৰৰ মাজেদি মই অকলে গৈ আছিলোঁ, হঠাৎ মোৰ পাছত লাহে-লাহে পৰা ভৰিৰ খোজ শুনিবলৈ পালোঁ - কোনোবা যেন মোৰ পাছে পাছে আহিছে.........।

মই তাইৰ কাষলৈ আগবাঢ়ি গ'লো - তাই থিয় হৈ ব'ল। 'তই কোন? তোক কি লাগে? তই মগনিয়া নেকি? ' বুঢ়ীজনীয়ে একোকে নামাতিলে।' (পৃঃ ৩)

'The Old Woman' - " All at once I see before me in the distance the same black spot; Now it floots, it crups towards me :

'O God : I look round me ......... The hag regards me fixedly, and a conteptous smile distorts her toothless mouth ....... No. escape" (p. 14-15)

'এজনী বুঢ়ী- "মই তাইৰ কাষৰ পৰা আহি আকৌ আগবদৰেই বাট বুলিবলৈ ধৰিলোঁ, - আকৌ মই সেই ভৰিৰ খোজবোৰৰ পাছে পাছে শুনিবলৈ পালে - কোনোবা যেন চোৰৰ দৰে মোৰ পাছে পাছে আহিছে।

সৰ্বনাশ। এইখন মৰিশালি, এ, মই বুজিলো এতিয়া, তাই মোক ইয়ালৈকে আনিছিল। ........ মই কি কৰোঁ, ক'লৈ যাওঁ। ভয়ত চাৰিওফালে চাবলৈ ধৰিলোঁ। নাই ৰক্ষা নাই, (পৃঃ ৩-৫)



'চহকী মানুহ' কথা-কাবিতাটিত দুৱৰাই মানৱতাৰ জয়গান গাইছে। এই কথা-কবিতাটো 'Which is the Richer' নামৰ কথা-কবিতাটোৰ অনুবাদ।

'Which is the Richer'- "When in my hearing rich Rothschild is praised - who gives away thousands form his huge income, where by children are educated, the sick healed, and old people taken care of, - I am touched, and praised such deeds." (p. 90)

'চহকী মানুহ' - ধনকুবেৰ ৰথচাইল্ডৰ কথা মই বহুত দিনৰ পৰা শুনি আহিছোঁ, তেওঁৰ সেই অগাধ সম্পত্তি দুখীয়াৰ উপকাৰ, দেশত শিক্ষা বিস্তাৰ, জাতীয় উন্নতি ইত্যাদি নানা সৎকাৰ্যত তেওঁ অকাতৰে ব্যয় কৰিছে। তেওঁৰ যেতিয়া এইবিলাক পৰহিতকৰ কাৰ্যলৈ মন কৰোঁ, সঁচা-সঁচিকৈয়ে তেতিয়া তেওঁলৈ মনত অসীম শ্ৰদ্ধা আৰু ভক্তিৰ উদ্ৰেক হয়।" (পৃঃ ৬)

'শেষ দেখা' কথা-কবিতাটিত টুৰ্গেনিভৰ 'The last Good-bye' ৰ হুবহু অনুবাদ। 'এজনী বুঢ়ী'ৰ দৰে ইয়াৰ নিয়তিজনীকো কবিয়ে এগৰাকী মাইকী মানুহৰূপে কল্পনা কৰিছে।

'The last Good-bye' - "Once we are close friends ...........

But there came an unhappy moment - and we parted as enemies.

Many years clapsed ......... Then I was passing through the town he lived in. I heard that he lay hopelessly ill, and that he wished to see me.

I went, I entered his chamber, our eyes met." (p. 70)

'শেষ দেখা' - আমি এসময়ত দুয়ো নলে-গলে লগা বন্ধু আছিলোঁ, কিন্তু কি কুক্ষণত আমাৰ দুয়োৰো মাজত দ্বন্দ লাগিল- শেহত লগ এৰা-এৰি হ'ল। বহুত বছৰ পাৰ হৈ গ'ল, এদিন তেওঁ থকা ঠাইখনলৈ আহি শুনিলোঁ যে তেওঁৰ বৰ টান নৰিয়া, মোক চাব খুজিছে। মই একেবাৰে তেওঁৰ খোটালীত থিয় হ'লোঁগৈ, - আমাৰ চকুৱে চকুৱে দেখা-দেখি হ'ল।" (পৃঃ ৭)

'শেষ দেখা'ত দুৱৰাৰ ৰহস্যবাদী ভাবধাৰা প্ৰকাশিত হৈছে। ইয়াত কবিয়ে মৃত্যু বুলি আত্মাক সম্বোধন কৰিছে। আন বহুতো ৰহস্যবাদী আৰু তত্ত্বদৰ্শী লোকেও মৃত্যুক অতি আপোন বুলি উপলব্ধি কৰি তাৰ যশ-গান গাইছে। কবি যতীন্দ্ৰনাথ দুৱৰাদেৱেও মৃত্যুৰ মাহাত্ম্য উপলব্ধি কৰিব পাৰিছে আৰু সেয়ে তেওঁ ক'ব পাৰিছে যে মৃত্যুৱে জীৱনৰ সকলো দুখ নাইকিয়া কৰিব পাৰে।

দুৱৰাৰ 'মগনিয়াৰ' কথা-কবিতাটোৰ লগত টুৰ্গেনিভৰ 'The Beggar' ৰ সাদৃশ্য আছে। ইয়াৰ মাজেৰে কবিয়ে দৰিদ্ৰৰ আন্তৰিকতা প্ৰকাশ কৰিছে।

'The Beggar' - " I was walking along the street. A Beggar, a feeble old man, stopped me. Inflamed, watery eyes, blue lips, rags and tatters, ugly sores - Oh, how terribly had want gnawed that miserable creature :

He held out to me his swollen, red, dirty hand. He gnawed and begged for help in the usual style." (p. 21)

'মগনিয়াৰ' - "মই বাটেদি গৈ আছিলোঁ - এটা বুঢ়া বেমাৰী হাড়-ছাল ওলোৱা মগনিয়াৰ আহি মোৰ ওচৰত থিয় হ'লহি।

তাৰ ওঁঠ শেতা, চকু দুটা ৰঙা আৰু গাত ফটা কাপোৰ হবি হবি। সি দুখত পৰি কেনেকুৱা হৈছে - চকুৰ আগতে দৰিদ্ৰতাৰ কেনে জ্বলন্ত শোকলগা দৃশ্য। সি সেই উখহা অপৰিষ্কাৰ হাতখনি মেলি মোক সহায় কৰিব খুজিছিল।... মগনিয়াটোৱে তেতিয়াও মোৰ ওচৰতে হাত পাতি থিয় হৈ আছে - আৰু তাৰ দুৰ্ব্বল শৰীৰ কঁপিবলৈ ধৰিছে।" (পৃঃ ৯)

'কথা-বাৰ্তাত' টুৰ্গেনিভৰ 'A Dialogue' ৰ ছাঁ পৰিছে।

*'A Dialogue'* - "The highest summits of Alps .........

A complete chain of steep, rocky precipices..... In the very heart of the mountains.

Above the mountaines apple-green, bright, silent sky, piercing, intense cold, hard, glitering snow, and above the snow risedark, ice-covered, tempest-beater, rocky peaks." (p. 7)

'কথা-বাৰ্তা' - "ওখ-ওখ পৰ্বতশাৰী পৃথিৱীৰ বুকু ফালি গগণ ভেদিবলৈ উঠিছে, যেনিয়েই চোৱা, তেনিয়েই শিলাময় পৰ্বত - মানুহৰ ভৰিৰ চিন এতিয়াও ইহঁতৰ বুকুত পৰাহি নাই।

পৰ্বতবোৰ হিমেৰে ঢকা, সদায় কণকণীয়া শীতল বতাহ বৈ আছে, ওপৰত অনন্ত নীৰৱ নীল আকাশ তলত এখন বিস্তীৰ্ণ শুভ্ৰ বৰফৰ ৰাজ্য।" (পৃ- ১০)

'কাইলৈ' নামৰ কথা-কবিতাটোৰ লগত টুৰ্গেনিভৰ 'To-morrow! To-morrow! নামৰ কথা-কবিতাটোৰ সাদৃশ্য আমি বিচাৰি পাওঁ। এই কথা-কবিতাটিৰ মাজেদি কবিয়ে মৃত্যুৰেই যে জীৱনৰ চৰম লক্ষ্য আৰু পৰিণতি তাক পুনৰ স্বীকাৰ কৰি লৈছে। কবিৰ 'সপোনৰ সুৰ' কবিতাটিত একে সুৰৰ মূৰ্চ্ছ উঠিছে।

'To-morrow-To-morrow!' "How empty and flat and worthless we think almost every day when it is gone! How insignificant the traces that it leaves behind! How dull its hours as they vanished one by one!



And yet man wishes to live; he clings to life; upon that, upon himself, and upon the future he builds all his hopes! Oh, how much happiness he expects from the future!" (p. 125)

'কাইলৈ' - "আমাৰ প্ৰায়েই প্ৰত্যেক যোৱাদিনবোৰ কেনে অলাগতিয়াল কামত মিছাকৈয়ে নষ্ট হৈছে, সময়-বালিত ইহঁতে কিবা অলপো চিন থব পাৰিছে নে? মাথোন জীৱনৰ ঘৰ শূন্যেৰেই পুৰাই দিনৰ পাছত দিন গৈয়ে আছে।

তথাপি মানুহে জীয়াই থাকিবলৈ ইচ্ছা কৰে, তেওঁ জীৱনক মৰম কৰে, বৰ ভাল পায় আৰু বুকুত আশা বান্ধি ভৱিষ্যতৰ ফালে চাই থাকে - মনে মনে ভৱিষ্যত - পটত কত ধুনীয়া ধুনীয়া সুখৰ ছবি আঁকিবলৈ ধৰে।" (পৃ - ১২)

"আজি মোৰ হ'হা ফুল পাহি
কালিলৈ লেৰেলি শুকায়,
আজি যাক বুকুৰে সাবটো
কালিলৈ কেনিবা পলায়।
সংসাৰৰ সুখৰাশি ক'ত?
খন্তেকীয়া বিজুলী পোহৰ,
আজি মাথো মিচিকিয়া হাঁহি,
কালিলৈ ধেমালিৰ ওৰ।"

'এজন বুঢ়া মানুহৰ'ৰ ওপৰত টুৰ্গেনিৰ্ভৰ 'The old man' ৰ প্ৰভাৱ পৰিছে।

'The old man' - "Gloomy heavy days have begun Thine own sufferings, the trobubles of loved ones, the coldness and darkness of old age. Everything that thine heart has clung to, everything to which thou hast been devoted, passes away and disappeares." (p. 91)

'এজন বুঢ়া মানুহ' - "তুমি নিজে দুৰ্ব্বল গতি, শান্তি' নাই আৰু দিনে দিনে তোমাৰ মৰমৰ পাত্ৰসকলৰ দুখ বাঢ়ি যোৱা দেখিছা - তোমাৰ জীৱনত বিষাদৰ সুৰ বাজি উঠিছে। 'আন্ধাৰ আৰু ভয়ে তোমাৰ জীৱনৰ বাকীকেইটা দিনকো ঢাকিবলৈ আগবাঢ়ি আহিছে। তোমাৰ আদৰৰ সম্বল চকুৰ আগত লাহে লাহে ভাগি-ছিগি নাইকিয়া হৈ গৈছে। দুৰ্গম জীৱনৰ বাট পৰ্বতৰ দাঁতিয়েদি তললৈ নামি গৈছে।" (পৃ- ১৩)

দুৰৰাৰ বাবে অতীত সদায় সুন্দৰ, মনমোহা। বাৰ্ধক্যই জুৰুলা কৰা জীৱনকো অতীতৰ ৰঙীন ছবিয়ে বসন্তৰ বা বলাব পাৰে। 'অতীতক নেযাবা পাহৰি' কবিতাটিতো দুৰৰাই কৈছে -

"সুখে দুখে জীৱনৰ ফুৰে পাছে পাছে
অতীতৰ মধুৰ সপোন,
নিমিষতে বিষাদত ধৰেহি আগত
এৰি অহা প্ৰেমৰ দাপোণ।
অতীতৰ মধুৰ সপোন।।"

'এপাহি গোলাপ' কথা-কবিতাটিত কবিয়ে গোলাপ ফুলপাহিক প্ৰেমৰ প্ৰতীক স্বৰূপে কল্পনা কৰিছে। ইয়াৰ মাজেৰে কবিৰ ব্যক্তিগত জীৱনৰ ভাৱ প্ৰকাশ পাইছে। কবিয়ে কৈছে যে বিষাদভৰা প্ৰেম নিকা হয় তেতিয়া, যেতিয়া অনুশোচনাৰে দগ্ধ হয়। কবিয়ে 'বিদায় বেলাৰ পৰশ' কবিতাটিতো ফুলক প্ৰেমৰ প্ৰতীক ৰূপে কল্পনা কৰিছে -

"... মাথো দুয়ো ফুলা ফুল তুলি
যতনেৰে গঁথা মালা ধাৰি,
চেনেহৰে ডিঙিত পিন্ধাই
লাহে লাহে আহিম আঁতৰি।"
"মই দিয়া মালাধাৰি পুৰাত লেবেলি গ'লে
দিয়া যেন দলিয়াই নিজ হাতে টানি,
তোমাৰ পৰশ সেয়ে বিদায় বেলাত হ'ব
হ'ব সেয়ে জীৱনত মেলানি বাণী।"

'এপাহি গোলাপ'ত উল্লেখ কৰা দুধাৰি লোতক কবিৰ অন্তৰত জ্বলি থকা জুইৰ প্ৰতীক। 'এপাহি গোলাপ' টুৰ্গেনিভৰ 'The Rose' ৰ অনুবাদ। 'The Rose' - "It was in the last days of August.... Autoum was already approaching. The Sun was disappearing below the horizon. A sudden, violet shower of rain had just swept across the country." (p. 63) 'এপাহি গোলাপ'- "চ'ত মাহৰ শেহ পথ...।বসন্তৰ জেউতিয়ে এতিয়াও ধৰাৰ পৰা মেলানি মগা নাই।

বেলি মাৰ যাওঁ যাওঁ হৈছে। অলপ আগতে এজাক ডাঙৰ বৰষুণ হৈ গ'ল, ঘৰৰ আগত থকা ফুলনিখনে বৰষুণত গা-ধুই চিক্‌মিকাব লাগিছে আৰু তিতি থকা গছলতাবিলাক মাৰ যোৱা সূৰুযৰ শেষৰ কিৰণত জিলিকি পৰিছে।" (পৃ-১৪)

'The Rose' - "Tears wash away nothing, they only scorch" she answered, turning to the fireplace and throwing the flower into the dying flame.

"Fire scorches even better than tears", she cried with a certain



audacity; and the lovely eyes, still glistening with tears, smiled - defiant and happy." (p. 65-56)

'এপাহি গোলাপ'- "তেওঁ মাত লগালে - 'চকুৰ পানীয়ে নোধোৱে, মাথোন পোৰেহে'। এই বুলি কাষৰ জুহালত জ্বলি থকা জুইৰ মাজত সেই ফুলপাহি পেলাই দিলে। 'জুইয়ে চকুৰ পানীতকৈও ভালকৈ পোৰে।' এই বুলি তেওঁ অকলে হাঁহিবলৈ ধৰিলে, অথচ দুধাৰে চকুলো বৈয়ে আছে।" (পৃ-১৫)

দুৱৰাৰ 'ভিক্ষা' কথা-কবিতাটোৰ লগত টুৰ্গেনিভৰ 'The Alms' নামৰ কথা-কবিতাটোৰ সাদৃশ্য আছে। 'The Alms' - "In the Neighbourhood of a great city, on the broad high road, walked a sick old man.

He tottered in his gait, his fleshless feet moved with difficulty and uncertainty, stumbled and shuffled as if they did not belong to him; his clothing hung down in rags; his uncovered head had fallen on his breast.

His strength was totally exhausted.

He sat down on a stone by the wayside, bent forward, rested his elbows on his knees, and covered his face with both hands, - tears fell through the bent fingers on the dry, grey dust.

He was thinking of the past." (p. 77)

'ভিক্ষা' - 'এখন ডাঙৰ নগৰৰ ৰাজবাটেদি এজন বুঢ়া-বেমাৰী মানুহ অকলে অকলে গৈ আছিল, বাটত যাওঁতে তেওঁৰ গোটেই গাটো কঁপি কঁপি গৈছিল, ভৰি দুখনে তেওঁৰ দুৰ্বল শৰীৰৰ ভাৰটো কথমপিহে সহিব পাৰিছে আৰু কোনোমতে চুচৰি বাগৰি তেওঁ লাহে লাহে বাট বুলিছে। তেওঁৰ গাত ফটা কাপোৰ, মুখখন শেতা আৰু ক্ষীণোৱা।

বাটৰ কাষত থকা এডোখৰ শিলৰ ওপৰতে তেওঁ গালে-মূৰে হাত দি বহিলগৈ। দুখ-বেজাৰৰ চিন্তাই তেওঁক বেঢ়ি ধৰিলে - তেওঁৰ শুকান হাড়ছাল লগা আঙুলি কেইটাৰ মাজেদি বাগৰি বাগৰি চকুলো মাটিত পৰিবলৈ ধৰিলে।

হায়, তেওঁৰ মনত পৰিছে .............। তেওঁৰ সেই অতীতৰ সুখ-সম্পদৰ কথা মনত পৰিছে।" (পৃ- ১৬)

'এটা মূৰ্খ মানুহ' দুৱৰাৰ আন এটা উল্লেখযোগ্য কথা-কবিতা। ইয়াৰ জৰিয়তে কবিয়ে জীৱনৰ দলত মূৰ্খ মানুহে যে প্ৰতিপত্তি লাভ কৰিব পাৰে তাকে প্ৰতীয়মান কৰিছে। এই কথা-কবিতাটো টুৰ্গেনিভৰ, 'A Block head' ৰ অনুবাদ।

'A Block head' - "There was once a blockhead"

For a long time he lived happy and contended , till at last the

rumour reached his ears that he was generally regarded as a brainless fool.

That made the Blockhead melancholy, and he bagan in his dejection to think how he could put an end to this disagreeable report." (p. 38)

'এটা মূৰ্খ মানুহ' - "এসময়ত এটা মূৰ্খ মানুহ আছিল। বহুত দিন সি খাই বৈ শান্তিৰে কাল কটাইছিল। কিন্তু লাহে-লাহে সি শুনিবলৈ পালে যে ওচৰ চুবুৰীয়াবিলাকে তাক মাথোন এটা সামান্য নিৰ্বোধ বুলিহে ভাবে। সি মনে মনে বৰ লাজ আৰু বেজাৰ পাই, কি কৰিলেনো তাৰ এই বদনামটো যাব তাকে ভাবিবলৈ ধৰিলে।" (পৃ- ১৯)

"বাতৰি কাকতৰ সংবাদদাতা " টুৰ্গেনিভৰ 'The Reporter' ৰ অনুবাদ।

'The Reporter' - "Two friends were sitting at table drinking tea.

Suddenly a loud noise arose in the street. Piteous groans, violent insulting words and loud peals of malicious laughter." (P. 93)

'বাতৰি কাকতৰ সংবাদদাতা' - "দুজন বন্ধুৱে একেলগে বহি চাহ খাই আছিল - হঠাৎ তেওঁবিলাকে বাটত এটা ডাঙৰ গণ্ডগোল হোৱা শুনিবলৈ পালে, কোনোবাই যেন কাৰবাক ধৰি খুব গালি পাৰিছে আৰু মাৰিছে।" (পৃ-২২)

'মোৰ লগৰীয়া' কথা-কবিতাটিত কবিয়ে প্ৰথমে নিজৰ অকলশৰীয়া মনটোৰ পৰিচয় দিছে আৰু প্ৰেমৰ জয়গান গাইছে। 'মোৰ লগৰীয়া'ৰ ওপৰত টুৰ্গেনিভৰ 'The fields of the Blest' ৰ ভাবৰ এটি দূৰণিবটীয়া সাদৃশ্য বিচাৰি পোৱা যায়।

'The fields of the Blest' - "I sat with a number of companions on a slateley, beautifully - adorned vessel. Like the breast of a swem the swelling sail rounded itself under the gay streamers.

I did not know my companions; but I felt with my whole soul that they were young, glad and happy, like myself.

I did not even look at them. I saw around only the shoreless, azure sea, which, in the play of the waver, was covered with what looked like golden seales. And above my head the same shoreless azure sea - in which the kindly smiling sun moved in triumph." (p. 87)

'মোৰ লগৰীয়া' - "মই অকলশৰীয়া, মোৰ কোনো লগৰীয়া নাই। মই নিজেই



নিজৰ কামত ব্যস্ত থাকো, আইনৰ ফালে চাবলৈ মোৰ সময় নাই। মই অকলে ফুৰোঁ, হাঁহো, কান্দো আৰু অকলে আপোন মনেৰে নিজেই নিজৰ লগত কথা পাতোঁ। জীৱনত মোৰ ইয়াকেই ভাল লাগে, আইনৰ লগত বিশেষ মোৰ একো সম্বন্ধ নাই। ভাবিছিলোঁ, আইনৰ সুখ-দুখলৈ আওকাণ কৰি এনে দৰেই জীৱনটো কটাই দিম।

কিন্তু হঠাতে এদিন বসন্তৰ প্ৰথম পুৱাতে সাৰ পাই উঠি দেখোঁ যে মোৰ ধেমালি কৰা ঠাই ডোখৰৰ ওচৰতে আৰু এজন কোনোবা আহি বহি আছেহি।" (পৃ- ২৩)

প্ৰেমৰ কবি দুৰৰাই জীৱনৰ লগৰীয়া হিচাপ প্ৰেমকেই বাছি লৈছে। ইয়াৰ জৰিয়তে কবিয়ে ব্যক্তিগত প্ৰেমৰ কথা কৈছে। কবিয়ে অমূৰ্ত প্ৰেমৰ সংগসুখ উপভোগ কৰিছে। কবিৰ জীৱনত প্ৰেমেই যথা সৰ্বস্ব। প্ৰেমৰ বাবে তেওঁ প্ৰাণো বিসৰ্জন দিব পাৰে। কবিৰ জীৱনলৈ নৱ বসন্তৰ উন্মেষ আনিছে প্ৰেমে। এই প্ৰেমেই তেওঁৰ কল্পনাৰ 'দেৱী', প্ৰেম আৰু সৌন্দৰ্যৰ অদ্বৈত ৰূপেৰে উজ্জ্বল এটি স্বপ্নময় সত্ত্বা।

দুৰৰাৰ 'এটি টিপচি চৰাই' কথা-কবিতাটো টুৰ্গেনিভৰ 'The Sparrow' নামৰ কথা-কবিতাটোৰ ভাঙনি। ইয়াতো কবিয়ে প্ৰেমৰ জয়ধ্বনি তুলিছে। তেওঁৰ 'প্ৰেমৰ সুৰ' কবিতাটিতো তাৰেই প্ৰতিধ্বনি শুনা যায়। কবিৰ হিয়া আছিল প্ৰেমৰ ভঁড়াল আৰু তেওঁৰ হিয়াত কেৱল প্ৰেমৰ সুৰ বজাটোৱেই কবিৰ কাম্য।

'The Sparrow' - " I was coming back from shooting, and was passing, along a garden-walk. My dog was running before me, Suddenly he began to move slowly and then to crup along as if he scented game." (p. 54)

'এটি টিপচি চৰাই' - "মই চিকাৰৰ পৰা উভতি আহি ফুলনিখনৰ মাজেদি গৈ আছোঁ, কুকুৰটো মোৰ আগে লৰি গৈছে। হঠাতে সি মাজ বাটৰ পৰা আঁতৰি কিবা এটা ধৰিবলৈ যোৱা দি লাহে-লাহে যাবলৈ ধৰিলে।" (পৃ- ২৮)

"সাগৰত আছে মুকুতাৰ ৰাশি
সৰগত জলে তৰা,
মৰততো মোৰ এই হিয়াখনি
অতুল প্ৰেমেৰে ভৰা।"
"আহা কাষলই বীণখনি লই
গোৱা গীত সুমধুৰ,

দিনে ৰাতি মোৰ বাজক হিয়াত
অনন্ত প্ৰেমৰ সুৰ।"

দুৰ্বাৰ 'সপোন' কথা-কবিতাটিৰ লগত টুৰ্গেনিভৰ 'The Insect' কথা-কবিতাটিৰ সাদৃশ্য আছে। ইয়াৰ মাজেৰে দুৰ্বাই মৃত্যুৰ ইংগিত দিছে। 'সপোন'ৰ যৌৱনকো মৰিমূৰ কৰা গুডাল ভয়লগা পোকটো কবিৰ মৃত্যু কামনাৰে ৰূপকাত্মক প্ৰকাশ।

'The Insect' - "I dreamt that some twenty of us sat in a large apartment with open window." (p. 81)

"Suddenly the insect seemed to look straight at him, flew up, lighted on his head clung close, and pierced him above the eyes right through to the brain." (p 83)

'সপোন' - "এদিন সপোনত মই কিছুমান লগৰীয়াৰে সৈতে এটা বহল মুকলি কোঠালীত বহি থকা যেন দেখিছিলোঁ। ... সেই ডেকাজনে আমালৈ তেনেকৈ চাই থাকোতেই সি হঠাতে তেওঁৰ ফালে উৰি গ'ল আৰু ঠিক চকুদুটাৰ মাজৰ কপালৰ ঠাই ডোখৰত কামোৰ মাৰি দিলেগৈ।" (পৃ- ৩৪-৩৫)

'কুকুৰ' নামৰ কথা-কবিতাটিত মৃত্যু, মানৱ আৰু কুকুৰৰ প্ৰতি ফুটি উঠা কবিৰ দৃষ্টিভংগী প্ৰকাশ পাইছে। উল্লেখযোগ্য যে 'কথা-কবিতা'ৰ কোনো কোনো সংস্কৰণত এই 'কুকুৰ' নামৰ কথা-কবিতাটো বাদ দিয়া হৈছিল। এই কথাটো তাৎপৰ্যপূৰ্ণ। উল্লেখযোগ্য যে ইং ১৮৮০ চনত পুশ্বকিনৰ আশী বছৰীয়া জন্ম বাৰ্ষিকীত টলষ্টয়ে কথা-কবিতা পাঠ কৰিবলৈ দিয়াত টুৰ্গেনিভে 'The Dog' নামৰ কথা-কবিতাটো পঢ়ি শুনায়। ইয়াত মৃত্যু, মানৱ আৰু কুকুৰৰ প্ৰতি ফুটি উঠা দৃষ্টভংগীয়ে টলষ্টয় আৰু তেওঁৰ বন্ধু এজনৰ মনত অসন্তুষ্টিৰ ভাব জগাই তোলে। ফলত তেওঁলোকৰ মাজত এক অশান্তিকৰ আৰু হাস্যাস্পদ পৰিবেশৰ উদ্ভৱ হৈছিল।

যজ্ঞেশ্বৰ শৰ্মাই লিখিছে, 'কলিকতাত দুৰ্বাৰ ঘৰত বহা বৈঠক তেওঁৰ ইচ্ছামতে পাঠ কৰা কবিতাটোৰ তলত দিয়া অংশ তেওঁক দুবাৰ-তিনিবাৰ ঘূৰাই ঘূৰাই পঢ়ি শুনাবলগীয়া হৈছিল।

Thou hast a home beautiful bird; thou voyagest to thine home.
Where thy sweet mati will twine her downy neck
With thine and wel come thy return with eyes
Bright in the lusttre of thier own fond joy
And what am I that I should linger here
With voice for sweeter than thy dying notes



Spirit more vast than thine, jrame more attend
To beauty, wasting there surpassing powers
In the deaf air, to the blind earth.

দুৰ্বাৰ কথা-কবিতাৰ পাঠকে দুই -এটা কথা-কবিতাত এই ইংৰাজী কবিতাৰ সুৰ শুনিবলৈ পাব।"

টুৰ্গেনিভৰ এই 'The Dog' বেই অনুবাদ হ'ল দুৰ্বাৰ কুকুৰ। 'The Dog' - "We two sit in the room together - my dog and I. Out side roars a violent storm.

The dog sits close to me. He looks straight into my eyes, - and I look straight into his eyes.

I uderstand that at this moment the same feeling possesses him and me - that not the slightest difference exists between us. We are being of like kind. In each of us shines and glows the same trembling spark." (p 16)

"No : It is not a beast and a man that exchange those looks." (p. 17)

'কুকুৰ' - "আমি দুয়ো খোটালীটোৰ ভিতৰতে, মই আৰু মোৰ কুকুৰটো। বাহিৰত ধুমুহা, বতাহৰ হোঁ-হোঁৱনি আৰু মেঘৰ গাজনি।

কুকুৰটোৱে মোৰ আগতে বহি মুখৰ ফালে চাই আছে। ময়ো তাৰ মুখৰ ফালে চালোঁ, দেখিলোঁ সিও মোক কিবা ক'ব খুজিছে।

মই বুজিছো যে ঠিক এই মুহূৰ্ততে তাৰ আৰু মোৰ মনৰ ভিতৰত একেটা ভাবেই খেলাইছে। আৰু বুজিছো, এতিয়া তাৰে মোৰে কোনো প্ৰভেদ নাই। আমি দুয়ো একে, আৰু দুয়োৰো অন্তৰতে একোটি কঁপি থকা দীপ্তিয়েই জ্বলিছে।

.......... আমি মানুহ আৰু নহওঁ - মাথোন দুটি প্ৰাণী আৰু যি দুযোৰা চকুৱে দুয়োৰে ফালে চোৱা চুই কৰিছে, এই দুযোৰা চকু একে লগৰীয়াৰ চকু।" (পৃ- ৩৮)

দুৰ্বাৰ 'প্ৰকৃতি' কথা-কবিতাটোৰ সাদৃশ্য বিচাৰি পোৱা যায় টুৰ্গেনিভৰ 'Nature' নামৰ কথা-কবিতাটোৰ লগত। ইয়াত দুৰ্বাই মুখামুখি হোৱা তিৰোতা গৰাকী আন কোনো নহয়, সেয়া প্ৰকৃতি দেৱী। আনহাতে দেৱীত সন্নিবিষ্ট মাইকী মানুহ গৰাকী দুৰ্বাৰ কল্পনা সুন্দৰী।

'Nature' - " I dreamt, I was in a great subterranean hall with high vaulted roof. It was quite filled with a uniform, subterranean light." (p. 127)

'প্ৰকৃতি' - 'টোপনিতে দেখিলোঁ, মই পৰ্বতটোৰ ভিতৰলৈ নামি গলোঁ আৰু

এটা মন্দিৰৰ সন্মুখত থিয় হ'লোগৈ। মন্দিৰটোৰ ভিতৰত ৰব বেছি পোহৰ নাই, বাট দেখিবৰ কাৰণে মাথোন অলপমান পোহৰ আছিল।

মন্দিৰৰ ঠিক সোঁ-মাজতে সেউজীয়া পোছাক পিন্ধি গম্ভীৰ মূৰ্তিৰে এগৰাকী তিৰোতা বহি আছিল।" (পৃ-৩৯)

'তুমি মোক ভালপোৱা শুনিলেও হাঁহি উঠে, হ'ব পাৰে ইও এটি সপোনৰ ৰেখা' বুলি অন্তৰ উজাৰি কৈ পেলোৱা কবিয়ে জীৱনৰ যৌৱনত কেতিয়াবা, ক'ৰবাত উজুটি খাইছিল বুলি সন্দেহ হয়। কিন্তু জীৱনৰ বিয়লি বেলিকা সেই প্ৰশ্নৰ উত্তৰ দিছিল, "কাহানিবা যদি-মোৰ জীৱনত প্ৰণয়ৰ ঢল নামিছিল, সেয়া কাব্য-দেৱীৰ মানস প্ৰণয়।" কবিয়ে প্ৰকৃতি-দেৱী, সুন্দৰী-দেৱী, কাব্য-দেৱী সকলোৰে ওচৰত যেন আত্মসমৰ্পণ কৰিছে।

'এটি গীত' নামৰ কথা-কবিতাত সন্নিবিষ্ট দেহবিচাৰ গীতটিত পাৰ্থিৱ বস্তুৰ ক্ষণ-ভংগুৰতা প্ৰকাশ পাইছে। ইয়াত নাও কবিৰ জীৱনৰ প্ৰতীক। ইয়াৰ মূল ভাব হ'ল - কবিয়ে জীৱনত কাবোবাৰ সংগ পাইছে। সেইক্ষণত পোৱা বাধা-বিধিনিৰ প্ৰতীক হিচাপে কবিয়ে পৰ্বত, চাকনৈয়াৰ উল্লেখ কৰিছে। সেই প্ৰাচীৰ পাৰ হ'ব পাৰিলেই কবি অসমী অনন্তৰ লগত মিলি যাব। কবি মিলি গ'ল তাৰ লগত। তাত কেৱল বিশালতা। সেই বিশালতাত কবিয়ে যেন উৰাদিহ হেৰুৱাই পেলাইছে। মৃত্যুৰেই যে অপাৰ্থিৱ সৌন্দৰ্য্যৰ দুৱাৰ মুকলি কৰে, এই কথা দুৰৱাই হয়তো বিশ্বাস কৰিছিল। তেওঁৰ মৃত্যু অনন্ত অসীম নীৰৱতা।

"আমাৰ আগৰ আৰু পাছৰ নাওঁবোৰ ক'লৈ গ'ল - ক'তো অলপো চিন নাই - সেই হাঁহি ৰং-ধেমালি ক'ত, কেনিও কাৰো এবাৰি মাত শুনিবলৈ নাই - নিমাত, নিতাল, শূন্য, এক মহান নীৰৱতা, একো বুজিব পৰা নাই। হায়! এই অনন্ত অসীম নীৰৱতাৰ মাজত আমি কোন, কেনি যাম, কোনে বুজাব?"

এই একে ভাৱৰে স্ফুৰণ ঘটিছে 'কথা-বাৰ্তা' নামৰ কথা-কবিতাটোত - 'ওখ-ওখ পৰ্বত শুলে, অনন্ত নীল আকাশ শুলে, অসীম বিশ্ব নিতাল মাৰি শুলে, জগত নিস্তব্ধ - প্ৰকৃতি নীৰৱ।"

"মৰম-ফুলনি' কথা কবিতাটিত দুৰৱাই 'শূন্য পৰিচয়'ত "নীৰৱে থাকিম বুলি সাজিছো ইয়াতে পঁজা" বুলি যি উল্লেখ কৰিছে, সেই পঁজাৰ পৰাই ওলাই আহি জুৰিৰ দাঁতিত বহিছেহি।

এই কথা-কবিতাটিত শ্ৰীনগৰৰ 'The Gardens of pleasure' নামৰ কথা-কবিতাটিৰ ছাঁ পৰা যেন লাগে।

'The gardens of pleasure' - She walked upon the beds, and the sweet rich scent arose; and she gathered her hands full of flowers. Then Duty, with his white, clear features, came and looked at her. Then she ceased from gathering, but she walked away among the flowers, smiling, and with her hands full." (p - 46)



But he followed her." (p. 47)

'মৰম ফুলনি' - "হঠাতে যেন কোনোবাই আহি মোৰ গাত হাত দিলেহি - দেখিলোঁ চকুৰ আগতে এটি মোহিনী মুৰ্তি যেন সৰগৰ পৰা নামি আহিছে - দেৱী নে মানৱী ক'ব নোৱাৰোঁ, তেওঁ হাতৰ ঠাৰেৰে মোৰ পাছে পাছে যাবলৈ ক'লে, মই যাবলৈ ধৰিলোঁ....।" (পৃ- ৪৫)

লগতে শ্ৰীনাৰৰ 'The Hunter' ত যেনেদৰে একোজন ব্যক্তিৰ লগত চিনাকি কৰি দিয়াৰ চলেৰে 'Wisdom', 'Truth' আদি শব্দৰ মহত্ব প্ৰকাশ কৰিছে, সেইদৰে দুৰৱায়ো দোকানৰ সামগ্ৰী হিচাপে চেনেহ, মৰম, দয়া, প্ৰীতি, ধৰ্ম ইত্যাদিৰ উল্লেখ কৰিছে।

'The Hunter' - "Who are you? asked the hunter.

'I am wisdom', answered the old man; but some men called me knowledge?

.......... And the hunter cried -

'Oh, you who have lived here so long, tell me, what is that great wild bird I have seen sailing in the blue? They would have me believe she is a dream; the shadow of my own head?

The old man smiled.

'Her name is Truth." (p. 21)

'মৰম ফুলনি - 'দোকানৰ বস্তুবোৰ একোখনি ঢপঢপীয়া বগা, কাপোৰেৰে বান্ধি একো একোটি টোপোলা কৰি তাৰ ওপৰত নাম লেখি সজাই থৈছে। বস্তুবোৰৰ নাম চেনেহ, মৰম, দয়া, প্ৰীতি, ধৰ্ম ইত্যাদি।" ( পৃ- ৪৬)

'এহালি পাৰ'ৰ মৰমৰ উমে কবিক অকলশৰীয়া জীৱনৰ কথা সোঁৱৰাই দিলে। কবিয়ে পাৰ যুৰিৰ দৰে কোনোবা মানসীক বুকুত সুমুৱাই অন্তৰৰ প্ৰেম বাকি দিব পৰা নাই। স্বাভাৱিকতেই কবিৰ অন্তৰ ভাগি পৰিল আৰু সেয়ে কবিয়ে 'মই অকলশৰীয়া' বুলি আক্ষেপ কৰিছে। কবিৰ এই অকলশৰীয়া ভাৱৰ মূৰ্ত প্ৰকাশ ঘটিছে তেওঁৰ 'পখিলা', 'অতীতক যোৱাহে পাহৰি, 'নাৰৱীয়া (ক)' কবিতাত।

"এনেদৰে নিতে নিতে নতুন ভাৱত
উৰোঁ মই অকলশৰীয়া।"

* * *

"সময়ৰ প্ৰতিশোধ, কোনে বাধা দিব?
জগতত অকলশৰীয়া",
*　　*　　*
"অকলশৰীয়া দেখোঁ ৰাতি হ'ল আজি
থাকিবানে আমাৰ ঘৰত?"

দুৰবাৰ এই 'এহালি পাৰ' কথা-কবিতাটি টুৰ্গেনিৰ্ভৰ 'The Doves' নামৰ কথা-কবিতাটিৰ অনুবাদ।

"The Doves - I stood upon the highest point of a gently sloping hill. Before me stretched a ripe field of rye like to a gold and silver glancing sea." (p. 121)

" The two ruftle up their plumage, and nestle close to each other - wing to wing. They feel so happy. And I too feel happy in looking at them......... though I am all alone .......... alone .......... as ever." (p. 124)

'এহালি পাৰ' - "মই পৰ্বতটোৰ ওপৰৰ হেলনীয়া ঠাই ডোখৰতে বহি আছোঁ। ওপৰত অনন্ত আকাশ, সন্মুখত অনন্ত সাগৰ। এতিয়া মাথোন আবেলি। - সূৰ্যৰ পোহৰ পৰি সাগৰৰ পানী সোণালী হৈ জকমকাব লাগিছে।" (পৃ- ৫৫)

"মোৰ ঘৰৰ আওলাৰ তলত ওলোমাইথোৱা পেৰাটোৰ ওপৰত পাৰহালিয়ে ইটিয়ে সিটিৰ পাখিত মুখৰ সুমুৱাই নিতাল মাৰি বহি আছে। ... এতিয়া দুয়ো আনন্দতে পাখিত পাখি লগাই কেনে বংমনে বহি আছে। - বাস্তৱিকতে সিহঁত এতিয়া কেনে সুখী-সিহঁতৰ সুখতে ময়ো সুখী - যদিও মই অকলশৰীয়া - চিৰকালেই অকলশৰীয়া।' (পৃ- ৫৬)

দুৰবাৰ 'এখনি মেলা' কথা-কবিতাটি টুৰ্গেনিভৰ 'Jupiter's Feast' নামৰ কথা-কবিতাটিৰ অনুবাদ।

'Jupiter's Feast' - "Jupiter once made a great feast in his azure palace.

All the virtues were invited. But only the female virtues ....... not gentlemen .......... only ladies.

A good many were present, great and small. The small virtues were more agreeable and amiable than the great ones; but all seemed very much pleased; and they conversed with one another in the friendliest manner possible, - as indeed is only becoming among



near relations and acquaintances." (p. 102)

'এখনি মেলা' - "এদিন অসীম সৌন্দৰ্য্যৰ অধীশ্বৰে, তেওঁৰ অনন্ত সৌন্দৰ্য্যৰ ৰাজ্যত এখনি মেলাৰ আয়োজন কৰিলে।

সেই মেলালৈ তেওঁ সকলো গুণৰ দেৱীসকলক নিমন্ত্ৰণ কৰিলে। মাথোন তেওঁলোকলৈহে এইখন মেলা, আনলৈ নহয়।

তাত সকলোবিলাক উপস্থিত হ'ল। ডাঙৰ, সৰু সকলোৱেই বাইভনীৰ দৰে মিলা-প্ৰীতিৰে মন খুলি আমোদ-প্ৰমোদত মত্ত হ'ল। (পৃ- ৫৭)

দুৰবাৰ 'শত্ৰু আৰু মিত্ৰ' আৰু টুৰ্গেনিভৰ 'Friend and foe' ৰ মাজত সাদৃশ্য আছে। 'Friend and Foe' - "A man condemmed to perpetual imprisonment had escaped, and sought safety in precipitale fight" The pursuers were at his heels.

He ran with all his might. - The distance between him and them become every moment greater.

But suddenly he sees before him a river with steep banks a river, narrow but deep and he can not swim:

A thin, half - rotten plank spans the stream. The fugitive had already placed his foot upon it... Now, bychance there stood on the river - bank his best friend and his bitterest foe.

His enemy did not say a word." (p. 111)

'শত্ৰু আৰু মিত্ৰ' - "সি এটা পোতাশালৰ বন্দী।

সি আজীৱন পোতাশালতেই কটাব লাগিব। প্ৰাণৰ কাতৰতাৰে লৰ মাৰি পলাইছে মুকলি আকাশৰ তলত, মুকলি বতাহত খন্তেকলৈ দেহি উশাহ লৈছে। ইফালে তাক বিচাৰি তাৰ পাছে পাছে মানুহে আহিব লগিছে।

সন্মুখত এখন নৈ। নৈখন সৰু কিন্তু বৰ দ আৰু সোত বৰ বেছি। দুয়োফালে ওখ ওখ গৰা পাৰ হবৰ আন একো উপায় নাই, মাথোন এডাল কাঠৰ সাঁকো, সিও পচা- মানুহৰ ভৰ সহিব নোৱাৰে, নৈৰ সিপাৰে আকৌ দুজন মানুহ বহি আছে - এজন তাৰ মিত্ৰ, আনজন মোৰ শত্ৰু।

নৈখন পাৰ হবই লাগিব - নহ'লে তাৰ মৰণ। সি সেই সাকোঁডালৰ ওপৰত উঠিল। তাৰ বন্ধুজনে চিঞৰি ক'বলৈ ধৰিলে - সৰ্বনাশ। কি কৰা? নামা নামা-নুঠিবা।' শত্ৰুজনে একোৰে মতা নাই, মাথোন তলমুৰ কৰি মনে মনে আছে।' (পৃ- ৫৮)

'শিল্পী' বোলা কথা-কবিতাটোক দুৰবাৰ কাব্য-জীৱনৰ মূল মন্ত্ৰৰ স্বীকাৰোক্তি

বুলি ক'ব পাৰি। "আজীৱন সৌন্দৰ্য-সাধনাই তেওঁৰ জীৱনৰ লক্ষ্য। আৰু এনেদৰে সৌন্দৰ্যৰ নীৰৱ সাধনাতেই তেওঁৰ জীৱন ঢালি দিছে।" শিল্পীৰ সৌন্দৰ্য স্পৃহাই এই পৃথিৱীত পূৰ্ণতা লাভ কৰিব পৰা নাই। সময়ৰ চিন-চাবলৈ মন নকৰি শিল্পীয়ে তেওঁৰ অন্তৰৰ সেউজীয়া ভাব সজীৱ কৰি নীৰৱ সাধনাৰে গঢ়া সৌন্দৰ্য্য প্ৰতিমাত প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ গৈ ব্যৰ্থ হ'ল। তাৰ পৰিবৰ্তে শিল্পীয়ে প্ৰতিমাৰ পৰা ইংগিত লাভ কৰিলে অনন্তৰ পিনে যাবলৈ। বিফলতা আৰু হাহাকাৰৰ দোদুল্যমান অৱস্থাত পৰি শিল্পীয়ে মৃত্যুক সাৱটি ল'লে। ইয়াৰ অৰ্থ হ'ল প্ৰেমৰ দৰে সৌন্দৰ্যও অনন্ত।

শিল্পীয়ে অনুভৱ কৰিছে যেন সময়েও তেওঁৰ ওচৰত হাৰ মানিলে। এই স্বীকাৰোক্তিৰ ধাৰা তেওঁৰ 'সীমায়ো দিয়েছি ধৰা' কথা-কবিতাত প্ৰতিধ্বনিত হৈছে - "মনৰ এধাৰি সোঁত, যিফালেই চাপৰ, সেই ফালেই বৈ যায় - কোনো হানি বিঘিনিৰ লেখ নেলেখে।"

কবিৰ এই শিল্পীমনে -

"মোৰ এই হিয়াখনি
জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা,
অন্তৰ জ্বলোৱা ছবি
অতীতৰ স্মৃতি লই
বুকুৰ তেজেৰে আছে অন্তৰতে আঁকা।"

বুলি পুনৰ প্ৰেমৰ লগতে সৌন্দৰ্য্যৰ অনন্তকে সোঁৱৰাই গৈছে।

দুৰবাৰ 'শিল্পীৰ ওপৰত শ্ৰীনাৱৰ 'The Artist's Secret' কথা-কবিতাটিৰ প্ৰভাৱ পৰিছে। ই তেওঁৰ ভাবানুবাদ। 'The Artist's secret' - There was an artist once, and he painted a picture. ..... He pained his with one colour, there was a wonderful red glow on it ; and the people went up and down, saying. 'we like the picture, we like the glow'. (p. 101).

'শিল্পী' - "তেওঁ এজন শিল্পী, পৰ্বতৰ ওখ টিঙৰ ওপৰৰ নিবলাত তেওঁৰ পঁজা। তেওঁ তাতেই অকলে পুৱা-গধুলি প্ৰকৃতিৰ বেহ-ৰূপ চাই নিজৰ ভাৱতেই কটাই দিয়ে। ........ জগতৰ এই সকলোখিনি সৌন্দৰ্য্যকেই বিশ্বৰ এই সকলোখিনি মনমোহা ছবিকেই দুটি এটি ৰঙৰ দাগেৰে বা শিলৰ বুকুতেই সজীৱ কৰি লবৰ চেষ্টাই তেওঁৰ জীৱনৰ প্ৰধান কাম।" (পৃ ৬০)

'The Artist's Secret' - ' ..... And one went to the fare fast and bought costly pigments, and made a rare colour and painted, but after a time the picture faded. Another read in the old books, and made a colour rich and rare, but when he had put it on the picture it

20150



was dead. But the artist painted on. Always the work got redder and redder; and the artist grew whiter and whiter." (p. 102)

"শিল্পী" - 'সময়ে সকলোৰে ওপৰতে চৰণৰ চাব বহুৱাই যায়, কিন্তু আমাৰ শিল্পীয়ে সময়ৰ চাবলৈ মন নকৰি নিজৰ অন্তৰৰ সেউজীয়া ভাৱ সজীৱ কৰি থব পাৰিছে - তেওঁৰ একোলৈকে ভ্ৰূক্ষেপ নাই - সময়েও যেন তেওঁৰ কাষত হাৰ মানিলে।

তাৰ পিছত বহুত দিন, আগৰ দৰে শিল্পীৰ আৰু দেখা সাক্ষাত নাই। তেওঁ অকলে ঘৰৰ ভিতৰত সোমাই থাকে, মাথো কাৎচিতহে বাহিৰলৈ আহে মুখত সদায় এটা উদ্বেগ আৰু উৎকণ্ঠাৰ ভাৱ - যেন কিবা এটি বিশেষ কামত ব্যস্ত।" (পৃ-৬১-৬৩)

'The Artist's Secret' - "At last one day they found him dead before his picture, and they took him up to bury him.

And when they undressed him to put his grave clothes on him, they found above his left breast the mark of a wound it was an old, old wound." (p. 102)

"শিল্পী' - গএগ্ৰবিলাকে আহোতে আহোতে বাটত দেখিবলৈ পালে যে পৰ্বতৰ টিং খহি পৰিল, আৰু তলত শিলৰ প্ৰতিমা এখন বুকুতলৈ এজন মানুহ পৰি আছে - চাৰিওফালে তেজৰ চিন - বুকুৰ তেজ আৰু ওপৰৰ পৰা পানী বাগৰি বাগৰি সেই তেজৰ দাগবোৰ অলপ অলপকৈ ধুৱাই নিছে। মানুহজনৰ মুখত এতিয়াও এটি শান্ত ম্লান হাঁহিৰ চিন আছে - যেন কৈছে হৃদয় ৰক্তৰে প্ৰাণ প্ৰতিষ্ঠা হ'ল।" (পৃ-৬৭)

দুৰবাৰ 'প্ৰলয়' কথা-কবিতাটোত টুৰ্গেনিভৰ 'The end of the world' কথা-কবিতাটিৰ ছাঁ পৰিছে।

'The end of the world' - "I dream I was in some remote corner of Russia, in a lonely cottage.

Large and low is the three windowed room, the walls are whitewashed; all furniture is wanting. Before the house stretches far into the distance a bare, gently sloping plain. Like a great linen cloth, a monotonous grey sky hangs over it.

I am not alone. Some ten men are in the room, all of them ordinary people, simply clad. In silence, with gliding steps, they walk up and down. They make way for one another. But as they pass, their anxious eyes meet continually." (p. 30)

'প্ৰলয়' - "ইও এটা সপোন। এখন মুকলি পথাৰৰ মাজত টিলা এটাৰ ওপৰত থকা ঘৰ এটাৰ ভিতৰত যেন মই আছোঁ। ঘৰটো বেচ আহল-বহল আৰু মুকলি, তললৈ চালে মাথোন চাৰিওফালে সেউজীয়া পথাৰ। ওপৰত অনন্ত আকাশ ডাবৰে ক'লাকৈ থৈছে, বতাহ অলপো বলা নাই। প্ৰকৃতি স্থিৰ আৰু গম্ভীৰ।

ঘৰটোত মই আৰু দহ বাৰজানমান মোৰ লগতে আছে, তেওঁলোকে মোৰ লগৰে নিচেই সাধাৰণ তৰপৰ সৰল প্ৰকৃতিৰ মানুহ, তেওঁবিলাকে কিন্তু কোনোৰে কাৰো লগত কথা পতা নাই, মাথোন ঘৰৰ ভিতৰতে অহা-যোৱা কৰি ফুৰিছে। ভয় আৰু বেজাৰেৰে ইটোৱে সিটোৱে চোৱা-চুই কৰিছে।" (পৃ- ৬৮)

'সোণ বৰণীয়া দেশ' দুবৰাৰ কবি-জগতৰ প্ৰতীক। ইয়াত তেওঁ ক'ব খুজিছে যে পৃথিবীৰ প্ৰেম ক্ষন্তেকীয়া। প্ৰকৃত প্ৰেম মৃত্যুৰ কবাল গ্ৰাসৰ পৰা মুক্ত। পৃথিবীৰ প্ৰেমত থকা পাহৰণিয়ে অপাৰ্থিৱ প্ৰেমৰ স্পৰ্শ কৰিব পৰা নাই। কবি এই প্ৰেমৰ স্বপ্নত বিভোৰ। সোণ বৰণীয়া দেশৰ কোঁৱৰ-কুঁৱৰীৰ অপাৰ্থিৱ প্ৰেমৰ স্বপ্নই দুৰবাৰো স্বপ্ন। কিয়নো কবিৰ বাবে দিঠকতকৈ স্বপ্নহে অধিক শাশ্বত সত্যঃ

"সপোনৰ শেষ হ'লে মোহজাল আঁতৰিলে
দুনাই এনুকুৱা ভাবে দিবা জানো দেখা?"

'সোণ বৰণীয়া দেশ'ৰ 'কুঁৱৰী, 'শিল্পী'ৰ 'প্ৰতিমা' আৰু 'দেৱীৰ দেৱী' গৰাকীৰ মাজত কোনো প্ৰভেদ নাই।

বৰষাৰ আকাশী অমিয়াই ধৰণীক দুই হাতেৰে সাবটি লোৱাৰ লগে লগে প্ৰকৃতি জগতৰ সকলোৱে আনন্দত আত্মহাৰা হৈছে। কিন্তু জগতৰ বান্ধোন ছিঙি পেলোৱাৰ সাধ্য কবিৰ নাই। সসীম পৃথিৱীত দুখৰ শিকলিত কবি আবদ্ধ, কবিৰ মুক্তি নাই।

'কথা-কবিতা'ত ভাবৰ মূল ধাৰাটোৰ পৰা আঁতৰি অহা কেইটিমান কবিতা আছে। যেনে - 'মোৰ শেষ পাঠ', 'জীৱনৰ সাঁতোৰ,' 'উত্সাহ', 'কবি আৰু দাৰ্শনিক' ইত্যাদি। মাতৃভাষাৰ প্ৰতি অনুৰাগ, বিপদ-বিঘিনি অতিক্ৰম কৰাৰ প্ৰচেষ্টা, কবিতা আৰু দৰ্শনৰ সম্বন্ধ আদি ভাবৰ ব্যঞ্জন এইবোৰত কৰা হৈছে।

মৃত্যু অনন্ত জীৱন পথ প্ৰদৰ্শন। দুৰবাৰ মৃত্যু কামনা মূলতে আছে অপাৰ্থিৱ জগতৰ সন্ধানৰ ইচ্ছা। পৃথিৱীৰ প্ৰেমৰ প্ৰতি তেওঁৰ আস্থাৰ কাৰণ হ'ল ই ক্ষণিক তদুপৰি মানুহৰ অকৃতজ্ঞতাৰে পৃথিৱীৰ প্ৰেম কলুষিত'। (কেঁতেকী)

'পোহৰ' নামৰ কথা-কবিতাৰ মাজেদি প্ৰকাশ কৰা মতে পৃথিৱীৰ সংজ্ঞা হ'ল - য'ত মানুহ ওপজে, বুঢ়া হয়, মৰে আৰু য'ত ভালপায় আৰু পাহৰে। এনে এখন পৃথিৱীত অপাৰ্থিৱ প্ৰেমৰ অন্বেষণহে সম্ভৱ, তাক পাব নোৱাৰি। দুৰ্লভ প্ৰেম আৰু



সৌন্দৰ্যৰ অদ্বৈত ৰূপ , সেই মোহিনী মূৰ্ত্তি অপাৰ্থিৱ, তাক পাব পাৰি কেৱল মৃত্যুৰ স্তব্ধতাৰ সিপাৰে।

জীৱনক তেওঁ কেনেদৰে চাইছে তাক আমি 'জীৱনৰ দান' কথা-কবিতাৰ পৰাই বুজিব পাৰো। জীৱন এটি পোহৰ, তাৰ কাম দুৰ সুদুৰৰ বাট উজ্বলাই দিয়া। সেই পোহৰ হাতৰ মুঠিত থকা বস্তু নহয়। 'জীৱনৰ দান' আৰু শ্ৰীনাৰৰ 'Life's Gifts' ৰ মাজত এটা সাদৃশ্য বিচাৰি পোৱা যায়।

'Life's Gifts' - "I saw a woman sleeping In her sleeps she dreamt life stood before her, and held in each hand a gift-in the one love, in the other freedom. And she said to the woman, 'choose'! And the woman waited long and she said, 'freedom' :

And life said, 'thou hast well choosen. If you hadst said, 'love, I would have given thee that thou didst ask for; and I would have gone from thee, and returned to thee no more. Now the day will come when I shall return. In that day I shall bear both gifts in one hand." (p. 99-100)

'জীৱনৰ দান' - "জীৱন মোৰ কাষলৈ আহি মোক এপাহি ফুল দি গ'ল। মই সেই ফুলপাহি সাবটি বুকুত থলোঁ। জীৱনে আকৌ এবাৰ আহি মোক এটি ধুনীয়া মুকুতা দিলেহি, মই তাক সোণেৰে বন্ধাই বুকুত আঁৰি ললোঁ। মোৰ বৰ পিয়াহ লাগিল - প্ৰাণ যায় যায় যেন হ'ল - জীৱনে মোৰ কাষলৈ আহি এপিয়লা পানী দি গ'ল - তাক মই বৰ হেপাহেৰে খাই শেষ কৰিলোঁ। এইবাৰ জীৱন আহি মোলৈ এটি ধুনীয়া উজ্বল পোহৰ পেলালে, মই এই পোহৰ ধৰিবলৈ যতন নকৰি মাথোন কলোঁ 'ধুনীয়া পোহৰ, আৰু ধুনীয়া হৈ দুৰদুৰণিৰ বাট উজ্বলাই দিয়া। তুমি হাতৰ মুঠিৰ মাজত থকা বস্তু নহয়। তোমাৰ কাম দুৰ-সুদুৰৰ বাট উজলাই আগুৱাই লৈ যোৱা - আগলৈ - আৰু আগলৈ........।" (পৃ-১৩৭)

এইদৰে বিচাৰ কৰিলে দেখা যায় যে প্ৰত্যেকটি কথা-কবিতাই কবিৰ ব্যক্তিগত অনুভূতিৰ ভাষাময় চিত্ৰ আৰু ছন্দোময় স্পন্দন। যোগেশ দাসে কৈছে - "কথা-কবিতাতো তেওঁ ব্যক্তিগত ধ্যান-ধাৰণা-অনুভূতিক প্ৰকাশ কৰিছে, জীৱন, প্ৰেম, সৌন্দৰ্য্য আদিৰ বিষয়ে তেওঁৰ ব্যক্তিগত যি উপলব্ধি তাকেই এইবিলাকত সৰল, কোমল ভাষাত লিপিবদ্ধ কৰি থৈছে।" কথা-কবিতাৰ প্ৰকাশ ৰীতিৰ স্বকীয় বৈশিষ্ট্য মন কৰিবলগীয়া; ইয়াত অমূৰ্ত্তৰ মূৰ্ত্ত চিত্ৰন, সপোনক উপস্থাপনৰ মাধ্যম হিচাপে গ্ৰহণ, মনুষ্যত্বৰ জীৱ-জন্তু আৰু নিৰ্জীৱ পদাৰ্থৰ কথা-বাৰ্ত্তা এনেবোৰ বৈশিষ্ট্য লক্ষণীয়। লোকগীতৰ ফুলকোঁৱৰেও ইয়াত ঠাই পাইছে, আনহাতে বিষয়বস্তুৰ

ৰহস্যময়তাও বিৰাজ কৰিছে। কথা-কবিতা কেইটিৰ আঁৰত একোটি গূঢ়াৰ্থ বা ইংগিত লুকাই আছে। এই কথা কবিতাবোৰৰ মাজেদিয়ে দুৰবাই ব্যক্তিগত জীৱনৰ আশা-আকাঙ্খা, প্ৰেম-বিবাদ আদি ৰূপকৰ ছলেৰে পাঠকৰ দৃষ্টিপটত অংকিত কৰিছে। কথা-কবিতাসমূহত অংকিত চৰিত্ৰসমূহৰ পৰা কবিজনাৰ ৰোমান্টিক স্বপ্নময়তাৰ আভাস পাব পাৰি। 'মোৰ শেষ পাঠ' কথা-কবিতাটোত দুৰবাৰ মাতৃভাষাৰ প্ৰতি থকা ভালপোৱা প্ৰকাশ পাইছে লগতে অসমীয়া ভাষাই ন্যায্য স্থান নোপোৱাৰ বি দুখ সি যেন ফৰাচী শিক্ষকজনৰ চকুলোত এক হৈ গৈছে।

মুঠতে সূৰ্যমুখী ফুলৰ দৰে প্ৰেমৰ একাগ্ৰ সাধনাত ৰত হৈয়ো ব্যৰ্থ হোৱা কবিৰ 'কথা-কবিতা' ৰূপকাত্মক ভাৱৰ মৰ্মস্পৰ্শী প্ৰকাশ। বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত, "Another novel work from his extraordinarily facile pen is the katha-kavita, which he claims to be poetry but is written in impassioned prose. .... As in some of his poems, here too sorrow and sadness are domanant, and the pices arevery characteristic of the poet."

যতীন্দ্ৰনাথ দুৱৰাই বিশেষকৈ বিশ্বৰ বিভিন্ন প্ৰতিভাশালী কবি সাহিত্যিকসকলৰ চহকী ভাব আৰু আদৰ্শক নিজৰ ভাষালৈ ৰূপান্তৰিত কৰাৰ কথা চিন্তা কৰিছিল। যথাৰ্থতে অসমীয়া ভাষা উন্নতি সাধিনী সভাই জোনাকী কাকতৰ মাধ্যমত অসমীয়া ভাষালৈ অনা আধুনিকতাৰ পৰশ তেতিয়াও নতুন হৈয়ে আছিল। বিশ্বৰ বিভিন্ন সাহিত্যত যিবোৰ নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হৈছিল আৰু যিবোৰ নতুন সমলে বিভিন্ন সাহিত্যই গৌৰৱ কৰি মূৰ দাঙি উঠিছিল, সেইবিলাক সমলৰ বাছকবনীয়া অংশবোৰ কিছুমান নিদৰ্শন অসমীয়া ভাষালৈ ভাঙনি কৰাটো উচিত বুলি বিবেচনা কৰিছিল। কিন্তু তাকে কৰোঁতে পোনপটীয়াকৈ ৰূপান্তৰিত নকৰি অসমীয়া সাঁচত ঢালি নিভাঁজ ঠাচেৰে প্ৰকাশ কৰাটো বাঞ্ছা কৰিছিল। ৰুছীয় লেখক টুৰ্গেনিভ আৰু দক্ষিণ আফ্ৰিকান লেখিকা শ্ৰীনাৰৰ কথা-কবিতাসমূহৰ ভাবানুবাদ আৰু ছায়ানুবাদ কৰি ইতিমধ্যে আলোচনীৰ পাতত প্ৰকাশ কৰিছিল। তেতিয়ালৈকে অসমীয়া ভাষাত কথা-কবিতাৰ নিচিনা সাহিত্যৰ কোনো নিদৰ্শনেই নাছিল।

ডঃ বাণীকান্ত কাকতিয়ে 'কথা-কবিতা'ৰ পাতনি লিখোঁতে কৈছে, "কথা-কবিতা" দুৰবা ডাঙৰীয়াৰ প্ৰায় কুৰি বছৰ কালব্যাপী নানান সময়, আৰু নানান অৱস্থাৰ অনুভূতিৰ চিত্ৰৰ সমাবেশ। ই তেখেতৰ কোমল বুকু ভেদ কৰি ওলোৱা বাণীৰ নিজৰাৰ দৰে।" তেওঁ লগতে কৈছে, "দুই এটি বিষয় বিদেশী মূলৰ পৰা অনা হৈছে।" কিন্তু ডঃ কাকতিয়ে সেইবোৰক বুকুৰ তপত তেজৰ উমনি দি সজীৱ কৰি তোলা হৈছে বুলি দৃঢ়তাৰে কৈছে। দুৰবাৰ কবিতা আৰু কথা-কবিতা উভয়েই



প্ৰধানতঃ ভাবাত্মক। ব্যক্তিমুখী ভাবাত্মক সাহিত্যত কবিৰ জীৱনৰ ঘাত-প্ৰতিঘাত, অভিজ্ঞতা, আশা-আকাঙ্খা, স্বপ্ন আদি ফুটি ওলায়। আইন পঢ়ি ওকালতি কৰিবলৈ ওলোৱা দুৰবাই যেতিয়া আইন শিক্ষা আধৰুৱাকৈ সামৰি শিক্ষকতা কৰিবলৈ ওলাল, তেতিয়াৰ পৰাই দুৰবাৰ জীৱনী এটি সাথৰলৈ ৰূপান্তৰিত হ'ল। ডঃ কাকতিয়ে দুৰবাৰ ব্যক্তিগত চৰিত্ৰ সম্বন্ধে কৈছে, "দুৰবা চিৰ-তৰুণ, হাঁহি-বিৰিঙা মুখ, কোমল প্ৰাণ, অনাবিল চৰিত্ৰ, লাজুকী লতাতকৈও লাজকুৰীয়া। কামৰ ভিতৰত দেশ-বিদেশৰ কাব্যচৰ্চা, আৰু অসমীয়াত কবিতা ৰচনা।" দুৰবাই দেশ-বিদেশৰ কাব্যচৰ্চা কৰি তাৰ বাছক-বনীয়া অংশ বুটলি আনি নিভাজ অসমীয়ালৈ ৰূপান্তৰিক কৰিছিল। ইয়াকে কৰোঁতে ব্যক্তিগত ভাৱ আৰু অনুভূতিৰ ৰহন এনেকৈ সানিছিল যে তাক মানুহে আপোন বুলি ভাবিবলৈ প্ৰেৰণা লাভ কৰিছিল। কথা-কবিতা যথাৰ্থত সম্পূৰ্ণৰূপে বিদেশী সাহিত্যৰ বস্তু। দুৰবাই তাকে নিজৰ ভাৱ আৰু অনুভূতিৰে ব্যক্ত কৰি কথা-কবিতাৰ সৃষ্টি কৰিছিল। কবিতা বাঙ্ময় চিত্ৰ। কথাৰে প্ৰকাশ কৰিলেও কথা-কবিতাত ফুটি ওলাইছে একো একোটি সুন্দৰ চিত্ৰ। ভাষাৰ ব্যঞ্জনাই সেই চিত্ৰক অধিক সজীৱ কৰি তুলিছে। এটি কেন্দ্ৰস্থ ভাবেৰে কথা-কবিতা সৃষ্টি কৰা হয়। কিন্তু অনুষাংগিক সৰু-সৰু চিত্ৰৰে কেন্দ্ৰীয় ভাবটোক অধিক উজ্বল আৰু অৰ্থ-প্ৰকাশক কৰি তোলা হয়।

দুৰবাৰ কথা-কবিতাৰ ৰূপ আৰু ৰীতি বিশ্লেষণ কৰি তেওঁৰ কবিতাবিলাকক পাঁচোটা সূক্ষ্ম ভাগত ভাগ কৰিব পাৰি। কাহিনীমূলক, ৰহস্যমূলক, ৰূপকাত্মক, তত্ত্বধৰ্মী আৰু নীতিমূলক। 'সোণ বৰণীয়া দেশ', 'কেতেকী', 'মৰমৰ ফুলনি' আদি কবিতাত একো একোটি মনোৰঞ্জক কাহিনী পোৱা যায়। 'পখিলা', 'বাটৰুৱা', 'দেৱী', আদি কবিতাত একোটি সাঁথৰধৰ্মী ৰহস্য উৎস লুকাই আছে। ' শিল্পী', 'পোহৰ', 'এহালি পাৰ' কবিতা ৰূপকাত্মক। যতীন্দ্ৰনাথ দুৱৰাই জীৱন, প্ৰেম, মিলন ইত্যাদিৰ বিষয়ে কেতিয়াবা তাত্বিক কথাও দুআষাৰ কৈ কথা-কবিতা ৰচনা কৰিছিল। সেইদৰে 'এজনী বুঢ়ী', 'মগনিয়াৰ', 'এটা মূৰ্খ মানুহ', 'এটি টিপচি চৰাই' আদি কবিতা একান্তই নীতিমূলক।

যতীন্দ্ৰনাথ দুৱৰাই জীৱনৰ আগভাগত সংঘাতৰ সন্মুখীন হৈছিল, সেইটো তেওঁৰ ব্যক্তিমুখী কবিতাসমূহত ব্যক্ত কৰিছে। প্ৰেম, মৰম, প্ৰেমৰ ব্যৰ্থতা, ব্যৰ্থ প্ৰেমৰ স্মৃতি, আনুষংগিক বিষাদ, বেদনা আদি 'আপোনসুৰ' আৰু 'বনফুল'ৰ কবিতাত সঘনে ফুটি ওলাইছে। 'কথা-কবিতা'ৰ মাজে মাজে উল্লেখ কৰা দেখা যায়, "প্ৰেম অনন্ত, অজেয়- চিৰমিলন বিচ্ছেদ নাই, খন্তেক ডাৱৰে ঢাকিলেও আকাশ সুৰুষ অনন্ত কালৰে পৰা আছে আৰু থাকিবও।" "প্ৰেমৰ পবিত্ৰ কুঞ্জত পাহৰণিৰ প্ৰৱেশ

নাই।" "আমাৰ মৰম চিৰকলীয়া - সদায় অটুট থাকিব।" "তেন্তে জানো প্ৰেমিকৰ প্ৰেম ব্যৰ্থ? যি সূৰ্যমুখী ফুলে গোটেই দিন ওপৰলৈ কৰি সূৰ্য্যৰ উপাসনাৰ তাপ-ক্লেশ সহ্য কৰি শান্ত সন্ধিয়াৰ নীৰৱ আন্ধাৰৰ কোলাত শান্তিময় মৰণক আনন্দেৰে আলিংগন কৰে সিও জানো ব্যৰ্থ? প্ৰেমৰ শ্ৰেষ্ঠ দান জানো ব্যৰ্থতা?" "প্ৰেমও ঠিক তেনেকৈয়ে প্ৰেমিকৰ আত্মদান বিচাৰে - ইয়াত কাৰ লাভ লোকচান নুবুজে - প্ৰেমিকৰ নে প্ৰেমাস্পদৰ, নাই প্ৰেমৰ? প্ৰেমিকে কয়, তোমাক দেখিলে মোৰ প্ৰাণ জুৰায় - মনত ৰং লাগে - মোৰ শিৰে শিৰে তেজ বেগেৰে বৈ যায়, মোৰ হিয়া কোন অজান পুলকত স্পন্দিত হৈ নাচি উঠে।" "চকুৰ পানীয়ে নোধোৱে, মাথোন পোৱেহে।"

যতীন্দ্ৰনাথ দুৱৰাই কথা-কবিতাৰ চিত্ৰবোৰত সত্য শিৱ সুন্দৰৰ ৰূপ ফুটাই তুলিবলৈ যত্ন কৰিছে। "শিল্পী" নামৰ কথা-কবিতাটোত চন্দ্ৰকুমাৰ আগৰৱালাৰ বিখ্যাত ফাঁকি এটি উল্লেখ কৰি সৌন্দৰ্য্য সৃষ্টিৰ বাবে শিল্পীৰ আন্তৰিক প্ৰচেষ্টাৰ কথা উল্লেখ কৰিছে। ডঃ কাকতিয়ে এই কবিতাটি সম্পৰ্কে কৈছে, "শিল্পী বোলা কবিতাটোক দুৱৰাৰ কাব্য-জীৱনৰ মূল-মন্ত্ৰৰ স্বীকাৰোক্তি বুলিব পাৰি।" ডঃ কাকতিয়ে 'কথা-কবিতা পুথিখনৰ এটি সম্যক মূল্যায়ন কৰি থোৱতে কৈছে, "'শিল্পী', 'প্ৰলয়', 'সোণ বৰণীয়া দেশ', 'মোৰ শেষপাঠ', 'বাটিকৰা', 'সীমায়ো দিয়েহি ধৰা', 'কেতেকী', 'পোহৰ' আদি কবিতা কল্পনাৰ উদ্ভাৱনা, ৰচনাৰ সৌষ্ঠৱ, ভাষাৰ মৃদু ব্যঞ্জনা আৰু ৰূপৰ বিচিত্ৰ সমাৱেশত সোণৰ কাঠামেৰে বন্ধোৱা, নিপুণ চিত্ৰকৰৰ জীৱন্ত ছবিৰ দৰে অসমীয়া সাহিত্যত চিৰকাল জিলিকি থাকিব।"

দুৱৰাৰ 'কথা-কবিতা' যথাৰ্থতে অসমীয়া সহিত্যৰ বুৰঞ্জীত এটি অনুপম স্বৰ্ণমণ্ডিত শিলৰ ৰেখা।

***



# ভৱানীপুৰীয়া গোপাল আতা আৰু তেৰাৰ সাহিত্য কৃতি

ড° জয়জ্যোতি গোস্বামী
প্ৰাক্তন মুৰব্বী অধ্যাপিকা

শংকৰোত্তৰ যুগৰ অসমত শ্ৰীমন্ত শংকৰদেৱ প্ৰবৰ্তিত ভক্তি-ধৰ্মৰ প্ৰবাহটো অব্যাহত কৰি ৰখাত যিসকল ধৰ্মগুৰুৱে অহোপুৰুষাৰ্থ কৰিছিল সেইসকলৰ ভিতৰত ভৱানীপুৰীয়া গোপাল আতাৰ অৱদান অতুলনীয়।

মহাপুৰুষ মাধৱদেৱৰ প্ৰিয়তম শিষ্য, তেওঁৰ 'দাইন বাহু' আৰু অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ চাৰি সংহতিৰ অন্যতম কালঝাৰ বা কাল সংহতিৰ প্ৰতিষ্ঠাতা মূল পুৰুষ গোপাল আতাৰ বংশৰ আদি বাসস্থান শদিয়াৰ ওচৰৰ কলিতা দেশত। গোপাল আতাৰ পিতৃ কামেশ্বৰ ভূঞাই বজ্ৰাংগী আইক বিয়া কৰোৱাৰ কিছুদিন পাছতে সেই অঞ্চলৰ পৰ্বতীয়া জাতিৰ লোকসকলে প্ৰজাৰ ওপৰত অত্যাচাৰ চলোৱাৰ বাবে তেওঁ তাৰ পৰা পলাই আহি আহোম ৰাজ্যৰ নাজিৰাৰ ওচৰৰ দিখৌ নৈৰ পাৰৰ খোৰা গ্ৰামৰ নাচনীখাটত বসবাস কৰিবলৈ লয়। তাতেই ১৪৩৩ শকৰ বহাগ মাহৰ শুক্লা সপ্তমী তিথিত গোপাল আতাৰ জন্ম হয়।

কামেশ্বৰ ভূঞাই তাতে বেহা-বেপাৰ কৰি জীৱিকা নিৰ্বাহ কৰিছিল আৰু সুদক্ষা শিপিনী বজ্ৰাংগী আই ৰজাঘৰীয়া বাৰকুৰি তাঁতশালৰ শিপিনীৰ ওপৰত মুখিয়াল আছিল। আয়ে শিপিনীসকলৰ কাম চাবলৈ যাওঁতেও গোপালক লগত লৈ গৈছিল আৰু তেওঁ ৰাজকোঁৱৰসকলৰ লগত খেলা-ধুলা কৰি ডাঙৰ হৈছিল। এবাৰ এটি সামান্য কথাতে ৰজাঘৰৰ পৰা বিপদ হোৱাৰ আশংকা কৰি কামেশ্বৰ ভূঞাই নাৰায়ণপুৰত থাকিবলৈ লয়। তাতে ১৪৭৩ শকত তেওঁৰ মৃত্যু হয়। ১৫৬২ চনত কোঁচ ৰজা নৰনাৰায়ণৰ অসম আক্ৰমণত আহোম স্বৰ্গদেউ গড়গাঁও এৰি পলাই যায়। মল্লৰজাই 'অসমৰ তন্ত্ৰী, কৰ্মকাৰ, কুম্ভকাৰ, চিত্ৰকৰ আদি শিল্পী আৰু বৃত্তিয়াল লোকসকলক লৈ গৈ বৰনগৰ, নৱনগৰ, ভৱানীপুৰ আৰু কালঝাৰ নামে চাৰিখন

নগৰ পাতি তাত বহুৱালে। মন্ত্ৰবজা ধৰ্মৱন্ত বুলি জানি বহুতো কায়স্থ, ব্ৰাহ্মণ পণ্ডিত আদি উত্তম লোক তেওঁৰ বাজ্যলৈ গ'ল। তেওঁলোককো সেই চাবি নগৰত বহুৱালে। গোপালদেৱো মাতৃৰে সৈতে নাৰায়ণপুৰ এৰি ভৱানীপুৰ পালেগৈ। বজাই তেওঁক গুণৱন্ত বুলি জানিব পাৰি ভৱানীপুৰত ঘৰবাৰী কৰি দি বহুওৱা তন্ত্ৰী, কুম্ভকাৰ আদি লোকসকলৰ ওপৰত মহাজন পাতে।

গোপালদেৱ আতাৰ মাধদেউ পুৰুষৰ সতে সাক্ষাৎ ঘটে সুন্দৰীদিয়াত। গোপাল আতাৰ ইতিপূৰ্বে একাধিকবাৰ শংকৰদেৱসৈতে সাক্ষাৎ হৈছিল যদিও শৰণ কৰ্ম ঘটা নাছিল। গুৰুজনাৰ তিৰোভাৱৰ পিছত মাধৱদেৱৰ সান্নিধ্যলৈ অহাত তেওঁৰ ওচৰত শৰণ লয়। সুন্দৰীদিয়াত কিছুকাল থকাৰ পিছত তেওঁ মাধৱদেৱৰ অনুমতি লৈ ভৱানীপুৰত সত্ৰ পাতে। সেয়ে তেওঁ ভৱানীপুৰীয়া গোপাল আতা নামেৰেও খ্যাত হয়।

গোপালদেৱ আতা মহাপুৰুষ মাধৱদেৱৰ প্ৰিয়তম শিষ্য আছিল। গোপাল আতাই কথাৰস ইমান সুন্দৰকৈ তুলিব পাৰিছিল যে মাধৱদেৱে তেওঁক সেয়ে "কথাসাগৰ" নাম দিয়ে। এদিন ভেলাদুৱাৰত ভকতসকলে গুৰুজনক সুধিলে- "বাপ, ঈশ্বৰৰো আবিৰ্ভাৱ তিৰোভাৱ আছে। এখেতৰো বৃদ্ধকাল হৈছে। আমি এখেতৰ ওচৰতে মনৰ সংশয় দূৰ কৰাৰ উপায় পোৱা হৈছিল। এতিয়া এখেতৰ অবিহনে কাক বা কি কোৱা হয়?" গুৰুজনে ক'লে- "আমি আপোনাসবে বিচৰা লোকজন পোৱা নাই, যদি দেখুৱাই দিব পাৰে দেখুৱাই দিয়ক।" ভকতসকলে 'অপৰাগ' বুলি কোৱাত তেৰাই বোলে "আমিনো কি কম, বৰ্তমান গোপাল বিষ্ণুও ইয়াত নাই। আমি অৱশ্যে ভৱিষ্যতৰ কাৰণে উপযুক্ত লোকসকলক ঠায়ে ঠায়ে পতা হৈছে। আমাৰ ঘোষা ৰত্নাৱলী দুই মনোনীত শাস্ত্ৰ আছে। তাতে আমাৰ যি ক'ব লগা আছে সকলো বন্ধা হৈছে। তাতে আমাৰ বল শক্তি বুদ্ধিও আছে। তথাপি 'দৃশ্যৰূপে নভেলে তাৰিবাক নপাৰয়' বুলি কৈ থ'লে।

পিছত তেৰাই ভাবি চিন্তি চাই তেৰাৰ আত্মসম প্ৰিয় 'কথাৰ সাগৰ' গোপাল আতাকে ভকতসকলে বিচৰা লোকজন বুলি ঠাৱৰ কৰি উদাসীন শ্ৰীৰাম আতাক মাতি আনি এইদৰে আদেশ দিলে যে তেৰাৰ পিছত গোপালে লোকসকলক শৰণ ভজনাদি উপদেশ দি শংকৰদেৱৰ ধৰ্ম বিস্তাৰ কৰিব-

"মোৰ বাক্যে ভৱানীপুৰক তুমি যাইবা।
গোপালত গৈয়ামোৰ আদেশ কহিবা।।
আচাৰ্য পাতিয়া মই যাওঁ গোপালক।
হৰি ভক্তি ধৰ্ম কহি তাৰিবে লোকক।"



এই আদেশৰ কিছুদিন পিছতেই মাধৱদেৱৰ তিৰোভাৱ হয়।

গোপাল আতাই গুৰুভাৱ লৈ প্ৰথম ছমাহৰ মূৰতে হাবুঙৰ পৰমানন্দ বিপ্ৰক শৰণ দিলে। ইয়াৰ পিছত শংকৰদেৱ মাধৱদেৱৰ লগত কোনো বংশগত সম্বন্ধ নথকা সত্বেও সুন্দৰীদিয়া, পাটবাউসী, বৰপেটা আদি সত্ৰকেইখনিৰ ওচৰতে ভৱানীপুৰ, কালঝাৰ, পোৰাভড়াল, আৰু জোৰাবাদি - এই চাৰিসত্ৰ পাতিলে আৰু অকল কালঝাৰতে তিনিশ তিনিকুৰিৰো অধিক লোকক শিষ্য ভজালে। কালঝাৰত বৃহৎ সংখ্যক শিষ্যৰ সৈতে যিটি সত্ৰীয়া সমাজ গঠিত হ'ল সেয়ে কালক্ৰমত কালঝৰীয়া 'কালসংহতি' বুলি পৰিচিত হ'ল।

এই সংহতিৰ বিশেষত্ব হৈছে যে ইয়াত গুৰুত কাষ্ঠা। সেইকাৰণে 'চাৰিবস্তু'ত গুৰুক আগ কৰে। (গুৰু, দেউ, নাম, ভকত)। শংকৰ-মাধৱৰ দৰেই প্ৰতিজন গুৰুৰ ৰচিত গীত পদত এই সংহতিৰ শিষ্যসকলৰ শ্ৰদ্ধা ভক্তি অসীম। এই সংহতিয়ে মালামন্ত্ৰ জপ কৰাতকৈ তত্বজ্ঞান আহৰণতহে অধিক গুৰুত্ব প্ৰদান কৰে। ইয়াকে তত্ত্ববিচাৰ বা কাৰ্যবিচাৰ বোলে। এনে কাৰ্য সাধনৰ বাবে শাস্ত্ৰজ্ঞান আৰু গুৰুৰ আৱশ্যকতা অধিক। এই সংহতিৰ কোনো কোনো সত্ৰত দিনত চাকি নজ্বলায়। এই সংহতিত পালনামৰ ব্যৱস্থা নাই। কিন্তু বৰ আতা যদুমণি দেৱৰ সত্ৰ কেইভাগত নিৰ্গুন সেৱা হিচাপে পালনামৰ পৰম্পৰা আছে।

গোপাল আতাই গুৰুৰ আৰ্হিৰে ছজনকৈ ব্ৰাহ্মণ আৰু অব্ৰাহ্মণক মহন্ত পাতে। এইসকলৰ ভিতৰত বৰযদুমনি আতাৰ বাঁহবাৰী, সৰু যদুমণিৰ গজলা, অনিৰুদ্ধৰ মায়ামৰা, নাৰায়ণৰ হালধি আটী, সনাতনৰ নগৰীয়া - এই কেইখন অব্ৰাহ্মণ সত্ৰ। শ্ৰীৰাম আতাৰ আঁহতগুৰি, মুৰাৰীৰ চৰাইবাহী, ৰামচন্দ্ৰ খোঁৱামোচৰা, পুৰুষোত্তমৰ কাঁহপাৰ, ৰামচন্দ্ৰ ইকৰাজান - এই পাঁচখন ব্ৰাহ্মণ গুৰুৰ পৰা বড়াসত্ৰ। কৃষ্ণানন্দ আৰু বিষ্ণুআতাৰ সত্ৰ নাই। এই বাৰজনক 'গোপাল বাৰজনীয়া' বুলিও কোৱা হয়।

গোপাল আতাৰ সাংগঠনিক দক্ষতা আছিল অসীম। গুৰুজনাৰ পৰা ধৰ্মবস্তুৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে তেওঁ কালঝাৰত গঠন কৰা বিশাল সত্ৰীয়া সমাজেই তেওঁৰ কাৰ্যদক্ষতা প্ৰকাশ কৰে। গোপাল আতাৰ প্ৰভাৱ কাল সংহতিৰ উপৰিও অন্য সংহতিয়েও অস্বীকাৰ নকৰে। এই প্ৰসংগত ১৯৬৩ চনতে অসম সত্ৰ সংঘৰ সভাপতি পুৰণি কমলাবাৰী সত্ৰৰ অধিকাৰ প্ৰভুৱে কোৱা কাথাযাৰ প্ৰণিধানযোগ্য- "আমাৰ পৰমাৰ্থিক বিষয়ত শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমন্ত মাধৱদেৱ আৰু বাৰজন আতা সকলো একেবস্তু। গোপাল আতাক বাদ দিলে আমাৰ গুৰু সেৱা, উপাসনা একো নহয়। সেই গোপাল আতাৰ গৃহলৈ শ্ৰীমন্ত মাধৱদেৱ মহাপুৰুষ প্ৰতিমাহে তিনি চাৰিবাৰকৈ গৈছিল, অথচ গুৰুজনৰ সখি শ্ৰীমন্ত ঠাকুৰ আতাৰ গৃহলৈ মাহেকত

এৰাবহে গৈছিল। গুৰুজনে কৈছিল ঃ "গোপাল আমাৰ দাইন বাহু।" বাকপটুতাৰ বাবে তেৱাঁই গোপাল আতাক কথাৰ সাগৰ, কথা ৰাজ নামেৰে অভিহিত কৰিছিল।

গোপাল আতাই মহাপুৰুষীয়া ধৰ্ম উজনি অসমত পৰ্বতে চহৰে, গাঁৱে-ভূঞে বিস্তাৰিত ৰূপে প্ৰচলিত হোৱাৰ ব্যৱস্থা কৰিছিল। সেই উদ্দেশ্যে তেওঁ 'বাৰআতা'ক প্ৰায় বাৰ বছৰ কাল তেৱাঁৰ সত্ৰত ৰাখি ধৰ্মগুৰু হ'ব পৰাকৈ প্ৰশিক্ষণ দি তেতিয়াৰ দিনৰ অসম ৰাজ্যলৈ 'আতা মাধৱৰ ধৰ্ম' প্ৰচাৰ কৰিবলৈ প্ৰেৰণা কৰিছিল। বহু পৰীক্ষা-নিৰীক্ষা কৰিহে তেৱাঁসকলক সেই দায়িত্ব প্ৰদান কৰিছিল। ফলত প্ৰত্যেক জন ধৰ্ম প্ৰচাৰকে ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত অভূতপূৰ্ব সাফল্য লাভ কৰিছিল। তেৱাঁসকলৰ বহুকেইজনে ৰাজনিগ্ৰহত প্ৰাণ পৰ্যন্ত বিসৰ্জন দিবলগীয়া হৈছিল। মহাপুৰুষীয়া ধৰ্মগ্ৰহণত জাতকুলৰ ব্যৱধান নাছিল যদিও মাধৱদেৱৰ পিছৰ ধৰ্মগুৰুসকলৰ কোনো কোনোৱে উচ্চজাতি কুলৰ উপযোগী পূজা সেৱা আদিত কোনো কোনোৱে ধুতি নীতি শুচি সদাচাৰ আদি স্পৃশ্যাপৃশ্য ভাবত বেছি গুৰুত্ব দিয়াৰ কাৰণে তেৱাঁসকলতকৈ গোপাল আতাৰ অনুগামী উদাৰ পন্থী গুৰুসকলৰ জনপ্ৰিয়তা বেছি ব্যাপক হৈ উঠিছিল। এই পন্থাৰ গুৰুসকলৰ জনপ্ৰিয়তা বেছি ব্যাপক হৈ উঠিছিল। এই পন্থাৰ গুৰুসকলে পিছপৰি থকা জাতি-জনজাতিসকলৰ মাজত বেছি ব্যাপকভাৱে ধৰ্ম বিলাইছিল।

পূৰ্ণমূৰ্তিৱন্ত গোপাল আতা কেৱল 'কথাৰ সাগৰ' বা 'কথাৰাজ', সফল ধৰ্ম প্ৰচাৰক আৰু সমাজ সংগঠকেই নাছিল, তেওঁ আছিল এজন সু-কবি, নাট্যকাৰ আৰু কলাকাৰ। তেৱাঁৰ সাহিত্যকৃতিৰ আলোচনাও বৰ্তমান এটি প্ৰয়োজনীয় বিষয়। গীত, নাট আৰু ঘোষা ৰচনাৰে আতাজনাই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

গোপাল আতাৰ গীতসমূহ তেওঁৰ কবিত্ব প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন। কাল সংহতিৰ সত্ৰসমূহৰ গীত ৰচনা সম্পৰ্কে ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কৈছে যে "গীত ৰচনা বিষয়ত কালসংহতি সত্ৰসমূহৰ ধৰ্মাচাৰ্যসকলৰ বৰঙণিয়েই অধিক।" প্ৰসংগক্ৰমে আমি উল্লেখ কৰিব পাৰোঁ যে শংকৰ মাধৱৰ বৰগীতত নোহোৱা কিছুমান ৰাগ, যেনে-ৰামগিৰি, ৰামকেলী, চালেঙী, বিহাগড়া মূলতানী, গড়াকৈল্যাণ, মধ্যালি, ব্যাহ, পীতাম্বৰী, জয়শ্ৰী, গন্ধৰ্বগান, নাট-নাৰান, ভৈৰৱী, ৰং ভাটিয়ালী আদি কালসংহতিৰ সত্ৰাধিকাৰসকলে ৰচনা কৰা গীতবিলাকত পোৱা গৈছে। ইয়াৰ দ্বাৰা এইটো পৰিলক্ষিত হয় যেএই সংহতিৰ ভিতৰত সংগীতৰ চৰ্চা আগৰ গুৰুসকলৰ দিনতকৈও ক্ৰমে বেছি হৈ উঠিছিল। কালসংহতিৰে মূল পুৰুষ গোপাল আতা বিৰচিত গীতসমূহ সাংগীতিক বৈশিষ্ট্য আৰু ঐশ্বৰ্যৰে মহীয়ান।



আতাজনৰ হনুমন্তী কাঠাৰ নিদৰ্শন গীততো আছে। তেৱাঁই শংকৰ গুৰুক কৃষ্ণৰেই অৱতাৰ বুলিছে-

"যো হৰি যদু　　　কুলে অৱতৰী
প্ৰচাৰি যশ বিপুল।
জগত তাৰিলা　　　ভাৰ সংহাৰিলা
নিস্তাৰিলা যদুকুল।।
সোহি শংকৰ　　　নৱ ৰূপ ধৰ
ৰাজধৰ কুলে আসি।
কুল উদ্ধাৰিলা　　　লোক নিস্তাৰিলা
কৃষ্ণৰ যশ প্ৰকাশি।"

(গীতটি গৌৰী ৰাগৰ)

তেনেকৈ বসন্ত ৰাগৰ এটি গীতত কবি গুৰুজনাৰ কাব্যিক প্ৰতিভা এনেদৰে প্ৰকাশ পাইছে-

"ভকতি বাৰিষা ঋতু　　　লোকৰ কুশল হেতু
মিলিলা শংকৰ ৰূপে হৰি
মাধৱ গম্ভীৰ মেঘ　　　বৰ্ষিলা অবিচ্ছেদ
হৰি নাম জলজগ ভৰি।।"

ইয়াত ভক্তিক বাৰিষা ঋতুৰূপী শংকৰদেৱৰ লগত তুলনা কৰিছে আৰু বাৰিষা ঋতুৰ অবিচ্ছেদ্য অংগ মুষল ধাৰে বৰষিব পৰা মেঘৰ লগত তুলনা কৰিছে মাধৱদেৱক। 'মাধৱ গম্ভীৰ মেঘ' এই তিনিটা শব্দৰ সংযোগে বৰ্ণনাটিক গুৰু গম্ভীৰ ৰূপ এটি প্ৰদান কৰিছে। বাৰিষাৰ ধাৰাষাৰ বৰষুণে ধৰাৰ বুকু পৰিস্কাৰ কৰাৰ দৰে ভক্তি ৰসৰ বৃষ্টি ধাৰাই ত্ৰিতাপে তাপিত ভক্তজনৰ হৃদয়ৰ কলিমল যেন উটুৱাই লৈ গৈছে। এই ব্যঞ্জনাও অতি গাম্ভীৰ্যপূৰ্ণ।

এই দুয়োটি গীত গোপালদেৱৰ কাব্যিক প্ৰতিভাৰ অনুপম নিদৰ্শন।

মাধৱদেৱৰ দৰে গোপালদেৱ আতাৰ বহুকেইটি গীতত শিশুকৃষ্ণৰ খেলন, জাগৰণ, আদি বৰ্ণনাৰ যোগেদি বাৎসল্য ভক্তিৰসৰ প্ৰকাশ ঘটিছে। উদাহৰণ স্বৰূপে সিন্ধুৰা ৰাগৰ এই গীতটি-

"খেড়ি খেলায়ে পৰম ৰংগে বালক কানাই।
খেড়া দেখি হৃদয়ত আনন্দ কৰে মাই।।
সোনাৰ ভাণ্টা গঢ়িয়া মায়ে তাৰ পাছে ধায়ে।
হাথিতে মঞ্জীৰ মণি ৰাজে ৰংগা পায়ে।"

ইয়াত উপমা অলংকাৰৰ সুন্দৰ প্ৰয়োগ ঘটিছে-

"কালা অংগে ৰতন ভূষণ হেমহাৰ।<br>
নিৰ্মল গগনে যেন জ্যোতি কৰে তাৰ।।<br>
সুন্দৰ বদনে ফুটি আছে ঘৰ্ম বিন্দু।<br>
হিম কনা সমে যেন শোভে পূৰ্ণ ইন্দু"

তেওঁৰ

"পুহাইলে ৰজনী উঠা যদুমণি<br>
চৌদিকে পোহৰ ভৈল<br>
বনৰ হৰিণ বনত লুকাইলা<br>
পখী দশো দিশে গৈল"

গীতটি জাগৰণ বিষয়ৰ।

মাধৱদেৱৰ 'উঠৰে উঠ বাপু' গীতটিৰ সৈতে এই গীতটি তুলনীয়। শিশু কৃষ্ণৰ মান অভিমানৰ ছবি একোখনিও তেওঁৰ গীতত পোৱা যায়। উদাহৰণ স্বৰূপে তেওঁৰ শ্যাম ৰাগৰ তেনে গীতটি হ'ল-

"কতনো ডাকস মাই উঠ উঠ বুলি।<br>
নেথাকো তোমাৰ ঘৰে এখন যাইবো চলি।।<br>
... ... ... ... ... ... ... ... ...<br>
যমুনাৰ পাৰ হুয়া মধুৰাক যাইবো।<br>
দুখুনী মাৱৰ গৃহে ভিক্ষা মাগি খাইবো।।"

-গীতটিৰ ভণিতাত মাধৱদেৱৰ গীতৰ অনুৰণণ আছে-

"কহয় গোপাল মাই কিনো তপসাইলা<br>
ত্ৰিজগত পতি হৰি বাখোৱাল পাইলা।।"

তেনেদৰে-

"মোকে ছাৰিও না ৰে আহে জগন্নাথ<br>
চৰণে শৰণ লৈলো"

- গীতটিত দাস্য ভক্তিৰ প্ৰকাশ ঘটিছে। তেওঁ পাপী, মূঢ়মতি, দীন হীন মতি বুলি নিজকে ভগৱন্তৰ দাস ৰূপে স্বীকাৰ কৰিছে। গীতটিত মাধৱদেৱৰ 'মোকে দেখিও না কেনে জগন্নাথ মই বৰ পাপেৰ পাপী' গীতটিৰ প্ৰতিধ্বনি বিদ্যমান।

মাতৃ যশোদাৰ পুত্ৰস্নেহৰ বাৎসল্য ভাব বিজড়িত গীতো গোপাল আতাই ৰচনা কৰিছে-



"পুছে যশোমতী চাত মুখ ৰতি<br>
নন্দুক বয়ন নেহাৰি।<br>
ফোকাৰে ঘনে ঘন মলিন বদন<br>
নয়ন পুৰিত কৰি।"

গোপালদেৱৰ গীত সমূহ স্বকীয় মহিমাৰে উজ্বল। ৰামায়ণৰ কাহিনীৰে দুটি গীত তেওঁ ৰচনা কৰিছে। ধনশ্ৰী ৰাগৰ 'সীতা শুভ দৃষ্টি চাহিয়োক মোক' গীতটিত হোৱা কল্পচিত্ৰ অতি হৃদয়গ্ৰাহী। গীতটিত দুৰ্দান্ত ৰাক্ষস ৰাৱণে অশোক বনত বন্দিনী সীতাৰ আগত ৰঘুনন্দন ৰাঘৱৰ কল্পিত কটা মুৰ এটি দেখুৱাই ৰামৰ মৃত্যু হ'ল বুলি ভুৱা দি সীতাৰ মন জয় কৰিবলৈ অপচেষ্টা কৰিছে- আৰু বীভৎস ৰসৰ অৱতাৰনাৰে আৰম্ভ কৰা গীতটি এইদৰে সামৰিছে-

"শুন বুদ্ধজন এৰি আন মন<br>
ভজিয়ো ৰামৰ পদ।<br>
কহয় গোপাল মিছা মায়া জাল<br>
পাতিলা ৰাৱণ মন্দ।।"

ইয়াত কবিয়ে প্ৰকাৰান্তৰে ভকতসকলক ৰাৱণ স্বৰূপ মিছা মায়াজালত আবদ্ধ নহ'বলৈ আহ্বান জনাইছে।

দেহতত্ত্ব প্ৰকাশক গীতো কবিজনাই ৰচনা কৰিছে-

"তত্ত্বে আৱৰণ চ'তি প্ৰৱৰ্তন<br>
শুদ্ধভাৱ মুধ ভৈলা।<br>
ভাৱে গাহি ভৈলা নিশ্চয়ে যে ৰৱা<br>
গৃহ শোভা কৰে ভালা"

মানৱ দেহক তেৱাই ভকতি মন্দিৰ বুলিছে-

"মনুষ্য শৰীৰ ভকতি মন্দিৰ<br>
কত পুণ্যে আসি পায়।"

অলংকাৰ প্ৰয়োগত কবিজনা নিপুণ শিল্পী। উদাহৰণ স্বৰূপে এই গীতটি অনুপ্ৰাস অলংকাৰৰ প্ৰয়োগে শ্ৰুতি মধুৰ কৰি তুলিছে-

"আৰে ভাল ভাল ভাল<br>
ভালদৰে বিহাৰে সাজে মদন গোপাল।<br>
... ... ... ... ... ... ... ... ...<br>
ভালাৰে দুগুটি ভাই বলাই কানাই।।"

'ভাল শব্দটিৰ সঘন প্ৰয়োগে ইয়াত অপূৰ্ব শব্দ ঝংকাৰৰ সৃষ্টি কৰিছে।

প্ৰচলিত উপমাকে কবিয়ে সুচাৰুৰূপে বিন্যাস কৰিছে- এইদৰে-

"আৰু চান্দে দিলে দেখা ললাটৰ মাজে।
মুখ চান্দ দেখি চান্দ তত্তি বৈলা লাজে।।"

(প্ৰতীপ অলংকাৰ)

গোপাল আতাৰ 'ভাগৱত পৰিচয়' আৰু 'ভাগৱত মূৰ্তি', বৰ্ণনাৰ ক্ৰমান্বয়ে বোলোবাৰ আৰু আশোৱাৰী ৰাগৰ গীত দুটিত কবিজনাৰ গভীৰ তাত্ত্বিক জ্ঞানৰ পৰিচয় পোৱা যায়।

কালঝাৰ সত্ৰ প্ৰতিষ্ঠা কৰাৰ পিছত গোপাল আতাই মাধৱদেৱৰ নামঘোষাৰ পৰা আঠেকুৰিটা ঘোষা প্ৰসংগত ব্যৱহাৰৰ বাবে বাছি লৈছিল। ইয়াক বাছনি ঘোষা বোলা হয়। তেওঁ নিজেও কেইফাকি মান ঘোষা ৰচনা কৰি ইয়াৰ লগত জোৰণি দিছিল। সেই ঘোষাকেইফাকিক বড়াঘোষা বোলে।

আতাজনৰ সমধুৰ বড়াঘোষাখিনিত মাধৱদেৱৰ নামঘোষাৰ দৰে গুৰুবন্দনা আৰু কৃষ্ণ মাহাত্ম্য অতি গভীৰভাৱে প্ৰকাশ পাইছে।

'হনুমন্তী কাণ্ঠা' কালসংহতিৰ গুৰু সেৱা ধৰ্মৰ সাধনমাৰ্গ। গুৰুৰ প্ৰতি থকা কাণ্ঠাই হৈছে হনুমন্তী কাণ্ঠা। ধৰ্মমূৰ্তি মাধদেউপুৰুষে লিখিছে-

"শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।।"

পূৰ্ণমূৰ্তিয়ে ৰচনা কৰিছে এইদৰে-

"শংকৰ মাধৱ অভেদ ঈশ্বৰ
গুৰু নাহি দুইত পৰে।
দুই হাতো নামৰ কীৰ্তন কৰিয়া
কৃত্য কৃত্য হোৱে নৰে।।"

"গোপালদেৱ মাধৱদেৱৰ শিষ্য হ'লেও গুৰুৰো গুৰু শ্ৰীশংকৰদেৱতে দুয়োজনা গুৰুৰ প্ৰতি আৰু মাধৱদেৱৰ আজ্ঞাপৰ আতাসকলৰ প্ৰতিও গোপালদেৱৰ ভক্তি পৰ কাণ্ঠা প্ৰকাশ পাইছে।"

"নমো শংকৰদেৱ মাধৱ সহিতে দুয়ো
মোৰ ইষ্টদেৱ দুয়োজন।
মাধৱৰ শিক্ষা ধৰি শুদ্ধ ভাৱে ভজে হৰি
বন্দোহেন ভকতৰ চৰণ।।"



এই ফাঁকি ঘোষাৰ লগত মাধৱদেৱৰ নামঘোষাৰ

"মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি"

ঘোষাফাঁকিৰ মিল আছে-

বড়াঘোষাত কৃষ্ণ মাহাত্ম্য প্ৰকাশ হৈছে এইদৰে-

"সৰ্বদেৱ শিৰোমণি কৃষ্ণক সততে ভজা
যাত পৰে আন নাহিকেৱ।
আপোনাৰ নিজ ৰূপ স্মৰণ মাত্ৰকে দেন্ত
কিনো কৃপাময় প্ৰভুদেৱ।।"

পূৰ্ব কবিসকলৰ দৰে ছবি, লেচাৰি, দুলড়ি, ছন্দ সজ্জাও গোপাল আতাৰ হাতত নিটোল ৰূপত ধৰা দিছে।

গোপাল আতা নাট্য কলাতো সিদ্ধহস্তপুৰুষ। তেৰাৰ ৰচিত তিনিখনি নাট আমি পাইছোঁ- জন্ম-যাত্ৰা, নন্দোৎসৱ আৰু উদ্ধৱযান। নাটকেইখন শংকৰদেৱ আৰু মাধৱদেৱৰ নাটৰ তুলনাত সৰু হ'লেও অসমীয়া সাহিত্যৰ লেখৰ সম্পদ।

'জন্মযাত্ৰা' আৰু 'নন্দোৎসৱ' নাট দুখনক সুকীয়া নাট হিচাপে গণ্য নকৰি একেখনি নাটৰে দুটা খণ্ড বুলিব পাৰি। মহাপুৰুষ মাধৱদেৱৰ দিনতে গোপাল আতাই এই নাট ৰচনা আৰু অভিনয় কৰি গুৰুজনাক সভক্তিৰে অৰ্পণ কৰি উচৰ্গা কৰাৰ 'কথা গুৰু চৰিত'ত এইদৰে আছে-

"আৰু একবাৰ জন্মজাত্ৰা পাচটিৰ গীত নাট সূত্ৰ কৰি ঃ গুৰুজনক ভক্তে সমে প্ৰাৰ্থনাকৈ ঃ নিচেই ঃ অনেক দ্ৰব্যবস্তু কৰি ৰাতি এ দিনে তিথি জাত্ৰা কৰাইছে।। পাচদিনা বোকা জাত্ৰা পাচটি গাইচে গীত ঃ গুৰুজনাৰ প্ৰেম কৰি দ্ৰৱ হৈ টলবলাই ঢুলি আচিল ঃ কুসুমজল লঅনু আপুনি সিচি দিচিল ঘোষা কীৰ্তন গাই গুৰুজনক মাধ্যকৈ জই হৰি প্ৰাণ হৰি কীৰ্তন গালে দলদোপ হৈছিল বৈকুণ্ঠলকেঃ অৱসান স্নানকৈ আতা সেৱা কৈলেহি ঃ বোলে তোম্ৰা মোৰ হৃদয়ৰ বস্তুঃ ... বোলে গোপাল আহি মোক্ অমৃত পান কৰাই যি সন্তোষ লভাইছা, তোমাৰ ভক্তি বস্তুতো সন্তোষ লভিবা। জসে তোমাৰ চন্দ্ৰ-সূৰ্য প্ৰকাশ কৰাদি কৰিব নদি বোৱাদি বৰঃ বোলে বাপ তোম্ৰাৰ চৰণে অৰ্পিলো..." ইত্যাদি। (কথাগুৰু চৰিত ৭৬০)। ইয়াৰ পৰাই গোপাল আতাৰ সাহিত্য প্ৰতিভাৰ বিষয়ে উপলব্ধি কৰিব পাৰি। মহাপুৰুষ মাধৱদেৱকেই যি নাটে সন্তুষ্ট কৰিছিল তাৰ নাটকীয় গুণ বা কাব্যিক সৌন্দৰ্যৰ আলোচনা কৰিবলৈ যোৱাটো ধৃষ্টতাহে মাথোন।

নাটখনিৰ গীতসমূহ অতি প্ৰাণৱন্ত। নাৰীৰ ৰূপ বৰ্ণনাৰ ক্ষেত্ৰত আতাজনাৰ

ৰূপমৈলাম নিপুণ। 'জন্মযাত্ৰা' দৈৱকীৰ ৰূপ বৰ্ণনা কৰিছে এইদৰে-

"হংসেৰ গমনী কুৰংগ নয়নী
পেখি শশধৰ লাজে।।
মুকুট কুণ্ডল কেয়ুৰ কংকণ
গলে গজমতি জলে।
কণক কিংকিনী বাজে ৰিণিজিনি
নূপুৰ পদ কমলে।।
বিধিয়ে নিৰমিল কাক পতুলী
ত্ৰৈলোক্য নাহি উপাম।।"

শংকৰদেৱৰ 'ৰুক্মিণী আৰু 'ৰাম বিজয়'ৰ সীতাৰ ৰূপ বৰ্ণনাৰ লগত এনে বৰ্ণনা সহজেই তুলনীয়। লগতে প্ৰকাশ ভংগীৰ ক্ষেত্ৰত শব্দচয়ন আৰু ৰূপক উপমাদিৰ প্ৰয়োগত দুজনা গুৰুৰ ধ্বনি প্ৰতিধ্বনি বৰ্তমান যদিও অন্য ক্ষেত্ৰত ভালেমান ব্যতিক্ৰম পৰিলক্ষিত হয়, যিবোৰ কবি নাট্যকাৰ গৰাকীৰ স্বকীয় প্ৰতিভা ভাঙি ধৰে। উদাহৰণ স্বৰূপে কৃষ্ণৰ জন্মৰ পাছত বসুদেৱৰে কৃষ্ণক কোলাতলৈ নন্দ গৃহলৈ যাত্ৰা কৰাৰ ছবিখনি কবিজনাই উপযুক্ত শব্দ প্ৰয়োগেৰে নিখুঁতকৈ অংকন কৰিছে-

"গগণে গৰজে ঘন কোলে লৈয়া নাৰায়ণ
চলে বসুদেৱ ধীৰে ধীৰে।
পেখিয়া সহস্ৰানন ভিজে প্ৰভূ নাৰায়ণ
ফনায়ে ধৰিলা ছত্ৰ শিৰে।।"

তেনেকৈ দৈৱকীৰ পুত্ৰজাত হোৱাৰ সংবাদ পোৱাৰ পিছত কংসৰ ভীতিবিহ্বল অৱস্থাৰ বৰ্ণনাও 'কানাড়া' ৰাগৰ এই গীতটিত স্পষ্ট-

"আৰত কংসে ভয় হয়া ৰব।
হাতে খাণ্ডা ধৰি দিলে লৰৱ।।
পৰম ক্ৰোধে বেগে যাই ধাই।
পৰিল পথত উঝন্টি খাই।।
... ... ... ... ... ... ...
ফোঁফাই যেন নাগ মুকুট বেশ।
ভৈলেক সূতিকা গৃহ প্ৰবেশ।।"

ইয়াৰ পিছত কংসৰ হাতত ইতিমধ্যে দৈৱকীৰ এটি এটিকৈ ছটি পুত্ৰ নিধন হোৱাৰ পিছত কন্যা সন্তানটিও কংসেই বধ কৰিবলৈ ওলোৱাত দৈৱকীৰ অন্তৰত



হাহাকাৰৰ সৃষ্টি হৈছে। শোকদগ্ধ মাতৃ হৃদয়ৰ আকুল মিনতি প্ৰকাশক এই গীতটিয়ে শ্ৰোতা পাঠকৰ অন্তৰত কৰুণ ৰসৰ অনুভূতি তীব্ৰভাৱে জাগ্ৰত কৰে। গীতটি নাট্যকাৰ কবিজনাৰ কাব্যিক প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন-

"এ দৈৱকী সতী বোলত কংস মুহ চাই
ওহি কন্যাবত্ন বৈৰী নোহে তোহাৰী
জানি বধিতে নুযুৰায়।"

কানাড়া ৰাগৰ অন্য এটি গীতত উচিত শব্দ ব্যৱহাৰ আৰু অনুপ্ৰাসৰ প্ৰয়োগেৰে বীৰৰসৰ উপস্থাপনা বলিষ্ঠভাৱে কৰিছে-

"দুম দুম দুন্দুভি নিষান বাজে।
আৰত দানৱ বাজ সমাজে।
... ... ... ... ... ... ...
প্ৰকটি দান্ত ঝংকাৰয় মাথা
গৰজে উপৰক তুলি শূল।
উতপাৰো যত দেৱতাৰ মূল।।"

নাটৰ শেষৰ গৌৰী আৰু ভাটিয়ালী ৰাগৰ গীত দুটিত গোকুলত কৃষ্ণৰ জন্মোৎসৱৰ আনন্দমুখৰ পৰিবেশৰ বৰ্ণনা অতি সজীৱ।

'উদ্ধৱযান' বা 'উদ্ধৱ সংবাদ' নাটত দাস্যভাৱ প্ৰধান সপ্ৰেম ভক্তিৰ পৰাকাষ্ঠা বঢ়িয়াকৈ প্ৰকাশ কৰা হৈছে। 'জন্মযাত্ৰা' নাটৰ বোকা যাত্ৰা খণ্ডত পৰমভক্তা গোপীসকলৰ প্ৰবেশ গীতত নাট্যকাৰ জনাই দাস্য ভাৱৰ পৰিচয় এইদৰে দিছে- "ব্ৰজৰ বধুৰ বেণু ধৰি হৈবোঁহো দাসকু দাস।" উদ্ধৱ সংবাদ নাটত তেৱাঁই এই ভাৱৰ চৰম দৃশ্য এটি এইদৰে অংকণ কৰিছে-

সূত্ৰ ঃ আহে সামাজিক লোক, গোপীসব কৃষ্ণগুণ সুমৰি সুমৰি ক্ৰন্দন কৰিতে প্ৰেমে মুৰুচি পৰল। কাহাৰো গাৱে চেতন নাহি। .. দেখি উদ্ধৱ পৰম আনন্দে প্ৰত্যেককে পৰি পৰি নমস্কাৰ কয়ল। উদ্ধৱ যৈচে প্ৰবোধ কৰিতে লাগল, তা দেখহ শুনহ।

উদ্ধৱ ঃ হে গোপীসব, তোমাৰা পৰম ভাগ্যৱতী। শ্ৰীকৃষ্ণ বিৰহতে পৰম ভকতি ভেল। অনেক জনম যে তপ জপ যাগ যোগাদি শুদ্ধভাৱে কৰৈছে, তবে কদাচিত কৃষ্ণচৰণে ভকতি কৰিতে পাৰয়। সোহি কৃষ্ণক তেৱাসৱে বশ্য কয়ল তোৱাসৱক সুমৰি শ্ৰীকৃষ্ণক সমীপ পাৱব। হে মাতাসৱ, ইহা জানি তাপ তেজহ।"

গোপীসকলৰ সপ্ৰেম ভক্তি শ্ৰীকৃষ্ণৰ মথুৰা গমনৰ পাছত হোৱা বিৰহ

বেদনাতহে পৰিপক্ক হৈ উঠিছিল। "উদ্ধৱে প্ৰাৰ্থিলা গোপীৰ ধূলি" (কীৰ্তন ঘোষা) মহাভক্ত উদ্ধৱে বাতিয়ে দিনে শ্ৰীকৃষ্ণ ভগৱন্তক পায়ে আছিল। তেনেজনা ভক্তই গোপীসকলৰ পদধূলি শিৰোধাৰ্য কৰা কাহিনীয়ে "দাসৰো দাস তান দাস আমি" বোলা গুৰুজনাৰ শ্ৰেষ্ঠ প্ৰাৰ্থনাকে গোপালদেৱে নাটকীয় ভাৱে বোধগম্য কৰি তুলিলে।" (মাধৱ বৈকুণ্ঠ গৈলা, গোপাল উদয় ভৈলা, পৃ ৮৪-৮৫)।

নাটখনিত গীতসমূহ নাট্যকাৰ কবিজনাৰ কবিত্ব প্ৰতিভাৰ উল্লেখযোগ্য নিদৰ্শন। নাটত কৃষ্ণই প্ৰাণসম বন্ধু উদ্ধৱক ব্ৰজলৈ বাৰ্তাসহ পঠাইছে। যমুনাৰ তীৰত দূৰৰ পৰা গোপীসৱে উদ্ধৱক কৃষ্ণযেন অনুভৱ কৰা শিহৰণৰ মাজত দাৰ্শনিকতা থকাৰ দৰে গভীৰ আন্তৰিকতা আৰু আত্মীয়তাও আছে। কৃষ্ণ সমৰূপী উদ্ধৱক দেখি গোপীসৱে প্ৰথমে লজ্জা প্ৰদৰ্শন কৰিছে। পিছত

"পাছে চাপি পাশ　　জানি হৰি দাস
হয়া অৱনত আতি।
মাতি বিৰলত　　গোপীগণ যত
বসিলা সমাজপাতি।"

বৃন্দাবন এৰি মথুৰালৈ যোৱা কৃষ্ণৰ বিৰহত গোপীসকল কেনে ব্যথাতুৰা হৈছে সেয়া গোপালদেৱ আতাৰ হাতত সজীৱ। 'শ্ৰীগান্ধাৰ ৰাগৰ এই গীতটিত আছে

"উদ্ধৱ প্ৰাণ শ্যামি বৰ দাৰুণ হিয়া।
নৱ প্ৰেমৰস বিছুৰল কি লাগিয়া।।"

তেনেদৰে ভাটিয়ালি ৰাগৰ এই গীতটিত গোপীৰ কৰুণ কাতৰ ছবিখনি এইদৰে প্ৰকাশ পাইছে-

"শুনহে উদ্ধৱ প্ৰাণ জীৱ মেৰি যাই।
কহতু গোকুলে কানু মিলৱ দুনাই।।"

গোপীসকল ইমানেই বিৰহাতুৰ যে -

"শ্ৰৱণে নুশুনো আন নভাসে নয়নে।
হা শ্যাম হা শ্যাম যোঁকাৰে বয়নে।।"

শ্ৰীগান্ধাৰ ৰাগৰ যতি তালৰ এটি গীতত মধুকৰ এটিকে শ্ৰীকৃষ্ণৰ দূত হিচাপে কৰা কল্পনা অতি মনোহৰ। বিৰহিনী গোপীসকলৰ মান অভিমান গীতটিত সুন্দৰভাৱে প্ৰকাশিত হৈছে।

"হামাৰি পাশক দূত　　কৰি তোক যট পদৰে
জনালোহো পঠাইলা মধাই।



তোহাৰি কাণুৰ সংগে　　পিৰীতি নকৰো হামোৰে
কপটী তাহেৰ সম নাই।
তই যে মধুকৰ　　পৰম দাৰুণ চিতৰে
পুষ্প চুম্পি নাসৱে দুনাই।।"

গোপাল আতা বিৰচিত মেলাৰাগ আৰু নাটৰ মাজৰ বন্ধাৰাগ মিলি মুঠ গীত ৬৬ টা। তেৰাৰ নাট বহিৰ্ভূত ৩৪ টি গীতক কালসংহতিৰ বিনে অন্য সংহতিৰ সত্ৰই বৰগীত ৰূপে স্বীকৃতি দিয়া দেখা নাযায়। "মৰি যাও মাৰি যাওঁ, গুৰুৰ ঋণ সুজি যাওঁ" আদৰ্শ লৈ অসম বুৰঞ্জীৰ এটি অধ্যায় ৰক্তাক্ত কৰা কাল সংহতিৰ গুৰুতসকলৰ পৰা বাকী সংহতিৰ সত্ৰসমূহে ৰাজৰোষত পৰাৰ ভয়ত এটা সময়ত নিজকে আঁতৰাই ৰখা কথাটোও ইয়াৰ কাৰণ হ'ব পাৰে। অৱশ্যে নন্দোৎসৱ নাটখনি পাচতিৰূপে অন্য সংহতিৰ সত্ৰতো সুপ্ৰচলিত।

শংকৰ মাধৱৰ বৰগীতত ব্যৱহৃত প্ৰায়কেইটা ৰাগ গোপাল আতাই ব্যৱহাৰ কৰিছে। তেৰাই ১৯ টি ৰাগত গীত ৰচনা কৰিছে। যেনে- বসন্ত, আশোৱাৰী, গৌৰী, ভটিয়ালী, মল্লাৰ, কেদাৰ, ভূপালী ইত্যাদি। গীতত পয়াৰ হ্ৰস্বঝুনা, দীৰ্ঘঝুনা, দুলড়ী, ছবি, মিশ্ৰ পয়াৰ, মিশ্ৰকণা অতি মিশ্ৰ ছন্দৰ গীতো ৰচিত হৈছে।

ৰচনাৰীতি, গায়ন পদ্ধতি, ভাব ভাষাৰ গাম্ভীৰ্যৰ পিনৰ পৰা গীতসমূহক বৰগীতৰ শাৰীত থ'ব পৰা যায় বুলি আমি ক'ব পাৰো। এই ক্ষেত্ৰত ১৯৫৪ চনতে ড° বিৰিঞ্চি কুমাৰ বৰুৱাই "শ্ৰীৰামআতা আৰু শ্ৰীৰামানন্দ দেৱৰ গীত" নামৰ পুথিৰ ভূমিকাত লিখা কথাখিনি উনুকিয়াব পাৰি-

"মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে প্ৰৱৰ্তন কৰা বৰগীতৰ আৰ্হিৰে পৰৱৰ্তী বৈষ্ণৱ সন্ত মহন্তসকলে ভালেমান গীত ৰচনা কৰি গৈছে। পিছৰ যুগৰ ৰচিত গীতসমূহ বৰগীতৰ পৰ্যায়ত পৰে নে নপৰে সেই বিষয়ে মতানৈক্য আছে। কিন্তু বিষয়বস্তু আৰু বৰ্ণনা পদ্ধতিৰ পিনৰ পৰা বিচাৰ কৰিলে এই দুবিধ গীতৰ মাজত বিশেষ পাৰ্থক্য লক্ষ্য কৰিব নোৱাৰি। পিছৰ কালৰ গীত ৰচনা বিষয়ত কালসংহতিৰ সত্ৰসমূহৰ ধৰ্মাচাৰ্যসকলৰ বৰঙণিয়েই অধিক। মায়ামৰা, দিহিং, কাটনিপাৰ, চেঁচা, আঁহতগুৰি আদি সত্ৰ গোঁসাই মহন্তসকলেও অলেখ গীত ৰচনা কৰিছিল। এই গীতসমূহ সংগ্ৰহ কৰিলে প্ৰাচীন অসমীয়া সাহিত্যৰ মহান সৌধ নিৰ্মিত হব।"

এই খিনিতে এটা কথা ক'ব পাৰি যে কিছুমান নাটৰ গীত বৰগীতৰ দৰে ব্যৱহাৰ হয়। সেইফালৰ পৰা চাবলৈ গ'লে লগতে ৰাগ আৰু তাল বিচাৰেৰে লক্ষ্য কৰিলে বৰগীত আৰু অংক বা নাটৰ গীতৰ মাজত পৰিবেশনত ফালৰ পৰা প্ৰভেদ পৰিলক্ষিত নহয়। ঠিক সেইফালৰ পৰা চাবলৈ গ'লে দুজনা গুৰুৰ ৰচনা 'বৰগীত'ৰ

লগত সমপৰ্যায়ৰ গীতৰ পাৰ্থক্য বৰকৈ লক্ষ্য কৰা নাযায়। অন্যহে নালাগে কোনো কোনো থুলৰ সত্ৰত অতি অৰ্বাচীন কালৰো গুৰুসকলৰ ৰচিত নাটৰ গীত সত্ৰ প্ৰসংগত বৰগীতৰ দৰেই গণ্য কৰি গোৱাৰ ৰীতি আছে। অৱশ্যে যিখিনি গীতত প্ৰচুৰ ভাৱে অনুকৰণশীলতা দেখা যায় সেইখিনিক নিশ্চয় বৰগীতৰ সমপৰ্যায়লৈ নিব নোৱাৰি।

শেষত পূৰ্ণমূৰ্তি ভৱানীপুৰীয়া গোপাল আতাৰ গীতৰ বিষয়ে আমি তেৰাৰ জীয়াৰী আই পদ্মপ্ৰিয়াৰ ভাষাৰে ক'ব পাৰি যে-

"বাপ গোপালে গীত কৰিলন্ত
কোন পাৰে তাৰ সীমা।
সংসাৰ বিনাশী হৰিকো প্ৰকাশি
গীতৰ মহামহিমা।।"

সহায়ক গ্ৰন্থ ঃ
ক) মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত - শ্ৰীদীন চন্দ্ৰ মহন্ত
খ) মাধৱ বৈকুণ্ঠে গৈলা গোপাল উদয় ভৈলা - শ্ৰীমোহন চন্দ্ৰ মহন্ত
গ) 'পূৰ্ণমূৰ্তি' - স্মৃতিগ্ৰন্থ - সম্পাদক - শ্ৰীসুনীল বৰা
ঘ) 'মাধৱ বৈকুণ্ঠে গৈলা গোপাল উদয় ভৈলা' - স্মৃতিগ্ৰন্থ - সম্পাদক ড° পদ্মপাণি, জয়জ্যোতি গোস্বামী, শ্ৰীৰূপজ্যোতি মহন্ত
ঙ) ভক্তিগীত সংকলন - ড° মহেশ্বৰ নেওগ
চ) শ্ৰীশ্ৰীগোপালদেৱৰ গীতঘোষা আৰু পদ্মপ্ৰিয়া আইৰ গীতঘোষা - সংগ্ৰাহক - শ্ৰীনিত্যানন্দ মহন্ত
ছ) গুৰুচৰিত কথা - ড° মহেশ্বৰ নেওগ
জ) কৃষ্ণকথা মূলধাৰা - কেশদা মহন্ত



# ব্ৰহ্মপুত্ৰ জড়িত অনুষ্ঠান ঃ অশোকাষ্টমী

ড° ৰীণা চৌধুৰী
সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ
দিশপুৰ মহাবিদ্যালয়

পবিত্ৰ মাহ উপলক্ষে তীৰ্থযাত্ৰা, নদীত স্নান আদি কাৰ্য-কৰ্ম সমূহ ভাৰতত প্ৰতিখন সমাজতে অতীতৰ পৰা চলি আহিছে। কালিকা পুৰাণৰ 'তীৰ্থ প্ৰসংগ অধ্যায়'ত নদী তীৰ্থ সমূহৰ নাম আৰু গৰিমা বিচাৰ কৰা হৈছে। কোনখন নদীত কেতিয়া, কেনে প্ৰণালীৰে আবদ্ধ হৈ স্নান কৰিলে নিৰ্বান, উত্তম ভোগ নাইবা সৌভাগ্য আৰু যশপ্ৰাপ্তি লাভ কৰে তাৰ উল্লেখ আছে। উদাহৰণ স্বৰূপে গঙ্গাৰ দৰে ফলদায়িনী বৃদ্ধা নদী আৰু পাপ দমন কাৰিণী ক'লাপানীযুক্ত দমনিকা নদীত সমগ্ৰ মাঘমাহ স্নান কৰিলে মানুহে নিৰ্বান লাভ কৰে বুলি উল্লেখ আছে।[1] একেদৰে দিব্য যমুনা নামৰ নদীত কাতিমাহত গা-ধুই মুক্তি পায় আৰু ইহলোকত উত্তমভোগ সৌভাগ্য ভোগ কৰে।[2]

পুহ মাহত পুষ্যা নক্ষত্ৰত থাকিলে ৰজাই সৌভাগ্য, ৰাজ্যত দুৰ্ভিক্ষ নাশ আৰু সৰ্ব কল্যাণৰ বাবে পুষ্যাস্নান কৰাৰ নিয়ম আছিল। কালিকাপুৰাণ পুথিত পুষ্যাস্নানৰ নানান বিধিৰ ইংগিত কৰা হৈছে। ৰাজন্যবৰ্গৰ বাবে পুষ্যাস্নান যজ্ঞতকৈ আন পুণ্য যজ্ঞ বা মহোৎসৱ নাই। ইয়ে দেহৰ, দহৰ, ৰাজ্য-প্ৰজা আটাইৰে শান্তি তথা মঙ্গল আনিব পাৰে।[3]

সেইদৰে দুৰ্জয় পৰ্বতৰ পুবত বৰাহ নামৰ নগৰ, তাৰ দক্ষিণত ক্ষোভক পৰ্বত। ক্ষোভক পৰ্বতত ৰক্তদেৱী আছে। এই পৰ্বতৰ পুবত কান্তা নামৰ মহানদীয়ে প্ৰথমে

১। তীৰ্থ প্ৰসংগ, স্তোত্ৰ নম্বৰ ১৫৩, ৭৯ তম অধ্যায়, কালিকাপুৰাণ।
২। তীৰ্থ প্ৰসংগ, স্তোত্ৰ নম্বৰ ১৫৪, ১৫৫, ১৫৬, কালিকাপুৰাণ।
৩। 'পুষ্য-স্নানাদি', ৮৬ অধ্যায়, কালিকাপুৰাণ।

উত্তৰ বাহিনী হৈ দক্ষিণ সাগৰলৈ বৈ গৈছে। ৰক্তদেৱীৰ পঞ্চপুষ্কৰিনী কুণ্ডত গা-ধুই পূজা কৰিলে পুনৰ্জন্ম নহয়। নিমিৰজাৰ শাপত দেহহীন হোৱা মহৰ্ষি বশিষ্ঠই কামৰূপৰ সন্ধ্যাচলত তপস্যা কৰি বিষ্ণুৰ বৰদান লাভ কৰে। বিষ্ণুৰ বৰত বশিষ্ঠই সন্ধ্যাগিৰিৰ অমৃত আনি মহাকুণ্ড নিৰ্মাণ কৰি তাত স্নান আৰু পানী পান কৰাত আগৰ দৰে দেহৰ শ্ৰী ঘূৰাই পাইছিল। এনে বশিষ্ঠাশ্ৰম আৰু সেই অমৃতকুণ্ডৰ পৰা ওলোৱা সন্ধ্যা নদীৰ পানীত গা ধুই মানুহে চিৰজীৱী আৰু নিৰোগী হয়। তদুপৰি এই নদীৰ পূবত থকা ললিতা নদীত বহাগৰ শুক্লা তৃতীয়াত স্নান কৰি শিৱলোক পায়। ললিতাৰ পূবত ভগৱান পৰ্বত। তাত ভগৱান বিষ্ণুৱেই নিজে লিঙ্গৰূপে আছে। শুক্লা দ্বাদশীত ললিতাত গা- ধুই ইয়াত পূজা কৰিলে বিষ্ণুলোকলৈ যায়।গয়াতুল্য এই সকলোবোৰ নদী উত্তৰ বাহিনী আৰু দক্ষিণ সাগৰ গামিনী। এনেদৰে কামাখ্যা দৰ্শন কৰি উৰ্বশী কুণ্ডত প্ৰতমে স্নান কৰি পিচত আন সকলো নদীত স্নান কৰাৰ ফলত জীৱই মুক্তি লাভ কৰে।[৪] এনেদৰে কালিকা পুৰাণত কামৰূপৰ অজস্ৰ নদীৰ নাম উল্লেখ কৰাৰ লগতে সেই সেই নদী তীৰ্থৰ মাহাত্ম্য আৰু গৰিমাৰ কথা উত্থাপন কৰা হৈছে। ইয়াৰে প্ৰায়বোৰ নদীয়েই বৰ্তমান ভিন্ন নামেৰে পৰিচিত হৈছে নাইবা কালৰ গৰ্ভত কেতিয়াবাই লোপ পাইছে।

বিহাৰী সম্প্ৰদায়ৰ যঠ পূজা বা মহান সূৰ্যদেৱতাৰ আৰধনাত সূৰ্যাস্ত আৰু সূৰ্যোদয়ক প্ৰণাম কৰা অনুষ্ঠানৰ লগতো মুখ্যতঃ নদীয়েই জড়িত। সৰ্বভাৰতীয় পৰ্যায়ত মাঘ মাহ পবিত্ৰ মাহ বুলি পৰিগণিত হৈ আহিছে। মকৰ সংক্ৰান্তিৰ দিনটোত ভাৰতবৰ্ষৰ অজস্ৰ নদীত ভক্তালু জনসাধাৰণে স্নান-দান কৰি পূৰ্ণ অৰ্জন কৰা আন এটা লক্ষ্যণীয় দিশ। অসমীয়া সমাজতো মাঘমাহক 'পবিত্ৰমাহ' বুলি সকলোধৰণৰ ধৰ্মানুষ্ঠান কৰাৰ বাবেও এই মাহ প্ৰশস্ত বুলি গ্ৰহণ কৰা হয়। তদুপৰি কামৰূপত ব'হাগ, কাতি আৰু মাঘ মাহক পবিত্ৰ মাহ ধৰি নাম-কীৰ্তন কৰাটো নিশ্চয় অসমৰ বঙালী, কঙালী আৰু ভোগালী বিহুৰে প্ৰতিচ্ছবি জিলিকি উঠিছে বুলি অনুমান কৰা যায়।

বাৰমাহী গীতত মাঘীস্নান বা মাঘমাহৰ 'চিলান'ৰ উল্লেখ আছে-

মাঘৰে মাহতে শাস্ত্ৰী ধৰমেৰে দিন।
চিলানকে ওলাল সাউদ লগতে ভাগিন।।[৫]

কামৰূপত কাতিমাহত তুলসীগুৰিত শৰাই আগবঢ়াই লক্ষ্মীদেৱীৰ নাম গায়। এওঁ কাত্যায়নী নামেৰে বিভূষিতা লক্ষ্মীদেৱী। সেইবাবেই কাতি মাহৰ নামক

৪। তীৰ্থ প্ৰসংগ, স্তোত্ৰ নম্বৰ ১৩১ - ১৮৭ কালিকাপুৰাণ।
৫। 'বাৰমাহী', চটাই পৰবত আৰু ছিৰি লুইত', ড° মহেশ্বৰ নেওগ



কাত্যায়নী নাম বুলি কোৱা হয়। বাৰমাহী গীতত কাতিৰমাহৰ কাইতান ধানৰ ঠোৰৰ কথাৰ উল্লেখ আছে।

কাতিৰে মাহতে শান্তি কাইতান ধানৰ ঠোৰ।
বাৰমাহৰ তেৰগীত গাই নাপাও ওৰ।।[৬]

একেদৰে কাতিমহীয়া তুলসীৰ গুৰিত গোৱা নামতো লক্ষ্মীআইৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়।

তুলসীৰ তলে তলে কোনজন ঘূৰে।
হাতত চাকি লৈ লক্ষ্মী আই ফুৰে।।

কিন্তু বাৰমাহী গীতত চ'ত মাহৰ উল্লেখত অশোকাষ্টমীৰ উল্লেখ পোৱা নাযায়।

পুৰাণ শব্দটো কেৱল পুৰণিয়ে নহয়, ইয়াৰ অৰ্থ-ভাব আৰু বিষয়-বস্তুও যথেষ্ট পুৰণি। প্ৰাচীন কথাৰ উল্লেখ তথা বিভিন্ন আদৰ্শ, উপদেশ, ধৰ্মীয় ৰীতি-নীতিৰ সম্যক ধাৰণা অন্তৰ্ভুক্ত কৰা হোৱাৰ বাবে অতীতত 'পুৰাণ' শব্দটো 'ইতিহাস' বা 'বুৰঞ্জী'ৰ অৰ্থৰ দৰে ব্যৱহাৰ হৈছিল। প্ৰাচীন কামৰূপ বা অসমৰ পটভূমিত এনেধৰণৰ বিস্তৃত বিৱৰণ থকা কেৱল দুখনেই গ্ৰন্থ লাভ কৰা যায়- 'কালিকা পুৰাণ' আৰু 'যোগিনীতন্ত্ৰ'। খৃষ্টীয় ১০ম শতিকাত কামৰূপত ৰচিত এই কালিকা পুৰাণখন আচলতে ভাৰতীয় শাস্ত্ৰৰ ১৮ উপপুৰাণৰ অন্তৰ্ভুক্ত এখন উপপুৰাণ আৰু ইয়াত নব্বৈ (৯০) টা বৃহৎ অধ্যায় সন্নিবিষ্ট হৈছে।

সেইদৰে পঞ্চদশ-ষোড়শ শতিকাত কামৰূপত ৰচিত 'যোগিনীতন্ত্ৰ' এখন তন্ত্ৰ পুথি। 'কালিকাপুৰাণ'ৰ দৰে ব্ৰহ্মপুত্ৰ সম্বন্ধীয় তথ্য এই গ্ৰন্থত আছে আৰু ব্ৰহ্মপুত্ৰক শ্ৰেষ্ঠতীৰ্থ বুলি অভিহিত কৰিছে। এই গ্ৰন্থত পুণ্যভূমি ভাৰতবৰ্ষৰ ভিতৰত আঠখন মোক্ষফল পদ লাভ কৰিব পৰা মহাপীঠৰ উল্লেখ আছে-

অযোধ্যা মথুৰা মায়া কাশী কাঞ্চী অৱন্তিকা।
পুৰী দ্বাৰাৱতী চৈব অষ্টৈতে মোক্ষদায়িকা।।

ইয়াত উল্লেখ কৰা মায়াপীঠেই কামৰূপ মহাপীঠ আৰু ইয়াৰ অধিষ্ঠাত্ৰীদেৱী মহামায়া কামাখ্যা। যোগিনীতন্ত্ৰত কামৰূপ মহাপীঠৰ শ্ৰেষ্ঠ পীঠসমূহ, স্নানকুণ্ড সমূহ, দেৱী-দেৱালয় আদিৰ কথা সন্নিবিষ্ট কৰা হৈছে। মহাদেৱে নিজ পত্নী কালীৰূপী পাৰ্বতীক এই দুৰ্লভ তন্ত্ৰৰাজ (তন্ত্ৰৰ ভিতৰত শ্ৰেষ্ঠ) যোগিনীতন্ত্ৰখন কৈ শুনাইছিল। মহাদেৱে পাৰ্বতীক কামৰূপ ক্ষেত্ৰৰ মাহাত্ম্যৰ বিষয়ে বিৱৰণ দিছিল। এই বিৱৰণ অনুসৰি এই ক্ষেত্ৰৰ জলতে হওক বা স্থলভাগতে হওক দেৱীৰ পূজা কৰিলে সমান

৬। 'বাৰমাহী', 'চটাই পৰবত আৰু ছিৰি লুইত', ড° মহেশ্বৰ নেওগ

ফল পায়। কামৰূপৰ দেৱী ক্ষেত্ৰ অন্য কোনো তীৰ্থৰ সমান হ'ব নোৱাৰে। অন্য ক্ষেত্ৰত দেৱী বিৰলা হৈ থাকে কিন্তু কামৰূপৰ প্ৰতি ঘৰে ঘৰে দেৱী বিৰজিতা।

জলে স্থলে বাশ্বতীৰ্থে উক্ত দশগুণং ফলং
জলেস্থলে কামৰূপে পুজনাচ্চ সমং ফলং। ১৫০

০ ০ ০

কামৰূপং দেৱীক্ষেত্ৰং কুত্ৰাপি তৎ সমং ন চ।
অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।১৫২

চ'ত মাহৰ শুক্লা অষ্টমী তিথিত ব্ৰহ্মপুত্ৰ নদীত ধৰ্মীয় ৰীতিৰে স্নান কৰা পৰ্বই অশোকাষ্টমী স্নান উৎসৱ। জনশ্ৰুতি মতে ব্ৰহ্মপুত্ৰক কুঠাৰেৰে কাটি বোৱাই অনা ব্যক্তি পৰশুৰামৰ লগত ব্ৰহ্মপুত্ৰৰ মনোমালিন্য ঘটাৰ ফলস্বৰূপে অশোকাষ্টমী দিৱসৰ সৃষ্টি। এবাৰ ব্ৰহ্মপুত্ৰই পৰশুৰামক অসন্তুষ্ট কৰাত পৰশুৰামৰ খং উঠে আৰু ব্ৰহ্মপুত্ৰৰ পানী অপৱিত্ৰ হ'বলৈ অভিশাপ দিয়ে। তেতিয়া ব্ৰহ্মপুত্ৰই পৰশুৰামৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা বিচাৰি স্তুতি কৰাত ঋষিৰে ক্ৰোধ সাম কাটে আৰু বৰ দিলে যে চ'ত মাহ বা বসন্ত কালৰ অশোকাষ্টমীত গঙ্গা আহি ব্ৰহ্মপুত্ৰত মিলিব। ফলস্বৰূপে সিদিনা ব্ৰহ্মপুত্ৰ তীৰ্থৰাজ হ'ব পাৰিব আৰু ইয়াত স্নান কৰিলে মানুহৰ সকলো পাপ নাইকীয়া হৈ দুগুণ পূণ্য অৰ্জন কৰিব পাৰিব। তেতিয়াৰ পৰা এই উৎসৱটি পালন কৰা হৈ আহিছে। ব্ৰহ্মপুত্ৰৰ উপৰে সমূহতো অশোকাষ্টমীৰ পুত স্নান কৰা দেখা যায়।

যোগিনীতন্ত্ৰত উল্লেখিত মতে ব্ৰহ্মপুত্ৰ যৌত অশ্বক্ৰান্ত তীৰ্থত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ এই তিনিওজন দেৱতা সদায় সন্নিহিত হৈ থাকে কাৰণে অশ্বতীৰ্থৰ সমান পুণ্যদায়ক তীৰ্থ পৃথিৱীত আন কতো নাই। অশ্বক্ৰান্তত কাতি মাহত আৰু চ'ত মাহৰ চৈত্ৰীযাত্ৰা কৰি স্নান দান কৰিলে সকলো যজ্ঞ তথা তীৰ্থৰ ফল লাভ কৰিব পাৰি বুলি কোৱা হৈছে। প্ৰসংগত উল্লেখ কৰিব পাৰি যে মহাদেৱ শিৱই ১০৮ খন প্ৰিয় স্থানত নিবাস কৰে। তাৰ ভিতৰত এখন লৌহিত্য- ব্ৰহ্মপুত্ৰ আৰু ইয়াত শিৱই পৰমেষ্ঠী ৰূপে অন্তৰ্হিত হৈ থকা বুলি যোগিনীতন্ত্ৰৰ চতুৰ্থ পটলৰ দ্বাদশ শ্লোকত লিখিত হৈছে। এনেবোৰ স্থানত পাৰ্বতীৰো সান্নিধ্য তেওঁ গ্ৰহণ কৰে। সত্য যুগত পুষ্কৰতীৰ্থ, ত্ৰেতা যুগত নৈমিষ ক্ষেত্ৰ, দ্বাপ যুগত কুৰুক্ষেত্ৰ আৰু কলিযুগত অশ্বতীৰ্থ বা অশ্বক্ৰান্ত পৰম শ্ৰেষ্ঠ তীৰ্থ বুলি ঘোষণা কৰিছে। স্থানান্তৰত ব্ৰহ্মপুত্ৰক দিব্যনদ বুলিও কৈছে।

কালিকাপুৰাণত ব্ৰহ্মপুত্ৰৰ উৎপত্তিৰ বিৱৰণ আৰু পৰশুৰামৰ উপাখ্যান বহল ভাৱে দাঙি ধৰা হৈছে। ঔৰ্বমুনিয়ে সগৰ ৰজাক কোৱা কাহিনী অনুসৰি প্ৰধানবৰ্ষ হৰিবৰ্ষত শান্তনু নামে জ্ঞানবান মুনিজনে পত্নী মহাসতী অমোঘাৰ লগত কেতিয়াবা সীমাপৰ্বত কৈলাশত, কেতিয়াবা লোহিত সৰোবৰৰ পাৰত আৰু কেতিয়াবা গন্ধমাদন



পৰ্বতত বাস কৰিছিল। এদিন মুনিয়ে ফল-মূল বিচাৰিবলৈ যাওঁতে পিতামহ ব্ৰহ্মা আহিল। আশ্ৰমত কেৱল সুন্দৰী অমোঘাক দেখি হঠাতে ব্ৰহ্মাই কামমোহিত হৈ মহাসতীক সম্ভোগৰ বাবে ধৰিবলৈ দৌৰিলে। অমোঘাসতীয়ে তৎক্ষণাৎ কুটীৰত প্ৰবেশ কৰি দুৱাৰ বন্ধ কৰি খঙেৰে ব্ৰহ্মাক আঁতৰি যাবলৈ অনুৰোধ কৰে। অন্যথাই অভিশাপ দিবলৈ উদ্যত হয়। মুনিপত্নীৰ সাৱধানবাণী শুনাৰ পিচতেই কামপীড়িত ব্ৰহ্মাৰ ৰেতস্খলন হয়। ৰেতস্খলিত হোৱাত লাজে অপমানে ব্ৰহ্মা হংসযানত উঠি আশ্ৰম ত্যাগ কৰিলে। ইপিনে শান্তনুমুনি উভতি আহি হাঁহৰ পদচিহ্ন আৰু মাটিত পৰিথকা অগ্নিতুল্য ব্ৰহ্মবীৰ্য দেখি ধ্যানত বহিল। মুনিয়ে দিব্যজ্ঞানৰ বলত গমপালে যে এই ঘটনা জগতৰ হিতৰ বাবেহে ঘটিছে। সেয়ে সমগ্ৰ মানৱ জাতিৰ হিতৰ বাবে আৰু দেৱকাৰ্য সিদ্ধিৰ বাবে সেই ব্ৰহ্মতেজ অমোঘাক পান কৰিবলৈ আদেশ কৰিলে। অমোঘাই গিৰিয়েক শান্তনুৰ কথাত লজ্জিত হৈ আনৰ তেজ ধাৰণ কৰিব নোৱাৰে বুলি স্পষ্টকৈ জনাই দিলে। যদি নিতান্তই কৰিব লগা কৰ্তব্য হয় তেন্তে শান্তনুৱে সেই ব্ৰহ্মবীৰ্য নিজে পান কৰি অমোঘাৰ গৰ্ভত নিষেক কৰিবলৈ যুক্তি আগবঢ়ালে। শেষত মহাসতী অমোঘাৰ অকাট্য যুক্তিত শান্তনু মুনিয়ে নিজে সেই তেজ পান কৰি পত্নীৰ গৰ্ভত সংক্ৰমিত কৰাত অমোঘাসতীয়ে ব্ৰহ্মতেজেৰে গৰ্ভধাৰণ কৰিলে। যথাসময়ত অমোঘাৰ গৰ্ভৰ পৰা এক জলময় পুত্ৰৰ অস্তিত্বৰে এক জলৰাশি উৎপন্ন হ'ল। সেই জলৰাশিৰ মাজত ৰত্নমালা বিভূষিত, নীলাম্বৰ পৰিধানকাৰী, কিৰিটীধাৰী, ব্ৰহ্মাৰ দৰে ৰক্তাভ গৌৰবৰ্ণ চতুৰ্ভুজযুক্ত আৰু চাৰিওহাতত পদ্ম-বিদ্যা-ধ্বজ শক্তিধাৰী ৰূপেৰে জলৰাশি বৰ্ণিত দেহ দৃশ্যমান হ'ল।

লৌহিত্যং ৰক্তগৌৰাঙ্গং নীল-বস্ত্ৰ-বিভূষিতম্
ৰত্নমালা সমাযুক্তং চতুৰ্বাহু সমন্বিতম্।।
পুস্তকং শ্বেতপদ্মঞ্চ বিভ্ৰতং দক্ষিণে কৰে।
বামে শক্তিধ্বজঞ্চৈৱ শিশুমাৰ স্থিতং শুভম্।।

কালিকা পুৰাণ (৮২ তম অধ্যায়)

শান্তনুৱে ব্ৰহ্মাৰ তেজৰ পৰা লাভ কৰা সেই পুত্ৰক চাৰিখন পৰ্বত ক্ৰমে উত্তৰে কৈলাস, দক্ষিণে গন্ধমাদন, পশ্চিমে জাৰুধি আৰু পূবে সম্বৰ্তক নামৰ পৰ্বত শ্ৰেণীৰ মাজত স্থাপন কৰিলে। ব্ৰহ্মাই সেই কুণ্ডলৈ নিজে আহি পুত্ৰৰ কুশলাৰ্থে সকলো সংস্কাৰ কৰিলে। ব্ৰহ্মাৰ পুত্ৰ ৰূপে জনাজাত সেই জলৰাশি ক্ৰমাৎ পাঁচ যোজনলৈ বৃদ্ধি পালে। বহুকাল ধৰি এই ব্ৰহ্মপুত্ৰক স্থাপন কৰা কুণ্ডটো দ্বিতীয় সাগৰসদৃশ আকাৰ পোৱা বুলি পুৰাণখনত উল্লেখ কৰিছে।[১]

---

১। ব্ৰহ্মপুত্ৰৰ উৎপত্তি বিৱৰণ, ৮২ অধ্যায়, কালিকাপুৰাণ।

ব্ৰহ্মপুত্ৰ থিতাপি লোৱা সেই কুণ্ডটো কালিকাপুৰাণত ব্ৰহ্মকুণ্ড বুলি উল্লেখ কৰা হৈছে। মহাতপা জমদগ্নিঋষি আৰু পত্নী ৰেণুকাৰ পুত্ৰ পৰশুৰামে ব্ৰহ্মকুণ্ডৰ পৰা ব্ৰহ্মপুত্ৰক কামৰূপৰ মাজেৰে বোৱাই আনিছিল। এই ঘটনাৰো সুদীৰ্ঘ বৰ্ণনা কালিকাপুৰাণত বৰ্ণিত হৈছে। এদিন পৰশুৰামৰ মাতৃ ৰেণুকাই স্নান কৰিবলৈ গৈ তৰুণ ৰজা চিত্ৰৰথৰ সৌন্দৰ্যত মোহাচ্ছন্ন হ'ল আৰু ভাবুক মন আৰু শৰীৰেৰেই আশ্ৰম পালেহি। জমাদগ্নি ঋষিয়ে পত্নীৰ মনোবিকাৰ বুজিব পাৰি নিন্দা কৰাৰ লগতে ক্ৰোধান্বিত হৈ তেওঁৰ চাৰিপুত্ৰ ক্ৰমে ৰুমৱান, সুষেন, বসু আৰু বিশ্বাবসুক এজন এজনকৈ মাতি মাকৰ শিৰচ্ছেদ কৰিবলৈ আদেশ কৰিলে। কিন্তু পিতৃ আজ্ঞা এজনেও পালন নকৰাত **তেওঁলোকক জড়ভাবাপন্ন হৈ গৰুৰ দৰে জীৱন ধাৰণ কৰিবলৈ** অভিশাপ দিলে। সেই সময়ত পঞ্চম পুত্ৰ পৰশুৰাম উপস্থিত হোৱাত বাপেকে তেওঁকো ব্যাভিচাৰিনী মাকক কাটি হত্যা কৰিবলৈ আদেশ কৰাত পৰশুৰামে নিজৰ হাতৰ কুঠাৰেৰে মাতৃৰ শিৰচ্ছেদ কৰিলে। বাপেক জমদগ্নিয়ে সুপ্ৰসন্ন হৈ পুত্ৰক ঈপ্সিত বৰ গ্ৰহণ কৰিবলৈ ক'লে। পৰশুৰামে বাপেকৰ পৰা (১) জননীৰ পুনৰ্জনম (২) মাকক যে বধ কৰা হৈছিল সেই ঘটনা মাকৰ বিস্মৃত হোৱা, (৩) ভায়েকসকলৰ শাপমোচন, (৪) মাতৃ হত্যাৰ পাপ নাশ, (৫) সকলো সময় আৰু পৰিস্থিতিতেই জয়লাভ আৰু (৬) কল্পবৰ্ষ আয়ুস লাভ আদি কেৰাটাও বৰ বিচাৰি সফল হ'ল। কিন্তু বৰদান মাত্ৰেই মাতৃহত্যা পাপ আঁতৰি নাযায়। সেয়ে এই পাপ স্খলনৰ বাবে ব্ৰহ্মকুণ্ডৰ পানীত স্নান কৰিবলৈ জমদগ্নি মুনিয়ে পৰশুৰামক আদেশ কৰিলে। অতি শীঘ্ৰে পৰশুৰাম ব্ৰহ্মকুণ্ডলৈ গৈ মাতৃহত্যা পাপৰ পৰা ৰক্ষা পালে। ইয়াৰ লগতে সেই পৰমতীৰ্থব্ৰহ্মকুণ্ডত আবদ্ধ পানীভাগ কাটি জগতৰ হিতাৰ্থে বোৱাই আনিবলৈ চেষ্টা কৰি সাফল্য লাভ কৰিছিল।

প্লাবিত ব্ৰহ্মপুত্ৰ নদ ব্ৰহ্মকুণ্ডৰ পৰা ওলাই কৈলাশ পৰ্বতৰ উপত্যকাৰ লোহিত সৰোবৰত পৰিল। পুনৰ পৰশুৰামে লোহিত সৰোবৰৰ পাৰত উঠি কুঠাৰেৰে বাট উলিয়াই ব্ৰহ্মপুত্ৰ নদক পূবফালে বোৱালে। তাৰপিছত হেমশৃঙ্গ গিৰি ভেদ কৰি কামৰূপ পীঠৰ মাজেদি প্ৰবাহিত কৰালে। ফলত কামৰূপৰ সমস্ত পীঠ প্লাবিত হোৱাৰ লগতে সকলো তীৰ্থ গোপন কৰি ব্ৰহ্মপুত্ৰ নদ দক্ষিণ সাগৰলৈ বৈ গ'ল। ব্ৰহ্মাই নিজে তাৰ নাম ৰাখিলে লোহিত। লোহিত সৰোবৰৰ পৰা ওলোৱা বাবে ইয়াৰ এটা নাম লৌহিত্য।[৮]

জন প্ৰবাদত এনে ধৰণেও পোৱা যায় যে পাপমোচন কৰিবলৈ সকলো তীৰ্থ ভ্ৰমণ কৰি পৰশুৰামে কামৰূপত সোমাই এনে এটি জলাশয় পালে যাৰ পানীবোৰ

৮। পৰশুৰামৰ উপখ্যান, অধ্যায় ৮৩



উতলি থকাৰ দৰে শব্দ কৰি থাকে। তাত হঠাতে এটা ক'লা চৰাই পানীত বুৰ মাৰি ওলাই অহাত বগা হোৱা দেখিলে। পৰশুৰামে দুৰ্গম পথৰ বাবে জলাশয়ৰ ফালে উঠিব নোৱাৰিলে। অৱশেষত তলতে শিলৰ ফাঁকত কুঠাৰেৰে এটা খাল খান্দি ওপৰলৈ বাস্তাৰ দৰে খান্দি জলাশয়ৰ পাৰৰ লগত মিলাই দিলে। লগে লগে জলাশয়ৰ পৰা নামি অহা পানীয়ে খালটো ভৰাই পেলালে। তাতে গা-ধুই থাকোতে কুঠাৰ হাতৰ পৰা সুলকি পৰিল আৰু পাপ মোচন হ'ল। সেই খালটোৰ নামেই বৰ্তমান পৰশুকুণ্ড আৰু ওপৰত থকা জলাশয়টো হ'ল ব্ৰহ্মকুণ্ড।[৯]

অশোকাষ্টমী তিথিৰ পালন সম্পৰ্কে আন এটি কথাও শুনা যায়। পৰশুৰামে কুণ্ডৰ পাৰকাটি কুণ্ডত গা-ধুই থাকোতেই হাতৰ কুঠাৰখন সুলকি পৰিল আৰু ব্ৰহ্মপুত্ৰই কুঠাৰখন উটুৱাই নিলে। ক্ৰোধান্বিত হৈ পৰশুৰামে ব্ৰহ্মপুত্ৰক লেতেৰা বস্তু কঢ়িওৱা নদী হ'বলৈ অভিশাপ দিলে। পিছত ব্ৰহ্মপুত্ৰৰ স্তুতিত সন্তুষ্ট হৈ পৰশুৰামে চ'ত মাহৰ অশোকাষ্টমী তিথিত ব্ৰহ্মপুত্ৰত গঙ্গাই থিত লব বুলি বৰ দিলে।[১০] সিদিনা ব্ৰহ্মপুত্ৰত স্নান কৰিলে পাপমোচন হয় বুলি কোৱা হয় আৰু বছৰৰ এদিন ব্ৰহ্মপুত্ৰতে গঙ্গাস্নানৰ ফল লাভ কৰিব পাৰি বুলি জনশ্ৰুতি চলি আহিছে। অশোকাষ্টমী স্নানৰ মন্ত্ৰত ব্ৰহ্মপুত্ৰৰ পিতৃ-মাতৃৰ নাম উচ্চাৰণ কৰি মন্ত্ৰ গাই স্নান কৰা নিয়ম।

"ব্ৰহ্মপুত্ৰ মহাবাহু শান্তনোঃ কুলনন্দন।
অমোঘা গৰ্ভ সম্ভূত পাপং লোহিত্য মে হৰ।।

পাৰকাটি ব্ৰহ্মপুত্ৰ বোৱাই অনা কুণ্ডটোৱেই জনশ্ৰুতি মতে পৰশুৰামকুণ্ড বুলি কোৱা হয়। বৰ্তমান পৰশুৰাম কুণ্ডত মাঘৰ সংক্ৰান্তি বা মাঘী পূৰ্ণিমাত পৱিত্ৰ স্নান কৰিবলৈ ভাৰতৰ বিভিন্ন ঠাইৰ সাধু-সন্ন্যাসীৰ লগতে জনসাধাৰণৰ সোঁত বয়। পৰ্বতে ঘেৰা এই দুৰ্গম তীৰ্থক্ষেত্ৰখনত অৱশ্যে অশোকাষ্টমীৰ বাবে কোনো স্নানৰ কথা পোৱা নাযায়। গুৱাহাটীৰ সন্ধ্যাচল পৰ্বতত অৱস্থিত বশিষ্ঠাশ্ৰমৰ সন্ধ্যা, ললিতা, কান্তা এই ত্ৰিধাৰাৰে প্ৰবাহিত বৰ্তমানৰ বশিষ্ঠ নৈখনতো অশোকাষ্টমীৰ স্নান পৰ্ব চলে। তদুপৰি বশিষ্ঠক সাক্ষী কৰি অশোকাষ্টমীৰ দিনাখন সখী বা মিত্ৰ পতা অনুষ্ঠানো ইয়াত হৈছিল। সূৰ্য আৰু চন্দ্ৰ গ্ৰহণৰ সময়ত স্নান কৰিবৰ বাবেও ইয়াত অজস্ৰ যাত্ৰীৰ সমাগম হয়।

উজনি অসমতকৈ নামনি অসমত অশোকাষ্টমী পালনৰ পয়োভৰ লক্ষ্য কৰিব পাৰি। বিশেষকৈ ব্ৰহ্মপুত্ৰ নদী সংলগ্ন দেৱালয় আদিত বিভিন্ন প্ৰথাৰে অশোকাষ্টমী

৯। অশোকাষ্টমী, অসমৰ ভিন্ন গোষ্ঠীৰ সংস্কৃতি, সদানন্দ বৰ্মণ, প্ৰথম সংখ্যা, ২০০৩)
১০। মহাতীৰ্থ অসম 'পৰশুৰাম কুণ্ড আৰু ব্ৰহ্মকুণ্ড' শিৱ শৰ্মা

উৎসৱ পতা হয়। এই ক্ষেত্ৰত গুৱাহাটীৰ অশ্বক্ৰান্ত মন্দিৰত অশোকাষ্টমীৰ দিনা ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ বহু যাত্ৰীৰ সমাগম হয়।

নগাঁওৰ চাপনলা জলপ্ৰপাতৰ স্থানতো অশোকাষ্টমীৰ মেলা আৰু উৎসৱ হয়। ধুবুৰীৰ মহামায়া বা নেতাই ধুবুনী ঘাটতো অশোকাষ্টমীৰ মেলা আৰু স্নান মহাপয়োভবেৰে সমাধা হৈ আহিছে। গুৱালকুছিৰ ব্ৰহ্মপুত্ৰ সংলগ্ন কেবাটাও ঘাটত অশোকাষ্টমীৰ স্নান পৰ্ব সমাধা হোৱা দেখা যায়। এই উপলক্ষে গুৱালকুছিত ডাঙৰ মেলাও বহে।

উল্লেখযোগ্য যে গুৱালকুছিৰ বংশৰৰ প্ৰাচীন মন্দিৰ. শ্ৰীশ্ৰী ভৃংগেশ্বৰ দেৱালয়ৰ তাম্ৰ ফলিত অশোকাষ্টমী পালনৰ উল্লেখ আছে। এই উৎসৱত প্ৰয়োজনীয় বিশেষ সামগ্ৰীৰ বিৱৰণ এনেদৰে উল্লেখ কৰিছে-শ্ৰী জন্মযাত্ৰামাজ

১। সপ্তমী - ৫ পৰ্বত

২। মোকৰা - √১৮ [১১]

নগাওঁ জিলাৰ শিলঘাটৰ কামাখ্যা দেৱালয় ব্ৰহ্মপুত্ৰ নদীৰ কাষৰ পাহাৰৰ ওপৰত অৱস্থিত। স্বৰ্গদেউ প্ৰমত্তসিংহই (১৭৪৪-১৭৫১) সজোৱা এই দেৱালয়ত শিলৰ দুৰ্গা-কালীৰ মূৰ্ত্তি আছে। অশোকাষ্টমীৰ দিনা এই মন্দিৰত যথেষ্ট যাত্ৰীৰ সমাগম হোৱা দেখা যায়।

উত্তৰ শালমাৰাৰ পৰা যোগীঘোপালৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত দুধনাথ দেৱালয় অৱস্থিত। উমা-মহেশ্বৰৰ বিগ্ৰহ প্ৰতিষ্ঠিত এই মন্দিৰত শিৱৰাত্ৰি আৰু অশোকাষ্টমী বাৰ্ষিক উৎসৱ হিচাপে পালন কৰা হয়। বিশেষকৈ ৰজাদিনীয়া উৎসৱ হিচাপে অশোকাষ্টমীত দূৰ-দূৰণিৰ পৰা তীৰ্থযাত্ৰীসকলৰ এই দেৱালয়লৈ আগমন ঘটে।

বিলাসীপাৰাতো আন এখন দুধনাথ দেৱালয় আছে। বিজনীৰ ৰজাৰ দিনৰে পৰা এই থানত অশোকাষ্টমী বাৰ্ষিক উৎসৱ হিচাপে পালন কৰা প্ৰথা চলি আহিছে।

কোকৰাঝাৰৰ ওচৰৰ মোজাবাৰী গাঁৱৰ ত্ৰিবেণীঘাটত থকা মাধৱদেৱৰ সত্ৰখন শামুখা, সৰলভাঙ্গা আৰু গৌৱাং এই তিনিখন নৈৰ সঙ্গমস্থানত অৱস্থিত। এই সত্ৰত অশোকাষ্টমী তিথি পালন কৰাৰ লগতে এখন বাৰ্ষিক মেলা অনুষ্ঠিত হয়।

কামৰূপৰ কিছুমান অঞ্চলত অশোকাষ্টমীৰ ব্ৰহ্মপুত্ৰ স্নানক 'চিলান' বুলি কোৱা হয়। অতীজৰে পৰা বৰপেটা অঞ্চলৰ তাৰাবাৰী, বহৰি আদি স্থানত উদ্‌যাপিত অশোকাষ্টমীৰ 'চিলান' অনুষ্ঠানে জনসাধাৰণৰ মন-প্ৰাণ চুই গৈছিল। বিশেষকৈ বহৰিৰ ৰাইজে এই অনুষ্ঠানত ভাগ লবলৈ আগদিনাই হিল-দল ভাঙি সত্ৰৰ নামঘৰলৈ

১১। বুৰঞ্জীয়ে গৰকা বংশৰ' ভৱেশ্বৰ ডেকা, প্ৰথম প্ৰকাশ, ১৯৯৯।



আহে। গোটেই নিশা নাম কীৰ্তন কৰি পিচদিনা নৌ পুৱাওঁতেই ব্ৰহ্মপুত্ৰৰ পানীত বুৰমাৰি স্নান কৰে। উল্লেখযোগ্য গোটেই নিশা নামগুণ গাই থকাৰ মাজতে অচিনাকি ব্যক্তিৰ সৈতে পৰিচয় ঘটাই পিচদিনা পানীত বুৰমাৰি দুয়ো সখীপতা দেখা যায়। এনে সখীৰ সম্বন্ধই দুটা পৰিয়ালৰ মাজত আত্মীয়তা বৃদ্ধি কৰে। একেদৰে তাৰাবাৰীৰ অশোকাষ্টমীৰ উৎসৱতো সখীপতা আদি সৰু উৎসৱৰ লগতে এখন মেলাও অনুষ্ঠিত হৈছিল।

অৰুণাচল চৰকাৰৰ পৰ্যটন বিভাগৰ এটা লেখত লবলগীয়া তীৰ্থক্ষেত্ৰ পৰশুৰামকুণ্ড। তাৰ স্থানীয় জনশ্ৰুতি মতে পৰশুৰামে ব্ৰহ্মাকুণ্ডৰ পাৰকাটি বোৱাই দিয়াৰ পিচত পৰশুৰামে সেই কুণ্ডৰ পৰা আহি ভাগৰ লগাত বৰ্তমানৰ পৰশুৰামকুণ্ডৰ তীৰ্থযাত্ৰীসকলে স্নান কৰে তাতেই জিৰণী ললে আৰু হাতৰ কুঠাৰখনো সেই ঠাইতেই থৈছিল, স্নান-তৰ্পণ আদিও কৰিছিল। সেই বাবেই আজিও সেই ঠাই প্ৰখ্যাত আৰু পবিত্ৰ বুলি ভবা হয়। অৱশ্যে অশোকাষ্টমীত পৰশুকুণ্ড স্নানৰ বিষয়ে পোৱা নাযায়।

উত্তৰ পূৰ্বাঞ্চলৰ লগতে চুবুৰীয়া নেপাল, ভুটান, বাংলাদেশক সামৰি অলেখ ঠাইৰ ঋষি-মুনি, সন্ত-সাধু, তীৰ্থযাত্ৰীয়ে মাঘ মাহৰ পবিত্ৰ সংক্ৰান্তিৰ দিনাখন ইয়ালৈ স্নান কৰিবলৈ আহে। ইয়াকেই পৰশুকুণ্ডৰ মাঘীস্নান উৎসৱ বুলি কোৱা হয় আৰু এই স্নানৰ পৰা ভক্তৰ অপায় অমংগল, ৰোগ-ব্যাধি, পাপ আদি নাশ হয় বুলি মৌখিক ভাৱে চলি আহিছে। নৈৰ মাজত পৰশুৰামৰ কুঠাৰ সদৃশ শিলটো পৰি থকা বুলি ভকতপ্ৰাণ ৰাইজে দৰ্শন কৰি আহিছে।

১৯৫০ চনৰ ভূমিকম্পত নষ্টহোৱা কুণ্ডটোৰ এতিয়া ভগ্নাৱশেষ হিচাপে শিলাখণ্ডহে ৰৈ আছে যদিও প্ৰতিটো ইংৰাজী বৰ্ষৰ ১৩/১৪ জানুৱাৰীৰ দিনত অৰ্থাৎ মকৰ সংক্ৰান্তিৰ স্নানমেলাক পূৰ্বদিশৰ বা প্ৰাচ্যৰ কুম্ভমেলাৰ লগত জনসাধাৰণে ৰিজনি কৰিব বিচাৰে। সেই অঞ্চলৰ স্থানীয় ডিগাৰু-মিচিমি লোকসকলে তীৰ্থযাত্ৰীসকলক পাৰ্যমানে সহায় কৰে। এইসকল লোকে পৰশুৰামৰ উত্তৰাধিকাৰী বুলি গৌৰৱ কৰি হাতত কুঠাৰ এখন ৰখাটো উল্লেখনীয় দিশ।

আসাম বন্ধু (পৃ. ৩৬৬) ত উল্লেখিত মতে গুৱাহাটীৰ পঞ্চতীৰ্থ ক্ৰমে কামাখ্যা, অশ্বক্ৰান্ত, মণিকৰ্ণেশ্বৰ বা ৰুদ্ৰেশ্বৰ, উমানন্দ, শুক্লেশ্বৰ আদি তীৰ্থস্থান সমূহ দৰ্শনৰ বাবেই কেৱল নহয়, এই সমূহ পবিত্ৰ স্থলত মৃত্যুও উল্লেখযোগ্য। পুৰণিকালত মানুহে গুৱাহাটীত মৰিবলৈ বাঞ্চা কৰিছিল।

কালিকা পুৰাণত উল্লেখ কৰা মতে চ'তৰ শুক্লাষ্টমীত লৌহিত্য জলত স্নান

কৰিলে ব্ৰহ্মপদ পায়। তদুপৰি শুচি আৰু পৱিত্ৰ মন-চিত্তেৰে গোটেই চ'ত মাহ ব্ৰহ্মপুত্ৰ জলত গা ধুলে কৈৱল্যপদ প্ৰাপ্ত হয়-

চৈত্ৰে মাসি সিতাষ্টম্যাং যো নৰো নিয়তেন্দ্ৰিয়ঃ।
স্নাতি লৌহিত্যতোয়ে তু স যাতি ব্ৰহ্মণঃ পদম।।৩৬
চৈত্ৰন্তু সকলমাসং শুচিঃ প্ৰযতমানসঃ।
লৌহিত্য তোয়ে যঃ স্নাতি স কৈৱল্যম ৰা প্নুয়াৎ।।৩৭

অধ্যায় ৮৩, কালিকাপুৰাণম

কালিকাপুৰাণত লৌহিত্যক যেনে গুৰুত্ব দিয়া হৈছে, ইয়াৰ দাঁতিত থকা প্ৰাগজ্যোতিষপুৰৰ কথা কতো কোৱা হোৱা নাই। এই কথাটোৱে পৰা সেই সময়ত ব্ৰহ্মপুত্ৰ নদৰ গতিপথ প্ৰাগজ্যোতিষপুৰৰ পৰা আঁতৰত থকাটোহে সূচাইছে যেন অনুমান হয়।

যোগিনীতন্ত্ৰত কামৰূপৰ সীমা নিৰ্ধাৰিত কৰা চকুত পৰে। এই গ্ৰন্থৰ একাদশ পটলৰ উল্লেখিত মতে নেপালৰ কাঞ্চনগিৰিৰ পৰা ব্ৰহ্মপুত্ৰৰ সংগম স্থানলৈ আৰু কৰতোৱা নদীৰ পৰা দিক্কৰবাসিনী নদীলৈকে এই খিনিয়েই কামৰূপ। অৰ্থাৎ উত্তৰফালে কাঞ্চনজংঘা গিৰি, পশ্চিমে কৰতোৱা নদী, পূৱে তীৰ্থ শ্ৰেষ্ঠা দিক্ষু নদী আৰু দক্ষিণে ব্ৰহ্মপুত্ৰৰ লাক্ষা নদীৰ সঙ্গমস্থান এইখিনিকে কামৰূপ বুলি শাস্ত্ৰত বিহিত আছে। ব্ৰহ্মপুত্ৰক তীৰ্থ বুলি জানকৰি ব্ৰহ্মপুত্ৰ জড়িত বিভিন্ন উৎসৱ-পাৰ্বণ অনুষ্ঠিত কৰিলেও গঙ্গাতীৰ্থৰ দৰে ব্ৰহ্মপুত্ৰ তীৰ্থত মুণ্ডন কৰা দেখা নাযায়।

বাংলাদেশত ব্ৰহ্মপুত্ৰই যমুনা, পদ্মা আৰু মেঘনা নাম লৈ সাগৰৰ পিনে আগুৱাই গৈছে। এই দেশখনতো বৃহৎ নদীটি ধৰ্মৰ সৈতে জড়িত হৈ পৰা শক্তিশালী নদী বুলি উল্লেখ কৰে। 'নদী পৰিক্ৰমা' আৰু 'লাঙ্গল বন্ধেৰ ইতিবৃত্ত' নামৰ দুখন বাংলা কিতাপত ব্ৰহ্মপুত্ৰ সম্পৰ্কে বিস্তৃত বিৱৰণ আছে। আনকি বুঢ়ীগঙ্গা নদীৰ নামকৰণতো বচকে ব্ৰহ্মপুত্ৰৰ স্পৰ্শ অনুমান কৰিছে। এক জনশ্ৰুতি অনুসৰি পৰশুৰামৰ দ্বাৰা মুক্ত হোৱা ব্ৰহ্মপুত্ৰই প্ৰবল গৰ্জনেৰে সাগৰৰ পিনে আগবাঢ়ি যাওঁতে শীতলক্ষ্যা দেবীৰ অপৰূপ ৰূপ-লাৱণ্যৰ কথা শুনি মোহিত হয় আৰু বিয়া কৰোৱাৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰই শান্ত, সমাহিত শীতলক্ষ্যা নদীৰ পিনে আগুৱাই আহিবলৈ ধৰে। শীতলক্ষ্যাই এনে দুৰ্দান্ত দৰা এজনক বৰণ কৰিবলৈ ৰাজী নহৈ এগৰাকী বুঢ়ীৰ ছদ্মবেশ ধৰি বৈ থাকিল। ইপিনে ব্ৰহ্মপুত্ৰই শীতলক্ষ্যা সুন্দৰীক বিচাৰি ওচৰ চপাত হৈছে। ব্ৰহ্মপুত্ৰই শীতলক্ষ্যাৰ চালকি বুজি পাই সেই বুঢ়ীকেই জোৰকৈ বিয়া কৰালে। এনেদৰেই ব্ৰহ্মপুত্ৰ আৰু শীতলক্ষ্যাৰ মিলন হ'ল যদিও জনসাধাৰণৰ মনত



শীতলক্ষ্যাৰ কিছু অংশ বুঢ়ীগঙ্গা নামেৰে পৰিচিত হৈ থকাৰ কথা গ্ৰন্থখনত উল্লেখ আছে।[১২]

"লাঙ্গলবন্ধেৰ ইতিবৃত্ত' নামৰ পুৰণি পুথি এখনত লাঙ্গল বন্ধৰ তীৰ্থ মহিমা ঘোষণা কৰা হৈছে আৰু এই বিষয়ত ব্ৰহ্মপুত্ৰ জড়িত অশোকাষ্টমী অনুষ্ঠানৰ সম্বন্ধত এক নতুন বিষয় অৱতাৰণা কৰা চকুত পৰে।

মূল কাহিনী সংস্কৃতৰ অনুবাদ বুলি কোৱা হৈছে আৰু ইয়াত দুই এটা প্ৰচলিত কাহিনীৰ গুৰুত্ব সোমাই আছে। কাহিনীৰ মতে, ব্ৰহ্মাকুণ্ডৰ পানীত স্নান কৰি পৰশুৰামে পাপ মুক্ত হোৱাৰ পিছত লৌহিত্য নামৰ পৰম পৱিত্ৰ জলধাৰা ধৰাতললৈ বোৱাই আনিবলৈ ধৰে। লগত মূৰ্তিমান ব্ৰহ্মপুত্ৰদেৱো আহি থাকিল। সেই অৱস্থাত তীৰ্থৰাজ ব্ৰহ্মপুত্ৰদেৱক বিবাহভিলাষী বুলি জানিব পাৰি পৰশুৰামে কিছুদূৰত অৱস্থিত লক্ষাদেৱীৰ লগত বিবাহ সমাধা কৰাৰ কথা পাতিবলৈ বিচাৰিলে। এই উদ্দেশ্যে ব্ৰহ্মপুত্ৰক তাতেই ৰ'বলৈ কৈ পৰশুৰাম আঁতৰি গ'ল। এই অৱসৰৰ মুহূৰ্ততে ব্ৰহ্মপুত্ৰই অত্যন্ত অধীৰ হৈ দক্ষিণ দিশেৰে বৈ লক্ষাদেৱীৰ ওচৰলৈ আহিল। লক্ষাই ভয়তে বৃদ্ধাৰূপ ধাৰণ কৰি ব্ৰহ্মপুত্ৰক নিজৰ বৃদ্ধাৱস্থাৰ কথা বুজাই দিলে। ব্ৰহ্মপুত্ৰই তেতিয়া মাতৃ বুলি লক্ষাৰ চৰণ সেৱিলে যদিও ব্ৰহ্মপুত্ৰৰ এই নিন্দনীয় কাৰ্যত পৰশুৰাম অসন্তুষ্ট হ'ল আৰু ব্ৰহ্মপুত্ৰক ভুল বুজি অশুচি হ'বলৈ অভিশাপ দিলে। শেষত ব্ৰহ্মপুত্ৰৰ মিনতিত সন্তুষ্ট হৈ তেওঁ শাপ ব্যৰ্থ নহ'লেও মাত্ৰ চ'ত মাহৰ শুক্লা অষ্টমী তিথিত ব্ৰহ্মপুত্ৰ সমস্ত তীৰ্থৰ ৰজা হ'ব পাৰিব বুলি আশীৰ্বাদ দিলে। লক্ষ্যণীয় যে সেই দিনটো পৱিত্ৰ অশোকাষ্টমীৰ দিন হিচাপে পৰিগণিত হ'ল। এই ঠাইখন ব্ৰহ্মহ্রদ নামে খ্যাত আৰু বলৰামৰ সুৰ্বৰ্ণমণ্ডিত নাঙল বা লাঙ্গলেৰে ইয়াত খাল খন্দা হৈছিল বুলি জনশ্ৰুতি আছে। পিছত পানীৰ গতি বন্ধ হোৱাত তাক লাঙ্গল বন্ধ বুলি কোৱা হয়। পঞ্চপাণ্ডৱে এই স্থানত স্নান কৰিছিল বাবে লাঙ্গল বন্ধৰ কাষৰ স্থান টুকুৰাক পঞ্চমীঘাট বোলা হয়।[১৩]

অশোকাষ্টমীৰ দিনাখন ব্ৰহ্মপুত্ৰৰ পানী পৱিত্ৰ হয় বাবে নানান ৰাজ্য, দেশ আদিৰ পৰা ভক্তালুসকলে ব্ৰহ্মপুত্ৰ স্নানৰ বাবে ব্যাকুল হয়। ব্ৰহ্মপুত্ৰ বা লোহিত্যৰ বৃত্তান্ত তথা মহিমা সম্বন্ধে বিভিন্ন গ্ৰন্থত উল্লেখ আছে-

তীৰ্থৰাজ লোহিত্যৰ অশেষ মহিমা।
সাধুগুণে সদাগুণে নাহি পান্ত সীমা।।[১৪]

---

১২। নদী পৰিক্ৰমা, পাকিস্তান পাব্লিকেশ্যন, বাংলাদেশ।
১৩। 'লাংগল বান্ধেৰ ইতিবৃত্ত', অজ্ঞাত সংস্কৃত পুথিৰ অনুবাদ।
১৪। 'ব্ৰহ্মপুত্ৰ উপাখ্যান", শ্ৰী নিত্যানন্দ দেব গোস্বামী।

লৌহিত্যৰ জল আৰু চ'ত মাহৰ সম্পৰ্কৰ যেন এক এৰাব নোৱাৰা যোগসূত্ৰ আছে। কালিকাপুৰাণত উল্লেখ থকা মতে চ'ত মাহৰ শুক্লাষ্টমীত লৌহিত্যৰ জলত স্নান কৰিলে ব্ৰহ্মপদ পায়। আনকি পবিত্ৰ চিত্ত মনেৰে সম্পূৰ্ণ চ'ত মাহত স্নান কৰিলে কৈৱল্যপদ প্ৰাপ্ত হয়।

চৈত্ৰে মাসি সিতাষ্টম্যাং যো নৰো নিয়তেন্দ্ৰিয়ঃ।
চৈত্ৰন্তু সকলং মাসং শুচিং প্ৰযতমানসঃ।।
স্নাতি লোহিত্যতোয়ে তু স যাতি ব্ৰহ্মণঃ পদম্।
লোহিত্যতোয়ে যঃ স্নাতি স কৈৱল্যম বাপ্নুয়াৎ।।

কালিকাপুৰাণ -ত্ৰ্যশীতিতমোহধ্যায় ৩৩-৩৯

তদুপৰি চ'ত মাহৰ শুক্লাষ্টমী তিথিত যদি পুনৰ্ৱসু নক্ষত্ৰ আৰু বুধবাৰ হয়, সেই যোগৰ ক্ষণত স্নান কৰিলে বাজপেয় যজ্ঞৰ ফল লাভ হয়।

"পুনৰ্ৱসু বুধোপেতাং চৈত্ৰে মাসি সিতাষ্টমীম্।
স্ৰোতসু বিধিৱং স্নাত্বা বাজপেয়ফলং লভেৎ।।"

ব্ৰহ্মপুত্ৰ স্নানৰ বাবে সংস্কৃত শাস্ত্ৰত কেইবাবিধো বিধিৰ উল্লেখ কৰা হৈছে। তাৰ ভিতৰত দৰ্শন বিধি, নমস্কাৰ বিধি, স্পৰ্শন বিধি, আবাহন বিধি, স্নানবিধি, অৰ্ঘ্যদান বিধি, অশোক কলিকা পান ইত্যাদি। প্ৰতিতো ক্ষেত্ৰতে একোটা বিশেষ মন্ত্ৰৰে লৌহিত্য ব্ৰহ্মপুত্ৰক প্ৰণিপাত কৰা হৈছে। বিশেষকৈ অশোকাষ্টমী তিথিৰ শুভ ক্ষণত সকলো পাপ খণ্ডনৰ বাবে সাতপুৰুষৰ উদ্ধাৰ কল্পে, শ্ৰুতি-স্মৃতি-পুৰাণত উল্লেখিত পৃথিৱীৰ সকলো তীৰ্থ স্নানৰ ফল লাভৰ সমান ব্ৰহ্মপদ প্ৰাপ্তিৰ কামনাৰে লৌহিত্য-ব্ৰহ্মপুত্ৰৰ পবিত্ৰ পানীত বা পৰশুৰাম ক্ষেত্ৰত স্নানৰ সংকল্প গ্ৰহণ কৰা চলি আহিছে। এই ক্ষেত্ৰত বিশেষ দৰ্শন বিধি, নমস্কাৰমন্ত্ৰ, স্পৰ্শনমন্ত্ৰ, আবাহন মন্ত্ৰ আৰু অৰ্ঘ্যদান মন্ত্ৰ উচ্চাৰণ কৰা হয়।

ব্ৰহ্মপুত্ৰৰ দৰ্শনবিধি-

ত্বং ব্ৰহ্মপুত্ৰ ভগবন্ ভৱতীৰ্থৰাজ
গম্ভীৰণীৰ পৰিপূৰিত সৰ্বদেহঃ।
তদ্দৰ্শনাদ্ধৰতু নে ভৱঘোৰ দুঃখং
সংযোগতঃ কলিযুগস্য নমো নমস্তে।।

নমস্কাৰ মন্ত্ৰ

নমঃ শান্তনুপুত্ৰায় অমোঘানন্দনায় চ।
নমস্তে সৰ্বসংহৰ্ত্ৰে কৰ্ত্ৰেশুদ্ধায় বৈ নমঃ।।



স্পৰ্শন মন্ত্ৰ

ব্ৰহ্মপুত্ৰ মহাবাহো শান্তনুঃ কুলনন্দন।
অমোঘা গৰ্ভসম্ভূত পাপং লোহিত্য মে হৰঃ।।

আবাহন মন্ত্ৰ

ব্ৰহ্মপুত্ৰ নদশ্ৰেষ্ঠ জামদগ্ন্যাৱতাৰিত।
পৰ্ত্তনা দত্তমাৰ্গেন আগচ্ছ ৱৰদো ভৱ।।

অৰ্ঘ্যদান মন্ত্ৰ

কিৰীটিন্নীলবাসশ্চ ৰত্নমালা বিভূষিত।
গৃহানাৰ্ঘ ময়াদত্তং ভৱ বন্ধ বিমুক্তয়ে।।

অশোকাষ্টমীৰ দিনাখন ব্ৰহ্মপুত্ৰ স্নানৰ পিচত অশোককলি চোবোৱাৰ নিয়ম আছে। কোনো কাৰণত স্নান কৰিবলৈ অসমৰ্থ হোৱা জনেও শোক হৰণৰ নিমিত্তে অশোককলি মন্ত্ৰ উচ্চাৰণ কৰি চোবায়

ত্বামশোক হৰাভীষ্ট মধুমাস সমুদ্ভৱ।
পিবামি শোকসন্তপ্তঃ মামশোকং সদাকুৰু।।

অশোক মানে শোকহীন, যত দুখ-বেজাৰ নাই। আনপিনে বসন্তকালত ফুলা এবিধ ৰঙা ফুল যুক্ত গছৰ নাম অশোক। তদুপৰি মগধৰ ৰাজচক্ৰৱৰ্তী ৰজা অশোকৰো প্ৰজাহিতৈষী কাৰ্য আৰু ত্যাগৰ তুলনা নাই।

একেদৰে অষ্টমীয়ে শুক্ল আৰু কৃষ্ণপক্ষৰ আঠ দিনৰ তিথি বা দিনটোক বুজায়। কিন্তু "অশোকাষ্টমী" শব্দটিয়ে ব্ৰহ্মপুত্ৰৰ লগত জড়িত এক উৎসৱকহে বুজায়। সাধাৰণতে ব্ৰহ্মপুত্ৰত সিদিনা স্নান কৰাটো পুণ্যকৰ্ম বুলি ভবা হয়। আনকি সিদিনা অশোক ফুলৰ কলি চোবাই পান কৰিলেও মানুহে শোক নাপায় বুলি কোৱা হয়।

কোনো কোনো তীৰ্থস্থান দৰ্শনত পাপ খণ্ডন হয়, কোনো কোনো তীৰ্থস্থান দৰ্শনত মুক্তিলাভ হয় অৰ্থাৎ পুনৰ্জন্ম নহয় বুলি তীৰ্থবোৰৰ মাহাত্ম্য পুৰাণ শাস্ত্ৰবোৰত আছে। হিন্দু মানসত অশোকাষ্টমীৰ দিনটো পবিত্ৰ দিন হিচাপে সমগ্ৰ ভাৰতবৰ্ষতেই গণ্য কৰা হয়। এই উপলক্ষে ভাৰতৰ বিভিন্ন নদীত স্নান কৰা হয়। পুৰাণৰ উল্লেখ মতে এই দিনটিত ব্ৰহ্মপুত্ৰত স্নান কৰাটো প্ৰশস্ত।

লিঙ্গপুৰাণৰ মতে অশোকাষ্টমী অৰ্থাৎ চৈত্ৰ বা চ'ত মাহৰ পুনৰ্বসু নক্ষত্ৰযুক্ত শুক্লা অষ্টমী তিথিৰ দিনটোত ব্ৰহ্মপুত্ৰৰ বক্ষ মহা পবিত্ৰ হয়। সেই শুভক্ষণৰ সময়ত আঠোটা অশোক ফুলৰ কলি গ্ৰহণ কৰি ব্ৰহ্মপুত্ৰত স্নান কৰিলে সকলো শোক-তাপ গুচে। ব্ৰহ্মপুত্ৰ স্নানৰ সময়ত জপ কৰা বা উচ্চাৰণ কৰা প্ৰসিদ্ধ মন্ত্ৰটিত শান্তনু আৰু

অমোঘাৰ কুলনন্দন ব্ৰহ্মপুত্ৰক প্ৰণাম জনোৱা হৈছে। লৌহিত্য দেৱতাই যেন সকলো পাপ দূৰ কৰিব পাৰে-

ওঁ ব্ৰহ্মপুত্ৰ মহাভাগ শান্তনোঃ কুলনন্দন।
অমোঘা গৰ্ভসম্ভূত পাপং লৌহিত্য মে হৰ।।

কামৰূপৰ উত্তৰ গুৱাহাটীৰ অশ্বক্রান্ত তীৰ্থতো স্নানৰ সময়ত উক্ত মন্ত্ৰটো পাঠ কৰাৰ লগতে স্নানৰ পূৰ্বে শৰীৰত মৃত্তিকা লেপন কৰি আন এটা মন্ত্ৰ পাঠ কৰা হয়-

অশ্বক্ৰান্তে ৰথক্ৰান্তে বিষ্ণুক্ৰান্তে বিষ্ণুক্ৰান্তে বসুন্ধৰে।
মৃত্তিকা হৰয়ে পাপং জন্ময়াদৌ কৃতাকৃতম।।

অশোকাষ্টমীৰ দিনটোত বহুলোকে পিতৃপুৰুষ-পূৰ্বপুৰুষৰ মুক্তিৰ বাবে বিষ্ণুপদত পিণ্ডদান, তৰ্পণ আদি আৰু লৌহিত্যত অস্থি বিসৰ্জন কৰা দেখা যায়। অৱশ্যে অশ্বক্ৰান্তৰ বিষ্ণুপদত বছৰৰ বাৰমাহেই তিথিমতে পিণ্ডদান, অস্থি বিসৰ্জন আদি কৰিব পাৰি। অশোকাষ্টমীৰ দিনা অশ্বক্ৰান্ত দেৱালয়ত এখন ডাঙৰ মেলা বহে।

দুৰ্গাপূজাৰ মহালয়াৰ দিনটোতো ব্ৰহ্মপুত্ৰ স্নান প্ৰশস্ত। বিশেষকৈ অশ্বক্ৰান্তত এই দিনটোত পিতৃ পুৰুষৰ শ্ৰাদ্ধ আৰু তৰ্পণ কৰিলে বংশ উদ্ধাৰ আৰু আত্মাই মুক্তি লাভ কৰে বুলি বিশ্বাস চলি আহিছে।

অশ্বক্ৰান্তৰ শ্ৰীশ্ৰী বিষ্ণু ভগৱানৰ পাদোদক জল সকলোসময়তে গংগাজলৰ দৰে সংৰক্ষণ কৰা হয়। একেদৰে অশোকাষ্টমীৰ পবিত্ৰক্ষণৰ ব্ৰহ্মপুত্ৰৰ পানী পবিত্ৰ শান্তিজল হিচাপে সংৰক্ষণ কৰাৰ নিয়ম বহু সমাজত বিশ্বাস সহকাৰে মানি চলা হয়।

অশ্বক্ৰান্ত তীৰ্থৰ মাহাত্ম্য যোগিনীতন্ত্ৰ (১৬ শ শতিকা) আদিত স্পষ্টকৈ উল্লেখ আছে। [১৫]

কামৰূপ জিলাৰ গুৱাহাটীত ব্ৰহ্মপুত্ৰ নদৰ উত্তৰপাৰে অশ্বক্ৰান্ত পাহাৰত (অশ্বকূট) অশ্বক্ৰান্ত দেৱালয় অৱস্থিত। উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয় ভাৰতবৰ্ষৰ গয়াতীৰ্থৰ সমপৰ্যায়ৰ বুলি জনাজাত। অশ্বক্ৰান্ত তীৰ্থস্থলত বিশেষকৈ অশোকাষ্টমীৰ দিনটোত পিতৃপুৰুষৰ পবিত্ৰ পিণ্ডদান তৰ্পণ অনুষ্ঠান পালন কৰিবলৈ প্ৰচুৰ জনসমাগম হয়। অশ্বক্ৰান্তৰ উত্তৰে দ্বাদশ তীৰ্থ, গয়াতীৰ্থ আৰু বিষ্ণুপদ আছে। বিষ্ণুপদত পিণ্ডদান কৰিলে আত্মাৰ সদ্‌গতি প্ৰাপ্ত হয় বুলি বিশ্বাস আছে। অশোকাষ্টমীৰ দিনা গংগাৰ এধাৰা পানী ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশেৰে বৈ আহি বিষ্ণুপদত লগ হয় বুলি পুৰাণত কোৱা হয়। অশ্বক্ৰান্ত দেৱালয়ত অনন্তশায়ী বিষ্ণুৰ আৰু কূৰ্মৰূপী ভগবান জনাৰ্দন বিষ্ণুৰ নামেৰে দুটি মন্দিৰ আছে।

১৫। অশ্বক্ৰান্ত দেৱালয়ৰ ইতিবৃত্ত, পৃষ্ঠা ১৪, হেমচন্দ্ৰ শৰ্মা আৰু শশীমোহন ভট্টাচাৰ্য



অশ্বক্ৰান্তত পিণ্ডদান কৰি ব্ৰহ্মপুত্ৰত স্নান কৰাৰ নিয়ম। এই ক্ষেত্ৰত বিশেষ জলশুদ্ধি মন্ত্ৰৰ লগতে পিতৃস্তুতি আৰু পিতৃ প্ৰণামৰ প্ৰাৰ্থনা মন্ত্ৰ আওৰোৱা হয়-

ওঁ পিতা স্বৰ্গ পিতা ধৰ্মঃ পিতাহি পৰমং তপঃ
পিতৰি প্ৰীতিমাপন্নে প্ৰীয়ন্তে সৰ্বদেবতাঃ
ওঁ পিতৃ নমস্যে দিবি যে চ মূৰ্ত্তঃ।

উত্তৰ কামৰূপৰ তাৰাবাৰীৰ ব্ৰহ্মপুত্ৰ ঘাটত অশোকাষ্টমী স্নান এটি ঐতিহাসিক উৎসৱ হিচাপে পালন কৰা প্ৰথা আছিল। ১৯৪৮-৫০ চনৰ এনে উৎসৱত ভাগ লোৱা মহিলা এগৰাকীৰ মুখত এনেদৰে শুনা গৈছিল- "আমি সেই সময়ত ১০/১২ বছৰীয়া। আতা-আবু (ককা-আইতা)হঁতৰ লগত তাৰাবাৰী ঘাটলৈ অশোকাষ্টমীৰ স্নানলৈ যোৱাৰ উমঘাম-চলাৰ আনন্দই আমাক উত্ৰাৱল কৰি তুলিছিল। 'অষ্টমীস্নান' পৰ্বৰ আগদিনাখন গৰু-গাড়ীখন চাফ-চিকুণ কৰি গাড়োৱানে সকলো ঠিক-ঠাক কৰি লয়। অষ্টমীৰ দিনাখন নৌ পুৱাওঁতেই তাৰাবাৰীলৈ যাত্ৰা আৰম্ভ হয়। গাড়ীত স্নান কৰি পিন্ধিবলৈ নতুন বস্ত্ৰৰ টোপোলা, গ-ধোৱাৰ পিচত চোবাবলৈ অশোক কলি, সখী বা বান্ধ' পাতিবলৈ কেইবাডালো ফুলৰ মালা, স্নানৰ পিচত ব্ৰহ্মপুত্ৰৰ বালিত বহি একেলগে খাবলৈ চিৰাৰ টোপোলা, দৈৰ টেকেলি, গুৰৰ ভেউটা (টেকেলী) আদি সযতনে বান্ধি-কুন্ধি লৈ যায়। পৰিয়াল অনুযায়ী গাড়ীৰ সংখ্যা অধিক হয়। ওচৰ-চুবুৰীয়াই আনৰ গাড়ীতো যায়। গাড়ীৰ সুবিধা কৰিব নোৱাৰা সকলে সুদীৰ্ঘ পথ খোজকাঢ়ি যায়। দুপৰীয়া হেজাৰ-বিজাৰ জনসাধাৰণে ব্ৰহ্মপুত্ৰ স্তোত্ৰ গাই পানীত ডুব মাৰে। পানীৰ পৰা উঠি সূৰ্যৰ পিনে চাই পুৰুষনামা মনত পেলাই মুখেৰে মাতে আৰু অশোক কলি চোবাই দেহৰ পৰা বেমাৰ-আজাৰ, শোক-দুখ নাইকিয়া কৰে। যদি কোনোবাই সখী বা বান্ধ' বা মিতা পাতে তেওঁলোকে পানীত ডুবমাৰি উঠি মালা ইফাল-সিফাল কৰি জীৱনলৈ বান্ধ বা মিতা পাতে।[১৬]

১৯০১ চনৰ প্ৰথমভাগত স্বামী বিবেকানন্দ (১৮৬৩-১৯০২) ই নিজ মাতৃক পূৰ্ববংগ আৰু অসমৰ কিছুমান পবিত্ৰ স্থান দৰ্শন কৰাবলৈ অহাৰ প্ৰমাণ আছে। তেওঁলোকে প্ৰথমতে পূৰ্ব বংগৰ নাঙল বন্ধ দৰ্শনৰ পিচত অসমৰ কামাখ্যা দৰ্শন কৰি শ্বিলঙলৈ গৈছিল। স্বামী বিবেকানন্দৰ সচিত্ৰ জীৱনীগ্ৰন্থ The Journey's End ৰ পৃষ্ঠাত মিছেজ বুল (Mrs Bull) আৰু মেৰী হেল (Mary Hale) লৈ লিখা চিঠিত অসম ভ্ৰমণৰ অভিজ্ঞতা, ব্ৰহ্মপুত্ৰৰ কথা আদি উল্লেখ কৰিছিল। ধুবুৰী নামৰ ঠাইত চ'ত মাহত অনুষ্ঠিত হোৱা অশোকাষ্টমী মেলা আৰু হেজাৰ-বিজাৰ

১৬। যামিনী চৌধুৰী (৭৬), গান্ধীনগৰ, সোণাপুৰ, কামৰূপ।

লোকে ব্ৰহ্মপুত্ৰত পবিত্ৰ স্নান কৰাৰ কথা গ্ৰন্থকনত উল্লেখ আছে। একেদৰে কামৰূপত দুৰ্গাপূজা, অশোকাষ্টমী আৰু অম্বুবাচী নিবৃত্তি পালন কৰাৰ কথাৰ উল্লেখ আছে।

অশোকাষ্টমীৰ পবিত্ৰ তিথিত ব্ৰহ্মপুত্ৰ স্নানৰ সৈতে সূৰ্য প্ৰণামৰ সাদৃশ্যও অনুমান কৰিব পাৰি।

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে তেওঁৰ প্ৰাচ্য তত্ত্ব গ্ৰন্থ 'সূৰ্য'ৰ আৱৰ্তণিতে সূৰ্য প্ৰণামৰ প্ৰসংগতে উল্লেখ কৰা কথাখিনি প্ৰণিধানযোগ্য। "... আমাৰ সৰুকালিত চ'ত মাহৰ অশোকাষ্টমী তিথিত গঙ্গাস্নান (যিকোনো নদীয়েই সেইদিনা গঙ্গা হয়। বিশেষকৈ ব্ৰহ্মপুত্ৰলৈ গঙ্গাৰ এসোঁতা পানী হেনো সেই তিথিত বৈ আহে। আনহাতে গঙ্গা মানেই পানী।) কৰিবলৈ আমি দিচাংমুখলৈ যাওঁ। সেই তিথিত দিচাঙো গঙ্গা। সেই তিথিত দোকমোকালিতে নদীত স্নান কৰি তিতা গাৰে মন্ত্ৰ মাতি মাতি সূৰ্য অৰ্ঘ্য দিছিলো। এই স্নান যাত্ৰা জাতি-বৰ্ণ নিৰ্বিশেষে সকলো বাইজৰে স্নান যাত্ৰা আছিল। দেউতাই কৈছিল- সূৰ্য আমাৰ প্ৰত্যক্ষ দেৱতা। অন্য দেৱতাক চকুৰে দেখা নাযায়। কিন্তু 'আদিত্য নাৰায়ণ' চকুৰ আগত সদায় প্ৰতিভাত"।[১৭]

ব্ৰহ্মপুত্ৰৰ দৰেই নেপালৰ দেৱঘাট গংগা নদীৰ পানীও বছৰত এবাৰ পবিত্ৰ হয় বুলি কোৱা হয়।

প্ৰকৃততে নেপালত নদীক গংগা বোলে। ভগৱান যতে আছে তাতেই নদী। সেয়ে নদীয়েই গংগা বুলি ভাবি নেপালৰ নদীবোৰৰ প্ৰায়বোৰেই গঙ্গা নামেৰেই অভিহিত কৰা হয়। যেনে কালিগংগা, শ্বেতীগংগা, ত্ৰিশূলীগংগা, যমুনাগংগা, নাৰায়ণী গংগা, অমৰাৱতী গংগা, গোদাৱৰীগংগা, সুন্দৰীগংগা, তিলিগংগা, দেৱঘাটগংগা ইত্যাদি। দেৱঘাটগংগাত বছৰত এবাৰ দেৱ-দেৱী অপ্সৰা সকলে আহি স্নান কৰে বুলি বিশ্বাস কৰি সেইদিনা এই নদীৰ পানী পবিত্ৰ হোৱা বুলি ভাবে।

বৰ্তমান সময়ত অসমৰ কোনো কোনো অনুষ্ঠানে ব্ৰহ্মপুত্ৰৰ প্ৰতি ভক্তি গদ্গদ হৈ 'ব্ৰহ্মপুত্ৰ দিৱস' উদ্‌যাপন কৰাৰ লগতে মেলা-মহোৎসৱৰ পতা চকুত পৰে। প্ৰসংগত ক'ব পাৰি যে ব্ৰহ্মপুত্ৰক জড়িত কৰি কোনো উৎসৱ-অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ হ'লে 'অশোকাষ্টমী'ৰ দিনটোৱেই উপযুক্ত বুলি অনুমান হয়। কাৰণ অশোকাষ্টমীৰ তাৎপৰ্য কেৱল ব্ৰহ্মপুত্ৰৰ লগতহে জড়িত। এই বিশেষ দিনটোতেই ব্ৰহ্মপুত্ৰই 'নদৰাজ' হোৱাৰ বাদেও 'তীৰ্থৰাজ' হিচাপে ভূষিত হয়। প্ৰাচীন কামৰূপত প্ৰচলিত এই ঐতিহ্যই লৌহিত্য ব্ৰহ্মপুত্ৰক সুমহান কৰি ৰাখিছে। নদী এখনৰ প্ৰতি

১৭। 'তোমাতে একাকাৰ', 'সূৰ্য'- ড° নিৰ্মলপ্ৰভা বৰদলৈ



শ্ৰদ্ধা জনাবলৈ যদি বিশেষ এটা দিন নিৰ্ধাৰিত কৰি থোৱা থাকে তেতিয়া হ'লে সেই শ্ৰদ্ধা জনোৱাত লুইতপৰীয়াৰ আপত্তিৰ থলো নিশ্চয় নাথাকিব।

সহায়ক গ্ৰন্থ ঃ


১। মহৰ্ষি মাৰ্কণ্ডেয় কথিত 'কালিকা পুৰাণ' (মূল সংস্কৃত আৰু অসমীয়া অনুবাদ) - ভট্টাচাৰ্য দেৱেন্দ্ৰ নাথ, বাণী মন্দিৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৮

২। যোগিনীতন্ত্ৰম্ (সানুবাদম্) - দত্তবৰুৱা এণ্ড কোম্পানী, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ১৯৯৪

৩। সাহিত্যত ব্ৰহ্মপুত্ৰ - ড° বীণা চৌধুৰী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৭

৪। অশ্বক্ৰান্ত দেৱালয়ৰ ইতিবৃত্ত - হেমচন্দ্ৰ শৰ্মা, শশীমোহন ভট্টাচাৰ্য, উত্তৰ গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ১৩৯৪ ভাস্কৰাব্দ

৫। সূৰ্য - ড° নিৰ্মলপ্ৰভা বৰদলৈ, সাহিত্য প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০০

৬। নদী পৰিক্ৰমা (বাংলা) - পাকিস্তান পাব্লিকেশ্যন, বাংলাদেশ।

৭। লাঙ্গল বন্ধেৰ ইতিবৃত্ত (বাংলা), অজ্ঞাত সংস্কৃত পুথিৰ অনুবাদ

৮। ব্ৰহ্মপুত্ৰ উপাখ্যান - শ্ৰীনিত্যানন্দ দেৱ গোস্বামী, ১৯৪৭।

৯। মহাতীৰ্থ অসম - শিৱ শৰ্মা

১০। অসমৰ ভিন্নগোষ্ঠীৰ সংস্কৃতি - ড° সদানন্দ বৰ্মণ, প্ৰথম প্ৰকাশ, ২০০৩

১১। বুৰঞ্জীয়ে গৰকা বংশৰ - ভগ্নেশ্বৰ ডেকা, প্ৰথম প্ৰকাশ, ১৯৯৯


০০০

# বেজবৰুৱাৰ ৰচনাৱলীত সামাজিক লোক-প্ৰথা ঃ এটি চমু আলোচনা

ড° মালবিকা ভট্টাচাৰ্য্য
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

সামাজিক চিন্তা আৰু আচৰণ প্ৰকাশৰ সুপ্ৰতিষ্ঠিত প্ৰণালীয়ে হ'ল প্ৰথা। প্ৰথা ঐতিহ্যবাহী আৰু গোষ্ঠী নিৰ্ভৰ। পৰিবৰ্তনশীল সমাজৰ অন্তৰ সত্বাৰ মূলগত ঐক্য হ'ল প্ৰথা। প্ৰথাৰ চাৰিটি উপাদান বিশেষভাৱে প্ৰণিধানযোগ্য - ক) স্থায়িত্ব, খ) পৌনঃপুনিকতা, গ) সামাজিক চৰিত্ৰ আৰু ঘ) আদৰ্শগত মূল্য।

প্ৰথাৰ শ্ৰেণীবিভাগৰ ভিতৰত এটি হ'ল লোকাচাৰ। যি প্ৰথা সামাজিক অনুষ্ঠানৰ লগত জড়িত থাকে সেয়ে হ'ল লোকাচাৰ। লোকাচাৰে এটি গোষ্ঠীবদ্ধ, ঐতিহ্যবাহী, আনুষ্ঠানিক আচৰণ বজায় ৰাখে।

সামাজিক লোকপ্ৰথা বা লোকচাৰৰ আধাৰ হৈছে বিশ্বাস। স্বৰ্গ-নৰক, আকাশ-পৃথিৱী, পৰ্বত-পাহাৰ, মেঘ-বিজুলি, বতাহ-বৰষুণ, জল-স্থল, দেৱ-দেৱতা, ভূত-প্ৰেত, যখ-যখিনী, ৰোগ-ব্যাধি, বেমাৰ-আজাৰ, জীৱ-জন্তু, জন্ম-মৃত্যু সম্পৰ্কীয় যি বিশ্বাস প্ৰচলিত তাৰ আধাৰত জন্ম হৈছে এই সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ। সমাজৰ অধিকাংশ লোক একগোট হৈ ৰাজহুৱা উদ্‌যাপনেৰে আমোদ-প্ৰমোদত যোগ দিয়াৰ ফলত উৎসৱ-অনুষ্ঠান আদি সামাজিক লোকপ্ৰথাৰ সৃষ্টি হয়। এই উৎসৱ-অনুষ্ঠানবোৰৰ কিছুমান ধৰ্মীয় আৰু কিছুমান ধৰ্ম-নিৰপেক্ষ ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত।

হিন্দু ধৰ্ম অনেক ক্ষেত্ৰত আচাৰগত। বেদ আৰু স্মৃতিত কোৱা হৈছে আচাৰেই ধৰ্ম "আচাৰঃ পৰমো ধৰ্মঃ শ্ৰুত্যুক্তঃ স্মাৰ্ত এৱ চ।"[১] এই আচাৰবোৰ লোক, জনজাতীয় আৰু শাস্ত্ৰীয় - এই তিনিওটা স্তৰতে পোৱা যায়। এই তিনিওটা স্তৰতে

১। বৰুৱা, প্ৰদ্যুম্ন নাৰায়ণ (অনু.) ঃ মনু-সংহিতা, শ্লোক - ১০৮, পৃ-১)



এনেদৰে সাদৃশ্য দেখা যায় যে কোনটো লোকায়ত, কোনটো জনজাতীয় বা কোনটো শাস্ত্ৰীয় তাক খাটাংকৈ কোৱা টান।

সামাজিক লোকপ্ৰথা বা লোকাচাৰক তিনিটা ভাগত ভগাব পাৰি -

ক) উৎসৱ-অনুষ্ঠানৰ বিৱৰণ,
খ) খেল-ধেমালি,
গ) লোক-ঔষধ।

**ক) উৎসৱ-অনুষ্ঠানৰ বিৱৰণ ঃ**

উৎসৱ-অনুষ্ঠান পৰম্পৰাগত সমাজ-জীৱনৰ সামাজিক আচৰণৰ ফল। উৎসৱ-অনুষ্ঠানৰ জৰিয়তে সমাজৰ পৰম্পৰাগত পোছাক-পৰিচ্ছদ পৰিধান কৰাৰ, পৰম্পৰাগত আচাৰ-ৰীতি পালন কৰাৰ, উৎসৱ-অনুষ্ঠানৰ অনুষঙ্গত পৰম্পৰাগত গীত, বাদ্য, নৃত্য আদিও অনুষ্ঠিত কৰাৰ সুবিধা লাভ কৰে। দেশৰ জলবায়ু, প্ৰকৃতি আৰু ধৰ্মৰ কথা একোটা জাতিৰ জাতীয় উৎসৱ আৰু আন সাধাৰণ উৎসৱৰ লগত জড়িত থাকিব পাৰে। অসমীয়া সমাজৰ উৎসৱ-অনুষ্ঠানসমূহ জীৱনবৃত্ত, ধৰ্ম, কৃষি আৰু প্ৰশাসনৰ লগত জড়িত।

অসমৰ লোক সমাজে জীৱনবৃত্তৰ লগত জড়িত বিভিন্ন লোকাচাৰ পালন কৰে। মানৱ-জীৱনৰ বিভিন্ন পৰ্যায়ত ব্যৱহৃত লোকাচাৰসমূহক কেইটামান শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে -

ক) জন্ম সম্পৰ্কীয়,
খ) বিবাহ সম্পৰ্কীয়,
গ) মৃত্যু সম্পৰ্কীয় আৰু
ঘ) অন্যান্য বিষয়ক।

**জন্ম সম্পৰ্কীয় ঃ**

ল'ৰা-ছোৱালী জন্ম হোৱাৰে পৰা অসমীয়া সমাজে ভিন ভিন আচাৰ-ৰীতি পালন কৰে। লক্ষ্মীনাথ বেজবৰুৱাই ল'ৰাৰ জন্ম হ'লে অসমীয়া সমাজে কি আচাৰ পালন কৰে আৰু ছোৱালীৰ জন্ম হ'লে কি আচাৰ পালন কৰে তাৰ বিৱৰণ এনেদৰে দিছে -

"আমাৰ আসামত ল'ৰা উপজিলে উৰুলি দিয়ে, শঙ্খ-ঘণ্টা বজায়, বৰকাঁহ কোবায়; ছোৱালী উপজিলে ঢেকি কোবায়, কুলা বজায়।" *(মোৰ জীৱন সোঁৱৰণ)*

জন্মৰ পাঁচ দিন পাৰ হৈ যোৱাৰ পিছত দৈৱজ্ঞ মাতি ল'ৰা-ছোৱালীৰ ভৱিষ্যত জনাৰ বাবে গননি উৎসৱ পাতে -

ষষ্ঠী-যাগৰ পিছত সত্তৰাম দৈৱজ্ঞক মতাই আনি গণোৱাত, দৈৱজ্ঞই গণি-

পঢ়ি ক'লে যে, এই শিশুৰ দ্বাৰাই অসংখ্য প্ৰাণীয়ে মুক্তি পাব; দেৱীৰ উপাসনা লোপ হ'ব; স্মৃতি ভাগৱত, পুৰাণাদি সৰল ভাষাত ৰচিত হৈ মানুহে অলপ বিদ্যাৰে বহুত জ্ঞান লাভ কৰিব পৰা কোমল শাস্ত্ৰসকল প্ৰচাৰিত হ'ব; নাম-ধৰ্ম উজান ভাটীত প্ৰচাৰিত হ'ব।

সত্যৰাম দৈৱজ্ঞই নিৰ্ণয় কৰি ক'লে যে, 'শঙ্কৰদেৱৰ ধনুৰাশি, দেৱগণ, ৰোহিণী নক্ষত্ৰ আৰু মাহেন্দ্ৰ যোগত জন্ম।' *(শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ)*

গণনি উৎসৱৰ দিনাই ৰাশি অনুযায়ী ল'ৰা-ছোৱালীৰ নাম থোৱা হয়। নামকৰণৰ সময়ত নাম থওঁতে অসমীয়া মানহে ল'ৰা-ছোৱালীৰ জন্ম হোৱা মাহ, সময়, আকৃতি-প্ৰকৃতি, গাৰ বৰণ, প্ৰথম নে শেষৰ সন্তান- এই সকলো কথা চালি-জাৰি চায়। লগতে এইটোও বিশ্বাস কৰে যে নাম যিমান শুৱলা হয় সিমান সোনকালে যম ৰজাৰ সেই ল'ৰা-ছোৱালীৰ ওপৰত চকু পৰে। অসমীয়া লোক সমাজৰ বিশ্বাস অনুসৰি কৰা নামকৰণৰ কথা বেজবৰুৱাৰ ৰচনাৰাজিৰ মাজত পোৱা যায় -

নাহৰফুটুকা ঃ (কৰযোৰ কৰি)। মোৰ ঈশ্বৰ! দুখানি চৰণৰ কিৰ্পাত বন্দীৰ ল'ৰা পোৱালি এফেৰি হৈছে। আজি এমাহ। পাঁচটা মৰি যোৱাৰ পিছত আকৌ এইফেৰি পাইছে মোৰ ঈশ্বৰ বন্দীয়ে। ঘৰৰ ঘৈণীজনীয়ে ক'লে বোলে "এইবাৰ তুমি আমাৰ গোখাইৰ ঘৰলৈ গৈ সকলো কথা-বতৰা কৈ-মেলি নিৰ্মালি পৰ্সাদেৰে সৈতে ভালকৈ নাম এটিকে লৈ আহাগৈ। লৈ আহি মোৰ পোনাক দিয়াহি। গোখাই ঈশ্বৰৰ কিৰ্পাত এইবাৰে ল'ৰাফেৰি কিজানি ৰয়েই।" মই বৰ দুখীয়া মানুহ মোৰ ঈশ্বৰ। নিঃকিন বন্দী প্ৰভু-ঈশ্বৰ! মোৰ কি আছে, কি দিম? প্ৰৰ্ভু - ঈশ্বৰৰ বেটীজনীয়ে ন-কৈ গামোচা এখনি বৈছিল। ল'ৰাৰ জঞ্জালত ৰ'বলৈ আহৰি নাপায়- সেইখিনিকে সিকি এটাৰে সৈতে প্ৰভু ঈশ্বৰৰ দুখানি চৰণলৈ আগবঢ়াবলৈ বুলি লৈ আহিছোঁ দুখানি চৰণ!

গোসাঁই ঃ বেছ হৈছে, ভাল হৈছে। তোৰ ল'ৰাটো এইবাৰ নুমলীয়াকৈ হৈছে, সেইদেখি তাৰ নাম নোমল দিলোঁ। (দেউৰীলৈ চাই)! বুঢ়াক ফুল-নিৰ্মালি দিয়া। বুঢ়া যা। তোৰ ল'ৰা নমৰে। তাৰ নাম নোমল, দিলোঁ।

*(নোমল, বেজবৰুৱা-ৰচনাৱলী, ৩য় খণ্ড)*



অসমীয়া সমাজত ব্ৰাহ্মণসকলে ল'ৰাৰ যি দশ সংস্কাৰ পালন কৰে তাৰ ভিতৰত দুটা হ'ল কৰ্ণবেধ আৰু লগুণ-দিয়ানি। এই দুয়োটা আচাৰ বেজবৰুৱাই নিজেও পালন কৰাৰ বৰ্ণনা পোৱা যায় -

"লগুণ দিয়নি। একেদিনাই মোৰ আৰু মোৰ ভতিজা এটাৰ লগুণ-দিয়নি হৈছিল। যদিও "প্ৰাইভেট" (Private) অৰ্থাৎ অশাস্ত্ৰীয় ৰকমে মোৰ কৰ্ণবেধ অৰ্থাৎ কাণ-বিন্ধনি কেতিয়াবাই হৈ, কাণৰ ভোমোলা বিন্ধাত সীহৰ কঁৰিয়া, খৰিকা আৰু কুহিলাৰে পৰা আৰম্ভ কৰি সোণৰ বাখৰ পতোৱা লংকেক পৰ্যন্ত সোমাই ওলমি টিঘিলঘিলাইছিল তথাপি "অফিচিয়েলি" (Officially) অৰ্থাৎ শাস্ত্ৰীয় ৰকমে কৰ্ণবেধ আৰু চূড়াকৰণ আদি ব্ৰাহ্মণৰ দশসংস্কাৰৰ ভিতৰুৱা সংস্কাৰ সেইদিনা লগুণ-দিয়নিৰে সৈতেহে সমাপিত হৈছিল।" *(মোৰ জীৱন সোঁৱৰণ)*

খ) বিবাহ-সম্পৰ্কীয় ঃ

বিয়া মানুহৰ জীৱনৰ এটি স্মৰণীয় ঘটনা। সমাজ-জীৱনতো বিয়া অনুষ্ঠানে এখন উল্লেখযোগ্য আসন অধিকাৰ কৰি আছে। অসমীয়া সমাজত প্ৰচলিত বিয়া অনুষ্ঠানৰ আচাৰ-ৰীতিৰ বিৱৰণ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰাজিত পোৱা যায় -

"মোৰ বিয়াত "সপ্তপদী গমন", "স্ত্ৰী-আচাৰ", "শুভদৃষ্টি" আৰু হিন্দু বিয়াৰ বিধিত অনুষ্ঠেয় প্ৰায় সকলোবোৰ বৈদিক মন্ত্ৰৰ সমাৱেশ আছিল।"

*(মোৰ জীৱন সোঁৱৰণ)*

বিবাহ অনুষ্ঠানত পালন কৰা বিভিন্ন পৰম্পৰাগত ৰীতি-নীতিৰো উল্লেখ বেজবৰুৱাৰ ৰচনাত পোৱা যায় -

"ঢাক-ঢোল খোল মৃদুং কালী পেঁপা এটাইবোৰ বজাব;
পানী তুলিম, তোৰ গাত মাহ-হালধী ঘঁহি নোৱাম, নাম গাম।"

*(সেউতী, সাধকথাৰ কুঁকি)*

অসমলৈ ইংৰাজসকল অহাৰ আগতে অসমত বঙ্গদেশৰ প্ৰভাৱ নাছিল। গতিকে অসমত পূৰ্বাপৰ ৰীতিয়ে চলি আহিল। উপাৰ্জনক্ষম অসমীয়া ডেকাইহে তেতিয়া বিয়া কৰোৱাৰ প্ৰথা প্ৰচলিত আছিল। কইনাৰ লগত যৌতুক দিয়াৰ প্ৰথা নাছিল। বঙ্গদেশৰ প্ৰভাৱে প্ৰভাৱিত কৰা অসমত লাহে লাহে এনে প্ৰথা বেজবৰুৱাৰ সময়তে

চলিবলৈ ধৰিছিল - "আগৰ দিনত অসমীয়াৰ ভিতৰত মতা মানুহে কম বয়সত বিয়া কৰোৱা দস্তুৰটো নাছিল বুলিলেই হয়। ডেকা ত্ৰিশ-পয়ত্ৰিশ বছৰীয়া হৈ উপাৰ্জ্জনক্ষম হ'লেহে তেওঁৰ বিয়াৰ চেষ্টা কৰা হৈছিল। কিন্তু কি দুখৰ বিষয় আজি-কালি বঙ্গদেশৰ চৌৱে কোবোৱা বাবেই হওক নাইবা অসমীয়া ভদ্ৰ সমাজৰ অৱস্থাৰ বাবেই কোনো কাৰণত পৰিৱৰ্তন ঘটাৰ বাবেই হওক, সেই পুৰণি healthy সুস্থ প্ৰথা কমি আহি তাৰ ঠাই বঙ্গদেশৰ নিচিনা, শহুৰ-শাহুৰ পৰা ধন লৈ কম বয়সত বিয়া কৰোৱা (early marriage) ঘৃণিত প্ৰথাই অধিকাৰ কৰি আহিছে।"

*(মোৰ জীৱন সোঁৱৰণ)*

গ) মৃত্যু সম্পৰ্কীয় ঃ

অসমৰ লোকসমাজত মৃত্যু সম্পৰ্কীয় বিভিন্ন লোকৰীতি-নীতি পালন কৰা হয়। যেনে - মুখাগ্নি, শ্ৰাদ্ধ, পিণ্ডদান, তৰ্পণ, হবিষ ইত্যাদি। ইয়াৰ উপৰিও মৃত্যুশয্যাশায়ীজনক ৰাম নাম সোঁৱৰাই দিয়া প্ৰথা প্ৰচলিত আছে। কাৰণ বিশ্বাস কৰা হয় যে মৃত্যুৰ সময়ত ৰাম নাম উচ্চাৰণ কৰিলে মৃতকৰ আত্মাই স্বৰ্গ লাভ কৰে। বেজবৰুৱাৰ ৰচনাত ইয়াৰ উদাহৰণ আছে - "মৃত্যুৰ আগতে তেওঁৰ পুতেক গোপালক বাহিৰলৈ আনি তুলসীৰ তলত থোৱা হ'ল। ঘৰে ঘৰোৱাহে কান্দি কান্দি আকুল; কিন্তু দেউতাৰ চকুত এটোপা চকুপানী নাই, তেওঁ মৃত্যু শয্যাশায়ী পুতেকৰ মৃত্যু-মংগলৰ অৰ্থে যি যি আয়োজন কৰিব লাগে, ধীৰভাৱে কৰি আছে। সেই মৃত্যু-মংগলৰ ব্যাঘাতৰ ভয়ত, তেওঁ সকলোকে ডাবি দি নকন্দা কৰি, পুতেকৰ মূৰ-শিতানৰ ফালে বহি ধীৰ-স্থিৰ-গম্ভীৰভাৱে উচ্চৈস্বৰে 'ওঁ ৰাম !' 'ওঁ ৰামঃ !' এই মহামন্ত্ৰ সোঁৱৰাবলৈ ধৰিলে। চাৰিওফালৰ সকলো মানুহ কাঁহ-পৰি জীন গ'ল। 'সমস্ত শাস্ত্ৰৰ, সমস্ত মন্ত্ৰৰ মূল বীজ' এই 'ৰাম' নাম তেওঁ আধা ঘন্টাৰো বেছি সময় পুতেকক সোঁৱৰাওঁতে, সোঁৱৰাওঁতে, মৃত্যুৰ মুখত পৰি থকা পুতেকে এবাৰ স্পষ্টকৈ 'ৰাম' বুলিলে। পিতৃ-দেৱতাৰ মুখ আনন্দত প্ৰফুল্ল হৈ উঠিল। বেঢ়ি থকা সকলোৱে উচ্চৈস্বৰে 'ৰাম' নাম ধ্বনি কৰিলে। ক্ষন্তেকতে মৃত্যুশয্যা-শায়ীজনৰ প্ৰাণ পাৰ্থিৱ জড় দেহৰ পৰা ওলাই চিৰানন্দ-ধামলৈ গতি কৰিলে।" *(মোৰ জীৱন-সোঁৱৰণ, বেজবৰুৱা-ৰচনাৱলী, ১ ম খণ্ড)*

মৃত্যুৰ পিছত স্বৰ্গবাসী আত্মাৰ সংগতি কামনা কৰি অসমৰ লোকসমাজে শ্ৰাদ্ধাদি কৃত্য সম্পন্ন কৰে। বেজবৰুৱাৰ ৰচনাৰ মাজত ইয়াৰো উদাহৰণ নোহোৱা নহয় - "পুতেক গোপাল আৰু জীয়েক পিয়ালীৰ মৃত্যুত আমাৰ ৰবজনা আয়ে অন্তৰত নথৈ আঘাত পাইছিল। তেওঁ আৰু বেছি দিন নিজীলে। জীয়েকৰ ছমহীয়া শৰাধলৈ তেওঁ নিজ হাতে বয়-বস্তুৰ যো-জা কৰিছিল; আৰু সেই দিনাই হঠাৎ



অতিসাৰ ৰোগত পৰি প্ৰাণ পৰিত্যাগ কৰিলে।" *(মোৰ জীৱন-সোঁৱৰণ, বেজবৰুৱা-ৰচনাৱলী, ১ ম খণ্ড)*

ঘ) অন্যান্য বিষয়ক ঃ

জন্ম, মৃত্যু, বিবাহৰ উপৰিও অসমৰ লোকসমাজে আৰু কিছুমান ৰীতি-নীতি পালন কৰে। সেই আটাইবোৰকে আমি অন্যান্য বিষয়ক বুলি এটি শ্ৰেণীভূক্ত কৰিছো।

ল'ৰা প্ৰথম স্কুললৈ যোৱাৰ সময়তো অসমীয়া সমাজত কিছুমান আচাৰ-পালন কৰা হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিয়ালতো এনে আচাৰ পালন কৰাৰ ৰীতি আছিল - "এদিন শুনিলোঁ, মোৰ বিদ্যাৰম্ভ কৰা হ'ব। মোৰ মহানন্দ মিলিল পুথি পঢ়িব পাৰিম, কিতাপ পঢ়িব পাৰিম, মানুহলৈ চিঠি লেখিব পাৰিম। ভাল দিনবাৰ এটা চোৱাই এদিন সেই কাৰ্য সুসম্পন্ন কৰোৱা হ'ল। আমাৰ গুৰু-ঘৰ কমলাবাৰী থানলৈ সোণৰ ফুল এপাহ আগ কৰা, ঘৰত বামুণৰ হতুৱাই পূজা কৰোৱা, নিজৰ নামঘৰত ভালকৈ শৰাই এখন দি সকলোৱে মিলি-জুলি নাম গোৱা, আৰু নামৰ অন্তত ৰবিনাথ ককাই, মই দীৰ্ঘায়ু আৰু সৰ্ববিদ্যাবিশাৰদ হৈ পিতৃ-কুল মাতৃ-কুল উজ্জ্বল কৰিবৰ অৰ্থে বিশেষৰূপে উচ্চাৰণ কৰি আশীৰ্ব্বাদ কৰা কথাৰ স্মৃতি মোৰ মনত স্পষ্টকৈ পৰি আছে।" *(মোৰ জীৱন সোঁৱৰণ)*

" এই কথা শুনি বুঢ়ীমাকে ভাল দিন-ক্ষণ চোৱাই মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত পঢ়িবলৈ শঙ্কৰক পঠিয়াই দিলে। ভাদ মাহৰ কোনো এটা বৃহস্পতিবাৰে শুভলগ্ন চাই শঙ্কৰৰ বিদ্যাৰম্ভ কৰা হ'ল, আৰু সেইদিনাই তেওঁ ক, খ আদি ব্যঞ্জনবৰ্ণ শিকিলে।"

*(শঙ্কৰদেৱ)*

অসমীয়া জাতীয় উৎসৱ বিহুত পালন কৰা পৰম্পৰাগত আচাৰ-ৰীতিৰ বিস্তৃত বিৱৰণ পোৱা যায় - "দেখিলো বহুত গছ এজোপাৰ তলত বৰঘৰ গোটাচেৰেকৰে প্ৰথম মানুহ ঘৰত, তিনিটা ঢেঁকীৰে ছজনী জীয়ৰী-বোৱাৰীয়ে মিলি চিৰা, সান্দহ আৰু পিঠাগুৰি খুন্দিছে, মোক দেখি সিহঁতে লাজ বা সংকোচ একোকে নকৰি ঢেঁকীৰ চাবে চাবে জাঁত জাঁত কৰে নাম গাইছে। ডেকা মানুহ এটাই বুঢ়ী কোৰ এখনেৰে আগচোতালখন চুৰুকি চিকুণাব লাগিছে। কাষতে চালি এখনৰ তলত বহি বুঢ়ী এজনীয়ে হেঁচা পিঠা ভাজিবলৈ খোলা-পাতিছে। মোক দেখিয়েই বুঢ়ীজনীয়ে মাতিলে - "মোৰ বহনা। মোৰ দেউতা। আহক, এইখিনিতে বহক। ভাজি দিওঁ, পিঠা এডোখৰকে বিহুৱান বুলি খাই যাওক।" *(বিহু, কেহোঁকলি)*।

"এনেতে দেখিলোঁ, আন এখন পথাৰত এজাক মানুহে নাকী সোলোকাই দিয়া গৰু-ধন-ধৰা ম'হৰ যুঁজ লগাই দি অতি উছাহেৰে ৰং চাইছে। মই ভাবিলোঁ,

মাঘৰ বিহুতহে ম'হ যুঁজায়। এই চ'তৰ বিহুত ইহঁতে ম'হ যুঁজখন পাতিছে কিয়।"

*(বিহু, কেহোঁকলি)*

বহুৰ উৎসৱ ফাকুৱা অসমীয়া সমাজে পালন কৰা এটি উল্লেখযোগ্য উৎসৱ। লক্ষ্মীনাথৰ ৰচনাৰাজিত এই ফাকুৱা উৎসৱৰো বিৱৰণ পোৱা যায়। বেজবৰুৱাৰ নিজৰ ঘৰতে এই উৎসৱ মহা ধুমধামেৰে উদ্‌যাপন কৰা হৈছিল। ল'ৰালি কালত পৰিয়ালৰ আন সদস্যৰ লগতে বেজবৰুৱাই নিজেও বৰ উৎসাহেৰে ফাকুৱা উৎসৱত অংশ গ্ৰহণ কৰাৰ বিৱৰণ পোৱা যায় -

"আমাৰঘৰত ফাকুৱা উৎসৱ বছৰে বছৰে কৰা হৈছিল। এই ফাকুৱাত আমি ল'ৰাবোৰৰ ইমান উৎসাহ আছিল যে, কুলীয়ে বা চাকৰ-নাকৰে কৰিবলৈ অপেক্ষা নকৰি, ফাকুৱা-ঘৰৰ (দৌলৰ) পাঁচ-ছহাত ওখ ভেঁটিটো আমি নিজে কোৰেৰে মাটি কাটি সেই মাটি বৈ আনি কৰি দিছিলোঁহঁক, ৰাজহুৱা নামঘৰতো ফল্গুৎসৱ কৰা হৈছিল। যিদিনা খাটোলাত তুলি কৃষ্ণ-মূৰ্তিক ফুৰাবলৈ লৈ যোৱা হয়, সে ইদিনা ইটোৱে সিটোৰ গাত ফাকু মৰা, ঢেবেকা পানী মৰা, কুঙ্কুম মৰা আৰু বাটৰ কাষৰ খাৱৈ বা বিল বা হোলাৰ পৰা বোকা-পানী আনি ইটোৱে সিটোৱে গাত ঢলা-ঢলি কৰাৰ নিচিনা উৎকট খেমালিত আমি বলিয়া হৈ ফুৰিছিলোঁহঁক। গণকপটিৰ ফাকুৱাৰ শোভা-যাত্ৰা আমাৰ প্ৰতিদ্বন্দ্বী আছিল। দুই দলৰ ভেটাভেটিত দুই দলৰ ভিতৰত উতনুৱা ডেকাবোৰৰ ভিতৰত খকা খুন্দা লাগি মৰা মৰি পৰ্যন্ত হোৱা দেখা গৈছিল।"

*(মোৰ জীৱন সোঁৱৰণ)*

"মাহেকৰ আগৰে পৰা আমাৰ গাত উলাহ ফাকুৱা আহিছে। তাতে ঘৰতে পূজা; উলাহৰ ওপৰত উলাহ পৰি আমাৰ বং বংপুৰৰ বংঘৰটোৰ সমান হৈছে। পূজালৈ বয়-বস্তু নৈবেদ্য-উপকৰণ, গোটাবলৈ আমি ল'ৰাবোৰে উঠিপৰি লাগিছোঁহঁক। আজি অধিবাস। মেযদাহ হ'ব। কি আনন্দ।" *(নকওঁ, সাধু-কথাৰ কুকি)*

## খ) খেল-ধেমালি ঃ

মানব সভ্যতাৰ ইতিহাসৰ লগত খেল-ধেমালি অঙ্গাঙ্গীভাৱে জড়িত। খেল-ধেমালিৰ মুখ্য উদ্দেশ্য দুটা-দৈহিক স্বাস্থ্য সংৰক্ষণ আৰু অৱসৰ বিনোদন। ময়হাৰুল ইছলামৰ মতে -

> নিজৰ শৰীৰ চৰ্চাৰ বাবে আৰু সৰ্বোপৰি আনন্দ লাভ কৰাৰ কাৰণে বহু খেল-ধেমালি, ব্যায়াম আৰু প্ৰতিযোগিতাৰ সৃষ্টি হৈছে। এইবোৰৰ ভিতৰত কিছুমান অঙ্গি-ভঙ্গীকেন্দ্ৰিক আৰু কিছুমান বিশেষ-বিশেষ নিয়ম অনুসৰণ কৰি খেলা খেল, যিবোৰ আমাৰ দেশত ব্যাপকভাৱে প্ৰচলিত।[২]



এই খেল-ধেমালিসমূহ লোক-সংস্কৃতিৰ অন্তৰ্গত। এইখিনিতে উল্লেখ কৰি থোৱা উচিত যে খেল-ধেমালিক আকৰ্ষণীয় কৰি তোলাৰ উদ্দেশ্যেও লোকসাধাৰণ আৰু কেতিয়াবা কেতিয়াবা লোকসাহিত্যৰ সহায় লোৱা হয়। এই খেল -ধেমালিসমূহ দলবদ্ধভাৱে বা এজন এজনে একোটা গোট হৈ খেলা দেখা যায়। কিছুমান খেল-ধেমালি স্থিৰ হৈ বহি থাকিও খেলা হয়। বিশেষকৈ ছোৱালীবোৰৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰা পুতলা খেল, বন্ধা-বঢ়া খেল, পাঁচ গুটিৰ খেল (লাচ খেল), ইচনি-বিচনি, লেতুকৰ গছ ইত্যাদিৰ নাম ল'ব পাৰি।

অৱসৰ বিনোদনৰ আহিলা হিচাপে পৰিগণিত হ'লেও খেল-ধেমালিৰ মাজৰে একোটা জাতিৰ, একোখন সমাজৰ স্বকীয়তা ধৰা পৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ শিশু অৱস্থাত, অসমত স্থানীয় খেলবোৰৰ প্ৰাচুৰ্য আছিল - "মোৰ পৰিচালনাত পৰিপক্ক বালকবৃন্দৰে সতে অনেক প্ৰকাৰ বং-ধেমালি আৰু খেলত মই পৈণত হৈ পৰিছিলোঁ; যেনে - হৈ-গুদু, টাংগুটি, লুকা-ভাকু, গঁচি, কচুগুটি, বাঘ-গৰু খেলা, গছত উঠা, বৰশী বাই মাছ ধৰা ইত্যাদি, ইত্যাদি।" *(মোৰ জীৱন সোঁৱৰণ)*

## গ) লোক-ঔষধ ঃ

অসমৰ লোকায়ত সমাজৰ দৈনন্দিন জীৱনত বেমাৰ-আজাৰ আৰু ইয়াৰ নিবাময়ৰ বাবে প্ৰয়োগ হোৱা প্ৰকৃতিৰ গছ-বন-লতা, শিপা, খনিজ সম্পদ, জন্তুৰ তেল, হাড়, চৰ্বি, বিভিন্ন মন্ত্ৰৰে কৰা জৰা-ফুকা, বেজ-বেজালি, প্ৰাৰ্থনা কৰি পবিত্ৰ শব্দ উচ্চাৰণ কৰা, দেৱতাৰ কু-প্ৰভাৱ বুলি বিশ্বাস কৰি তাৰ নিবাময়ৰ বাবে পূজা-পাতল আদি অনুষ্ঠান পালন কৰাৰ কথা লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰাজিত পোৱা যায়। বৃটিছ লেখক ডন য়নডাৰ-এ লোক-ঔষধক দুটা ভাগত ভাগ কৰিছে - প্ৰাকৃতিক লোক-ঔষধ (Natural Folkmedicine) আৰু তান্ত্ৰিক লোক-ঔষধ (Margi religious Folkmedicine)। য'ত প্ৰকৃতিৰ গছ-বন-লতা আদিৰ ব্যৱহাৰ আছে সেইবিধক ডন য়নডাৰ এ নামকৰণ কৰিছে - 'rational' or 'herbal folkmedicine' আৰু য'ত মন্ত্ৰৰ সহায়ত জৰা-ফুকা আদিৰ ব্যৱহাৰ আছে সেইবিধক নামকৰণ কৰিছে 'Occult folk medicine'[৩]

---

২। *ইছলাম, ময়হাৰুল ঃ ফোকলোৰ পৰিচিতি এবং লোকসাহিত্যেৰ পঠন-পাঠন, পৃ.১৬-১৭)*

৩। *Youder, Don : "Folk Medicine" in Folklore and Folklife, An Introduction(ed.), R.M. Dorson, p. 192*

আমাৰ সমাজত বৰ্তমানেও বেমাৰ-আজাৰৰ প্ৰথম নিদান হিচাপে লোক-সমাজত প্ৰচলিত ঔষধকেই ব্যৱহাৰ কৰা হয়। সাধাৰণ কটা-ছিঙা বা জ্বৰ-বিষ আদিত আজিও লোক-সমাজত প্ৰচলিত বিভিন্ন নিদানৰ ব্যৱহাৰ নহয় বুলি একে আষাৰে ক'ব নোৱাৰি।

অসমৰ লোকসমাজত বেজ-বেজালিৰ এক সুকীয়া আসন আছে। লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত বেজ-বেজালিৰ বিষয়েও বৰ্ণনা পোৱা যায় -

গজপুৰীয়ানী ঃ (স্বগত) ঃ মোৰ আঙুলিত জেঙাহে লাগিল। তামোলৰ আঙুলিয়ে নেফাপিলে। পানীত দিব পৰা আঙুলিহে সুবিধা হ'ব। আলতী বাইৰ ওচৰলৈ যাওঁ। এইবাৰ লাওপানীত গম নোপোৱাকৈ মিহলাই দিব পৰা জুলীয়া আঙুলি খুজি আনি থওঁ। *(চক্ৰধ্বজ সিংহ)*

লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰাজিত জন্তুৰ তেল, দেৱতাৰ কুপ্ৰভাৱ বুলি বিশ্বাস কৰি তাৰ নিৰাময়ৰ বাবে পূজা-পাতল আদি অনুষ্ঠান পালন কৰাৰ কথা পোৱা যায়।

বেজবৰুৱাই ল'ৰালি কালত এনে ঘটনা নিজে প্ৰত্যক্ষ কৰাৰ উল্লেখ পোৱা যায় - "বোধকৰোঁ আমাৰ অতিৰিক্ত উৎপাতৰ প্ৰতিবাদ স্বৰূপেই হ'বলা, এদিন আবেলি সকলোৱে দেখি আচৰিত মানিলে যে হঠাৎ সেই পুখুৰীটো খলিকিবলৈ ধৰিলে। চাৰিওপাৰৰ ফালৰ পৰা পানীবোৰ, কিহে ক'ব নোৱাৰোঁ, সামৰি নি পুখুৰীৰ মাজৰ নাদৰ ওচৰত গোটাই পৰ্বতৰ ওখ টিং যেন কৰিলে আৰু খন্তেকতে চাৰিওপাৰৰ ফালে মাৰি পঠিয়ালে; আকৌ সেইদৰে চপাই ওখ কৰিলে, আকৌ মেলি দি চাৰিওপাৰ ঢোৱাই পেলালে, ঠিক যেন পুৰীৰ সাগৰৰ পানীৰ ঢৌৰ উঠা-নমা আৰু আগবঢ়া পিছহোঁহোকা। এনেকৈ দহ মিনিটমান আন্দোলিত হৈ পুখুৰীটোৱে আকৌ আগৰ সৌম্য-শান্ত মূৰ্তি ধাৰণ কৰিলে। এইটো কিবা অধিদৈৱিক বা অধিভৌতিক উৎপাত বুলি ধৰি পিতৃদেৱতাই পণ্ডিত-ব্ৰাহ্মণসকলৰ দ্বাৰায় ইয়াৰ পিছত স্বস্ত্যয়ন, শান্তিকৰ্ম কৰোৱালে, আৰু নামঘৰ বা গোঁসাইঘৰত পালনাম গোৱালে।" *(মোৰ জীৱন সোঁৱৰণ)*

বায়ে ক'লে - " এই ভৰদুপৰীয়াখন ওটেঙা গছত উঠাটো ভাল হোৱা নাছিল। দেও, ভূত, জলাই, থলশাই দেৱতাসকলে এই সময়ত ক্ৰীড়া কৰি ফুৰে।" ওটেঙা পৰ্বৰ ওৰ পৰিলত আমি তিনিও আকৌ ৰংপুৰৰ ফালে খোজ ল'লোঁ। বাটত যাওঁতে মই এক প্ৰকাৰ নিমাত কিন্তু পাতমুগীৰ মুখত আখৈ ফুটা দেখি মাকে ক'লে - "পাতমুগী। তোৰ হ'ল কি? আজি চোন বৰ উলাহ? তইঁত দুইবো গড় দেখি



মোৰ ভয় লাগিছে। ঘৰলৈ উভতি গৈ আমৰলীয়া হাঁহ এটা মাৰি ভকতক চাউল একঠা খুৱাবলৈ আগ কৰিছোঁ। *(পাতমুগী, কেহোঁকলি)*

এই নিদানসমূহ পৰম্পৰাগতভাৱে মৌখিক ৰূপত চলি আহিছে। লোক-ঔষধৰ পৰাই আয়ুৰ্বেদ শাস্ত্ৰীয় চিকিৎসাৰ জন্ম হৈছিল। আধুনিক বিজ্ঞানসম্মত চিকিৎসাৰ পৰিধিতো ই প্ৰৱেশ নকৰাকৈ থকা নাই।

লোকাচাৰ বা সামাজিক লোকপ্ৰথা ঘাইকৈ লোকবিশ্বাসৰ আধাৰত গঢ় লৈ উঠে। লোকবিশ্বাসৰ বহল পৰিধিত অন্ধবিশ্বাসকো সামৰি ল'ব পাৰি। কিন্তু অন্ধবিশ্বাস আৰু লোকবিশ্বাস একে নহয়। লোকবিশ্বাস কিছু পৰিমাণে যুক্তি নিৰ্ভৰ আৰু বিজ্ঞানসম্মত। লোকবিশ্বাসে আনৰ অপকাৰ নকৰে। কিন্তু অন্ধবিশ্বাস মুঠেই বিজ্ঞানসম্মত নহয় আৰু ইয়াত আনক অপকাৰ কৰাৰ প্ৰৱণতা বিদ্যমান। লোকবিশ্বাস আৰু অন্ধবিশ্বাস লোকসমাজৰ পৰা অভিজাত সমাজলৈ পৰম্পৰাগতভাৱে আছে। লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰাজিৰ মাজত অন্ধবিশ্বাসৰো উদাহৰণ আছে।

"ন বছৰীয়া মাণিকীৰ মাক ধৰ্মী আৰু বাপেক বিকাই বাপুৱে মাণিকীলৈ বুলি আৰু মাণিকীৰ নামে এতোলা সোণ কিনি তেওঁলোকৰ হাতনি-পেৰাত থ'লে। অঘাইত চোৰ কালিয়াই এদিন সেই হাতনি-পেৰা ভাঙি সোণ তোলা চুৰকৈ লৈ অফুট মাৰিলে। সোণ হেৰালে সোণৰ গৰাকীৰ গাত পাপ লাগে। সেই দেখি এতিয়া কণ ছোৱালী মাণিকীৰ গাত লাগিল পাপ। আৰু এই পাপৰ কঁঠাল-এঠা যেনে-তেনে এঠা নহয়; সি মাণিকীৰ গাত বজ্ৰলেপ হৈ ধৰিলে আৰু জীয়াই থকা কালডোখৰত সি নেৰে। পৰশুৰামে জানি-শুনি মাতৃবধ পাপ কৰিও আমাৰ উজনিৰ পৰশুকুণ্ডত জোবোৰা মাৰি হাতৰ কুঠাৰ এৰুৱাব পাৰিছিল, কিন্তু অজান বালিকা মাণিকীলৈ কোনে নো সোণ কিনিছিল, কোনে নো ক'ত থৈছিল, কোনে নো সেই সোণ চুৰ কৰিলে আৰু সেই তোলা সোণেই নে পিতলেই, এইবোৰৰ তাই ভুকে নাপালে; কিন্তু এৰুৱাব নোৱাৰা চেলাপটী জোক, পাপ লাগিল তাইৰ গাতঃ যাৰ নাম Widowhood, অৰ্থাৎ বৈধব্য দশা। আগলৈ পাতিব খোজা তাইৰ ঘৰৰ চালত এই hood বা ৰৰহুদু পৰিল যেতিয়া তাইৰ ঘৰত জুই লাগিল আৰু সেই জুই ৰৰনৈৰ বানপানীয়েও নুমাব নোৱাৰে।" *(কাঁহুদী)*

আমাৰ বৈদ্য শাস্ত্ৰত এনেবোৰ ৰোগত পূৰ্বজন্মাৰ্জিত ৰোগ বোলে; দৰৱ খোৱাতকৈ সোণ দি পৰাচিত, তিল হোম, গ্ৰহ-যাগ আৰু শান্তি কৰ্ম প্ৰভৃতিহে ইয়াৰ প্ৰশস্ত ব্যৱস্থা বুলি কয়।" *(খাৰলি, বেজবৰুৱা-ৰচনাৱলী, ৬ষ্ঠ খণ্ড)*

"দিনচেৰেকৰ আগতে তেওঁৰ ঘৰৰ চালত এটা হুদু পৰিছিল; আৰু সেইটো

অমংগলৰ কথা দেখি তেওঁ পূজা-শান্তি কৰম আদি কাৰ্য বামুণৰ হতুৱাই কৰাই, সেই অমংগলৰ প্ৰতিবিধান কৰিবলগীয়াত পৰিছিল।"

*(মোৰ জীৱন-সোঁৱৰণ, বেজবৰুৱাৰ ৰচনাৱলী, ১ ম খণ্ড)*

মঙল চোৱা দস্তৰ অসমৰ লোক-সমাজত পৰম্পৰাগতভাৱে চলি আহিছে। মঙল চাই ভাল - বেয়া নিৰ্ণয় কৰাটো অন্ধবিশ্বাসৰ ভিতৰুৱা।

"কিংকৰ্তব্যবিমূঢ় হৈ বহি আছোঁ, এনেতে ক'ৰবাৰ পৰা এজন মঙলতি আহি মোৰ আগত ওলাল। তেওঁ মঙল চাই ক'লে মোৰ ওপৰত গুৰু বিতুষ্ট হৈছে, সেইদেখি আমৰলীয়া হাঁহেৰে পাঁচজন ভকতক মই চাউল খুৱালে মোৰ কঁকালৰ বিষ ভাল হ'ব। মঙলতিয়ে কোৱা মতেই কৰিলোঁ। লাভৰ ভিতৰত এযোৰ আমৰলীয়া হাঁহৰ প্ৰাণ গ'ল। ভকতসকলৰ পেট ভৰিল। পেট চলিল। কিন্তু মোৰ কঁকালৰ বিষ য'তে আছিল, ত'তে থাকিল। এজন কৰম কৰা বাপুৱে মোক ক'লে, "ডাঙৰীয়া এইবিলাক ফপহৰা দৰৱ-জাতি পাতি খাই ফুচুংফাচাং কাম কৰি অনাহঁক সময় আৰু ধন খৰচ কৰিছে আৰু কষ্ট পাইছে। এটা শান্তিকৰম আৰু গ্ৰহযজ্ঞ কৰক। ব্ৰাহ্মণক দক্ষিণা দিয়ক। অচিৰে নিৰোগ হ'ব। বাপুৰ ব্যৱস্থা মতে সকলোখিনি কৰিলোঁ। কিন্তু পালোঁ ফুটুকাৰ ফেনসোপা। এজন গ্ৰহ-বিপ্ৰই সোণ-ৰূপ-তাম আদি ধাতুৰে আৰু ৰঙা, বগা, ক'লা, হালধীয়া কাপোৰেৰে মঙ্গল ৰাহু-কেতুৰ পূজাৰ বিধান দি মোক টেঁটুলেকে খৰচেৰে পুতিলে। এজন উদাসীন ভকতে সবাহ পতাই নাম গোৱাই ভকতসকলৰ দ্বাৰাই মাহ-চাউল-কলৰ দফা ৰফা কৰালে। ভকতনীয়ে গোপিনী-সবাহৰ ব্যৱস্থা কৰি মাহ-গোপিনী লগ লগাই দি মিঠৈ-প্ৰসাদ বিলোৱাই খৰচ কৰোৱাই মোৰ হাতনি-পেৰাৰ তলি উদং কৰালে। এইবোৰৰ ফল কি হ'ব শুনিবা নে? হ'ল, "গালোঁ বালোঁ খোলাকুটিৰ তাল। নাচিলে-বাগিলে জয়গোপাল।" *(কঁকালৰ বিষ ভাল কৰিবৰ উপায়, কৃপাবৰ বৰুৱাৰ ওভতনি, বেজবৰুৱা-ৰচনাৱলী, ৪ৰ্থ খণ্ড)*

অসমৰ লোকসমাজত যিকোনো কৰ্মৰ বাবে যাত্ৰা কৰাৰ সময়ত দিন-বাৰ-ক্ষণ চাই লোৱাটো পৰম্পৰাগত ৰীতি। যাত্ৰাৰ সময়ত কোনো ধৰণৰ নএঞৰ্থক অৰ্থ বহনকাৰী কথাক অমঙ্গলৰ চিন হিচাপে গণ্য কৰা হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত এনেধৰণৰ অন্ধ-বিশ্বাসৰ উদাহৰণ আছে -

নৈৰ কানৰ আলি। ঘাটত সাউদৰ নাও

নাহৰফুটুকা ("নোমল" নামটো পাহৰে বুলি বিড়িয়াই আহিছে আৰু সেইদৰে আহোঁতে আহোঁতে "নোমল" পাহৰি "নেমেল" ওলাইছে)। নেমেল! নেমেল! নেমেল! নেমেল! নেমেল!



নাৱত থকা সদাগৰ (আচৰিত মানি) এইটো ক'ৰ আপদীয়া অ'? আমি নাও মেলিবলৈ ধৰিছোঁ। ই নেমেল নেমেল ব্‌লিবৰ কোন? আজি তিনি দিন আমি ঘাটতে নাও বান্ধি আছোঁ; দিন-বাৰ চাই নাওখন মেলিবলৈ ধৰিছোঁ। এই পাষণ্ড অমঙলীয়াই আমাক নেমেল, নেমেল বোলে কিয়? কটা ই কি টুংখুঙীয়াৰ ঘৰৰ ল'ৰাটো ওলাইছেহি, আমাৰ মঙল কাৰ্যত বিঘিনি পাতেহি? ধৰ ইয়াক এখুন্দা দিওঁ। (নাৱৰীয়াইঁতে লৰি গৈ নাহৰফুটুকাক ধৰি আনি কিলায়, আৰু তাৰ পিছত নাও মেলি যায়।) *(নোমল)*

বেজবৰুৱাৰ ৰচনাৰাজি সামাজিক লোক-প্ৰথাৰ যথাযথ প্ৰয়োগেৰে পৰিপুষ্ট। সমাজত পৰম্পৰাগতভাৱে চলি অহা সামাজিক লোক-প্ৰথাৰ অন্তৰ্ভুক্তিয়ে বেজবৰুৱাৰ ৰচনাৰাজিত বিশেষত্ব প্ৰদান কৰিবলৈ সক্ষম হৈছে।


সহায়ক গ্ৰন্থ ঃ

১। শইকীয়া, ড° নগেন (সম্পা) - বেজবৰুৱা ৰচনাৱলী- ১ম, ২য়, ৩য়, ৪ৰ্থ, ৫ম, ৬ষ্ঠ।

২। শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা) - বেজবৰুৱা ৰচনাৱলী।

৩। ইছলাম, মযহাৰুল - ফোকলোৰ পৰিচিতি এবং লোকসাহিত্যেৰ পঠন-পাঠন।

৪। বৰুৱা, বিৰিঞ্চি কুমাৰ - অসমৰ লোকসংস্কৃতি।


***

# অসমৰ সামাজিক সাংস্কৃতিক চিত্ৰ সম্বলিত বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'

গীতাঞ্জলি শইকীয়া
প্ৰবক্তা, অসমীয়া বিভাগ

সাহিত্যৰ এটি বিশিষ্ট বিভাগ হ'ল জীৱনী সাহিত্য। পৃথিৱীৰ প্ৰায় সকলোবোৰ সাহিত্যতে জীৱনী গ্ৰন্থ দেখিবলৈ পোৱা যায়। জীৱনীৰ পৰা ব্যক্তি বিশেষৰ জীৱন আৰু ব্যক্তি বিশেষৰ পৰিচয় পাব পাৰি। ব্যক্তি বিশেষৰ জীৱনৰ এক বৰ্ণনাত্মক ৰূপায়নেই হ'ল জীৱনী। ইয়াত ব্যক্তিৰ বহিঃ ফালৰ বিৱৰণৰ লগতে আভ্যন্তৰীণ দিশৰ বিৱৰণৰ ওপৰতো সমানেই গুৰুত্ব আৰোপ কৰা হয়। অসমীয়া সাহিত্যতো এই শ্ৰেণীৰ সাহিত্য বিশেষভাৱে পৰিলক্ষিত হয়। সুদূৰ বৈষ্ণৱ যুগতেই অসমীয়া সাহিত্যত এই শ্ৰেণী সাহিত্যৰ আৰম্ভ হৈছিল বুলি ক'ব পাৰি। বৈষ্ণৱ সন্ত-মহন্তসকলৰ জীৱন-চৰিতসমূহেই ইয়াৰ প্ৰমাণ দাঙি ধৰে।

জীৱনী সাহিত্যৰে এটি উপভাগ হ'ল আত্মজীৱনী। আত্মজীৱনী হ'ল কোনো এজন ব্যক্তিয়ে নিজেই প্ৰস্তুত কৰা নিজৰ জীৱনৰ সমুদায় বৰ্ণনা বিশেষ। জীৱনীত ব্যক্তি বিশেষৰ জীৱন বৃত্তান্ত অন্য ব্যক্তিৰ দ্বাৰা দাঙি ধৰা হয়, আত্মজীৱনীত এই বৃত্তান্ত ব্যক্তিৰ নিজ হাতেৰে দাঙি ধৰা হয়। ৰয় পাস্কেলে আত্মজীৱনী সংজ্ঞা দিছে এনেদৰে - "আত্মজীৱনী এনে এবিধ জীৱন বৃত্তান্ত, য'ত লেখকে তেওঁৰ জীৱনৰ আৰু মনৰ এটি বিশেষ অৱস্থাত নিজকে আৰু নিজৰ জীৱনৰ কথাবোৰ যেনেকৈ বুজে আৰু গ্ৰহণ কৰে, তেনেকৈ অংকন কৰে।" ব্যক্তিজনক ঘনিষ্ঠভাৱে জানিবলৈ হ'লে তৃতীয় পুৰুষে ৰচনা কৰা জীৱন চৰিতকৈ আত্মজীৱনী বেছি উপযোগী। কিন্তু যদি লেখকে নিজৰ জীৱনৰ সকলো কথা অকপটে উপস্থাপন কৰিব নোৱাৰে, তেতিয়া হ'লে এনে আত্মজীৱনীৰ মূল্য হ্ৰাস পায়। অসমীয়া সাহিত্যত আত্মজীৱনী বহু কম পৰিমাণে পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'



আত্মজীৱনীখনেই অসমীয়া সাহিত্যৰ প্ৰথম আত্মজীৱনীমূলক গ্ৰন্থ। এইখন ১৯৪৪ চনত গ্ৰন্থ আকাৰে প্ৰকাশ পায়।

সাহিত্য আৰু সমাজ এটা মুদ্ৰাৰে ইপিঠি সিপিঠিৰ দৰে। ইয়াৰ ইটোৰ লগত সিটোৰ এৰাব নোৱাৰা সম্পৰ্ক আছে। সমাজক এৰি সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। সাহিত্য হৈছে সমাজৰ দাপোনস্বৰূপ। সমাজৰ প্ৰায় প্ৰতিটো দিশ সাহিত্যত প্ৰতিফলিত হয়। সমসাময়িক সমাজখনে, সমাজৰ ৰীতি-নীতিয়ে সাহিত্যিকজনক প্ৰভাৱান্বিত কৰে। সামাজিক দিশৰ উপৰিও সাহিত্যৰ মাজেদি সাংস্কৃতিক চিত্ৰবো প্ৰকাশ ঘটে। সমাজৰ মাজেৰে তাত প্ৰচলিত সাংস্কৃতিক দিশবো প্ৰতিফলন সাহিত্যৰ মাজত প্ৰকাশ পায়। সামাজিক দিশৰ লগে-লগে সাংস্কৃতিক দিশেও লেখক এজনৰ লেখনীত প্ৰভাৱ বিস্তাৰ কৰে। সেয়েহে সাহিত্যিক এজনৰ ৰচনাত সমসাময়িক সমাজ আৰু সাংস্কৃতিক জীৱনৰ চিত্ৰ দেখিবলৈ পোৱা যায়। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাও ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁৰ 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত সমসাময়িক সমাজ সাংস্কৃতিক জীৱনৰ এক সুন্দৰ চিত্ৰ ফুটি উঠিছে। বেজবৰুৱাৰ সময়ৰ সমাজ ব্যৱস্থা, শিক্ষা, সাহিত্য, সংস্কৃতি আদিৰ বহুখিনি আভাস ইয়াত পোৱা যায়।

অসমত জাতিভেদ প্ৰথা ভাৰতৰ অন্য প্ৰান্তৰ দৰে ইমান তীব্ৰ নাছিল যদিও ই অসমৰ এটা পুৰণিকলীয়া প্ৰথাৰূপে চলি আছিল। এই প্ৰথাৰ প্ৰভাৱ নুই কৰিব পৰা নাযায়। ধৰ্মৰ ভিত্তিত, ভাষাৰ ভিত্তিত, জাতিৰ ভিত্তিত এই প্ৰথাৰ উদ্ভৱ হোৱা পৰিলক্ষিত হয়। বেজবৰুৱাৰ সময়ৰ সমাজতো এনে ধৰণৰ জাতিভেদৰ বাচ বিচাৰ হোৱা দেখা যায়। অসমীয়াসকলে অন্য ভাষীৰ হাতেৰে ৰন্ধা খালে জাত যাব বুলি ভবা হৈছিল। বিশেষকৈ ব্ৰাহ্মণসকলে অন্য সম্প্ৰদায়ৰ হাতেৰে ৰন্ধা খোৱা নিষেধ আছিল। বেজবৰুৱাৰ ককায়েক দুজন কলিকতালৈ পঢ়িবলৈ যাওঁতে লগতে শশধৰ নামৰ ব্ৰাহ্মণ এগৰাকীক ৰান্ধনি হিচাপে পঠোৱা হৈছিল। অসমৰ ব্ৰাহ্মণ গোসাঁই সম্প্ৰদায়ৰ ব্যক্তিসকলে নিজকে উচ্চ বুলি ভাবি অন্য সম্প্ৰদায়ৰ লোকৰ লগত ৰবকৈ মিলামিছা নকৰিছিল। "অসমত ফেঁচামৰীয়া গোসাঁইৰে পৰা আৰম্ভ কৰি খৰিকটীয়া গোসাইলৈকে গোঁসাই-নামধাৰী প্ৰাণীসকলে সাধাৰণ ভদ্ৰলোকৰ ঘৰলৈ ছোৱালী দিবলৈ ওলায়, অথচ বিয়াৰ সময়ত আঁকোৱালে নোপোৱা ভেমৰ খুটাত আউজি থাকি কি যে কৰে তাক কি কবা! এবাৰ মনত আছে - এজন শিৱসাগৰৰ ভদ্ৰলোকৰ বিয়াত নিমন্ত্ৰিত হৈ মই দৰাঘৰীয়াৰে সৈতে বিয়ালৈ গৈছিলোঁ। আমি কন্যাঘৰীয়া গোসাঁইৰ পদূলিমুৰ পাওঁতেই গোসাঁইৰ ঘৰৰ পৰা আদেশ আহিল যে আমি আমাৰ ভৰিৰ জোতা-মোজা সোলোকাই পদব্ৰজে গৈহে তেওঁৰ চাৰি চাপৰ ভিতৰ সোমাব পাৰিম।" (বেজবৰুৱা ৫০) শিক্ষাৰ ক্ষেত্ৰতো এই জাত-পাতৰ প্ৰভাৱ

পৰিছিল। সেই সময়ত ব্ৰাহ্মণ ল'ৰাই জাত যোৱাৰ ভয়ত ডাক্তৰী শিক্ষা গ্ৰহণ কৰাত বাধা দিয়া হৈছিল। বেজবৰুৱাই এই শিক্ষা গ্ৰহণ প্ৰসংগত কৈছে, "ডাক্তৰী পঢ়িলে মৰাশ কাটিব লাগিব। মৰাশ কটা-ছিঙা কৰিলে হিন্দুৰ, বিশেষকৈ বামুণৰ জাত যায়, এই মত আৰু বিশ্বাস অসমত দৃঢ়মূল।" (বেজবৰুৱা ৯৪)

'মোৰ জীৱন সোঁৱৰণ'ত সেই সময়ৰ সমাজত প্ৰচলিত নানা বিশ্বাস-অন্ধবিশ্বাস, সামাজিক আচাৰ-ব্যৱহাৰ আদিৰ বিষয়েও উল্লেখ পোৱা যায়। শিশু জন্মিলে পালন কৰিবলগীয়া নানা ৰীতি-নীতিৰ কথা ইয়াত পোৱা যায়। নিজৰ জন্মৰ প্ৰসংগত বেজবৰুৱাদেৱে এই কথাৰে উল্লেখ কৰি কৈছে যে "আমাৰ আসামত লৰা উপজিলে উৰুলি দিয়ে, শঙ্খ, ঘন্টা বজায়, বৰ কাঁহ কোবায় ছোৱালী উপজিলে ঢেকি কোবায় কুলা বজায়।" (বেজবৰুৱা ৩) জন্মৰ পিছত গণকৰ হতুৱাই জন্ম পত্ৰিকা কৰাৰ প্ৰথাও সেই সময়ত প্ৰচলিত আছিল। তিথি-বাৰ-নক্ষত্ৰ অনুসৰিও নৱজাতকৰ নাম ৰখা হৈছিল। বেজবৰুৱাই তেওঁৰ নাম ৰখাৰ প্ৰসংগত কৈছে 'সেইদিনা হেনো পূৰ্ণিমা আৰু লক্ষ্মীপূজা আছিল সেই দেখিয়েই এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল।' (বেজবৰুৱা, ৩)

সমাজত নানা অন্ধবিশ্বাসেও খোপনি পুতি আছিল। সেই সময়ৰ সমাজৰ লোকে বিশ্বাস কৰিছিল যে ঘৰত হুদু পৰিলে পূজা-পাতল কৰিব লাগে। খৰালি কালত বৰষুণ হ'লে তাক অকালবৃষ্টি বুলি ধৰা হয়। ইয়াক অমংগলজনক বুলি ভবা হয়। বেজবৰুৱাৰ ককায়েকৰ মাঘ মাহত বিয়া কৰাবলৈ যাওঁতে এনে বৰষুণ হোৱাত অমংগলীয়া বুলি উভতি আহিছিল। "মাঘমহীয়া আমি ঘৰে-ঘৰোৱাহে সেই বিয়ালৈ যাবলৈ উদ্যোগ কৰিছোঁহক, এনেতে মেঘ দেৱতা বাম হ'ল। এজাক বৰষুণ হ'ল। সেই বৰষুণ হেনো অকাল বৃষ্টি, গতিকে অমংগলীয়া। বিয়াৰ দিন সেইবাবে হোহকি গ'ল।" (বেজবৰুৱা ৪৯) ছোৱালী বিয়া দিয়াৰ পাছত বাপেকৰ ঘৰত খোৱা-বোৱা কৰিলে দেহ অশুচি হয় আৰু গিৰিয়েকো নৰকত পৰে, এনে অন্ধবিশ্বাস উজনিত প্ৰচলিত আছিল। হিন্দু ব্ৰাহ্মণে যথেষ্ট নিয়ম পালন কৰিব লগা হৈছিল। দশ কৰ্ম কৰা, পুৱা-গধূলি নামঘৰত প্ৰাৰ্থনা কৰা, ব্ৰাহ্মণে টিকনী ৰখা ইত্যাদি নিয়ম আছিল। খোৱা-বোৱাৰ ক্ষেত্ৰতো যথেষ্ট নীতি-নিয়ম আছিল। দুৰাকাছ, মাইকী পহু, কুকুৰা চৰাই আদি সেই সময়ত হিন্দু ব্ৰাহ্মণসকলৰ অখাদ্য আছিল।

অসমীয়া সমাজত অতি প্ৰাচীন কালৰে পৰা বিহু উৎসৱ পালন কৰা হয়। বেজবৰুৱাৰ সময়ৰ সমাজতো বিহু পালন কৰা হৈছিল। বিহুৰ লগত বিভিন্ন ৰীতি-নীতি জড়িত হৈ আছে। অসমীয়া সংস্কৃতিৰ ই এক অবিচ্ছেদ্য অংগ। সেই সময়ৰ সমাজত বিহুত নানা খেল-ধেমালিৰো আয়োজন কৰা হৈছিল। সেই সময়ত প্ৰচলিত



আন এটি উৎসৱ হ'ল ফাকুৱা। ফাগুন মাহত এই উৎসৱ পালন কৰা হয়। সত্ৰসমূহতো মহাপুৰুষৰ তিথি পালন কৰা হৈছিল। এনে তিথিসমূহৰ উপলক্ষে পূজাৰ প্ৰচলনো সেই সময়ত আছিল।

বেজবৰুৱাৰ আত্মজীৱনীত হিন্দুৰ বিবাহ, শ্ৰাদ্ধাদিৰো বিৱৰণ পোৱা যায়। সেই সময়ত সমাজত সনাতন ধৰ্মৰ লগতে ব্ৰাহ্মধৰ্মৰো প্ৰচলন আছিল। ব্ৰাহ্মধৰ্মৰ বিয়া আৰু সনাতন ধৰ্মৰ বিয়াৰ মাজত কিছু কিছু ক্ষেত্ৰত পাৰ্থক্য আছিল। বিশেষকৈ ব্ৰাহ্ম সমাজত হিন্দুৰ বিয়াৰ দৰে হোম পোৰা আৰু শালগ্ৰাম নাছিল। বেজবৰুৱাদেৱৰ বিয়া ব্ৰাহ্মসমাজৰ নিয়ম মতেই হৈছিল। তেখেতৰ ভাষাত, "অৱশ্যে আমাৰ বিয়াত হোম পোৰা হোৱা নাছিল কাৰণ আদি ব্ৰাহ্ম সমাজৰ বিধিমতে আমাৰ বিয়া হৈছিল তাত হোম পুৰি বিয়া দিয়াৰ বিধান নাই, শালগ্ৰাম আৰু হোমৰ বাহিৰে হিন্দু বিয়াৰ সকলো আচাৰ ব্যৱস্থা তাত আছে।" (বেজবৰুৱা ১৪)

সেই সময়ৰ সমাজত যৌথ পৰিয়াল আৰু একক পৰিয়াল - এই দুয়ো প্ৰকাৰৰ পৰিয়ালৰ ব্যৱস্থা আছিল। পিতৃ পৰিয়ালৰ মূল ব্যক্তি। তেওঁৰ নিৰ্দেশতে পৰিয়াল পৰিচালিত হৈছিল। মাতৃ বা শাহু আই গৰাকীয়েই আছিল ৰন্ধা-বঢ়া বা বোৱাৰীসকলৰ মূল ব্যক্তি।

পূৰ্বৰে পৰা চলি অহা শাক্ত - শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ সেই সময়তো আছিল। বেজবৰুৱাহঁত সনাতন হিন্দু ধৰ্মৰ লোক আছিল আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতি তেওঁৰ প্ৰগাঢ় বিশ্বাস আছিল। তেওঁলোকৰ ঘৰত প্ৰতিদিনে পুৱা-গধূলি সত্ৰীয়া পদ্ধতিৰে নাম-প্ৰসংগ, কীৰ্তন ভাগৱত আদি পাঠ কৰা হৈছিল।

সেইকালত সমাজত তিৰোতাৰ স্থান বৰ উচ্চ নাছিল। নাৰীয়ে সকলো সময়তে পুৰুষৰ ইচ্ছা-অনিচ্ছাৰ বশ হৈ চলিব লাগিছিল। বাল্য বিবাহ প্ৰচলন আছিল। সেয়ে কিছুমান ছোৱালী গিৰিয়েকৰ মুখ নেদেখাকৈয়ে বিধবা হৈছিল। তথাপি কিন্তু তাই দ্বিতীয় বিবাহ কৰাব নোৱাৰিছিল। সমাজত বিধবাৰ অৱস্থা অতি শোচনীয় আছিল। তাৰ মাজতো কিন্তু ৰক্ষণশীল সমাজৰ বান্ধোনৰ পৰা ওলাই আহি কিছুমান তিৰোতাই পুৰুষৰ সমানেই আগবাঢ়ি গৈছিল। বেজবৰুৱাই আত্মজীৱনীত উল্লেখ কৰিছে যে শ্ৰীগংগা গোবিন্দ বৰুৱাৰ পত্নীয়ে প্ৰথম উচ্চ শিক্ষা লাভৰ বাবে কলিকতালৈ গৈছিল। নাৰীৰ মান-মৰ্যাদা হ্ৰাস নকৰাকৈ অসমীয়া নাৰীয়ে অসমীয়া সমাজৰ কঠোৰ নিয়ম-নীতিৰ পৰা আঁতৰি আহি শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত, ৰাজহুৱা কাৰ্যত আগবাঢ়ি আহিছিল।

অসমৰ অধিকসংখ্যক লোক কৃষিজীৱী আছিল। ধান, মাহ, সৰিয়হ আদি বিভিন্ন শস্যৰ খেতি কৰা হৈছিল। শিল্পৰ ক্ষেত্ৰত অসমৰ অৱস্থা বৰ সন্তোষজনক নাছিল। সেই সময়ত বস্ত্ৰ শিল্পৰ প্ৰচলন আছিল। মাটিৰ বিভিন্ন মূৰ্তি তৈয়াৰ কৰা

শিল্প উদ্যোগ অসমত আছিল। পূজা-পাৰ্বনৰ উদ্দেশ্যে বিভিন্ন মূৰ্তি তৈয়াৰ কৰা হৈছিল।

ব্যৱসায়-বাণিজ্যও সেই সময়ৰ সমাজ সংস্কৃতিৰ লগত জড়িত আছিল। সেই সময়ত প্ৰচলিত দুটা প্ৰধান ব্যৱসায়ৰ কথা আত্মজীৱনীখনত উল্লেখ আছে। সেয়া হ'ল চাহ আৰু কাঠৰ ব্যৱসায়। বেজবৰুৱাৰ দেউতাকৰ দুখন চাহ বাগিছা আছিল। আকৌ কাঠৰ ব্যৱসায় লক্ষ্মীনাথ বেজবৰুৱাই নিজেই কৰিছিল।

বেজবৰুৱাৰ সমসাময়িক সমাজখনত শিক্ষা ব্যৱস্থা সিমান উন্নত নাছিল। স্কুলসমূহত অসমীয়াৰ সলনি বঙালী ভাষাহে প্ৰচলন আছিল। অৱশ্যে বঙলাৰ লগতে হাইস্কুলবিলাকত ইংৰাজী শিক্ষাও দিয়া হৈছিল। উচ্চ শিক্ষা লাভৰ বাবে কলিকতালৈ যাব লাগিছিল। এইবোৰৰ উপৰিও টোলৰ জৰিয়তে সংস্কৃত শিক্ষা দিয়া হৈছিল।

সমাজত উচ্চ শিক্ষিত লোকৰ সংখ্যা তাকৰ আছিল। গতিকে শিক্ষিত ব্যক্তিসকলক চৰকাৰে উপযাচি চাকৰি যাচিছিল। বি. এ. পাছ্ কৰাৰ পাছত বেজবৰুৱা ডাঙৰীয়াকো চৰকাৰৰ ফালৰ পৰা দুবাৰ চাকৰিৰ প্ৰস্তাৱ দিয়া হৈছিল। উক্ত প্ৰসংগতে তেওঁ কৈছে, "তেতিয়া আসাম গৱৰ্ণমেণ্ট বি. এ. পাছক চৰকাৰী চাকৰি স্ব-ইচ্ছামতে যাচিছিল। আৰু যেই সেই চাকৰি নহয় - একষ্ট্ৰা এছিষ্টেণ্টৰ পদ অৱশ্যে 'প্ৰবেশ্যনেৰি'। মোকো এবাৰ নহয়, দুবাৰ সেই পদ যাচিছিল।' (বেজবৰুৱা ৩) পৰিবহনৰ ক্ষেত্ৰত সেই সময়ত জলপথ আৰু স্থলপথৰ ব্যৱস্থা আছিল। স্থলপথেৰে যোগাযোগৰ ক্ষেত্ৰত গৰুগাড়ী, ঘোঁৰাগাড়ী আৰু হাতীৰ ব্যৱহাৰ আছিল। জলপথৰ ক্ষেত্ৰত বিশেষভাৱে নাৱৰ ব্যৱহাৰ কৰা হৈছিল। বিভিন্ন ঠাইলৈ অহা-যোৱা কৰাত নাৱৰ প্ৰচলনেই অধিক আছিল। ভাৰতৰ অন্যান্য ঠাইৰ লগত জাহাজ আৰু ৰেলেৰে যোগাযোগ ৰক্ষা কৰা হৈছিল।

চিকিৎসা ব্যৱস্থাৰ ক্ষেত্ৰত আধুনিক আৰু পৰম্পৰাগত এই দুয়োবিধ ব্যৱস্থাৰেই প্ৰচলন সেই সময়ত দেখিবলৈ পোৱা গৈছিল। হোমিওপেথিক আৰু কবিৰাজ চিকিৎসাৰ প্ৰভাৱ অৱশ্যে বেছি আছিল। বেজবৰুৱাৰ পিতৃ এগৰাকী ভাল আয়ুৰ্বেদিক চিকিৎসক আছিল।

সেই সময়ৰ অসমীয়া সমাজত আলোচনী, বাতৰি কাকত আদিৰ বহুল প্ৰচলন নাছিল। অসমীয়া ভাষা-সাহিত্যক উন্নত কৰাৰ উদ্দেশ্যৰে ১৮৮৮ খৃষ্টাব্দত কলিকতাত প্ৰবাসী ছাত্ৰসকলৰ প্ৰচেষ্টাত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ জন্ম হয়। এই সভাৰ মুখপত্ৰ হিচাপে ১৮৮৯ খৃষ্টাব্দত 'জোনাকী' ৰ জন্ম হয়। জোনাকীৰ পিছত বিজুলী, উষা, বাঁহী, আদি আলোচনী প্ৰকাশ পায়। এই সমূহে অসমীয়া ভাষা-



সাহিত্যক বহখিনি আগুৱাই নিয়ে। ইয়াৰ আগতেও হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত 'আসাম নিউজ' নামৰ সাদিনীয়া ইংৰাজী-অসমীয়া বাতৰি কাকত এখন প্ৰকাশ হৈছিল। তাৰ উপৰিও 'আসাম বিলাসিনী' নামৰ মাহেকীয়া অসমীয়া বাতৰি কাকত আউনী আটি সত্ৰৰ পৰা প্ৰকাশ হৈছিল।

এইবোৰৰ উপৰিও আৰু নানা ধৰণৰ সমাজ আৰু সাংস্কৃতিক জীৱনৰ প্ৰতিবিম্ব বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত ফুটি উঠিছে। নানা খেল-ধেমালি, ঘিলা খেল, লুকা-ভাকু, টাংগুটি, সাঁতোৰা আদিৰ উল্লেখ গ্ৰন্থখনত আছে। এইসমূহ আমাৰ সমাজ সংস্কৃতিৰে অংগ। লগুৱা-লিগিৰী প্ৰথাৰো যে প্ৰচলন আছিল সেয়া বেজবৰুৱাইতৰ নিজা ঘৰত থকা লগুৱা লিগিৰীসমূহৰ কথাৰ উল্লেখৰ পৰাই গম পাব পাৰি।

এইদৰেই সেই সময়ৰ সমকালীন সমাজৰ সামাজিক চিত্ৰ, যেনে ৰীতি-নীতি, শিক্ষা দীক্ষা, আচাৰ-ব্যৱহাৰ, যাতায়ত ব্যৱস্থা, কৃষি ব্যৱস্থা, পৰিয়াল ব্যৱস্থা, স্ত্ৰী শিক্ষা, চিকিৎসা আদিৰ লগতে সাংস্কৃতিক দিশ, যেনে উৎসৱ-পাৰ্বন, ধৰ্মীয় ৰীতি-নীতি, আচাৰ ব্যৱহাৰ আদি বিষয়ৰ সমল অতি সুন্দৰ ৰূপত 'মোৰ জীৱন সোঁৱৰণ'ত প্ৰতিফলিত হৈছে।

**গ্ৰন্থপঞ্জী :**


১। গোস্বামী, উপেন্দ্ৰনাথ। **ভাষা আৰু সাহিত্য** । গুৱাহাটী : মণি-মানিক প্ৰকাশ, ১৯৯৮। প্ৰকাশিত।

২। গোস্বামী, ত্ৰৈলোক্যনাথ। **সাহিত্য আলোচনা** । গুৱাহাটী : বীণা প্ৰকাশ প্ৰাইভেট লিমিটেড, ২০০৫ । প্ৰকাশিত।

৩। গোস্বামী, যতীন্দ্ৰনাথ । **সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা** । গুৱাহাটী : জ্যোতি প্ৰকাশন, ১৯৯২ । প্ৰকাশিত।

৪। ঠাকুৰীয়া, ৰামমল। **সাহিত্য বিচাৰ** । গুৱাহাটী : বাণী লাইব্ৰেৰী, ২০০২ । প্ৰকাশিত।

৫। নেওগ, মহেশ্বৰ । **অসমীয়া সাহিত্যৰ ৰূপৰেখা** । গুৱাহাটী : চন্দ্ৰ প্ৰকাশ, ২০০০। প্ৰকাশিত।

৬। বৰকটকী, বীৰেন। **সাহিত্যৰ পটভূমি** । গুৱাহাটী : অসম বুক ডিপো, ২০০৫। প্ৰকাশিত।

৭। বৰা, মহেন্দ্ৰ। **সাহিত্য উপক্ৰমণিকা** । ডিব্ৰুগড়, বনলতা, ২০০২ । প্ৰকাশিত।

৮। বৰুৱা, বিৰিঞ্চি কুমাৰ। **অসমৰ লোক সংস্কৃতি** । গুৱাহাটী : বাণী লাইব্ৰেৰী, ২০০৫ । প্ৰকাশিত।

৯। বেজবৰুৱা, লক্ষ্মীনাথ। মোৰ জীৱন সোঁৱৰণ । ডিব্রুগড় ঃ বনলতা, ২০০৮ । প্ৰকাশিত।

১০। ভট্টাচাৰ্য্য, হৰিশচন্দ্ৰ । বেজবৰুৱা সাহিত্য প্ৰতিভা । গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ১৯৬০ ।প্ৰকাশিত।

১১। লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ ।সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা । গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ১৯৮০ ।প্ৰকাশিত।

১২। শইকীয়া, চন্দ্ৰপ্ৰসাদ । লক্ষ্মীনাথ বেজবৰুৱা । গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ১৯৬৮ ।প্ৰকাশিত।

১৩। শৰ্মা, গোবিন্দ প্ৰসাদ । জীৱনী আৰু অসমীয়া জীৱনী । গুৱাহাটী ঃ ষ্টুডেন্টচ্ ষ্টৰচ, ১৯৯৩ ।প্ৰকাশিত।

১৪। শৰ্মা, নবীন চন্দ্ৰ ।অসমীয়া লোক-সংস্কৃতিৰ আভাস । গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, ২০০৭ ।প্ৰকাশিত।

১৫। শৰ্মা, সত্যেন্দ্ৰনাথ ।অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত । গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ, ১৯৯১ । প্ৰকাশিত।

১৬। শৰ্মা, সত্যেন্দ্ৰনাথ ।অসমীয়া নাট্য সাহিত্য । গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ, ১৯৬২ । প্ৰকাশিত।

১৭। হাজৰিকা, কৰবী ডেকা । অসমীয়া সাহিত্যৰ ৰূপ-ৰস। ডিব্রুগড় ঃ বনলতা, ১৯৯৮ ।প্ৰকাশিত।

***



# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাত স্বদেশপ্ৰেম - এক তুলনামূলক আলোচনা

গীতিলেখা দেৱী ভাগৱতী
প্ৰৱক্তা, অসমীয়া বিভাগ
দিশপুৰ মহাবিদ্যালয়

গ্ৰীক্ 'পেট্ৰিজ' শব্দৰ পৰা উদ্ভূত ইংৰাজী 'পেট্ৰিয়টি'জম' শব্দৰ অৰ্থ হৈছে পিতৃভূমি। নিজৰ পিতৃভূমি অৰ্থাৎ জনমভূমিৰ প্ৰতি থকা সহজাত প্ৰেম, ভালপোৱা, আনুগত্য বা আন্তৰিক অনুৰাগেই হ'ল 'দেশপ্ৰেম' বা 'স্বদেশপ্ৰেম'। নিজৰ পিতৃ-মাতৃ, ভাতৃ-ভগ্নী, ওচৰ-চুবুৰীয়া, সমাজ তথা দেশৰ উচ্চ-নীচ সমগ্ৰ মানবৰ প্ৰতি সমভাৱাপন্ন প্ৰেম, তদুপৰি নিজৰ ওপজা ঠাইৰ গছ-লতা, নৈ, পশু-পক্ষী আদিৰ প্ৰতি থকা মৰম, নিজ দেশৰ উৎসৱ অনুষ্ঠান, ধৰ্ম, ভাষা-সাহিত্য-সংস্কৃতি আদিৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি আৰু স্বদেশ-স্বজাতিৰ উদ্ধাৰ আৰু উন্নতিৰ বাবে নিঃস্বাৰ্থভাৱে আত্মনিয়োগ কৰাই স্বদেশপ্ৰেমৰ স্বৰূপ। বিখ্যাত স্বদেশপ্ৰেমমূলক গীত বা কবিতাৰ ভিতৰত ফৰাছী সংগীত "লা মাৰ্ছেলেইছ", ভাৰতীয় "বন্দে মাতৰম", কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ "জন-গণ-মন", দ্বীজেন্দ্ৰলালৰ "ভাৰতবৰ্ষ", লক্ষ্মীনাথ বেজবৰুৱাৰ "অ' মোৰ আপোনাৰ দেশ", অতুলচন্দ্ৰ হাজৰিকাৰ "ৰক্তজবা" আদি উল্লেখযোগ্য।

দেশ পৰাধীনতাৰ গ্লানিয়ে ছানি ধৰিলে, যুদ্ধত বিধ্বস্ত হ'লে, দুৰ্নীতিয়ে আবৰি ধৰিলে, উপযুক্ত ৰাষ্ট্ৰ নায়কৰ অভাৱ ঘটিলে, বিশেষকৈ জন-গণৰ মনত স্বদেশানুৰাগৰ অভাৱ হ'লে কবিসকলৰ চিত্ত জাগ্ৰত হয়। এক নৱজাগৰণৰ ঢৌ সৃষ্টি কৰিবলৈ কবিসকলে হাতত কলম তুলি লয়। এয়ে স্বদেশপ্ৰেম মূলক কবিতা সৃষ্টিৰ মূল

উৎস। অষ্টম হেনৰিৰ দিনৰেপৰা ৰাণী ভিক্টোৰিয়াৰ সময়লৈ ইংলণ্ডত যি ইটালী বিদ্ৰোহৰ ভাৱ জ্বলি উঠিছিল তাৰ প্ৰভাৱ পৰিছিল ইংৰাজ কবি-সাহিত্যিকসকলৰ ৰচনাত। ভাষা-সাহিত্য-সংস্কৃতিৰ দিশত তেওঁলোকে এফালে ইটালীৰ প্ৰভাৱ দলিয়াই পেলাবলৈ আৰু আনফালে ইংৰাজ জাতিৰ অন্তৰত স্বদেশপ্ৰেম জাগ্ৰত কৰিবলৈ নতুন চিন্তাধাৰাৰ সাহিত্য সৃষ্টি কৰাত মনোনিবেশ কৰিছিল। ষোড়শ শতিকাৰ কবি জন লিলিয়ে বিশ্ববাসীক উদ্দেশী কৰা মন্তব্য এইখনিতে প্ৰণিধানযোগ্য- "ইংলণ্ডৰ ঈশ্বৰেই এক মাথোন জীৱন্ত ঈশ্বৰ।" (দুৰ্গেশ্বৰ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষা, পৃ. ৪৯)

বেজবৰুৱাৰ সময়ত ভাৰতবৰ্ষ তথা অসমৰ ৰাজনৈতিক তথা সামাজিক অৱস্থা পৰাধীনতাৰ আঁউসীৰ গ্ৰাসত পৰি থানবান হৈছিল। প্ৰবল পৰাক্ৰমী মোগলক সোতৰবাৰ পৰাজিত কৰা অসমীয়া জাতিয়ে ইংৰাজৰ বশ হৈ থাকি নানা লাঞ্ছনাৰ সন্মুখীন হৈছিল। কানি ৰৰবিহে জনসাধাৰণৰ জীৱন পংগু কৰিছিল। আদালত, পঢ়াশালী, চিকিৎসালয় আদিৰপৰা অসমীয়া ভাষা বাহিৰ কৰি বঙলা ভাষাৰ প্ৰচলন কৰোৱা হৈছিল। জাতীয় বিপ্লৱী বীৰ মণিৰাম-পিয়লীৰ ফাঁচিয়ে অসমীয়া জাতিৰ মনত ইংৰাজৰ প্ৰতি বিদ্বেষ ভাৱ জগাই তুলিছিল। অসমৰ বনজ সম্পদ তথা খনিজ সম্পদৰ ওপৰত অবাধ গতিত লুণ্ঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অসমীয়া জাতিৰ ওপৰত ইংৰাজ ৰাজত্বৰ মাধমাৰে বেজবৰুৱা প্ৰমুখ্যে কবি সাহিত্যিকসকলক স্বদেশপ্ৰেমমূলক কবিতা লিখিবলৈ অনুপ্ৰেৰণা যোগালে। বেজবৰুৱাৰ কবিতা সংকলন 'কদমকলি' আৰু 'পদুমকলি'ৰ পাতে পাতে স্বদেশপ্ৰেম সমুজ্জ্বল হৈ উঠিছে। 'আমাৰ জনমভূমি', 'অসম সঙ্গীত', 'মোৰ দেশ', 'বীণ বৰাগী', 'ব্ৰহ্মপুত্ৰ সঙ্গীত' আদি কবিৰ স্বদেশপ্ৰীতিমূলক কবিতা। অসমৰ সম্পাদক অসমীয়াই চিনিবলৈ, অসমীয়া ভাষাক উদ্ধাৰ কৰিবলৈ অসমীয়া জাতিক সজাগ কৰিবলৈ বেজবৰুৱাই 'পদুমকলি'ৰ প্ৰথম কবিতা 'অসম সঙ্গীত'ত কৈছে-

"আমি অসমীয়া
নহওঁ দুখীয়া,
কিহৰ দুখীয়া হম?
সকলো আছিল
সকলো আছে
নুবুজোঁ নলওঁ গম।"

*(বেজবৰুৱা গ্ৰন্থাৱলী, পৃ. ৯৯৩)*

বেজবৰুৱাৰ পিছতে যিসকল কবিয়ে নিজ দেশৰ প্ৰতি মানুহৰ অনুৰাগ বৃদ্ধি পাবলৈ হাতত কলম তুলি লৈছিল সেইসকল কবিৰ ভিতৰত সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা আছিল অন্যতম। হাজৰিকাৰ স্বদেশপ্ৰেমৰ কবিতা পুথি সমূহৰ ভিতৰত



'গান্ধী-মালিকা', 'সাহিত্য-তীৰ্থ', 'বাংঢালী', 'শতাব্দীৰ অৰ্ঘ্য', 'ঐক্যতান' আদি উল্লেখযোগ্য। আনহাতে স্বদেশপ্ৰেমৰ কবিতাসমূহৰ ভিতৰত 'ৰক্তবা'ৰ উপৰি 'মাতৃ-বন্দনা', 'কামৰূপ', 'দেশ বন্দনা', 'কবিতা হেৰাল', 'যুগদেৱতা', 'ভাৰত বিচিত্ৰা', 'ৰক্তস্নান', 'ভাৰত সন্তান' আদি উল্লেখযোগ্য। নিজৰ দেশৰ সম্পদ সম্পৰ্কে সচেতন কবি হাজৰিকা আছিল এজন জাতীয়তাবাদী কবি। তেওঁৰ কাপতো ফুটি উঠিল মানুহক সজাগ কৰাৰ প্ৰৱণতা-

"নলীৰে বাগৰি যায়গৈ আঁতৰি অসমৰ পনীয়া সোণ,
বাৰুণী-স্নানৰ অপাৰ মহিমা হিচাপ ৰাখোতা কোন?"

*(বাংঢালী, পৃ. - ৪৬)*

বেজবৰুৱাই ১৮৮৯ চনত চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ সৈতে লগ লাগি প্ৰকাশ কৰা 'জোনাকী' কাকতৰ যোগেদি পাশ্চাত্য সাহিত্যৰ ৰ্বৰ্ডছৱৰ্থ, ছেলী, কীটছ, বাইৰণ আদিৰ ৰোমান্টিক ভাবধাৰা অসমীয়া সাহিত্যলৈ লৈ আনিছিল। বাইৰণে ১৮১২ চনত দুটা সৰ্গত প্ৰকাশ কৰা 'চাইল্ড হেৰল্ড' কাব্যত গ্ৰীচৰ অতীত গৌৰৱ স্মৰণ কৰি পৰাধীনতাৰ কাৰণে কৰা দুখ প্ৰকাশ এনেদৰে কৰিছে-

'Greece, change thy Lords
Thy state is still the same,
Thy glorious day is O'er
But not thy years of shame"

*(Childe Harold, Eight poets)*

বেজবৰুৱাৰ 'বীণ বৰাগী' কবিতাত ভাৰতৰ অতীত ইতিহাসক স্মৰণ কৰি দেশৰ দুৰ্দশাৰ কথা সুঁৱৰি দুখ প্ৰকাশ কৰিছে-

"সীতা আইৰ বাতৰি
যদিহে কৈছে,
নকৰি আৰু ঐ মোক!
...............................
...............................
সতী জয়মতী
আয়তী দুখুনীৰ
দুখত লাগিব ব্যথা।
যদিহে গাইছ,
বদন ফুকনে

কেনেকৈ আনিলে মান,
কেনেকৈ মৰাগে
অসম ধ্বংসিলে
যদিহে গাইছ গান;
মণিৰাম পিয়লিৰ
মৰণ বাতৰি
যদিহে তোৰ বীণে গায়,
মানা কৰ তাক
বৰাগী ককাই ঐ,
শোক মোৰ উথলায়।"

*(কদমকলি, বেজবৰুৱা, গ্ৰন্থাৱলী, পৃ. ৯৭৭)*

বিংশ শতিকাৰ প্ৰাৰম্ভণিতে জন্ম লভা কবি হাজৰিকা ভাৰতৰ প্ৰাক্ স্বাধীনতাকালৰে অভিজ্ঞতালব্ধ এজন কবি। সেইবাবে বৃটিছে দেশ অধিকাৰ কৰি শাসন কৰি থকা অৱস্থাত কবিৰ হৃদয়ত পৰাধীনতাৰ গ্লানি অহাটো স্বাভাৱিক। তেওঁৰ কবিতাতো সেইবাবে পৰাধীনতাৰ ক্ষোভ উথলি উঠিছে। 'কবিতা হেৰাল' নামৰ কবিতাত আছে-

"পৰাধীনতাৰ ক্লেদ ককবকনিত
শোকে-তাপে জৰ্জৰিত হিয়া"

*(মনমাধুৰী, পৃ ১৩৮)*

হাজৰিকা মহাত্মা গান্ধীৰ অহিংস গণ আন্দোলনত বিশ্বাসী। গান্ধীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা ভক্তিয়ে কবিৰ কাপৰ পৰা সৃষ্টি কৰিলে 'গান্ধী মালিকা'। 'যুগদেৱতা' নামৰ কবিতাত কবিয়ে গান্ধীক উদ্দেশ্য কৰি কৈছে-

"হে জাতিৰ পিতা,
হলা তুমি ভাৰত ভাগ্য-বিধাতা,
নিজ হাতে কৰিলা ৰচনা
নৱভাৰতৰ পূত স্বাধীনতা তন্ত্ৰ
উচ্চাৰিলা ভাৰত-ত্যাগৰ মন্ত্ৰ।"

*(মনমাধুৰী, পৃ. ৬০-৬১)*

অতীতৰ প্ৰতি শ্ৰদ্ধা বা অতীতৰ বীৰ-বীৰাঙ্গনাসকলৰ প্ৰতি শ্ৰদ্ধা আৰোপ-ৰোমাণ্টিক কবিতাৰ এই লক্ষণ বেজবৰুৱাৰ দৰে হাজৰিকাৰ কবিতাতো ফুটি উঠিছে। 'ভাৰত বিচিত্ৰা' কবিতাত-



"প্ৰজাৰঞ্জক ৰঘুপতি ৰাম,
পাঞ্চজন্যধাৰী কৃষ্ণ নৱঘনশ্যাম।
কৰ্ণ-ধনঞ্জয় ধনুৰ্দ্ধৰ
নাই যাৰ সমসৰ মৰিও অমৰ।
ভাৰত দুহিতা
মহীয়সী সাবিত্ৰী-সীতা, গায়ত্ৰী বেদমাতা।
লীলাৱতী গাৰ্গী খনা অৰুন্ধতী
আৰু বহু দিব্যজ্যোতি।"

*(সন্ধ্যা আৰতি, পৃ ১১৭)*

বাইৰণে গ্ৰীচ দেশৰ স্বাধীনতাৰ কাৰণে দেশবাসীক জাগ্ৰত কৰিছিল এনেদৰে-

"Awake, ye sons of spain!
Awake, Advance!
Lo! chivalry, your ancient
Goodness; cries."

*(Childe Harold, Eight Poets)*

অসমৰ লোকসকলৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তুলিবলৈ হাজৰিকাই কৈছে-

"এইখন কামাখ্যাৰ স্থান / লাচিতৰ নাচে হেংদান।
লুইতৰ বাজে ৰুদ্ৰবীণ / তুমি কিয় হবা শক্তিহীন?"

*(ঐক্যতান, পৃ - ৫)*

বেজবৰুৱাৰ 'অসম সঙ্গীত'ত-

"হেৰা অসমীয়া নোহোৱা দুখীয়া,
কিহৰ দুখীয়া হবা?
নিজ নাপাহৰি বিভুক সুঁৱৰি
লাগাচোন সুফল পাবা।

*(পদুমকলি, বেজবৰুৱা গ্ৰন্থাৱলী, পৃ. ৯৯৪)*

লুইতৰ গৌৰৱক উল্লেখ কৰি বেজবৰুৱাই 'ব্ৰহ্মপুত্ৰ সঙ্গীত'ত কৈছে-

"তোমাৰ গৰ্ভত নে নদ!
মোগলৰ নৌসেনা হত
ৰামসিংহৰ বিজয় চুড়া পৰিল নে খহি ধৰণী?"

*(পদুমকলি, বেজবৰুৱা গ্ৰন্থাৱলী, পৃ- ৯৯৫)*

অসমতাপূৰ্ণ শোষিত আবৰ্জনাময় পুৰণি পৃথিৱীক ধ্বংস কৰি নতুন সুন্দৰ

পৃথিবী সৃষ্টিৰ কামনা কৰে ৰোমাণ্টিক কবিসকলে। ছেলীৰ 'Ode To The West Wind ত এনে আশা প্ৰকটিত হৈছে-

"My spirit! be thou me, impetuous one!
Drive my dead thoughts over the universe
Like withered leaves to quicken a new birth!

..................

..................

The trumpet of a prophecy! O Wind,
If winter comes, can spring be for behind?"

*[F. T. Palgrave (Sel & arr) : The Golden Treasury, p. 297]*

বেজবৰুৱাৰ 'বীণ-বৰাগী'ত তাৰ প্ৰতিফলন-

"নতুন প্ৰাণৰ ন চকুযুৰি দীপিতি ঢালি দে তাত,
পুৰণি পৃথিৱী নকৈ চাই লওঁ, হে বীণ এবাৰি মাত।"

*(বেজবৰুৱাৰ গ্ৰন্থাৱলী, পৃ- ৯৭৯)*

হাজৰিকাৰ 'বাৰমাহী' কবিতাত একে ধৰণৰ দৃষ্টিভঙ্গী পৰিস্ফুট হৈছে এনেদৰে-

"চতৰ শেষত বৰদৈ আহিল
কেঁচাইখাতীজনী হৈ,
শিল বৰষুণ গাজনি ধুমুহা
লিগিৰী লগত লৈ।
আহিল যদিও আহি গুচি গ'ল
ভাঙি গ'ল বাৰী-ঘৰ,
ধুই নিকা হ'ল, পুৰণি পৃথিৱী
সৃষ্টি হ'ল নতুনৰ।"

*(প্ৰকৃতিৰ সুৰ আৰু প্ৰেম-পাৰিজাত, পৃ - ৫১)*

বেজবৰুৱাৰ স্বদেশপ্ৰেমৰ কবিতা আৰু গীতত বিহুৰ উল্লেখ পোৱা যায়। অসমৰ জাতীয় উৎসৱ বিহুক লৈ কবি গৌৰৱান্বিত। অসমৰ বাহিৰত বহু নৃত্যৰেই প্ৰচলন আছে যদিও বিহুৰ স্বকীয়ত্বই অসাধাৰণ। অসমৰ বাহিৰে কতো ৰঙালী বিহু পাবলৈ নাই-

"কত এনে মিৰি-নাচ, কত এনে বিহু?

..................

..................

এনেখনি দেশ কতো নোপোৱা বিচাৰি,



নিশ্চয় নিশ্চয় মই কওঁ আটাহ পাৰি।
হেৰা আমাৰ জন্মভূমি।"

*(আমাৰ জন্মভূমি, বেজবৰুৱা গ্ৰন্থাৱলী, পৃ ৯৬২)*

হাজৰিকায়ো 'গগণাৰ সুৰ' কবিতা সংকলনৰ মাজেদি অসমৰ জাতীয় উৎসৱ বিহুৰ জয়গান গাইছে। বিহু যে অসমৰ যাউতিযুগীয়া সাতামপুৰুষীয়া সংস্কৃতি তাক কবিয়ে উল্লেখ কৰিছে 'বিহু প্ৰণতি' কবিতাত-

"বিহু অসমীৰ
যাউতিযুগীয়া
সাতামপুৰুষীয়া
সংস্কৃতি;

বিহু অসমীৰ
মুকুতাবুলীয়া
হীৰাফুলীয়া
সোণসেৰীয়া
বিভূতি।"

*(গগণাৰ সুৰ, পৃ -৩)*

বেজবৰুৱা আৰু হাজৰিকাই অসমক লৈ যিদৰে গৌৰৱ কৰিছে এই প্ৰভাৱ বঙ্গীয় কবি দ্বীজেন্দ্ৰলালৰ কবিতাৰ প্ৰভাৱ যেন অনুমান হয়। বঙ্গৰ গৌৰৱ ঘোষণা কৰি দ্বীজেন্দ্ৰলালে কৈছে- "এমন দেশটি কোথাও খুজে পাবো নাকো তুমি।" *(সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, পৃ ৯৮)*

বেজবৰুৱাই এলানি হাস্য-ব্যঙ্গসুৰীয়া কবিতা ৰচনা কৰিছিল। স্বদেশপ্ৰেমৰ বৰ্ণনাক হাস্য-ব্যঙ্গ ৰসেৰে কেতিয়াবা আৰু অধিক তীব্ৰতৰ কৰি তুলিছে। বৃটিছৰ ছত্ৰছায়াত থাকি নিজকে ধনী বুলি ভেমত ওফন্দি থকা অসমীয়া লোকসকলক উদ্দেশ্য কৰিও কবিয়ে তীব্ৰ বাক্য বাণ মাৰিছিল। 'ধোঁৱাখোৱা' কবিতাত-

"অনন্ত আকাশ মাজে দে ধোঁৱা উৰুৱাই।
গল ভোক, গল শোক, দে ভাগৰ পলুৱাই।।
নলী লগা ধোঁৱাখোৱা,
কৰি দে ঐ কোৱামোৱা,
টোৰোক ভৈৰৱ নাদে বিশ্ব জগৎ কঁপোৱাই।।"

*(বেজবৰুৱা গ্ৰন্থাৱলী, পৃ ৯৬১)*

হাজৰিকা আছিল স্বৰাজোত্তৰ কালৰো এজন জাতীয়তাবাদী কবি। স্বৰাজোত্তৰ

কালছোৱাতো দুৰ্ভগীয়া অসমৰ দুৰৱস্থা দেখি কবিয়ে মুঠেই সহ্য কৰিব পৰা নাই। দেশৰ নেতৃবৰ্গ আৰু জনসাধাৰণ সম্পৰ্কে কবিৰ অভিমত হ'ল-

'শেতা আমাৰ নেতা, আনে মাৰে ঘেটা,
দেশত ৰখীয়া নাই,
সাঁচতীয়া বিত, যি আছে অমৃত
ৰাঘৰে ডকা দি খায়।
লাখটকীয়া মটৰ-গাড়ীত দেৱতাই
বিৰাজ কৰে,
কৰৰ উপৰি কৰৰ হেচাত পৰুৱা
গুৰি হৈ মৰে।"

(ৰাংঢালী, পৃ. ৪৬)

বেজবৰুৱা আৰু হাজৰিকাৰ স্বদেশপ্ৰেমৰ অন্তৰ্নিহিত সুৰ আছিল 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী'। বেজবৰুৱাই 'মোৰ দেশ' কবিতাত নিজৰ জন্মভূমি অসমক জগতৰ ভিতৰত সকলোতকৈ আপোন দেশ বুলি মন্তব্য কৰিছে। অসমী আইৰ মুখ চাবলৈ কবিৰ যেন হেপাহ পলোৱা নাই-

"অ' মোৰ ওপজা ঠাই!
অ' মোৰ অসমী আই!
চাই লওঁ তোমাৰ
মুখনি এবাৰ,
হেঁপাহ মোৰ পলোৱা নাই।
অ' মোৰ আপোনাৰ দেশ!
অ' মোৰ সুকীয়া দেশ!!" *

(বেজবৰুৱা গ্ৰন্থাৱলী, পৃ- ৯৬৫)

হাজৰিকাই 'মাতৃ-বন্দনা' কবিতা আৱত্তণিতে গাইছে-

নমো নমো কামৰূপা / শক্তিৰূপা গোসাঁনী
স্বৰ্গাদপি গৰীয়সী / জন্মভূমি জননী।"

(শতাব্দীৰ অৰ্ঘ্য, পৃ.-১)

এই একে ভাৰতে কবিগুৰু ৰবীন্দ্ৰনাথে ৰচিছিল ভাৰতৰ ৰাষ্ট্ৰীয় সঙ্গীত 'জন-গণ-মন'

"গা হে তব জয় গাথা

* গীতটি 'বেজবৰুৱাৰ গ্ৰন্থাৱলী'ত থকাৰ দৰে হুবহু উদ্ধৃত কৰা হৈছে



জন-গণ মঙ্গল দায়ক জয় হে
ভাৰত ভাগ্য বিধাতা
জয় হে জয় হে জয় হে জয় জয় জয় জয় হে।"

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছতো দেশৰ দুৰ্দিন কমা নাছিল। এই দুৰ্দিন নমাই আনিছিল ১৯৬২ চনৰ চীনা যুদ্ধই। অসমৰ পূব সীমান্ত তেতিয়া ৰণথলীত পৰিণত হৈছিল। হাজৰিকাৰ স্বদেশপ্ৰেমৰ চিন্তাধাৰাৰ প্ৰবাহো দেশৰ অহিংস আন্দোলনৰ স্বাধীনতা যুঁজৰ পৰা বিস্তাৰিত হৈছিল চীনা যুদ্ধৰ মহাপ্ৰলয়লৈ। কবিৰ কাপত লগে লগে সৃষ্টি হ'ল 'ৰক্তজবা', 'জয়তু জননী', 'ৰুঙ্কাৰ', আদি তেজোদ্দীপ্ত দেশপ্ৰেমৰ গীতৰ সংকলন। কবিৰ 'ৰূপহী কপাহী বাই', 'হিমালয়ে কথা কোৱা' আদি দেশপ্ৰেমৰ গীতে দিল্লীৰ অনাতাঁৰ কেন্দ্ৰ সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰিছিল। হাজৰিকাৰ শ্ৰেষ্ঠ বিখ্যাত গীত 'ৰক্তজবা'ত মাতৃপূজাত যে ৰক্তজবাহে প্ৰয়োজন তাক উল্লেখ কৰি কবিয়ে গাইছে-

"সেউতী নেলাগে মালতী নেলাগে
নেলাগে খৰিকাজাই,
জননী- পূজাত লাগে ৰক্তজবা
তাৰ যে তুলনা নাই।"

(ৰক্তজবা, পৃ. ১)

বেজবৰুৱা আৰু বেজবৰুৱাৰ 'অসম সঙ্গীত' সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন ধৰণে মন্তব্য দিছে। নকুল চন্দ্ৰ ভূঞাই এই বিষয়ে 'বেজবৰুৱা প্ৰতিভা' গ্ৰন্থত এইদৰে উল্লেখ কৰিছে "ড° বাণীকান্ত কাকতিয়ে বেজবৰুৱাক স্কটলেণ্ডৰ কবি বাৰ্ণচৰ লগত তুলনা কৰিছে। বহু পণ্ডিতে কয় বেজবৰুৱাৰ 'অসম সঙ্গী'তৰ লগত ইংলণ্ডৰ জাতীয় সঙ্গীত God save the king ৰ অৰ্থৰ ক্ষেত্ৰত সামঞ্জস্য আছে। ড° বিৰিঞ্চিকুমাৰ বৰুৱাই অসম সঙ্গীতৰ লগত ইটালীৰ কবি কাৰ্দোচীৰ Ode to the Fountain of Clitumnus ৰ সাদৃশ্য আছে বুলি মন্তব্য কৰিছে"। (বেজবৰুৱা প্ৰতিভা - সম্পা. মহেশচন্দ্ৰ দেৱ গোস্বামী)।

এক অৰ্থত ক'বলৈ গ'লে এজন হাড়ে-হিমজুৱে নিভাঁজ অসমীয়া দেশপ্ৰেমিক কবি হিচাপে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা যিদৰে মুমূৰ্ষু অসম তথা অসমীয়া জাতিৰ সঞ্জীৱনী শক্তিস্বৰূপ, সেইদৰে প্ৰকৃতাৰ্থত এজন জাতীয়তাবাদী কবি হিচাপে সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ কবিতাও অসম তথা অসমীয়া জাতিসত্তাৰ বাবে এক আদৰ্শস্বৰূপ সত্তাৰ।

সহায়ক গ্ৰন্থ ঃ
১। বেজবৰুৱা গ্ৰন্থাৱলী (২ য় খণ্ড) মুখ্য সম্পা. অতুলচন্দ্ৰ হাজৰিকা
২। অসমীয়া সাহিত্যৰ সমীক্ষা- দুৰ্গেশ্বৰ শৰ্মা
৩। বেজবৰুৱা প্ৰতিভা (সম্পা.) মহেশচন্দ্ৰ গোস্বামী।
৪। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা - উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
৫। বাংঢালী - অতুলচন্দ্ৰ হাজৰিকা
৬। মনমাধুৰী - অতুলচন্দ্ৰ হাজৰিকা
৭। সন্ধ্যা আৰতি - অতুলচন্দ্ৰ হাজৰিকা
৮। ঐক্যতান - অতুলচন্দ্ৰ হাজৰিকা
৯। প্ৰকৃতিৰ সুৰ আৰু প্ৰেম পাৰিজাত - অতুলচন্দ্ৰ হাজৰিকা
১০। গগণাৰ সুৰ - অতুলচন্দ্ৰ হাজৰিকা
১১। শতাব্দীৰ অৰ্ঘ্য - অতুলচন্দ্ৰ হাজৰিকা
১২। ৰক্তজৰা - অতুলচন্দ্ৰ হাজৰিকা

ইংৰাজী গ্ৰন্থ ঃ
1. Childe Harold's Pilgrimage, Eight Poets : Great Britain University, Oxfard
2. F. T. Palgrave : (Sel & arr) The Golden Treasury, Oxford University Press

-x-



# শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰ ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

বিকাশ ভৰালী
৫ম ষাণ্মাসিক (অসমীয়া প্ৰধান)

আৰম্ভণি

নৱবৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা শ্ৰীমন্ত শঙ্কৰদেৱ আছিল বৈষ্ণৱ গুৰুসকলৰ ভিতৰত সবাতোকৈ শ্ৰেষ্ঠ পুৰুষ। তেওঁ সত্ৰ আৰু নামঘৰ সাজি শ্ৰৱণ আৰু কীৰ্তনৰ মাধ্যমেৰে এক শৰণ হৰিনাম ধৰ্মৰ বাণী সমাজত দাঙি ধৰাৰ বাবে এক বিদ্ৰোহাত্মক অভিযান আৰম্ভ কৰিছিল। তেওঁ এই অভিযানক বিন্দুৰপৰা সিন্ধুলৈ প্ৰসাৰিত কৰাৰ বাবে জন্মভূমি বৰদোৱাতে প্ৰথম সত্ৰ পাতি ধৰ্মৰ চাবি খুটি মাৰিছিল। পঞ্চদশ শতিকাৰ শেষৰফালে শঙ্কৰদেৱে বৰদোৱাত নামঘৰ-মণিকূট প্ৰতিষ্ঠা কৰি নাম-কীৰ্তন, গীত-মাত, ভাওনা আৰু এইবোৰৰ আনুসঙ্গিক শিল্পকলাৰ প্ৰৱৰ্তন কৰি সত্ৰানুষ্ঠানৰ সাংগঠনিক ৰূপ দিয়ে। ইয়াৰ লগে লগে শঙ্কৰদেৱৰ উপৰিও মাধৱদেৱ, দামোদৰদেৱ আৰু তেখেতসকলৰ আজ্ঞাপৰ আচাৰ্যসকলৰ হাততো সত্ৰানুষ্ঠানটোৱে প্ৰসাৰ লাভ কৰে। অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনত বৈষ্ণৱ সত্ৰসমূহে চাৰিশ বছৰৰো অধিক কাল বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰ চেৰাই সময়বিশেষে কোনো কোনো সত্ৰই ৰাজনৈতিক বুৰঞ্জীতো প্ৰভাৱ পেলোৱা দেখা যায়। প্ৰাচীন, ঐতিহ্যসম্পন্ন সত্ৰসমূহে এতিয়াও জনসাধাৰণৰ শ্ৰদ্ধা আৰু ভক্তি আকৰ্ষণ কৰি আছে।

অসমত ৫০০ বো অধিক সত্ৰৰ নাম পোৱা যায় যদিও মূল সত্ৰৰ সংখ্যা ইমান বেছি নহয়। মূল সত্ৰ একোখনৰ পৰা শাখা-প্ৰশাখা বাঢ়ি গৈ সংখ্যা কেইবাশৰো অধিক হৈছে। বিশেষকৈ গৃহী সত্ৰবোৰৰ ক্ষেত্ৰত সতি-সন্ততি, পো-নাতিসকলে মূল সত্ৰৰ পৰা আতৰি গৈ সুকীয়া সত্ৰ পাতি শিষ্য ভজাই সত্ৰৰ সংখ্যা বৃদ্ধি কৰাৰ উদাহৰণ যথেষ্ট আছে। সত্ৰসমূহ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ লগতে একেধাৰে শিক্ষা আৰু কলা চৰ্চাৰো কেন্দ্ৰ আছিল। অসমৰ সাংস্কৃতিক জীৱনৰ বিকাশলৈ সত্ৰসমূহৰ দান অপৰিসীম।

**হাটীসত্ৰৰ ভৌগলিক বিৱৰণ ঃ**

অসমৰ বিভিন্ন চুকে-কোণে থকা সত্ৰসমূহৰ ভিতৰত কামৰূপ জিলাৰ গুৱালকুছি গাঁৱত থকা শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰও এখন জনপৰিচিত সত্ৰ।

গুৱাহাটী মহানগৰীৰ পৰা প্ৰায় ৩২ কিঃমিঃ উত্তৰে অৱস্থিত গুৱালকুছিৰ পশ্চিম অঞ্চলত শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰখন অৱস্থিত। হাটীসত্ৰৰ পূবে ৰাজআলি, পশ্চিম পিনে সিদ্ধেশ্বৰী মন্দিৰৰ লগতে জনবসতি অঞ্চল, উত্তৰে ৰাজআলিৰ লগতে জনবসতি অঞ্চল আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নৈ বৈ গৈছে। অতীজতে হাটীসত্ৰখন মাটি-জমিৰে সমৃদ্ধিশালী আছিল। ভিন ভিন প্ৰকাৰৰ ধানখেতি সত্ৰৰ সত্ৰাধিকাৰৰ উদ্যোগত নিজাববীয়াকৈ কৰা হৈছিল। ইয়াৰ সাক্ষী স্বৰূপে বৰ্তমানো এই সত্ৰত দুটি ডাঙৰ-ডাঙৰ ভঁৰাল গৃহ দেখিবলৈ পোৱা যায়। ধানখেতি কৰাৰ বাদেও সত্ৰখনৰ কুঁহিয়াৰ খেতি কৰা মাটিও আছিল।

কিন্তু অতীতৰ কৃষি কাৰ্যৰ চহকী ৰূপটো বৰ্তমান সত্ৰখনত নাই। কিয়নো চৰকাৰৰ আইন মতে চিলিং এক্ট অনুসৰি চৰকাৰে মাটি অধিগ্ৰহণ কৰাৰ পূৰ্বে দুকুৰি দুই অৰ্থাৎ ৪২ বিঘা সত্ৰৰ অধিকাৰৰ নিজা মাটি দান দি গুৱালকুছিত বুদৰাম মহন্ত আৰু মাধৱ মহন্তৰ নামত "গুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়" স্থাপন কৰা হয়। ইয়াৰ কিছু বছৰ পিছত বাকী থকা মাটি চৰকাৰৰ অনুৰোধ মৰ্মে গুৱালকুছি বস্ত্ৰ উদ্যান, গুৱালকুছি প্ৰেক্ষাগৃহ, শিশু উদ্যান, চুইমিংপুল আদি নিৰ্মাণৰ বাবদ প্ৰায় ১২ বিঘা মাটি সত্ৰই চৰকাৰক দান দিয়ে। স্বৰ্গীয় সোণেশ্বৰ আতৈৰ নামত নিৰ্মিত চুইমিংপুলত লাভ কৰা প্ৰশিক্ষণৰ দ্বাৰা যুৱক-যুৱতী উপকৃত হৈ ৰাজ্যিক স্তৰৰ সাঁতোৰ প্ৰতিযোগিতালৈ যাবলৈ সক্ষম হৈছে। ইয়াৰোপৰি সত্ৰৰ প্ৰায় ৭০ বিঘা মাটিত "লক্ষ্মীকান্ত সত্ৰাধিকাৰ ফাৰ্মিং ছচাইটি" নামৰ সংস্থা স্থাপন কৰি পৰৱৰ্তী কালত এই সংস্থাৰ সদস্যসকলে নিজাববীয়াকৈ সত্ৰৰ মাটিবোৰ বিক্ৰী কৰা পৰিলক্ষিত হৈছে। বৰ্তমান সত্ৰৰ লগতে কীৰ্তনঘৰ, ভঁৰালগৃহ, ভাজঘৰ, আলহীঘৰ আদিৰে প্ৰায় ৮ বিঘা মাটিত মূল সত্ৰখন অৱস্থিত। এতিয়াও এই সত্ৰৰ প্ৰায় ১২ বিঘা মান খেতি মাটি ছন পৰি থকাৰ লগতে ব্ৰহ্মপুত্ৰৰ গাতে লাগি থকা বাঘেশ্বৰী পাহাৰত ১১ বিঘা আৰু বেদখল কৰা প্ৰায় ১০ বিঘা মাটি আছে। মুঠতে ক'বলৈ গ'লে হাটীসত্ৰৰ ভৌগলিক পৰিসীমা এসময়ত যথেষ্ট বিশাল আছিল যদিও বৰ্তমান সময়ত এই বিশাল ভূমিৰ পৰিসীমা ক্ৰমাত সংকুচিত হৈ হৈ এক নগণ্য পৰিমাণহে হাটীসত্ৰৰ হাতত বৈ যায়।

**হাটীসত্ৰৰ ইতিহাস ঃ**

আজিৰে পৰা প্ৰায় ৩৮০ বছৰ পূৰ্বে কানুৰাম বুঢ়া ঠাকুৰৰ দ্বাৰা শ্ৰীশ্ৰী ঈশ্বৰ



হাটীসত্ৰ স্থাপিত হয়। অতীতৰ নলনা, বৰ্তমান বৰপেটা জিলাৰ পৰা শ্ৰীশ্ৰী নাৰায়ণ দাস ঠাকুৰ আতাৰ পুত্ৰ পৰমানন্দৰ পুত্ৰ নিজ গোত্ৰ ক'লাকানুঠাকুৰ ধৰ্ম প্ৰচাৰৰ বাবে উজাই আহি ব্ৰহ্মপুত্ৰৰ দাঁতিত অৱস্থিত গুৱালকুছি গাঁৱৰ ঘাটিতে নাও বান্ধি নিশাটি কটায়। তাতে তেওঁ কিছুলোকক লগ পাই গাঁওখনত মহাপুৰুষৰ একশৰণ নাম-ধৰ্মটোৰ চৰ্চা সম্পৰ্কে জানিবলৈ বিচাৰিলে। গাঁৱৰ লোকে তেওঁৰ এই মনোভাব দেখি আদৰ-সাদৰ কৰি গাঁৱৰ ভিতৰলৈ লৈ আহি তেওঁক ভজন ধৰ্মৰ বাহা এখনি ইয়াত স্থাপন কৰাৰ কাৰণে অনুৰোধ কৰিলে। দৈৱক্ৰমে গুৱালকুছিৰে মন্মথ আতৈৰ লগত কানুৰামৰ দেখা সাক্ষাৎ হ'ল। পিছত দুয়ো আলোচনা কৰি সেই গাঁৱৰে এজনী বিধৱা বুঢ়ী হাপাই খাইতীৰ পৰা মাটি অলপ খুজি লৈ এটি বাহাঘৰৰ ব্যৱস্থা কৰি কীৰ্তনঘৰ স্থাপন কৰিলে। আজিও গুৱালকুছিৰ লোকৰ মাজত প্ৰচলিত প্ৰবাদত কোৱা হয় - "হাপাই খাইতীৰ একতাৰ মাটি তাতে বান্ধে কেৱলীয়া হাটী"। গতিকে কানুৰামে এই ভজনীয়া বাহা অৰ্থাৎ হাটীসত্ৰ প্ৰতিষ্ঠা কৰাৰ পিছত মন্মথ আতৈয়ে বুঢ়াঠাকুৰৰ লগতে এই সত্ৰত থাকিবলৈ ললে। দুয়ো একে বাহাত থাকি নাম-ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। কানুৰাম বুঢ়া ঠাকুৰ আতৈয়ে মন্মথ আতৈৰ গাত সজ চৰিত্ৰ আৰু বাহাখন ধৰি ৰাখিব পৰা গুণ দেখি পৰৱৰ্তী কালত বাহাৰ গাদীৰ মালিক অৰ্থাৎ সত্ৰৰ অধিকাৰী পাতি মন্মথ আতৈৰ মূৰত ধৰ্মমালা দি অন্য ঠাইলৈ ধৰ্ম প্ৰচাৰৰ কাৰণে যাত্ৰা কৰে।

এখন পূৰ্ণাঙ্গ সত্ৰত থাকিবলগীয়া শৰণ-ভজন[1] এই দুয়োটা ব্যৱস্থা হাটীসত্ৰতো আছে বাবে হাটীসত্ৰখন এখন পূৰ্ণাঙ্গ সত্ৰ। এই সত্ৰতে মন্মথ আতৈয়ে গুৰু কানুৰামৰ আদেশ মানি শলা-বন্তি[2] জ্বলাই নাম-প্ৰসঙ্গ কৰিবলৈ ধৰিলে। লাহে লাহে সমূহ ভকতৰ সহায়ত সত্ৰখনিৰ কলেৱৰ বৃদ্ধি হ'বলৈ ধৰিলে। অলপ ঠাইতে তেওঁ বৰপেটা সত্ৰৰ আৰ্হিত সত্ৰ, কেৱলীয়া হাটী, কীৰ্তনঘৰ, ভাজঁঘৰ আদি সাজি সত্ৰৰ হাউলি গুৱনি কৰি ললে। গুৱালকুছি গাঁৱৰ নাম চাৰিওফালে জনাজাত হ'ল। সত্ৰ স্থাপন কৰাৰ লগে লগে দুই-চাৰিজন কেৱলীয়াও[3] হাটীত সোমায়। হাটী পাতি সত্ৰখন শুৱলা কৰাৰ কাৰণে এই সত্ৰখনৰ নাম হাটীসত্ৰ হ'ল। এই সত্ৰৰ প্ৰথম অধিকাৰ মন্মথ আতৈ। মন্মথ আতৈৰ পাছত ক্ৰমান্বয়ে গকুল আতৈ, নকুল আতৈ, ক'লাকানুঠাকুৰ আতৈ, ৰামনিধি মহন্ত, হৰিজয় মহন্ত, বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত, মাধৱ মহন্ত আৰু বৰ্তমানে শ্ৰীযুত ভগেশ্বৰ মহন্তকে ধৰি মুঠতে ১১ জন সত্ৰীয়াই এই সত্ৰ সত্ৰাধিকাৰৰ দায়িত্ব পালন কৰিছে।

সপ্তম অধিকাৰ হৰিজন মহন্তৰ দিনত হাটীসত্ৰ প্ৰায় সকলো প্ৰকাৰে উন্নত হৈ আহিবলৈ ধৰে। সত্ৰত প্ৰত্যেকদিনে চৈধ্য প্ৰসঙ্গ নিয়ম মতে হোৱাৰ লগতে কীৰ্তন,

তিথি-পৰ্ব এই সকলোবোৰো নিয়ম মতে পালন কৰিবলৈ ধৰিলে। হাটীসত্ৰৰ নাম-ধৰ্মৰ প্ৰভাৱত শুৱালকুছি গাঁৱৰ মানুহৰ মন ধৰ্ম ভাৱত উজ্জ্বল হৈ অহাৰ ফলস্বৰূপে মানুহবিলাকৰ স্বভাব-চৰিত্ৰ সকলো প্ৰকাৰে মাৰ্জিত হৈ গাঁৱত এখন আদৰ্শ সমাজ গঢ় লৈ উঠিল। পাৰাই-পাৰাই, চুপাই-চুপাই নামঘৰ, কীৰ্তনঘৰ সাজি ল'বা, ডেকা, বুঢ়া মুনিহ, তিৰোতা সকলোৱে মিলি নামধৰ্মত মজি দিন নিয়াবলৈ ধৰিলে। গাঁওবাসীৰ প্ৰত্যেকৰে মুখত নাম আৰু হাতত কাম-

"হাতে কাম মুখে নাম।
এতেকে পাবা পৰিণাম।।"

এয়ে হ'ল শুৱালকুছি গাঁৱৰ মানুহৰ মূল আদৰ্শ। এই কথাৰ লগতে গাঁওবাসীয়ে- "ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ। এতেকে মুকুতি পাইবা কহিলো স্বৰূপ" এই মহা মন্ত্ৰ ল'লে। মুঠতে ক'বলৈ হ'লে শুৱালকুছি গাঁও কি ধৰ্ম, কি সমাজ, কি আচাৰ, কি ব্যৱহাৰ, কি ৰীতি, কি নীতি সকলো বিষয়তে এখন আদৰ্শ গাঁও হৈ উঠিল। যদিও শুৱালকুছিত চাৰি মহাপুৰুষৰ কোনোজনৰে পদধূলি পৰা নাছিল তথাপি ইয়াত শ্ৰীমন্ত শংকৰদেৱ প্ৰবৰ্তিত বৈষ্ণৱ ধৰ্ম জনসমাজে অতি শ্ৰদ্ধাৰে আঁকোৱালি লৈ এই ধৰ্মৰ ৰীতি-নীতি মানি জীৱন নিৰ্বাহ কৰিছিল। শুৱালকুছি গ্ৰামত তিনিটা বংশৰ লোকে আহি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু সত্ৰ প্ৰতিষ্ঠা কৰিছিল। সেইসকল ক্ৰমে- হাজোৰ ধুপৰগুৰিৰ লক্ষ্মীকান্ত আতৈৰ বংশৰ সনাতন আতৈ, আৰু অনন্ত আতৈয়ে ইয়াত ক্ৰমে "ভাটিসত্ৰ" আৰু "ডেকাবাবু সত্ৰ"; দক্ষিণ পাৰৰ বড়হেৰামদৈৰ পড়িয়া মাধৱ আতৈ বংশৰ মুৰাৰী আতৈয়ে "সৰুসত্ৰ" আৰু জনিয়াৰ নাৰায়ণ দাস ঠাকুৰ বংশৰ কানুৰাম বুঢ়া ঠাকুৰে "শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰ" স্থাপন কৰিছিল।

হাটীসত্ৰৰ অধিকাৰী, বুঢ়াভকত সকলৰ বংশগত পীৰিনামা ঃ

শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰৰ জন্ম সম্পৰ্কে সম্পূৰ্ণ সঠিক তথ্যভিত্তিক প্ৰমাণৰ বিষয়ে কোৱাটো কঠিন। কিয়নো এই সত্ৰৰ ইতিহাস সম্পৰ্কে নিৰ্দিষ্টকৈ কোনো ধৰণৰ তথ্য, পুথি বা কিতাপ আকাৰত বৰ্তমানলৈ প্ৰকাশিত হোৱা নাই। সত্ৰৰ সত্ৰাধিকাৰ আৰু বুঢ়াভকতৰ ক্ৰম সম্পৰ্কে গাঁৱৰ মানুহৰ মাজত কিছুমান জনশ্ৰুতিহে প্ৰচলিত আছে। সেয়ে এই ক্ষেত্ৰত তেওঁলোকৰ ইজনৰ লগত আনজনৰ মতৰ বিৰোধ আছে।

শংকৰ সংঘৰ শৰণাচাৰ্য স্বৰ্গীয় মাধৱ ভাগৱতীৰ পুত্ৰ শ্ৰীপ্ৰাণহৰি ডেকাৰ ঘৰত অধিকাৰী আৰু বুঢ়াভকত সকলৰ এখন বহু পুৰণি পীৰিনামা আছে। এই পীৰিনামাৰ মতে শ্ৰীশ্ৰী হাটীসত্ৰৰ সত্ৰাধিকাৰ সকলৰ স্থানবোৰ ইফাল-সিফাল হোৱা দেখা গৈছে। এই পীৰিনামাখন যথাযথ ভাৱে উল্লেখ কৰা হ'ল-



উত্তৰ সৰু বংশৰ মৌজাৰ শুৱালকুছি গাঁও স্বৰ্গীয় ঠাকুৰৰ বাহা আৰু হাটীসত্ৰৰ অধিকাৰী ও বুঢ়া ভকত বিলাকৰ পুৰুষ নিৰ্ণয়। ১৩২৩। ১ ল মাঘ

৺ঈশ্বৰ শ্ৰীশ্ৰী কানুবুঢ়া ঠাকুৰ শ্ৰীমতি হাপাই খাইতি দাস্যৰ মাটিত উক্ত শ্ৰীকানু বুঢ়া ঠাকুৰে হাটীসত্ৰৰ বাহা স্থাপন কৰে।৺শ্ৰীশ্ৰী কানুবুঢ়া ঠাকুৰ আতৈ পুৰুষে ৺গকুল আতৈ বুঢ়া ভকতক গাদি দিয়ে।

| | | |
|---|---|---|
| বগৰীবাৰীৰ ৺শ্ৰীবিক্ৰম আতৈ বুঢ়াভকত | ৺শ্ৰীশ্ৰী গকুল আতৈ বুঢ়াভকতক গাদী দিয়ে | ৺শ্ৰীগকুল আতৈ বুঢ়াভকত |
| | ৺ক'লাকানু আতৈ বুঢ়াভকত | ৺নীলকণ্ঠ আতৈ বুঢ়াভকত |
| | ৺মন্মথ আতৈ বুঢ়াভকত | ৺গণক আতৈ বুঢ়াভকত |
| ৺ঋষি আতৈ বুঢ়াভকত | ৺ৰামনিধি মহন্ত বুঢ়াভকত | |
| ৺কলাগোসাই মহন্ত | ৺হৰিজয় মহন্ত বুঢ়াঅধিকাৰ | ৺ম'ৰাম আতৈ মহন্ত |
| কুআতৈ ওৰফে সন্তোস আতৈ | শ্ৰীবুদৰাম মহন্ত বুঢ়াঅধিকাৰ | ৺মনমতোৰ আৰু ৺মান আতৈ |
| শ্ৰীমাধৱ চন্দ্ৰ মহন্ত | শ্ৰীলক্ষ্মীকান্ত মহন্ত বুঢ়াঅধিকাৰ | শ্ৰী গোপীনাথ মহন্ত |

উক্ত পীৰিনামাখনৰ কথাৰ সত্যতা প্ৰমাণ কৰিবলৈ সেই সময়তেই শ্ৰীবুদৰাম মহন্ত, শ্ৰীমায়াৰাম মহন্ত, শ্ৰীঠানুৰাম মহন্ত, শ্ৰীঅৰবিন্দ মহন্তই স্বাক্ষৰ কৰি থৈ যায়। এই সন্দৰ্ভত শুৱালকুছিৰ শ্ৰীপ্ৰাণহৰি ডেকাই কয় যে-

"এই পীৰিনামাৰ মতে শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰৰ প্ৰথম সত্ৰাধিকাৰ হিচাপে ৺শ্ৰীগকুল আতৈ গাদীত বহে। তাৰ পিছত ক্ৰমান্বয়ে এই সত্ৰ সত্ৰাধিকাৰ সকল হ'ল ৺ক'লাকানু আতৈ, ৺মন্মথ আতৈ, ৺ৰামনিধি মহন্ত, ৺হৰিজয় মহন্ত, শ্ৰীবুদৰাম মহন্ত, শ্ৰীলক্ষ্মীকান্ত মহন্ত।"

কিন্তু এই পীৰিনামাৰ কথা বৰ্তমান হাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰশ্ৰীযুত ভগেশ্বৰ মহন্ত, ডেকা সত্ৰাধিকাৰ শ্ৰীৰাজীৱ লোচন সন্ত আৰু সাধাৰণ জনসাধাৰণে বিশ্বাস কৰিবলৈ টান পায়। কিয়নো এই পীৰিনামাক এওঁলোকে বংশগত পীৰিনামা বুলি কয়। ৺মাধৱ ভাগৱতীয়ে নিজৰ বংশৰ ৺গকুল আতৈক প্ৰতিষ্ঠা কৰিবলৈ এই পীৰিনামা

লিখি থৈ গৈছে। সেই বাবেই গকুল আতৈৰ গাদী এই সত্ৰত সৰ্বপ্ৰথমতে ৰখা হৈছে। এইখন এখন ব্যক্তিগত পীৱিনামা বাবে ইয়াত উল্লেখ থকা তথ্যখিনিৰ সত্যতা এতিয়ালৈ যুক্তিসংগত বুলি ধৰিব নোৱাৰি। গতিকে এই সত্ৰাধিকাৰ সকলৰ পীৱিনামা আগত উল্লেখ কৰাৰ দৰেই অৰ্থাৎ পোন প্ৰথমে মন্মথ আতৈৰ পৰাই এই গাদীৰ অধিকাৰী সকলৰ একাদিক্ৰমে স্থান হ'ব বুলি এই সত্ৰৰ ইতিহাস অধ্যয়নকাৰী আৰু বৰ্তমানৰ সত্ৰাধিকাৰে মন্তব্য কৰে।

**বুদৰাম মহন্ত আৰু হাটীসত্ৰ ঃ**

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ প্ৰতিস্থা কালৰে পৰা আজিলৈকে ১১ গৰাকী সত্ৰীয়া অধিকাৰে গাদীত থাকি বহু হাজাৰ জীৱক ঈশ্বৰমুখী কৰি এই অঞ্চলৰ একমাত্ৰ উদাসীন সত্ৰখনৰ ইতিহাস ৰচনা কৰিছে। এই ১১ গৰাকী সত্ৰীয়াৰ ভিতৰত বুদৰাম মহন্তৰ এই ইতিহাস ৰচনা কৰাত এক বিশেষ স্থান আছে। বুদৰাম মহন্তৰ বাহিৰে বাকী ১০ গৰাকী সত্ৰীয়াৰ জীৱন বৃত্তান্তৰ বিষয়ে কোনো ধৰণৰ বিস্তৃত তথ্য এতিয়ালৈকে পোৱা নাই। গুৱালকুছি গাঁৱৰ পণ্ডিত মায়াৰাম মহন্তদেৱৰ লগতে উক্ত গাঁৱৰ অনেক বুঢ়া বুঢ়া লোকৰ পৰা বুদৰাম মহন্তদেৱৰ বিষয়ে বহু কথা জনা যায়। এই সমস্ত কথাৰ আধাৰত তেওঁৰ জীৱন বৃত্তান্তৰ এক ইতিহাস তলত আলোচনা কৰা হ'ল।

**(ক) বুদৰামৰ জন্ম ঃ**

শংকৰদেৱৰ নাম-ধৰ্মৰ ডোলেৰে বান্ধ খাই থকা গুৱালকুছি গাঁৱৰ সুখ-শান্তি কালক্ৰমত কমি আহিবলৈ ধৰে। সমাজৰো বন্ধন ঢিলা হৈ হৈ মিলা-প্ৰীতি ভাব নোহোৱা হ'ল। এনেকুৱা এটা অমঙ্গলৰ সময়ত দুই-চাৰিজন সাধু-মহন্ত গোসাঁই এই গাঁৱত আছিল। এওঁলোকৰ ভিতৰত ৰাথৌ মহন্ত এজন বিশিষ্ট সাধুলোক। গুৱালকুছি গাঁৱৰ এনে দুৰৱস্থা দেখি বিশিষ্ট কেইজনমান শিষ্যই মনত কষ্ট পাই ৰাথৌ মহন্তৰ আগত সুখ-দুখৰ সকলো কথা নিবেদন কৰিলে। শিষ্য সকলৰ মনৰ এনে অৱস্থা দেখি তেওঁৰ বৰ চিন্তা হ'ল। বহু চিন্তাৰ ফলতো কোনো উপায় নাপাই তেওঁ তিনি সন্ধ্যা ঈশ্বৰক স্তুতি মিনতি কৰিব ধৰিলে। ঈশ্বৰে তেওঁৰ মিনতিত তুষ্ট হৈ সপোনত দেখা দি ক'লে- "তুমি চিন্তা নকৰিবা। তোমাৰ ঔৰষত এটি বিশিষ্ট পুত্ৰ সন্তান জন্মিব। এই পুত্ৰৰ ধৰ্মৰ প্ৰভাৱত গুৱালকুছি গাঁৱত আকৌ সুখ-শান্তি হ'ব।"

কালক্ৰমত ১৭২৪ শকৰ ফাগুনৰ এঘাৰ তাৰিখ, পূৰ্ণিমা তিথি বুধবাৰৰ দিনা শুভক্ষণত ভাথৌ মহন্তৰ ভাৰ্যা আয়ামালা আইৰ এটি পুত্ৰ সন্তান জন্ম হ'ল। এই সন্তানটিয়েই বুদৰাম মহন্ত। এওঁৰ জন্মৰ আগদিনা ৰাতি দৰাপিতা ৰৰষুণ আহিছিল,



কিন্তু জন্মৰ সময়ত ধলপুৱা বতৰ আছিল ফৰকাল। তেওঁৰ জন্ম উপলক্ষে গুৱালকুছিৰ সত্ৰই সত্ৰই ৰৰকাঁহ আৰু দবাৰ শব্দ বাজি আনন্দৰ বোল উঠে। ভাথৌ মহন্তই সময় অনুসাৰে পুত্ৰৰ জাত কাৰ্যাদি সমাপন কৰিলে। ভাগ্য গণনা কৰিবলৈ অহা বিশিষ্ট দৈৱজ্ঞই গণনা কৰি ক'লে- "এই সন্তানটি পৰম ধাৰ্মিক হ'ব। সকলোৱে এওঁক মান কৰিব। এওঁ গৃহস্থী ধৰ্মত নাথাকি কেৱলীয়া ধৰ্ম ল'ব। বাৰ, তিথি নক্ষত্ৰ সকলো শুভ। নাম বুদৰাম ৰখা হ'ল।"*

বুদৰামৰ দুবছৰ পাছতে ভাথৌ মহন্তই আৰু এটি পুত্ৰ সন্তান লাভ কৰে। তেওঁৰ নাম তাৰাৰাম। তাৰাৰামক আয়ামালা আইৰ কোলাত এৰি থৈ তেওঁ ইহলীলা সম্বৰণ কৰে। আয়ামালাই অতি দুখ-কষ্ট কৰি সন্তান দুটি লালন-পালন কৰিবলৈ ধৰিলে। দুয়ো একে লগে ডাঙৰ-দীঘল হৈছিল যদিও বুদৰামৰ চলন-ফুৰণত নতুন নতুন ঘটনা দেখা গৈছিল। মাতৃৰ কথা লঙ্ঘন নকৰা বুদৰাম সৰুৰে পৰা স্থিৰ-ধীৰ আৰু শান্ত স্বভাৱৰ। মাতৃ আয়ামালাৰ আদেশ মতে তেওঁ কাইথেলী পাঠশালাত বিদ্যা আৰম্ভ কৰে। কাইথেলী আখৰ শিকি লগে লগে তেওঁ সাঁচিপাতৰ পুথি পঢ়িবলৈ ধৰিলে। তেওঁ নিজে পঢ়াৰ লগতে আন দুজনকো পঢ়ি শুনায়। তেওঁৰ মাত, তেওঁৰ গীতৰ ৰাগ-ৰাগিনী আৰু সুৰ শুনি শুনোতা সকল মুগ্ধ হৈছিল। তেওঁৰ পুথি পঢ়া শুনি বাটৰুৱাও বৈ এখন্তেক থিয় দি দুফাঁকি পদ শুনিহে গৈছিল।

বুদৰাম মহন্তৰ পুথি পঢ়াত যেনে মন শৰীৰতো তেনে বল। দেখাতো সুন্দৰ সুঠাম। গাৰ বলতকৈ মনৰ বলহে তেওঁৰ বেছি প্ৰবল আছিল। অসমীয়া পুথি পঢ়াৰ লগে লগে তেওঁ সংস্কৃত ভাষাও শিকিলে। লাহে লাহে তেওঁ কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী, গীতা আদি ধৰ্ম গ্ৰন্থবোৰ পঢ়ি শেষ কৰিলে। তেওঁ ডেকা কালতে সকলো পুথি পঢ়ি আৰু সাধু সঙ্গৰ লগত কথা-বাৰ্তা পাতি বহু ধৰ্ম কথা শিকিলে। কিবা কথা বুজি নাপালে অথবা মাজে সময়ে শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰলৈ গৈ অধিকাৰ হৰিজয় মহন্তৰ লগত ধৰ্ম কথা পাতি নিজৰ সংশয় ছেদ কৰে। হৰিজয় অধিকাৰৰ সৈতে ধৰ্ম আলোচনা আৰু ভকতীয়া কথা পাতি বুদৰামে বৰ আনন্দ পাইছিল। তেওঁ নিজৰ ধৰ্মত ইমানেই গভীৰ ভাৱে সোমাই গৈছিল যে এদিন হৰিজয় অধিকাৰৰ সৈতে কথা পাতি থাকোতে তেওঁৰ চকুপানী বৈ গৈছিল। মনৰ আনন্দত শৰীৰ ৰোমাঞ্চিত হৈ তেওঁ হৰিজয় মহন্ত চৰণত সেৱা কৰি তেওঁক শৰণ ধৰ্ম দিবলৈ কাকুতি কৰিলে। সেই মৰ্মে হৰিজয় মহন্তই বুদৰামক শৰণ দিয়াৰ পিছত নাম-ধৰ্ম মন্ত্ৰ লৈ বুদৰাম ধৰ্মত একাণপতীয়াকৈ লাগিল। শৰণ লোৱাৰ পিছত তেওঁৰ মনোভাৱ বহু পৰিমাণে পৰিৱৰ্তন হ'বলৈ ল'লে। তেওঁ হাটীসত্ৰতে বেছি সময় থাকি নাম-কীৰ্তন কৰিয়ে দিন নিয়াব ধৰিলে। সাংসাৰিক-ভোগ বিলাস তেওঁৰ মনত একো

নলগা হ'ল। মাক আয়ামালাই বুদৰামৰ সংসাৰিক কামত উদাস ভাব দেখি সংসাৰত বন্ধন কৰাই দিবলৈ মন মেলিছিল। কিন্তু বুদৰামৰ এনেকুৱা ঈশ্বৰৰ প্ৰতি একান্ত ভক্তি দেখি বুঢ়ীমাকে মনত বৰ সন্তোষ পাই তেওঁক বিয়া-বাৰু কৰাই গৃহস্থী হোৱাৰ আশীৰ্বাদ নকৰি উদাসীন হৈ কেৱল ঈশ্বৰৰ ভক্তিত একাগ্ৰ হ'বলৈহে আশীৰ্বাদ দিলে।

**(খ) হাটীসত্ৰত বুদৰামৰ বাস :**

বুদৰাম মহন্তই মাতৃ আয়ামালাৰ আদেশ লৈ উদাসীন হৈ হৰিজয় আতৈৰ সেৱক ৰূপে হাটীসত্ৰতে থাকিবলৈ ল'লে। গুৰু হৰিজয় আতৈৰ আদেশ মতে দৈনন্দিন সকলো কৰ্মৰ উপৰিও পুৱাৰ পৰা গধূলিলৈ চৈধ্য প্ৰসঙ্গ কৰি ভকত কাৰক সোধ-পোচ কৰিব ধৰিলে। নিজৰ মহৎ গুণেৰে বুদৰাম মহন্তই সকলোকে মোহিত কৰিছিল। বুদৰাম মহন্তৰ স্বভাৱ চৰিত্ৰ আৰু ধৰ্মত একান্ত মতি দেখি হৰিজয় আতৈয়ে ভতিজা সৌৰাম মহন্তৰ সলনি বুদৰাম উপযুক্ত অধিকাৰ বুলি ভাবি তেওঁকেই সমূহ বাপুভকতৰ আগত ধৰ্ম-মালা পিন্ধাই ডেকা অধিকাৰৰ আসন দিলে। তেওঁ ডেকা অধিকাৰৰ আসনখন পাই হাটীসত্ৰৰ উন্নতি, নাম-ধৰ্ম প্ৰচাৰ আদি কামত একান্তভাৱে ব্ৰতী হ'ল।

**(গ) হাটীসত্ৰৰ গৰাকীৰ বাবে পৰীক্ষা :**

বুঢ়া অধিকাৰ হৰিজয় মহন্ত বৃদ্ধ হৈ অহাত সত্ৰ সত্ৰাধিকাৰ বিষয়ে চিন্তা কৰি বুদৰামকে উপযুক্ত বুলি বিবেচনা কৰিলে। পিছে তেওঁ গাঁওখনৰ মুৰব্বী স্বৰূপে সত্ৰৰ গৰাকী হৈ সকলো চলাব পাৰে নে নোৱাৰে তাৰ এটি প্ৰমাণ চাবলৈ বিচৰাত এদিন তেওঁ বুদৰামক পৰীক্ষা কৰাৰ সুযোগ এটা পালে। গুৱালকুছিৰ এজন বিশিষ্ট পুৰুষৰ লগত বুদৰামে এদিন হাটীসত্ৰত গোপনে শাস্ত্ৰৰ কথা আলোচনা কৰাৰ কথা বুঢ়া অধিকাৰ হৰিজয় মহন্তই গম পাই এইটোকেই এটা সুযোগ বুলি ভাবি বুদৰামক হাটীসত্ৰৰ পৰা উলিয়াই দিয়ে। হাটীসত্ৰৰ পৰা ওলাই আহি তেওঁ গুৱালকুছিৰেই "বৰসত্ৰ"ত থাকিবলৈ লৈ নিতৌ নাম-কীৰ্তন, যাত্ৰা, ভাওনা, উৎসব-পৰ্ব্ব পাতি সকলোকেআনন্দিত কৰি ৰাখিবলৈ ধৰিলে। বুদৰামৰ যশ, গুণ, আচাৰ-ব্যৱহাৰৰ কথা গুৱালকুছিৰ প্ৰত্যেকৰে মুখৰ পৰা শুনিবলৈ পাই বুঢ়া অধিকাৰ হৰিজয়দেৱে তেতিয়াই ঠিক কৰিলে যে বুদৰামকে তেওঁ হাটীসত্ৰৰ বুঢ়া অধিকাৰৰ গাদীত বহুৱাব। এই মনোভাৱেৰেই হৰজয় মহন্তই বুদৰামক এদিন হাটীসত্ৰলৈ নিমন্ত্ৰণ কৰি এই সংসাৰৰ পৰা বিদায় লয়।

**(ঘ) হাটীসত্ৰৰ সত্ৰাধিকাৰ হিচাপে বুদৰাম মহন্ত :**

শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰ অধিকাৰ হৈ বুদৰামে নিজৰ তত্ত্বাৱধানত সত্ৰ চলাবলৈ



ধৰিলে। নিতৌ হাটীসত্ৰত মহাপুৰুষীয়া পন্থৰ ৰীতি-নীতি, নাম-কীৰ্তন আদি পালন কৰাত গুৱালকুছিৰ মানুহৰ মাজত নাম-ধৰ্ম ক্ৰমে উজ্জ্বল হৈ আহিব ধৰিলে। তেওঁ সকলো জীৱ যে ভগৱন্তৰে স্বৰূপ এই মনোভাৱটি প্ৰত্যেক মানুহৰ মাজত প্ৰচাৰ কৰিবলৈ ল'লে। এওঁৰ গাত অনেক গুণ দেখি গুৱালকুছি গাঁৱৰ জাতি, ধৰ্ম পন্থ নিৰ্বিশেষে সকলোৱে মান-সৎকাৰ কৰিবলৈ ল'লে। এওঁৰ ধৰ্ম প্ৰচাৰৰ শক্তিতেই গুৱালকুছিলৈ আকৌ পূৰ্বৰ দৰে মিলা-প্ৰীতি ঘূৰি আহিল। তেওঁৰ গুণ-গৰিমা দেখি আন আন ঠাইৰ মানুহ আহিও তেওঁৰ পৰা নাম-ধৰ্ম ল'বলৈ ধৰিলে। হাটীসত্ৰত তেওঁক দৰ্শন কৰা লোকৰ অন্ত নোহোৱা হ'ল।

মুখত হৰি নাম, হৃদয়ত ব্ৰহ্মা ৰূপ, হাতত কাম - এই তিনিটা গুণ মানিয়েই তেওঁ সত্ৰৰ সমস্ত কাৰ্য কৰিছিল।

বুদৰাম মহন্ত এজন বাকসিদ্ধ' মহৎ পুৰুষ আছিল। এই সংসাৰত মহৎ লোকৰ মহত্ত্ব বিশেষ বিশেষ কৰ্মৰ দ্বাৰাহে পৰিচিত হয়। এওঁৰো জীৱনত বহুত আচৰিত আচৰিত ঘটনা হোৱাৰ প্ৰমাণ পোৱা গৈছে বাবে সৰ্বসাধাৰণে এওঁক ওখ আসনত ঠাই দি বাকসিদ্ধৰ পৰিচয় দিয়ে।

**(ঙ) হাটীসত্ৰৰ উন্নতি :**

গুৱালকুছিত বুদৰামে শ্ৰীমন্ত শংকৰদেৱৰ নাম ধৰ্ম আৰু অধিক প্ৰসাৰ কৰিবৰ নিমিত্তে হাটীসত্ৰখনৰ উন্নতি কৰিবলৈ ঠিৰাং কৰিলে। মাধৱদেৱৰ বৰপেটা সত্ৰ আৰ্হিৰে হাটীসত্ৰৰ কীৰ্তন ঘৰ, ভাঁজ ঘৰ, বাহাঘৰ, পুখুৰী আৰু সত্ৰ হাউলিৰ চাৰিওফালে গড় বান্ধে। তেওঁ কীৰ্তন ঘৰটি ৫৬ হাত দীঘল, ২৭ হাত পুতল আৰু ১৫ হাত ওখ কৰি সাজি উলিয়ালে। কীৰ্তন ঘৰৰ কাঠৰ খুটাবোৰ দুই-তিনি জন মুনিহৰ বেৰৰ সমান ডাঙৰ। কীৰ্তন ঘৰৰ বেৰবিলাকত জগন্নাথ মন্দিৰৰ নিচিনা কৃষ্ণ লীলাৰ মূৰ্তি সাজিলে। কীৰ্তন ঘৰৰ ভিতৰত গজাসন আৰু সিংহাসন বুলি দুটি ভাগ কৰা এখন ডাঙৰ আসন স্থাপন কৰিলে। গজাসনখন দীঘলে ৮ হাত, পুতলেও ৮ হাত, ওখই ১ হাত। গজাসনৰ থিক ওপৰতে ৬ হাত দীঘল, ৬ হাত পুতল আৰু ৭ হাত ওখ সিংহাসন পাতিলে। এই সিংহাসনখনত ৯ খলপীয়া। ইয়াৰ একেবাৰে ওপৰৰ খাপত শাস্ত্ৰ স্থাপনা কৰা আছে। আকৌ তেওঁ ২৭ হাত দীঘল, ১৪ হাত বহল আৰু ১৪ হাত ওখ ভাজঁঘৰ সাজি উলিয়ালে। মহাপুৰুষীয়া ধৰ্মৰ প্ৰায় সকলোবোৰ ৰীতি-নীতি পালন কৰি নাম-ধৰ্ম প্ৰচাৰ কৰাত হাটীসত্ৰ কামৰূপত এখন প্ৰধান সত্ৰ হৈ উঠিল। কেতিয়াবা বৰপেটা, কমলাবাৰী আদি সত্ৰৰ সত্ৰাধিকাৰ, বুঢ়াভকত গুৱালকুছিলৈ আহিলে হাটীসত্ৰতেই থাকিবলৈ ল'লে। অকল মহাপুৰুষীয়া নহয়, আন পন্থাৰো বিশিষ্ট সাধু লোক আহিলে এই হাটীসত্ৰতে আলহীৰূপে থাকি

বুঢ়া অধিকাৰৰ সৈতে ধৰ্মৰ বিষয়ে নানান আলোচনা কৰিছিল।

এইদৰে হাটীসত্ৰখন সৰ্বতো প্ৰকাৰে সমৃদ্ধ কৰা বুঢ়া অধিকাৰ বুদৰামে সত্ৰাধিকাৰৰ দায়িত্ব লক্ষ্মীকান্ত মহন্তক অৰ্পণ কৰি ১৮৪১ শকৰ কৃষ্ণ পক্ষত দেহ ত্যাগ কৰে। লক্ষ্মীকান্ত মহন্তৰ পিছত মাধৱ মহন্ত আৰু বৰ্তমানে শ্ৰীযুত ভগেশ্বৰ মহন্তই এই সত্ৰৰ সত্ৰাধিকাৰৰ গাদীত বহি সত্ৰৰ পূৰ্ব গৌৰৱ ৰক্ষা কৰি আছে। বৰ্তমান এই হাটীসত্ৰৰ নিয়ম প্ৰণালী মতে গুৱালকুছিৰ আন আন সত্ৰবিলাকো চলি আছে।

**বৰ্তমান হাটীসত্ৰ ঃ**

শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰই পূৰ্বৰ দৰে মহাপুৰুষ জনাৰ একশৰণ হৰিনাম ধৰ্মৰ ডোলেৰে সমূহ গাঁৱবাসীকে মেৰিয়াই ৰাখি ধৰ্মীয় বাতাবৰণ অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে। কিন্তু সময়ৰ সোঁতত শ্ৰীশ্ৰী হাটীসত্ৰতো কিছু পৰিমাণে পৰিৱৰ্তন হোৱা দেখা গৈছে। পূৰ্বতে হাটীসত্ৰই খেতি-বাতি কৰি নতুবা ৰায়তৰ মাটিৰপৰা যথেষ্ট পৰিমাণে কৰ পাইছিল। সেইবিলাকৰ পৰা পোৱা টকা-পইচাৰে সত্ৰৰ দৈনন্দিন খৰচ, সত্ৰত উদ্‌যাপন কৰা বিভিন্ন উৎসৱ পাৰ্বণৰ খৰচ আদিবোৰ সত্ৰাধিকাৰ সকলে নিজাববীয়াকৈ কৰিছিল। কিন্তু বৰ্তমান হাটীসত্ৰৰ খেতি-বাতিৰ মাটিসমূহ সাধাৰণ জনগণে দখল কৰি বসবাস কৰিবলৈ লোৱাৰ কাৰণে সত্ৰখনৰ স্বৱলম্বীতাত আঘাত পৰিছে। এই স্বাৱলম্বীতা অটুত ৰাখিবলৈ গাঁৱৰ ৰাইজে আৰু সত্ৰ দৰ্শকসকলে তেল-বন্তি খৰচ আৰু বাহ্য খৰচ বুলি দুভাগকৈ খৰচ দান দিয়ে। তেল-বন্তিৰ খৰচেৰে কীৰ্তন ঘৰৰ শলাবন্তি জ্বলোৱা হয় আৰু বাহ্যৰ খৰচৰে ভকতসকল আৰু আলহী-অতিথিৰ সোধ-পোচ আৰু বাহ্যৰ খৰচেৰে ভকতসকলক ভোজনী দিয়া হয়। গতিকে ৰাইজৰ দান-বৰঙণিৰে বৰ্তমান সত্ৰৰ দৈনন্দিন কাৰ্য আৰু উৎসৱ পাৰ্বণসমূহ পালন কৰি থকা হৈ আছে। এই ক্ষেত্ৰত ৰাইজে সহায় কৰাৰ কাৰণে সত্ৰখন সুন্দৰভাৱে পৰিচালিত হৈছে। ইয়াৰ উপৰিও চৰকাৰৰ অনুগ্ৰহৰে আৰু ব্যক্তিগত দাতাসকলৰ উদ্যোগত হাটীসত্ৰৰ পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰি থকা হৈছে। গতিকে সত্ৰাধিকাৰ সকলৰ আস্থা নিষ্ঠাৰ আৰু সত্ৰৰ শিষ্য তথা হিতাকাংক্ষিসকলৰ শুভকামনাৰ ওপৰতে হাটীসত্ৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।

মনকৰিবলগীয়া যে সাম্প্ৰতিক কালত গুৱালকুছিৰ উদাসীন শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰখনেহে পূৰ্ণাঙ্গ সত্ৰৰ মৰ্যাদা বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে। কিয়নো এখন পূৰ্ণাঙ্গ সত্ৰ হ'বলৈ যিবোৰ বৈশিষ্ট্য থাকিব লাগে, সেই সকলোবোৰ বৈশিষ্ট্য কেৱল হাটীসত্ৰখনতহে দেখা পোৱা যায়। এই বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ

নিতৌ পুৱা, আবেলি আৰু গধুলি ক্ৰমে চৈধ্য প্ৰসঙ্গ কৰাৰ ব্যৱস্থা বৰ্তী আছে।



সত্ৰাধিকাৰ আৰু উদাসীন ভকত থকা বাহ্য ব্যৱস্থা আছে।

বৰপেটা সত্ৰৰ আৰ্হিত ভাজঘৰ আছে।

হাটীসত্ৰত গায়ন-বায়নৰ ব্যৱস্থা আছে।

শংকৰী সংস্কৃতি চৰ্চাৰ ব্যৱস্থা আছে।

দৌল গৃহ, কীৰ্তনঘৰ, আলহী থকা ঘৰ, ভোজন গৃহ, ভঁৰাল গৃহৰ ব্যৱস্থাৰ লগতে সত্ৰ পৰম্পৰাগত ৰীতি-নীতি তিনিৰাজ্য'ৰ সত্ৰাধিকাৰ বা ভকতসকল আহিলে এই সত্ৰত আপ্যায়ন কৰা ব্যৱস্থা আছে।

এই বৈশিষ্ট্যবোৰলৈ চায়েই আজি গুৱালকুছি অঞ্চলত সত্ৰ বুলিলে শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰকে সকলো সম্প্ৰদায়ে মান্যতা দি আহিছে। বৰ্তমানে হাটীসত্ৰৰ নেতৃত্বত গুৱালকুছি গ্ৰামত ৭ খনতো অধিক শাখাসত্ৰ স্থাপন হৈছে। ইয়াৰোপৰি গুৱাহাটী নগৰত বেটকুছি অঞ্চলতো এখনি শাখাসত্ৰ স্থাপন কৰা হৈছে। সত্ৰ বুঢ়াসত্ৰীয়া আৰু ডেকা সত্ৰীয়াৰ নেতৃত্বত অসমৰ বিভিন্ন ঠাইত বিশেষকৈ নলবাৰী, তামুলপুৰ আদি অঞ্চলত শিচ ভজনা কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মটি প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্যোগলৈ থকা হৈছে।

**হাটীসত্ৰৰ আভ্যান্তৰীণ বৰ্ণনা ঃ**

হাটীসত্ৰৰ আভ্যন্তৰীণ বৰ্ণনা কৰিবলৈ গ'লে বহুতো কথা চকুত পৰে। সত্ৰখনৰ লগতে লাগি থকা কীৰ্তন ঘৰ, বহাঘৰ, ভাজঘৰ, ছোঁ ঘৰ, বাটচ'ৰা আদিলৈ চকু ফুৰালে ৩৮০ বছৰ আগৰ যেন ধাৰণা নহয় কিছু বছৰ আগতহে যেন নিৰ্মাণ কাৰ্য সমাপ্ত কৰি গুৰুজনাৰ নাম ধৰ্ম ৰাইজৰ মাজত প্ৰচাৰ কৰিছে এনেকুৱা লাগে। ইমান বছৰ পুৰণি এই সত্ৰখনৰ আভ্যন্তৰীণ সৌন্দৰ্যই ভকত আৰু ৰাইজক ৰাৰুকৈয়ে আকৃষ্ট কৰে।

সত্ৰখনৰ কীৰ্তনঘৰ, বহাঘৰ, ভাঁজঘৰ, ছোঁ ঘৰৰ চমু তথ্য তলত উল্লেখ কৰা হ'ল-

**(ক) কীৰ্তনঘৰ ঃ** সত্ৰাধিকাৰ বুদৰাম মহন্তই বৰপেটা সত্ৰৰ আৰ্হিৰে সাজি থৈ যোৱা কীৰ্তন ঘৰখন ৫৬ হাত দীঘল, ২৭ হাত পুতল আৰু ১৫ হাত ওখ। কীৰ্তন ঘৰৰ বেৰবোৰত খোদিত কাঠত কটা চাৰু শিল্পবোৰ আৰু ভাস্কৰ্যবোৰে আজিও যেন কথা কৈ আছে। বেৰবোৰৰ পূবফালে ভাগৱতৰ কাহিনীৰ আধাৰত মূৰ্তি, মাজ ভাগত দশম শাস্ত্ৰ কেন্দ্ৰীক মূৰ্তী বা কৃষ্ণলীলা বিষয়ক মূৰ্তি, পশ্চিম ভাগত ৰামায়ণৰ আধাৰত আৰু দক্ষিণে গৰুড় পুৰাণৰ আধাৰত মূৰ্তি খোদিত কৰা আছে। কীৰ্তন ঘৰৰ সিংহদ্বাৰৰ দুইফালৰ দুৱাৰত কাঁহ-পিতলৰ দশৱতাৰ মূৰ্তি, শুকদেৱ আৰু ঋষি সকলৰ মূৰ্তি আছে। সিংহদ্বাৰৰ থিক ওপৰপিনে বৈকুণ্ঠপুৰ, নাৰায়ণ, সুনন্দ,নন্দ,

কুমুদ, জয়ন্ত, বুদ্ধ আদিৰ মূৰ্তি কাঠত খোদিত হৈ আছে। সিংহদ্বাৰৰ প্ৰৱেশ দ্বাৰতে দুয়োপিনে দুটা সিংহৰ মূৰ্তি আছে। কীৰ্তন ঘৰৰ ভিতৰত কৃষ্ণৰ বাহন গৰুড় মূৰ্তি কাঠেৰে ডাঙৰকৈ কটা আছে। গৰুড় মূৰ্তিৰ লগতে ভক্তৰ মূৰ্তিও আছে। কীৰ্তন ঘৰৰ ভিতৰভাগত এখন ডাঙৰ আসন স্থাপন কৰা আছে। এই আসনখনক আকৌ দুটা ভাগত ভাগ কৰা আছে। গজাসন আৰু গুৰুআসন বা সিংহাসন। গজাসনৰ ওপৰত সিংহাসন আছে। গজাসনখন দীঘলে ৮ হাত, পুতলেও ৮ হাত আৰু ওখ ১ হাত। আকৌ সিংহাসন অৰ্থাৎ গুৰুআসনখন ৬ হাত দীঘল, ৬ হাত পুতল আৰু ৭ হাত ওখ। গুৰুআসন নৱবিধ ভক্তিৰ আধাৰত ৯ খলপিয়াকৈ থকা দেখা যায়। গুৰুআসনৰ তলৰ ভাগত কচ্ছপ আৰু হাতী আছে। নামৰূপী সিংহৰ মুখৰ পৰা সুৰূপী পক্ষীয়ে নাম অমৃত পান কৰি থকা দেখা গৈছে। গুৰুআসনৰ ওপৰ ভাগ ৰূপৰ কাজ থকা আৰু তাত সুন্দৰ কাঠৰ বাকচত শ্ৰীমন্ত শংকৰদেৱৰ “গুণমালা” পুথিখন শৰাইত থাপনা কৰা আছে। গুৰু আসনৰ সন্মুখভাগত ৩ খন ডাঙৰ শৰাইত ভাগৱত, কীৰ্তন ঘোষা, ৰত্নাৱলী শাস্ত্ৰ সুন্দৰকৈ থাপনা কৰা হৈছে। কীৰ্তন ঘৰত বুঢ়া আৰু ডেকা সত্ৰীয়াৰ লগতে প্ৰসঙ্গ আৰু পাঠৰ সুকীয়াকৈ স্থান সংৰক্ষণ কৰাৰ লগতে গুৰু আসনৰ সন্মুখত ৪ গছি ডাঙৰ বন্তি আৰু গুৰু আসনৰ চাৰিওদিশে ১২ গছী বন্তি জ্বলোৱা ব্যৱস্থা আছে।

**(খ) বহাঘৰ ঃ** সত্ৰাধিকাৰ আৰু কেৱলীয়াসকল থকা বহাঘৰ লগতে ৰান্ধনীঘৰৰ ব্যৱস্থা আছে। বিশেষকৈ হাটীসত্ৰ ভজনীয়া শিষ্য ভজনৰ গৃহটিত এখনি সৰু তিনি খলপিয়া গুৰু আসন প্ৰতিষ্ঠা কৰা হৈছে। বহাঘৰত কীৰ্তন-দশম-ঘোষা, গুৰু-চৰিত, ৰত্নাকৰ, ভক্তি প্ৰদীপ আদিৰ লগতে কিছুমান বৈদ্য শাস্ত্ৰও সাঁচিপতিয়া পুথিৰ আহিঁত সংৰক্ষিত হৈ আছে। ইয়াৰোপৰি সত্ৰাধিকাৰৰ বহাত বহুতো পুৰণিকলিয়া কাঁহ-পিতলৰ বাচন-বৰ্তন এতিয়াও সংৰক্ষিত হৈ আছে। সেইবোৰ হ'ল- সঁফুৰা থকা তামোল-পাণ বটা, হাটীখুজীয়া জলপান খোৱা বাতি, বান কাঁহি, বান বাতি, লোটা, কলহ, শৰাই, সাঁফৰ থকা সুন্দৰ গিলাচ, ডাঙৰ ডাঙৰ পিতলৰ চৰিয়া, থালি ইত্যাদি।

**(গ) ভাঁজঘৰ ঃ** সত্ৰৰ লগতে থকা ভাজঘৰত এখন সৰু গুৰু আসন স্থাপন কৰা আছে। এই ঘৰত কিছুমান কাঠ, মূল্যবান ধাতুৰে নিৰ্মিত সম্পদ সংৰক্ষণ কৰা আছে। ভাজঘৰৰ লগতে ভঁৰাল গৃহটিও লাগি আছে। ভঁৰাল গৃহত দুটাকৈ ভঁৰাল আছিল। তাৰে এটাত শালি ধান আৰু আনটোত বাঁওধান ৰখা হৈছিল। কিন্তু বৰ্তমান সেই ভঁৰাল নাই।

**(ঘ) ছোঁঘৰ ঃ** হাটীসত্ৰৰ কীৰ্তন ঘৰৰ বাঁওপিনে পূৱদিশত ছোঁঘৰটি অৱস্থিত। ছোঁ সামগ্ৰীৰ প্ৰধান অংগ হৈছে মুখা। সত্ৰত অংকীয়া নাট, ভাওনাত যিবোৰ মুখা,



সাজপোছাক আৰু তেনেকুৱা ধৰণৰ সকলোবোৰ বয়-বস্তু এই ঘৰতে থোৱা হয়।

**সত্ৰখনত সংৰক্ষিত সাঁচিপাতৰ চমু বিৱৰণ ঃ**

সাহিত্যৰ বুৰঞ্জীৰ ফালৰ পৰা ক'ব পাৰি যে শ্ৰীমন্ত শংকৰদেৱে নিজ হাতে লিখা একমাত্ৰ দশম স্কন্ধ ভাগৱত সাঁচিপাত এতিয়াও মাজুলীৰ দক্ষিণপাট সত্ৰত সংৰক্ষিণ হৈ আছে। যদিও আগশাৰীৰত থকা সত্ৰ কিছুমানে ক'ব খোজে যে তেওঁলোকৰ সত্ৰত সংৰক্ষিত সাঁচিপাতবোৰ শংকৰদেৱে নিজ হাতে লিখা, কিন্তু এই কথা প্ৰকৃততে সত্য নহয়। দৰাচলতে এইবোৰ সাঁচিপাত পুৰণি কোনো জাত মানুহৰ দ্বাৰা মূলপুথিৰ পৰা নকল কৰা সাৰভাহহে। থিক তেনেদৰে হাটীসত্ৰতো প্ৰায় ১৫০ খনৰো অধিক সাঁচিপাত পুথি সংৰক্ষিত হৈ আছে। এই সাঁচিপাতবোৰ হাটীসত্ৰত কেতিয়াৰ পৰা সংৰক্ষিত কৰি ৰখা হৈছিল তাৰ নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰিব নোৱাৰি। পূৰ্বতেই বিভিন্ন লিখোতাই লিখি হাটীসত্ৰত থৈ দিছিল। ইয়াৰোপৰি সেই সময়ৰ দুই-এঘৰ মানুহৰ ঘৰত সাঁচিপাত পোৱা গৈছিল। সেই সময়ৰ গৃহস্থৰ সঘনে বেমাৰ-আজাৰ হৈ থকা দেখিলে সেই বেমাৰৰ কাৰণ এই সাঁচিপাতেই বুলি ভাৱি বহুতে ব্ৰহ্মপুত্ৰৰ বুকুত সাঁচিপাত উটাই দিছিল আৰু কিছুমানে সেইবোৰ হাটীসত্ৰত দান দিছিল। হাটীসত্ৰৰ এই সাঁচিপাতবোৰৰ ভিতৰত কীৰ্তন, দশম, ঘোষা ৰত্নাৱলী, ভক্তি বিবেক, ভক্তি প্ৰেমাৱলী, গীতা, চৰিত্ৰপুথি ইত্যাদি উল্লেখযোগ্য। আনহাতে হাটীসত্ৰত অমৰবৈদ্য অৰ্থাৎ বনৌষধৰ ওপৰত কিছুমান সাঁচিপাত আছে। এই অমৰবৈদ্যবোৰ অধ্যয়ন কৰিলে হয়তো মানুহৰ জীৱন বচাব পৰা ঔষধৰ সন্ধান উলিয়াব পৰা যাব। যিহেতু এই সাঁচিপাতবোৰ কাইথেলী আৰু বামুণীয়া লিপিত লিখা হৈছিল সেইবাবে এইবোৰ পুথি এতিয়াও অধ্যয়ন কৰিব পৰা নাই।

**হাটীসত্ৰত উদ্‌যাপন কৰা উৎসৱ অনুষ্ঠান ঃ**

হাটীসত্ৰত বছৰৰ প্ৰতিটো মাহতে বিশেষ বিশেষ উৎসৱ, তিথি আদি সমূহীয়া ভাৱে উদ্‌যাপন আৰু পালন কৰি অহাৰ প্ৰথা চলি আহিছে। বৰ্তমানেও অতীতৰ নিয়ম সমূহৰ কোনো সাল-সলনি নকৰাকৈয়ে হাটীসত্ৰই যথাযথভাৱে এই উৎসৱ সমূহ পালন কৰে। বছৰৰ প্ৰতিটো মাহতেই এই উৎসৱ বা তিথি সমূহ পালন কৰাৰ ফলত অসংখ্য ভক্তৰ এই সত্ৰলৈ আগমণ ঘটে আৰু আনন্দমনে নাম-কীৰ্তন কৰি সৰে মিলি প্ৰসাদ অথবা এসাজ অন্ন গ্ৰহণ কৰি হৰি নাম লৈ ওভতে।

সত্ৰখনত পালন কৰা বিভিন্ন উৎসৱ সমূহ তলত উল্লেখ কৰা হ'ল ঃ-

বছৰটোৰ প্ৰথম মাহ অৰ্থাৎ বহাগ মাহত ৰাজহুৱা পালনাম আৰু সত্ৰীয়া পৰম্পৰাৰে বহাগ বিহু পালন কৰে। জেঠ মাহত মাধৱ চন্দ্ৰ মহন্ত সত্ৰাধিকাৰ আৰু লক্ষ্মীকান্ত মহন্ত সত্ৰাধিকাৰ তিথিৰ লগতে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জন্ম তিথি

পালন কৰা হয়। থিক তেনেকৈ আহাৰ মাহত কেশৱ চৰণ ভাটৌকুচীয়া আতাৰ কীৰ্তন; শাওণত মহাপুৰুষ দুজনা গুৰুৰ কীৰ্তন থাপনা হয়, ভাদ মাহত শংকৰ-মাধৱৰ কীৰ্তন, বদুলা আতাৰ কীৰ্তন হয়। আহিন মাহত শংকৰদেৱৰ জন্ম তিথি, বুঢ়া আতা কীৰ্তন পালন কৰা হয়। কাতি মাহত কাতি বিহু, ডেকা সত্ৰাধিকা সোণেশ্বৰ আতৈৰ তিথি; আঘোণত সত্ৰীয়া পদ্ধতিৰে ৰাস মহোৎসৱ উদ্‌যাপন কৰা হয়। পুহ মাহত নাৰায়ণ দাস ঠাকুৰ আতাৰ কীৰ্তন পাতি মাঘ মাহত মাঘ বিহু, কানুৰাম বুঢ়া ঠাকুৰৰ সভা মহোৎসৱ আৰু সাধু বুদৰাম মহন্ত অধিকাৰৰ তিথি পালন কৰা হয়। বছৰটোৰ শেষত অৰ্থাৎ ফাগুণ-চ'ত মাহত ৰৱিবিষ্ণু আতাৰ তিথি দৌল মহোৎসৱ উলহ-মালহেৰে উদ্‌যাপন কৰি বছৰটো বিদায় দিয়ে।

ঈশ্বৰ হাটীসত্ৰৰ উত্তৰ-পশ্চিম কোণত পণ্ডিত গোপাল শৰ্মা শাস্ত্ৰীৰ (হৰিভক্তিৰ স্মৃতিত) দৌল মণ্ডপটোত দৌল উৎসৱ ধুম-ধামেৰে উদ্‌যাপন কৰা হয়। ১৯৯০ চনৰ পৰা দৌল উৎসৱ উপলক্ষে বৰপেটা সত্ৰৰ আৰ্হিৰে আতচ্‌বাজী উদ্‌যাপন কাৰ্য আৰম্ভ হয়। দৌল অৰ্থাৎ হোলিৰ প্ৰথম দিনাখন সন্ধিয়া বৰপেটাৰ পৰা অনা ফট্‌কাৰে হাটীসত্ৰ পৰিৱেশ পোহৰাই তোলাৰ লগতে এই ফট্‌কাৰ শব্দই গুৱালকুছি গ্ৰাম কঁপাই তোলে। হোলিৰ দ্বিতীয় দিনাখন দিনত হাটীত হোলি খেলি আবেলি সময়ত ভাঁহ ভঙা খেল অনুষ্ঠিত হয়। সেই ভঙা বাঁহৰ চোচ আনি ঘৰত ৰাখিলে মংগল হয় বুলি এটা লোকবিশ্বাস প্ৰচলিত হৈ আহিছে।

ইয়াৰ উপৰিও আহিন মাহত হাটীসত্ৰত কৰভাৰ উৎসৱ উদ্‌যাপন কৰা হয়। বৰপেটা সত্ৰ যেতিয়া জুয়ে পুৰিছিল তেতিয়া মথুৰাদাস বুঢ়া আতাপুৰুষে দুখ কৰি মধুপুৰৰ ভাটিসত্ৰলৈ ভেলা লৈ গৈ মাধৱদেৱৰ ওচৰত সমস্ত বিৱৰি ক'লে। সেই শুনি মাধৱদেৱে মথুৰাদাসক ভয় নকৰিবলৈ কৈ নিজৰ কৰমালা ধাৰি আৰু দুটি নাগেৰীটকা[৯] মথুৰাদাসক অৰ্পণ কৰি বৰপেটা সত্ৰৰ অধিকাৰ পাতি দিলে আৰু তিনিৰাজ্যৰ ভকতে তেওঁক কৰদান কৰিব বুলি মাধৱদেৱে ক'লে। সেই আৰ্হি মৰ্মে হাটীসত্ৰত বুঢ়া আতাপুৰুষৰ কীৰ্তনৰ দিনাখন শিষ্যসকলে গুৰু কৰ অৰ্পণ কৰে আৰু হাটীসত্ৰৰ সত্ৰাধিকাৰে বৰপেটা সত্ৰত সেই কৰ আদায় দিয়ে, এয়েই হৈছে কৰভাৰ উৎসৱ।

## সামৰণি ঃ

হাটীসত্ৰৰ প্ৰাকৃতিক পৰিৱেশটো অতি মনোমোহা। সত্ৰখনক আম, নাৰিকল, তামোল, শিমলু, বগৰী আদিকে ধৰি বহুটো সৰুবৰ সেউজীয়া গছ-গছনিয়ে আবৰি ৰাখিছে। এই সত্ৰৰ অতিজৰেপৰা জীৱ-জন্তু পোহাত এটা চখ আছিল। আদিতেই হাটীসত্ৰই মদন আৰু মৰ্তিমালা নামৰ দুটা হাতী, দো-গোহালি গৰু, ময়ুৰ, হৰিণ আদি পোহাৰ উপৰিও বৰ্তমানেও শহাপহু, ভাটৌ, পাৰ চৰাই আদিক পুহি ৰাখিছে। সত্ৰখনৰ প্ৰাকৃতিক পৰিৱেশ, সত্ৰৰ পোহনিয়া জীৱ আৰু বাহাৰুৰ চাৰু কলাশিল্প প্ৰতি দেশ-বিদেশৰ বহু সংখ্যক পৰ্যটক আকৰ্ষিত হৈ ইতিমধ্যে এই সত্ৰ দৰ্শন কৰিবলৈ আহে। কেৱল কাঠৰ শিল্পখিনিয়েই এইবেলি কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ যুটীয়া প্ৰচেষ্টাত এটি প্ৰজেক্ট আৰম্ভ হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যবোৰৰ মাজত হাটীসত্ৰৰ সমল গধুৰ শিল্পকলাই নিশ্চয় বিশ্ববাসীৰ মন আকৰ্ষণ কৰিব পাৰিব।



আজিৰে পৰা পাঁচ বছৰ পূৰ্বে বৈকুণ্ঠগামী হোৱা সোণেশ্বৰ আতৈ ডেকা সতৰীয়াৰ স্থলাভিষিক্ত[১০] হোৱা শ্ৰীৰাজীৱ চন্দ্ৰ দাসক ১৯৩০ শকৰ আঘোণ মাহৰ ছয় তাৰিখে ইং ১২-১২-০৮ তিনি ৰাজ্যৰ অকিৰৰ দ্বাৰা ধোপমালা নিৰ্মালী শিৰত দি শ্ৰী ৰাজীৱ লোচন সত্ত নামেৰে শ্ৰীশ্ৰী ঈশ্বৰ হাটীসত্ৰৰ ডেকা অধিকাৰৰ গাদীত বহুৱাই। তেতিয়াৰ পৰা ডেকা অধিকাৰে বুঢ়া অধিকাৰ শ্ৰীভগেশ্বৰ মহন্তৰ বাৰ্ধক্যজনিত জিৰণি সময় পৰাত সত্ৰৰ সৰ্বতো প্ৰখাৰৰ উন্নতি আৰু সংহতিৰ বিষয়ে নেৰানেপেৰা অহোপুৰুষাৰ্থ কৰি আছে। তেখেতৰ কষ্টৰ বিনিময়ত আৰু চৰকাৰৰ অনুদানত সত্ৰখনৰ বাৰুকৈয়ে উন্নতি সাধন হৈছে।

পাদটিকা ঃ

১। শৰণ-ভজন ঃ বিষ্ণুৰ ভকত হৈ উপাসনা কৰা।
২। শলা-বত্তি ঃ তিনি ডাল শলাৰে কৰা বত্তি।
৩। কেৱলীয়া ঃ অকলশৰীয়া অৰ্থাৎ বিয়া নকৰা, উদাসীন।
৪। হাতে কাম মুখে নাম এতেকে পাবা পৰিণাম ঃ হৰমোহন দাস, মহন্ত সাধু বুদৰাম, পৃষ্ঠা-৬
৫। উদাসীন ঃ বৈৰাগী।
৬। "এই সন্তানটি পৰম..." ঃ হৰমোহন দাস, মহন্ত সাধু বুদৰাম, পৃষ্ঠা-৭
৭। বাকসিদ্ধ ঃ যি কথা ক'লে ফলিয়ায়।
৮। তিনিৰাজ্য ঃ অসম, কামৰূপ, কোচবিহাৰ
৯। নাগেৰীটকা - ৰজানিনীয়া মুদ্ৰা

গ্ৰন্থপঞ্জী ঃ

১) অসমীয়া বিভাগ, কটন কলেজ, অসম গৌৰৱ, অৰুণোদয় প্ৰকাশন, গুৱাহাটী-২০১১
২। দাস, প্ৰভাত চন্দ্ৰ, ভিন্নজনৰ দৃষ্টিত সত্ৰৰ উৎপত্তি আৰু বিহ্যুতি, ডালিম চন্দ্ৰ পাঠক, গুৱাহাটী, ৫৫৪ শঙ্কাব্দ।
৩। দাস, হৰমোহন, সাধু বুদৰাম মহন্ত, ড° ভুবন মোহন দাস, গুৱাহাটী-, ১৯৯৮

সমল ব্যক্তি ঃ

১। প্ৰাণহৰি ডেকা (গুৱালকুছিৰ জ্যেষ্ঠ লোক)।
২। ৰমেশ দাস (গুৱালকুছিৰ জ্যেষ্ঠ লোক)।
৩। ৰাজীৱ লোচন সত্ত (হাটীসত্ৰৰ ডেকা সত্ৰাধিকাৰ)
৪। হেমচন্দ্ৰ ভৱানী (হাটীসত্ৰৰ শিষ্য সন্মিলনৰ সভাপতি)

০০০

# চান্দৰ মেৰঘৰ
# এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

লব বণিক্য
৫ ম ষাণ্মাসিক, অসমীয়া প্ৰধান

**ভৌগোলিক অৱস্থান আৰু পৰিসীমাঃ**

'বেউলা লখিন্দাৰ' আখ্যান খ্যাত চান্দ সদাগৰৰ মেৰঘৰ গুৱাহাটীৰ পৰা ৪০-৫০ কিঃমিঃ পশ্চিমে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ চম্পক নগৰ নামৰ ঠাইত অৱস্থিত। এই পথৰ উত্তৰে বৰ্তমানৰ গোঁসানী মঠ গাঁৱত অৱস্থিত শ্ৰীশ্ৰী মাঁ-চণ্ডিকা পীঠ আৰু দক্ষিণে চান্দ সদাগৰৰ মেৰঘৰ। এই পথেৰে আকৌ ১ কিঃ মিঃ পশ্চিমে গ'লে পোৱা যায় ছয়গাঁও।

চম্পক নগৰ ধ্বংস হৈ যোৱাৰ পাছত এই ঠাইৰ কোনো নাম নোহোৱা হয়। কাকেৰী সাগৰৰ বুকু বাম হৈ যোৱাৰ পাছত পুনৰ নতুন নতুন মানুহৰ বসতি হ'ল। আহোম ৰাজত্ব কালত এই অঞ্চলটো গুৱাহাটীৰ বৰফুকনৰ অধীনত আছিল বুলি জনা যায়। ১৮৯৭ চনত ই এ গেইট চাহাবৰ, চণ্ডিকা মন্দিৰত থকা শিলালিপি সম্পৰ্কে লিখা কথাৰ পৰা বুজিব পাৰি, সেই সময়ত ছয়গাওঁ অঞ্চল খৰিজা বাড়ন্তী মৌজাত আছিল। লাহে লাহে মানুহ সভ্য হৈ আহিলত আৰু এই ঠাইত থানা, ৰাজহ চক্ৰ আদি স্থাপন কৰিব লগা হ'লত এটা নামৰ প্ৰয়োজন হ'ল। তেতিয়াৰ ওচৰৰ গাওঁবোৰৰ পৰা মুখীয়াল মানুহখিনি লগ লাগি আলোচনা ক্ৰমে চান্দ সদাগৰে ছয় পুত্ৰক ভগা দিয়া ছয়খন গাওঁ বা ৰাজ্যৰ নামেৰে ছয়গাওঁ হোৱা বুলি কোৱা হয়।

**ক) মনসাৰ জন্ম সম্পৰ্কীয় কাহিনী ঃ**

'লখিন্দাৰ বেউলা' আখ্যান খ্যাত চান্দ সদাগৰ ছয়গাঁৱৰ ওচৰৰ চম্পক নগৰৰ বাসিন্দা আছিল বুলি কোৱা হয়। এই চান্দ সদাগৰ জীৱন নাটৰ প্ৰধান প্ৰতিদ্বন্দ্বী হ'ল সৰ্পৰাণী মনসাদেৱী। মনসাৰ পিতা হৈছে দেৱাদিদেৱ মহাদেৱ। মনসাৰ জন্ম কাহিনী বৰ ৰহস্যপূৰ্ণ।



এবাৰ শিৱই দক্ষ যজ্ঞত সতীক হেৰুৱাই পাগলৰ দৰে হ'ল আৰু সতীৰ দেহ কান্ধত লৈ ঘুৰি ফুৰিবলৈ ধৰিলে। এনেকৈ ঘুৰি ফুৰা দেখি দেৱতাসকলৰ বৰ দুখ লাগিল। গতিকে তেওঁৰ দুখ মোচন কৰিবলৈ দেৱতা সকলে উপায় চিন্তা কৰিব ধৰিলে। ইয়াকে ভাবি শ্ৰীহৰি ব্ৰজকীট হৈ সতীৰ শৰীৰত প্ৰৱেশ কৰিলে আৰু যাবাই য'তেই জিৰণি লয়, তাতেই একোটা অংগ পেলাই দিবলৈ ধৰিলে। প্ৰথমতে দেৱীৰ চুলিখিনি য'ত পৰিল তাতে কেশী নামৰ তীৰ্থ হৈ পৰিল। দুইচকু য'ত পৰিল তাতে উগ্ৰতাৰা তীৰ্থ হ'ল। মুখৰ সৈতে জিভা য'ত পৰিল সেয়া মহা পুণ্যস্থান-জগন্নাথ হ'ল।

'দুই স্তন পৰিলা নাগৰ কুট গিৰি।
তথা হৈলা মহামায়া জগত ঈশ্বৰী।।
লাভি কাটিয়া বিষ্ণু পৰিলা যেখানে।
লাভি গয়া শিলা সেই সৰে ত্ৰিভুবনে।।
অৰ্দ্ধ-অংগ আছে মাত্ৰ তবু নাহি চাৰে।
নীলাচল পৰ্বতে গৈয়া যোনীমুদ্ৰা পৰে।।
কামাখ্যা নাম তান শাস্ত্ৰ মধ্যে পাই।
যাহাক দৰ শনে আৰু পূৰ্ব জন্ম নাই।।'
(ঠাকুৰীয়া চুৰেণ, চম্পকৰ ঐতিহ্য পৃ- ৮)

সতীৰ দেহ শেষ হৈ যোৱাৰ পিছত শিৱ যেতিয়া অকলশৰীয়া হ'ল তেতিয়া তেওঁ কালীদহৰ পাৰত থকা দুধনাথ পাহাৰলৈ গ'ল আৰু তাতে সতীৰ বিৰহত হা-হুমুনিয়াহ কাঢ়ি থাকিলে। এনেতে এদিন তেওঁ কালিদহলৈ স্নান কৰিবলৈ যাওঁতে এজোপা শ্ৰীফল গছত ওচৰা-ওচৰি থকা দুটি ফল দেখি সতীৰ কথা মনত পৰিল। আৰু লগে লগে তেওঁক কাম স্খলন হ'ল। তেতিয়া তেওঁ কামখিনি পদুম পাতত থৈ দিলে। এদিন দুধনাথ পাহাৰত বাস কৰা এহাল পক্ষী চৰি ফুৰাতে মাইকী চৰাইজনীয়ে পদুম পাতত কিবা জলমলাই থকা দেখা পালে। আৰু ভাল খাদ্য বুলি কামখিনি খাই পেলালে। কিন্তু পেটৰ বিষত ৰ'ব নোৱাৰি মতাটোক কোৱাত একো অনুমান কৰিব নোৱাৰি দুয়ো উৰি আহি শিৱৰ আগত কথাখিনি ক'লে। তেতিয়া শিৱই আচল কথা জানিলে আৰু য'তেই খাইছিল তাতেই উগাৰি পেলাবলৈ উপদেশ দিলে।

শিৱৰ কথামতে পক্ষীজনী গৈ কামখিনি পদুম পাতত উগাৰি পেলালে। তাৰপিছত কামখিনি পাতৰ নলেৰে গৈ পাতালত প্ৰৱেশ কৰিলে। তাত গৈ শূন্যতে জ্বলমলাই থকা দেখি ভয়তে ৰক্ষীয়ে গৈ ৰজা বাসুকীক জনালে। তেতিয়া তেওঁ

ধ্যান কৰি এই কাম মহাদেৱৰ বুলি জানিলে। লগে লগে তেওঁ নির্মানি নামৰ এজনী নাগকন্যাক মাতি আনি কামখিনিৰে মহাদেৱৰ কন্যা এজনী সজাই দিবলৈ ক'লে। নির্মানিয়ে চাৰিহস্ত ত্ৰিশয়্ন কৰি এজনী কন্যা গঢ়িলে। এইজনী কন্যাই হৈছে নাগকন্যা মনসা। মনসাই ধৰ্ম পিতা বাসুকী আৰু ধৰ্ম চলাই নির্মানিক সেৱা জনাই পিতাকৰ ওচৰলৈ যাত্ৰা কৰিলে।

দুধনাথ পাহাৰত থকা শিৱই মনসাক চিনি নোপোৱা বাবে মনসাই বহু কন্দা-কটা কৰিবলৈ ধৰিলে। সেয়ে তাইক শিৱই নাগ মাতা হৈ আহিবলৈ আদেশ দিলে। মনসাই নাগ গণৰ সহিতে নাগেশ্বৰী হৈ আহি পিতাকক বিষদৃষ্টিৰে চোৱাত শিৱ ঢলি পৰিল। তেওঁ ঢলি পৰাত চাৰিওফালে হাহাকাৰ লাগিল। তেনে অৱস্থাত মনসাই দৈৱবাণী শুনিলে 'নাগেশ্বৰী তোমাৰ বিষদৃষ্টিত পিতাৰাই জ্ঞান হেৰুৱাইছে, পুনৰ অমৃত দৃষ্টিৰে চোৱা ভাল হ'ব।' তেতিয়াই অমৃত দৃষ্টিৰে চোৱাত পিতাক পুনৰ জী উঠিল। পৰীক্ষাত উত্তীৰ্ণ হোৱা কাৰণে মনসাক মাতি নি মৰম কৰিলে আৰু জীয়ৰী বুলি স্বীকৃতি দি কৈলাসলৈ লৈ গ'ল। এনেকৈয়ে মনসাই পিতাকৰ মৰম চেনেহৰ মাজত কৈলাসত থাকিবলৈ ল'লে।

খ) মনসা আৰু চন্দ্ৰধৰৰ বিবাদ ঃ

এবাৰ মনসা আৰু নেতা দেৱীয়ে শিৱৰ পৰা অনুমতি লৈ মৰ্ত্যলৈ আহিবলৈ ওলাল। কিন্তু দুয়োকে চম্পক নগৰ নামৰ ঠাইখনত যোৱাটো নিষিদ্ধ কৰি দিলে। দুয়ো বিভিন্ন ঠাইত পূজা খাই শেষত চম্পক নগৰ আহি পালে। চম্পক নগৰৰ মনোমোহা ৰূপ লাৱণ্য দেখি দুয়ো মোহিত হৈ পৰিল। তেতিয়া নেতাই ক'লে এইখনেই চম্পক ৰাজ্য। পিতাই আমাক ইয়ালৈ অহাটো নিষেধ কৰি দিছে। এই ৰাজ্যৰ ৰজা হ'ল চন্দ্ৰধৰ বা চান্দ সদাগৰ। তেওঁ কেৱল শিৱৰ হে পূজা কৰে। সেইবুলি তেওঁ আন দেৱ দেৱী বেয়া নাপায়। ৰজাই যাক পুজিব ৰাজ্যৰ সকলো প্ৰজাই তেওঁৰে পূজা কৰিব লাগিব। যিয়ে ইয়াৰ ব্যতিক্ৰম কৰিব তেওঁক ৰাজ্যৰ পৰা বাহিৰ কৰি দিব । তেতিয়া নেতাই মনসাক ক'লে যে 'তুমি চম্পক ৰাজ্যৰ কোনোবা দুখীয়া মানুহ এঘৰত পূজা খাই ঘৰখন ঐশ্বৰ্য বিভূতিৰে ভৰাই দি চন্দ্ৰৰ স্ত্ৰী সনেকাক আকৰ্ষণ কৰিব লাগিব। সনেকাক হাত কৰি তেওঁৰ দ্বাৰা তোমাৰ পূজা আৰম্ভ কৰিব পাৰিলে কাৰ্য সিদ্ধি হ'ব। গতিকে এনে সময়তে সনেকাৰপৰা পূজা খাই চম্পক নগৰখন ধুনীয়া কৰি তোলা। চম্পক নগৰৰ শ্ৰীবৃদ্ধি দেখি চন্দ্ৰধৰে তোমাৰ পূজা কৰাত আপত্তি নকৰিব। নেতাৰ কথা মতে দুয়ো ব্ৰাহ্মণীৰ ৰূপ ধৰি বৰটাৰী নামৰ এটা দ্বীপত উপস্থিত হ'ল।

সনেকাৰ ভায়েক জালো-মালোৰ সেইদিনা দিন বৰ বেয়া আছিল।



ৰাতিপুৱাৰপৰা জাল পেলাইয়ো এটা মাছ ধৰিব নোৱাৰিলে। জাল মাৰি গৈ গৈ সিহঁত বৰটাৰীৰ ওচৰ পালেগৈ। সিহঁতে দূৰৰ পৰা দেখিলে বৰটাৰীত দুজনী বুঢ়ী মানুহ বৈ আছে। দুয়ো ভয়ে ভয়ে আহি মাত লগালে আইসকল আপোনালোক ইয়াত কিয় বৈ আছে? তেতিয়া দুয়ো ব্ৰাহ্মণীয়ে সিহঁতক চম্পক নগৰত থৈ আহিবলৈ অনুৰোধ কৰিলে। মালোই আপত্তি কৰি ক'লে আইসকল দুজনৰ বাদেই এজনকো নাঁৱত তুলিব নোৱাৰো। যিহেতু ভগা নাওঁ উঠিলেই ডুবি যাব। তেতিয়া দুয়ো ব্ৰাহ্মণীয়ে হাঁহি মাৰি ক'লে ভয় নকৰিবা আমাক কেৱল উঠিবলৈ দিয়া। এইবুলি কৈ দুয়ো ব্ৰাহ্মণী জোৰ কৰি নাঁৱত উঠিলে। কিন্তু আচৰিত দুয়ো ব্ৰাহ্মণী নাঁৱত উঠাৰ লগে লগে নাওখন দহজন মানুহ উঠিব পৰাকৈ মজবুত হৈ পৰিল। এই কাৰ্য দেখি দুয়ো আচৰিত হৈ ভাবি থাকোতে চম্পক নগৰ পালে আৰু তাতে দুয়ো ব্ৰাহ্মণীক নমাই থৈ মালোই দেৱীৰ চৰণত ধৰি ক'বলৈ ধৰিলে, 'আইসকল, আপোনালোক নিশ্চয় মানৱী নহয় কোনোবা দেৱী। আপোনাসবৰ পৰিচয় দিয়ক। আমি ৰাতিপুৱাৰে পৰা এটাও মাছ ধৰিব পৰা নাই। এই বুলি কোৱাত দেৱীয়ে তাক জাল পেলাবলৈ দিলে। এইবাৰ জালখন উঠাবলৈ কোৱাত দেখে এক সুৱৰ্ণৰ ঘট।

দেৱীৰ কথামতে জালোই সেই ঘট মূৰত লৈ সিহঁত দুয়ো কুকুৰমাৰা পালে। দেৱীৰ নিৰ্দেশমতে শাওন মাহৰ শ্ৰীকৃষ্ণা পঞ্চমী তিথিত মহা ধুম ধামেৰে মনসা পূজা আৰম্ভ কৰিলে। পূজাত সন্তুষ্ট হৈ দুয়ো ভায়েকক অতুল সম্পত্তিৰ গৰাকী পাতিলে।

নেতাৰ কথামতে দেৱীয়ে নিশাৰ ভাগত সনেকাক দেখা দি ক'লে, 'সনেকা তোমাৰ গুণ আৰু স্বামীৰ ভক্তিৰ কথা শুনিছো। মই সৰ্পৰাণী মনসাদেৱী। জালো-মালোই মোক ভক্তিভাৱে পূজা কৰাত সিহঁতৰ সম্পত্তি তোমালোকতকৈয়ো বেছি। সনেকা সাৰ পাই সপোনৰ কথাবোৰ ভাবি থাকোতেই ৰাতিপুৱা হ'ল। লগে লগে ব্ৰাহ্মণ, দৈৱজ্ঞ মাতি আনি ভাল দিন বাৰ চাই ৰাইজ, আয়তী, ঢুলীয়া, কালীয়া লগত লৈ সনেকা ভায়েকহঁতৰ ঘৰ পালেগৈ। তেওঁ গৈ দেখে সপোনৰ কথা আখৰে আখৰে সঁচা হৈ আছে। সনেকাই সিহঁতক সুৱৰ্ণৰ ঘট নিবলৈ অহাৰ কথা ক'লে। দুয়ো ভায়েকে হাতযোৰ কৰি আঠুকাঢ়ি সনেকাক কোনোপধ্যেই ঘট দিব নোৱাৰো বুলি ক'লে। তেনেতে দেৱী আহি দুয়ো ভায়েকক সনেকাক ঘটটো দিবলৈ কোৱাত দুয়ো ভক্তিভাৱে ঘটটো আনি সনেকক অৰ্পণ কৰিলে। সকলোৰে মিলি আই মনসাক স্বাগতম জনালে। এইবাৰ নেতাৰ কথামতে দেৱীয়ে সনেকাৰ ৰূপ ধৰি বাণিজ্যত থকা সদাগৰক সপোনত দেখা দি ঘৰলৈ আহিবলৈ বাধ্য কৰালে। চম্পক ৰাজ্যৰ ঘৰে ঘৰে মনসা পূজা কৰা দেখি মহামায়াৰ হিংসা উপজিল। দেৱীয়ে চন্দ্ৰধৰক

দেখা দি ক'লে তোমাৰ ৰাজ্যত বিষহৰি সোমাইছে গতিকে তোমালোকৰ ৰক্ষা নাই। এতিয়া তোমালোকৰ ৰাজ্য নাগৰাজ্যত পৰিণত হ'ব। গতিকে তুমি তাইক ৰাজ্যৰ পৰা বাহিৰ কৰি দিবা আৰু এইয়া তোমাক দিলো 'হেম টাঙোন'। এইবুলি কৈ দেৱী অন্তৰ্ধান হ'ল।

চন্দ্ৰধৰে বনিজৰ পৰা আহি ৰাজ্যৰ পৰিৱৰ্তন দেখি সকলো পাহৰি গ'ল। নিশা মহামায়া আহি খণ্ডত একো নাই হৈ পূৰ্বৰ কথা সোঁৱৰাই দিলে। ৰাতিপুৱাই চন্দ্ৰধৰে হেম টাঙোন লৈ মন্দিৰলৈ গৈ দেখে যে মনসাই আনন্দ মনে পূজা খাই আছে। সনেকাই চন্দ্ৰধৰৰ মনোভাব বুজি পাই কাকুতি-মিনতি কৰিব ধৰিলে। কিন্তু চন্দ্ৰধৰে আগ-পাছ হেম টাঙোনেৰে দেৱীৰ কঁকালত কোব মাৰিলে। কোব খাই দেৱী প্ৰাণলৈ পলাই গ'ল। ইফালে চন্দ্ৰধৰে সুবৰ্ণৰ ঘটকে আদি কৰি পূজাৰ সকলো সামগ্ৰী ভাঙি লণ্ড-ভণ্ড কৰিলে। লগতে সনেকাকো সাবধান কৰি দি মনসাৰ পূজা কৰিবলৈ মানা কৰিলে।

মনসা কৈলাসলৈ গ'ল আৰু চন্দ্ৰধৰে কৰা সকলো অত্যাচাৰৰ কথা শিৱৰ আগত বিৱৰি ক'লে। শিৱই জীয়েকৰ এনে অপমান সহ্য কৰিবহ নোৱাৰি লগে - লগে মনসাক চন্দ্ৰধৰৰ ছয় পুত্ৰক মাৰি পেলাবলৈ আদেশ দিলে। শিৱৰ আদেশ পোৱা মাত্ৰকে মনসাই পাণ্ডু নাগৰ হতুৱাই চন্দ্ৰধৰৰ ছয় পুত্ৰক বধ কৰিলে। চন্দ্ৰধৰে কান্দি কান্দি শিৱৰ ওচৰ পালেগৈ। শিৱই চন্দ্ৰধৰৰ কাতৰ প্ৰাৰ্থনাত নিৰুপাই হৈ মহামন্ত্ৰ প্ৰদান কৰিলে। মহামন্ত্ৰ লাভ কৰি চন্দ্ৰধৰে আনন্দমনে ঘৰলৈ আহি ছয় পুত্ৰক পুনৰ জীয়াই তুলিলে। এইদৰে মনসা আৰু চন্দ্ৰধৰৰ মাজত বিবাদ আৰম্ভ হ'ল। দেৱীয়ে গাৰোসকলৰ ৰাজ্যত থকা চান্দৰ বাগান ধ্বংস কৰাৰ উদ্দেশ্যে সাপবোৰক সৈন্য সজাই এফালৰ পৰা বাগান কাটি ধ্বংস কৰিবলৈ ধৰিলে। বাগান ৰক্ষক আহি চন্দ্ৰধৰক খবৰ দিয়াত তেওঁ ততালিকে সৈন্য লৈ গৈ দেৱীৰ সৈন্যদলক আক্ৰমণ কৰিলে। দুয়ো পক্ষৰ ঘোৰতৰ যুদ্ধ আৰম্ভ হ'ল। ৰজাৰ সৈন্যৰ লগত তিষ্ঠিব নোৱাৰি দেৱীৰ সৈন্যবোৰ যেনি তেনি পলাই পত্ৰং দিলে। ৰজাই এইবাৰ মহামন্ত্ৰ প্ৰয়োগ কৰি ধ্বংস কৰি পেলোৱা সকলো গছ আৰু যুদ্ধত নিহত হোৱা সৈন্যবোৰক জীয়াই তুলি বিজয়ৰ হাঁহি মাৰিলে। দেৱী পৰাজিত হ'ল।

এইদৰে নোৱাৰি দেৱীয়ে সনেকাৰ ভনীয়েক কণকাৰ ৰূপ ধৰি চন্দ্ৰধৰৰ শোৱনি কোঠাত প্ৰৱেশ কৰি ৰূপৰ মায়াজাল বিস্তাৰ কৰি মোহিত কৰিলে আৰু মহামন্ত্ৰ হৰণ কৰিলে। দেৱীয়ে পুনৰ চান্দৰ বাগান ধ্বংস কৰিলে আৰু কাল পাণ্ডু নাগৰ হতুৱাই ছয় পুত্ৰক বধ কৰিলে। ৰজা বৰ নিৰুপায়ত পৰিল আৰু ওজা বিচাৰি চাৰিওফালে মানুহ পঠালে। অৱশেষত শংখপুৰৰ ওজা ধন্বন্তৰীক আনিলে। ওজাই



মন্ত্ৰ মাতি শংখত ফুঁ দিয়াৰ লগে-লগে ছয় পুত্ৰ জী উঠিল। বাগান ধ্বংস কৰিও দেৱীৰ কোনো লাভ নহ'ল। দেৱী পুনৰ পৰাজিত হ'ল।

এইবাৰ দেৱীয়ে ওজা ধন্বন্তৰীক কিদৰে বধ কৰিব পৰা যায় সেই বিষয়ে চিন্তা কৰিব ধৰিলে। দেৱীয়ে নেতাৰ পৰা গম পালে ওজাৰ এক মৰণৰ অভিশাপ আছে। কিন্তু এই কথা ওজা আৰু তেওঁৰ স্ত্ৰী কমলাৰ বাহিৰে আন কোনেও নাজানে।

এদিন দেৱীয়ে মালিনীৰ ৰূপ ধৰি হাতত ফুলৰ কুকি লৈ কমলাৰ ওচৰ পালেগৈ। আৰু কৌশলেৰে দেৱীয়ে কমলাৰ মুখৰ পৰা সেই ৰহস্যৰ কথা উলিয়াই ল'লে। সেই ৰহস্য হ'ল এবাৰ ওজাই সাপৰ খেল দেখুৱাবলৈ পৰীক্ষিত ৰজাৰ ওচৰলৈ গ'ল। কিন্তু সি ওজাৰ কথা নামানি পলায়ন কৰিলে আৰু সি পৌলস্ত নামৰ মুনি এজনৰ খাটৰ তলত লুকাই থাকিল। ওজাই তাক নেজত ধৰি টানিবলৈ ধৰিলে। দুয়োৰ টনা-আজোৰাত মুনি টোপনিৰ পৰা সাৰ পাই উঠিল। তেতিয়া মুনিৰ খং উঠি ওজাক অভিশাপ দিলে।

উদয় কাল ৰহিল আমাৰ খাট তলে।  
এজি সৰ্প খাব ওজাক তাল  
ছয় তোলা বিষ ওজা কৰয় ভক্ষণ  
অপচয় নাহিজয় এক গোটা অন্ন  
এক গোটা অন্ন ওজাৰ যেহি দিন টুটে  
সেহি কালে উদয় যাব ওজাৰ ঘাটে।  
(ঠাকুৰীয়া চুৰেণ, চম্পকৰ ঐতিহ্য, পৃ- ১৮)

ওজাক বধ কৰাৰ পৰম ৰহস্যৰ কথা কমলাৰ পৰা জানি মনসাই উদয়ক আনিবলৈ শিৱৰ ওচৰলৈ গ'ল। কিয়নো উদয় নাগ শিৱৰ জটাত থাকে। দেৱীয়ে কৈলাসলৈ গৈ উদয়ক খোজাত তেওঁ আপত্তি কৰি ক'লে যে লোক হিতকাৰী ওজাক সকলোৱে জানে আৰু সন্মান কৰে। তেনেলোকক বধ কৰা উচিত নহয়। কিন্তু দেৱীয়ে নেৰেহে নেৰে। এসময়ত তেওঁ কান্দি কান্দি অস্থিৰ হৈ বাবাৰ আগত উলংগ হৈ পৰিল। কথা বিষম দেখি শিৱ নিৰুপায় হৈ উদয়ক দেৱীৰ হাতত তুলি দি ধন্বন্তৰীক বধ কৰিবলৈ ক'লে।

দেৱীয়ে উদয়ক আনি শংখ পুৰলৈ গ'ল। আৰু এদিন সুবিধা বুজি ভাতৰ পাতৰ পৰা এটি ভাত হৰণ কৰি নিলে। ভোজন শেষ হোৱাৰ লগে লগে উদয় কাল আহি ওজাৰ ব্ৰহ্ম তালুত দংশন কৰিলে। লগে লগে ওজাৰ অভিশাপৰ কথা মনত পৰিল। তথাপিও ওজাই হাৰ মানিব নুখুজি তেওঁৰ প্ৰধান শিষ্য এজনক মাতি আনি দুটা পোৱা মাছ দি মথুৰাপুৰ পাহাৰলৈ যাব দিলে আৰু সেই পোৱামাছ কেইটা

তাত থকা গছবোবৰ গাত লগাই চাবলৈ দিলে। যিজোপা গছৰ পৰশত মাছদুটা জী উঠিব সেই জোপা গছ মাটিৰ পৰা তুলি আনিবলৈ ক'লে। গুৰুৰ আদেশ মতে সি মথুৰাপুৰ পাহাৰলৈ গ'ল আৰু তাত থকা প্ৰতিডাল গছতে সি পোৱা মাছকেইটা লগাই চাবলৈ ধৰিলে। তেতিয়া সি গুৰুৰ কথামতে মাটিৰেসৈতেগছডাল তুলি লৈ ওজাৰ ঘৰ অভিমুখে আহিবলৈ ধৰিলে। তেতিয়া দেৱী মনসাই ভাবিবলৈ ধৰিলে যদি ওজাই এই গছ পায় তেন্তে তেওঁৰ আশাত চেঁচা পানী পৰিব আৰু মুনিবো অভিশাপ ব্যৰ্থ হ'ব। গতিকে দেৱীয়ে গুৰুত্ব বুজি ওজাৰ স্ত্ৰী কমলাৰ ৰূপ ধৰি তেওঁ ঘৰ পাবলৈ কিছুদূৰ থাকোতেই পথৰ দাঁতিত ইনাই বিনাই কান্দি থাকিল।

ওজাৰ শিষ্যই দূৰৰে পৰা গুৰুৰ পত্নীক দেখি আচৰিত হ'ল আৰু ওচৰলৈ আহি কন্দাৰ কাৰণ সোধাত জানিব পাৰিলে যে ইতিমধ্যে ওজাই প্ৰাণ ত্যাগ কৰিছে। এই কথা শুনিয়েই ওজাৰ শিষ্যই গছডাল তাতে এৰি থৈ ওজাৰ ঘৰলৈ দৌৰি গ'ল। কিন্তু গৈ দেখে ওজাৰ মৃত্যু হোৱা নাই। তেতিয়া শিষ্যজনে কান্দি কান্দি সকলো কথা কোৱাত ওজাই বুজি পালে সময় চমু চাপি আহিছে। গতিকে তেওঁ শিষ্যজনক ততালিকে গৈ গছজোপা লৈ আহিবলৈ ক'লে। কিন্তু তালৈ গৈ দেখে যে দেৱীয়ে গছজোপা নোহোৱা কৰিছে। শিষ্যজনে এই কথা ওজাক কোৱাত তেওঁ বুজি পালে যে তেওঁৰ জীয়াই থকাৰ সকলো পথ এম্বাৰে গ্ৰাস কৰিছে। এনেকৈ ওজাৰ মৃত্যু হ'ল।

ধন্বন্তৰীৰ মৃত্যুৰ পিছত চন্দ্ৰধৰ শক্তিহীন হৈ পৰিল। এই সুযোগতে ছয় প্ৰধান নাগক মাতি আনি দেৱী মনসাই চম্পক নগৰলৈ পঠাই দিলে। সিহঁতে গৈ যথাক্ৰমে পথ শংখ নাগে শ্ৰীধৰক, পদ্মনাগে শ্ৰীকৰক; অনন্ত নাগে গুৱাকৰক, ব্ৰহ্মজাল নাগে মধুকৰক, জলেশ্বৰ নাগে শশধৰক আৰু পুত্ৰ নাগে সৰু পুত্ৰ দুৰ্গাবৰক দংশন কৰি মাৰি পেলালে। ধন্বন্তৰী, ছয় পুত্ৰক বধ হ'ল, হেপাহেৰে সজা বাগান ধ্বংস হ'ল আৰু মহাজ্ঞান হৰণ কৰিলে তথাপি চন্দ্ৰধৰ বিচলিত নহ'ল। মনসাৰ ওচৰত সেই নামানিলে। তেওঁ ঘোষণা কৰিলে যে চম্পক ৰাজ্যত যিয়ে মনসা পূজা কৰিব তাক তিনি আলিৰ মূৰত শূলত দিয়া হ'ব। এই কথা শুনি ৰাজ্যত কোনেও মনসা পূজা নকৰা হ'ল।

দেৱীয়ে এইবাৰ পূজা নোপোৱাৰ পোতক তুলিবলৈ চম্পক নগৰ ধ্বংস কৰাৰ অভিপ্ৰায়েৰে বৰ বৰ নাগবোৰক বৰটাৰীত আৰু সাপৰটাৰীত শক্তিশালী আৰু বিষাক্ত সাপবোৰক লগ কৰি যুদ্ধৰ সাপবোৰক লগ কৰি যুদ্ধৰ আখৰা কৰিবলৈ ধৰিলে।

ধন্বন্তৰীৰ একমাত্ৰ পুত্ৰ মনাই বেজে ততালিকে ৰজালৈ খবৰ পঠালে যে যিকোনো মুহূৰ্ততে মনসা দেৱীয়ে চম্পক নগৰ আক্ৰমণ কৰিব পাৰে। গতিকে



তেওঁক সাজু হৈ থাকিবলৈ ক'ল। তেওঁ ক'লে দেৱীয়ে বিহ দিয়াত বিহৰ ভড়াল পাতিছে। যদি কিবা উপায় বিহবোৰ নষ্ট কৰিব পৰা যায় তেওঁৰ কঁকাল ভাঙিব।

এই খবৰ পায়েই চন্দ্ৰধৰে সৈন্য সামন্ত লৈ বিহদিয়া আক্ৰমণ কৰিলে। কিন্তু দেৱীয়ে তাৰ আগতে বিহবোৰ হৰলুকী কৰি নিলে। খঙতে চন্দ্ৰধৰে বিহৰ পাত্ৰবোৰ ভাঙি শেষ কৰিলে।

হৰলুকী কৰি নিয়া বিহবোৰ থ'বলৈ দেৱীয়ে গুঞ্জুৰী সাগৰৰ পাৰত থকা মাটিৰ পাত্ৰ গঢ়িব পৰা মানুহবোৰক কিছু পাত্ৰ গঢ়াই দিবলৈ ক'লে। কিন্তু তেওঁলোকে এই কাম কৰিবলৈ অমান্তি হোৱাত দেৱীয়ে সিহঁতক অত্যাচাৰ কৰিবলৈ ধৰিলে। দেৱীৰ অত্যাচাৰত ৰ'ব নোৱাৰি যিয়ে যেনি পালে পলাই গ'ল।

### গ) বেউলা আৰু লখিন্দাৰৰ জন্ম কাহিনী ঃ

এবাৰ মনসাই দেৱৰাজৰ লগত লগ লৈ চলনা কৰি উষা আৰু অনিৰুদ্ধক নৃত্যলৈ আহ্বান কৰিলে দুয়ো আহি সুন্দৰ নৃত্য আৰম্ভ কৰিলে। কিন্তু দেৱীয়ে চক্ৰান্ত কৰি এডাল বিষাক্ত সৰ্প দেখুৱাত দুয়ো ক্ষন্তেকৰ বাবে থমকি ৰ'ল, ফলত নৃত্যৰ তাল ভংগ হ'ল এই অপৰাধতে দেৱৰাজে উষা আৰু অনিৰুদ্ধক বাৰ বছৰ মৰ্ত্যত মানৱ-মানৱী হৈ জন্মলাভ কৰিবলৈ অভিশাপ দিলে। দুয়ো বহুতো অনুৰোধ কৰাতো কোনো লাভ নহ'ল আৰু জীৱ দুটা লৈ দেৱী মৰ্তলৈ আহিল। সেই সময়তে চন্দ্ৰধৰে বেহালৈ যাবলৈ ওলাল। বেহালৈ যাত্ৰা কৰাৰ আগনিশা অনিৰুদ্ধৰ জীৱটো আনি বায়ুৰূপে ৰজাৰ শিৰত প্ৰৱেশ কৰাই সনেকাৰ গৰ্ভত স্থিতি কৰালে আনফালে উষাৰ জীৱটো নি সাহে ৰজাৰ ঔৰষত আৰু সুমিত্ৰাৰ গৰ্ভত স্থিতি কৰালে এইদৰে অনিৰুদ্ধই লখিন্দাৰ আৰু উষাই বে উলা নাম ধৰি পৃথিৱীত জন্ম লাভ কৰিলে। দুয়ো দুই ৰাজ্যত থাকি পৱিত্ৰ কলিৰ দৰে বাঢ়িবলৈ ধৰিলে।

### ঘ) বেউলা আৰু লখিন্দাৰৰ বিবাহ ঃ

চন্দ্ৰধৰে এবাৰ দৈৱজ্ঞ আনি হিচাপ কৰাই দেখে যে লখাইৰ বয়স যেতিয়া এঘাৰ বছৰ চাৰি মাহ। সেয়ে তেওঁ লখাইৰ বিয়া পাতিব খুজিলে। কিন্তু সনেকাই আপত্তি কৰি ক'লে যে আমি লখাইৰ বিয়া পাতিব নোৱাৰো। লখাইৰ বিয়া পাতিলেই আমি তাক হেৰুৱাব লাগিব। কিন্তু চন্দ্ৰধৰে কোনোপধ্যে সনেকাৰ কথা নামানিলে। তেওঁ বিষহৰিক ভয় নকৰো বুলি ক'লে। তেওঁ ক'লে যে তেওঁ এনে কন্যা বোৱাৰী কৰি আনিব যিয়ে সতীত্বৰ বলেৰে মৃত স্বামীক জীয়াই তুলিব পাৰিব। তদুপৰি ফুলশয্যাৰ নিশা দুয়োকে নিৰাপদে ৰাখিবলৈ তেওঁ এনে ঘৰ সজাব, য'ত নাগ প্ৰৱেশ কৰাৰ দূৰৰ কথা বতাহো প্ৰৱেশ কৰিব নোৱাৰিব। সেয়ে হ'ব অভেদ্য মেৰঘৰ।

চন্দ্ৰধৰে লখাইৰ কাৰণে ছোৱালী বিচৰা কাম আৰম্ভ কৰিলে। চাৰিওফালে

মানুহ পঠালে কিন্তু কোনেও ছোৱালীৰ সন্ধান দিব নোৱাৰিলে। কিছুদিন অতিবাহিত হোৱাৰ পিছত হঠাতে প্ৰায় তেনেকুৱা এজনী ছোৱালীৰ খবৰ আহিল। যাৰ গাত ৰজাই বিচৰা ধৰণে কিছুমান গুণ পোৱা হৈছে। ছোৱালীজনী হ'ল উজনি ৰাজ্যৰ সাহে ৰজাৰ কন্যা বেউলা। এই খবৰ পাই চন্দ্ৰধৰৰ বৰ আনন্দ লাগিল। বন্ধু কন্যা যেতিয়া কোনো বাধাৰ সৃষ্টি হ'ব নোৱাৰে বুলি সন্তোষৰ হাঁহি মাৰি পলন নকৰি দুয়ো বাপেক-পুতেক কইনা চাবলৈ বুলি উজনিলৈ গ'ল। চিনাকী বন্ধু চন্দ্ৰধৰ যোৱা বুলি শুনি সাহে ৰজা আনন্দিত হ'ল আৰু ৰাজকীয় মৰ্যদাৰে আদৰি নি জিৰণি চ'ৰাত বহিবলৈ দিলে। চন্দ্ৰধৰে নিজ পুত্ৰক সাহে ৰজাৰ লগত চিনাকি কৰি দি ক'লে এই পুত্ৰৰ কাৰণে এজনী সতীকন্যাৰ আৱশ্যক। আপোনাৰ এজনী অলৌকিক গুণ সম্পন্ন কন্যা থকা বুলি জানিহে ইয়ালৈ আহিছো মোক এজনী বোৱাৰীৰ দৰকাৰ যিয়ে লোহাৰ চাউল বিনা জুইৰে ভাত ৰান্ধি খুৱাব পাৰে।

এই কথা শুনি সাহে ৰজা সৰগ পৰা মানুহৰ নিচিনা হ'ল। তেওঁ ক'লে চাওক মিত্ৰ, এনে কন্যা পৃথিৱীতে জন্ম হোৱা নাই। আমাৰ কন্যা বেউলাই কিছুমান অলৌকিক কাম কৰি দেখুৱাইছে কিন্তু এনে কাম কৰা অসম্ভৱ। সাহে ৰজাৰ কথা শুনি চন্দ্ৰধৰে বৰ বেজাৰ মনেৰে ক'লে বৰ আশা কৰিছিলো মিত্ৰ। কিন্তু নহ'ল। কন্যা বিচাৰি নাপায় শেষত সাহে ৰজাৰ অনুৰোধ ক্ৰমে তেওঁলোকে জিৰণি গৃহত বিশ্ৰাম ল'লে।

বেউলাই এই কথা শুনি পিতাকৰ ওচৰলৈ আহি ক'লে পিতা মই শুনিবলৈ পালো আপুনি হেনো অতিথিক নিৰাশ কৰিছে। অতিথি বিমুখ কৰিব নাপায়। তেওঁলোক হেনো আঠ দিনৰ উপবাসী। উপবাসীৰ মুখত অন্ন দিব পাৰিলে মহাপুণ্য হয় আৰু বিমুখ কৰিলে মহাপাপ হয় বেউলাই পিতাকক চিন্তা কৰিবলৈ মানা কৰিলে। তেওঁ ক'লে লোহাৰ চাউলক বিনা জুইৰে ভাত ৰান্ধি খুৱাম। আই মুক্তেশ্বৰীয়ে তেওঁক এই কাৰ্যত সহায় কৰিব বুলি ক'লে। বেউলাই পিতাকক অতিথিক এই কথা জনাবলৈ দিলে। বেউলাৰ কথা শুনি সাহে ৰজা বৰ আচৰিত হ'ল। সাহে ৰজাই গৈ চন্দ্ৰধৰ আৰু পুতেক লখিন্দাৰক এই বতৰা দিয়াত দুয়ো বৰ আনন্দিত হ'ল।

পিছদিনা বেউলাই ব্ৰহ্ম পুৱাতে উঠি স্নান সমাপন কৰি মুক্তেশ্বৰী মন্দিৰলৈ গ'ল। তাতে পূজাৰ কাৰ্য সম্পন্ন কৰি উভতি আহোতে ভৰিৰ পানী গাত পৰা বুলি বিধবা ব্ৰাহ্মণী এজনীয়ে বেউলাক এইবুলি অভিশাপ দিলে যে ফুল শয্যাৰ নিশাতেই তাই বিধবা হ'ব। এনে সাংঘাটিক অভিশাপ পাইয়ো বেউলা বিচলিত নহ'ল। বেউলাৰ আৰু বুজিবলৈ বাকী নাথাকিলে যে সেই ব্ৰাহ্মণীজনী মনসা দেৱীৰ বাহিৰে আন



কোনো নহয়। বেউলাই দেৱীক ক'লে দেৱী যি কৰি আছা সকলো তোমাৰ, কৰ্তব্যলৈ আহিছো যেতিয়া নিজ কৰ্তব্য পালন কৰি যাম। মইয়ো প্ৰতিজ্ঞা কৰিলো যি কোনো উপায়ে স্বামীক জীয়াই জগতৰ বুকুত সতী বুলি পৰিচয় দি যাম।

বেউলাই ঘৰলৈ আহি দেখিলে ৰজা চন্দ্ৰধৰ, তেওঁৰ পুতেক আৰু পিতাক বহি আছে। তাই গৈ তিনিটা উধান চৌকা পাতিলে। এটা হাৰীত পানী দি বহাই দিলে। সকলোৰে সন্মুখত চন্দ্ৰধৰে দিয়া লোহাৰ চাউল ধুই হাৰীত পেলাই দি ওপৰৰ ঢাকনি দি কেউডালমান দুৱৰি আনি খৰি কৰি দিলে।

সকলোৰে হাৰীটোৰ পিনে চাই থাকিল। কাৰো মুখত কোনো কথা নাই। বেউলাই দেৱীক স্মৰণ কৰা মাত্ৰেই কাণে কাণে আহি ক'লে পলম নকৰিবা, ঢাকনি গুচোৱা, নহ'লে ভাত দহি যাব। শুনা মাত্ৰকে বেউলাই ঢাকনি গুচাই দেখিলে এক হাৰী ভাত হৈ আছে। তাকে দেখি উপস্থিত সকলোৰে বৰ আনন্দ লাগিল আৰু তিনিওজনে সেই ভাত বৰ আনন্দমনে গ্ৰহণ কৰিলে তাৰ পিছত ব্ৰাহ্মণ-দৈৱজ্ঞ আনি বিয়াৰ দিনবাৰ ঠিক কৰি দুয়ো চম্পক ৰাজ্যলৈ উভতি আহিল। এই বতৰা পাই চম্পক ৰাজ্যৰ সকলোৰে আনন্দ প্ৰকাশ কৰিলে আৰু বিয়াৰ দিনলৈ আগ্ৰহেৰে বাট চাই ৰ'ল। এইবাৰ চন্দ্ৰধৰে কেশাই নামৰ চম্পক নগৰ সজোৱা মিস্ত্ৰীজনক আনি শিল কাটি লোহাৰ গজালেৰে জোৰা লগাই ঘৰ এটা সজাই দিবলৈ কোৱাত সন্মত হ'ল আৰু লোহাৰ ঘাটৰ পৰা লোহাৰ গজাল সজাই চম্পকলৈ আনি মেৰ ঘৰ সজাৰ কাম আৰম্ভ কৰিলে। দিনে-ৰাতি কাম কৰাৰ ফলত মেৰৰ কাম অতি কম দিনৰ ভিতৰতে শেষ হওঁ হওঁ হ'ল।

এনে সময়তে দেৱী আহি কেশাইক লগ ধৰিলে আৰু মৰমেৰে ক'লে যে মেৰঘৰত মাত্ৰ এডাল চুলি সৰকি যাব পৰাকৈ বিন্ধা ৰাখিব লাগে। কিন্তু কেশায়ে দেৱীৰ কথা মানিবলৈ অমান্তি হ'ল। কেশায়ে আপত্তি কৰাত দেৱীয়ে তাক ভয় দেখুৱালে। সি ভয় কৰিব ক'ত বৰং দৃঢ়স্বৰে উত্তৰ দিলে মেৰঘৰ বান্ধি দিয়াৰ কাৰণে ৰজাই মোক উপযুক্ত বানচ দিছে। গতিকে মই তোমাৰ কথা ৰাখিব নোৱাৰিম। এই কথাত যদি মোৰ প্ৰাণো যায়, বংশ শেষ হৈ যাওঁক, তথাপি মই অকৃতজ্ঞ হ'ব নোৱাৰো। মোক ক্ষমা কৰিবা। কেশাইক কোনোমতে সন্মত কৰিব নোৱাৰি দেৱীয়ে এইবাৰ বেজাৰ মনেৰে ক'বলৈ ধৰিলে কেশাই তুমি মোৰ বেদনাৰ কথা বুজা নাই, দেৱী হৈ মই বাৰে বাৰে মানৱ চন্দ্ৰধৰৰ হাতত পৰাজয়বৰণ কৰিছো। চম্পক ৰাজ্যত কোনেও মোৰ পূজা নকৰে।

দেৱীৰ কথাত কেশাইৰ মন অলপ কুমলিল যদিও নিজৰ কথা নেৰিলে। নিৰুপায় হৈ দেৱীয়ে পুনৰ অনুৰোধৰ সুৰত ক'লে 'শুনা কেশাই, তোমাক অকৃতজ্ঞ

হ'বলৈ নিদিওঁ। ৰজাই যদি কিবা দোষ কৰে তেন্তে তাৰ পৰিণাম স্বৰূপে মোৰ এইখিনি কাম কৰি দিব লাগিব। এতিয়াই ৰজাই তোমাক বিদায় দিবলৈ আহিব, আৰু পাণ-তামোলৰ শৰাইৰে সন্মান জনাই বিদায় দিব। তেতিয়া তুমি যদি চূণ খাবলৈ নোপোৱা তেন্তে মোৰ কথা ৰাখিবা। মেৰৰ ঈশান কোণত এটা বিন্ধা ৰাখি তাক সেন্দুৰেৰে বন্ধ কৰি থ'বা। এই বুলি কৈ দেৱী অন্তৰ্ধান হ'ল। দেৱী যোৱাৰ পাছত কেশায়ে বহু চিন্তা কৰিলে। এজনী দেৱীৰ কাতৰ মিনতিক অৱহেলা কৰিবলৈ মন নগ'ল। অলপ পাছত পাণ-তামোলৰ শৰাই লৈ ৰজা আহি কেশাইৰ ওচৰ পালে। আৰু মেৰঘৰ দেখি বিজয়ৰ হাঁহি মাৰি যথা-যোগ্যভাৱে সন্মান জনাই তেওঁ গুচি গ'ল।

এই সুযোগতে দেৱীয়ে শৰাইৰ পৰা চূণখিনি হৰণ কৰি লৈ গ'ল। কেশায়ে তামোল খাবলৈ বুলি শৰাইৰ পৰা তামোল-পাণ লৈ দেখে যে চূণ নাই। তেতিয়াই দেৱীৰ কথা মনত পৰিল আৰু লগে লগে হাতুৰি-বাতুলি লৈ দেৱীৰ কথামতে মেৰৰ ঈশান কোণত চুলি এডাল সৰকি যাব পৰাকৈ বিন্ধা ৰাখি তাক সেন্দুৰেৰে বন্ধ কৰি থ'লে। অভেদ্য মেৰঘৰত খুঁত ৰৈ গ'ল। চন্দ্ৰধৰৰ কামনাত কেৰোণ লাগিল। তথাপি তেওঁ মেৰঘৰ অভেদ্য হোৱা বুলিয়ে ধৰি ল'লে। ইয়াৰ পিছত তেওঁ লখিন্দাৰৰ বিয়াৰ যা-যোগাৰ কৰাত ব্যস্ত হৈ পৰিল।

আজি লখাইৰ বিয়া। দুৱণিৰ বিয়া আৰু নাৱেৰে যাব লগা কাৰণে আগদিনাই ৰাইজৰ খোৱা বোৱা শেষ কৰি আবেলি পৰত দ'ৰা ঘৰীয়াই নাৱেৰে উজনিৰ সাহে ৰজাৰ ৰাজধানী অভিমুখে যাত্ৰা কৰিলে। শক্তিশালী বঠাধাৰী সকলে তীব্ৰ গতিত নাও বাই ব্ৰহ্মপুত্ৰৰ বুকুৰে গৈ বৰ নদীৰ মুখ পালে। ইতিমধ্যে গুৱালকুছি আৰু হাজোত থকা চন্দ্ৰধৰৰ আত্মীয় সকলেও আহি যোগদান কৰিলে আৰু সকলোৱে মিলি বৰনদীৰে উজাই গৈ ন-ডিঙা নদী পালে। এই নদীৰে গৈ কল্যাণী আৰু কুলশী নদীৰ মিলনৰ বাটেদি উজাই গৈ কল্যাণী নদীৰ পাৰত থকা মুক্তেশ্বৰী তীৰ্থৰ ওচৰত থকা ঘাটবোৰত ডিঙা-বান্ধি দৰা-যাত্ৰী নদীৰ পাৰলৈ উঠি আহিল। এইবাৰ ঢুলীয়া-কলিয়া, ৰাইজ-আয়তীৰ সৈতে দৰা যাত্ৰী আকাশ বতাহ মুখৰিত কৰি কইনা ঘৰ অভিমুখে যাবলৈ ধৰিলে। দৰা যাত্ৰী গৈ ৰভাৰ তলত বহিল। লখাইৰ ৰূপ দেখি কইনা ঘৰীয়া ছোৱালীবোৰে মনে-মনে কিবা কিবি কোৱা -কুই কৰিবলৈ ধৰিলে।

সময় মতে কইনাও আহিল সাইলাক অপেশ্বৰী হৈ। ৰং-ৰহইচৰ মাজৰে বিয়াৰ কাম শেষ হ'ল। দৰা যাত্ৰীক ভোজ-ভাত খাবৰ কাৰণে নিয়া হ'ল বেউলাৰ বিয়া খলা নামৰ ঠাইলৈ। খোৱা লোৱা শেষ কৰি দৰাঘৰীয়া ডিঙালৈ আহিল আৰু ঘৰমুখে যাত্ৰা কৰিলে। দৰা কইনাও দোলাত আহি ৰাওণা গড়ৰ ওচৰত ৰ'লহি। ৰাওনা গড়



এটা প্ৰকাণ্ড গড়। বেউলা আৰু লখিন্দাৰে দোলাৰ পৰা নামি ডিঙালৈ খোজকাঢ়ি যোৱাৰ কাৰণে ইয়াৰ নাম ৰাওনা গড় হয়। ইতিমধ্যে বণিয়া পাৰাত থকা সদাগৰৰ আত্মীয়সকলৰ কিছু সংখ্যক ঘৰলৈ গ'ল আৰু বাকীখিনি চম্পকলৈ আহিবলৈ ধৰিলে। চন্দ্ৰধৰেও দৰা-কইনাক লগত লৈ চম্পক নগৰ পালেহি। সতী বেউলাক চাবলৈ চম্পক নগৰ ভৰি পৰিল। আনন্দ উৎসৱৰ মাজৰে দিনটো অতিবাহিত হোৱাত নিশা দুয়োকে মেৰঘৰত ফুল শয্যাত পাতি দিলে। পালি-পহৰীয়া, হাতী-ঘোঁৰা, নেউল-ময়ূৰেৰে মেৰঘৰ আগুৰি ৰাখিলে। এনেদৰেই আৰু লখিন্দাৰৰ বিবাহ সম্পন্ন হৈ গ'ল।

**মেৰঘৰ সম্পৰ্কে আৰু কিছু কথা ঃ**

চম্পক নগৰস্থিত চান্দৰ মেৰঘৰৰ মন্দিৰবোৰ বেছিভাগেই শিল কাটি যোৱা লগাই লোহাৰ গজালেৰে নিৰ্মাণ কৰা। চন্দ্ৰধৰে মেৰঘৰ আৰু শিৱ মন্দিৰৰ বেদী সাজোতে দক্ষিণ ভাৰতৰ পৰা শিল কাটি লোহাৰ গজালেৰে জোৰা লগাই ঘৰ সাজিব পৰা পাৰ্গত শিল্পী আনিছিল। চম্পক নগৰৰ আজি চিন চাব নাই যদিও বৰ্তমানৰ মঠ পাৰা গাঁৱৰ মাটি খান্দিলে কেৱল শিলকে পোৱা যায়। তদুপৰি এই গাঁৱৰ বাসিন্দা ব্ৰজেন গোস্বামীৰ ঘৰৰ ওচৰৰ মাটিত পোত গৈ থকা দেৱাল এখনৰ সামান্য এটি অংশ ধৰা পৰিছিল। চন্দ্ৰধৰে সজোৱা শিলৰ শিৱমন্দিৰ আজি নাই যদিও শিৱ লিংগৰ সৈতে মূল বেদীখন আজিও আছে আৰু ৰাইজে তাৰ ওপৰতে বৰ্তমানৰ মন্দিৰটো সজাইছে।

এবাৰ মন্দিৰৰ কাম কৰিবলৈ খনন কাৰ্য চলাওতে এটা পুৰণি দিনৰ উন্নত ধৰণে সজা মাটিৰ পাত্ৰত বহুতো ফুল, বেউলাৰ হাৰ এডাল আৰু খাৰু এপাত পোৱা যায়। আকৌ শিৱ মন্দিৰৰ পৰা খৰা পুখুৰীলৈ এটা শিলৰ নলা আছে। খৰা-পুখুৰী নাম সম্পৰ্কে জানিব পাৰি যে চান্দোৰ সম্পৰ্কীয় ভাগিনীয়েক লেঙাক পুখুৰীটোৰ ৰক্ষণা বেক্ষণৰ দায়িত্ব দি কাষত থকাৰ ব্যৱস্থা কৰি দিছিল। লেঙাই আন মানুহক পুখুৰীত পানী ব্যৱহাৰ কৰা বাদেই পাৰলৈকে যাব দিয়া নাছিল। সেই কাৰণে খঙতে মানুহে বাপেকে খান্দি দিয়া খৰাব পুখুৰী বুলি কওঁতে খৰা পুখুৰী নাম হয়।

ব্ৰহ্ম পুৰাতে পূজাৰীয়ে মন্দিৰত পূজা কৰাৰ পাছত তাৰ ফুল পানী সেই নলাৰে আহি পুখুৰীত পৰাৰ লগে লগে লেঙাই গৈ ৰজাক খবৰ দিয়ে। তেতিয়া চান্দোই আহি তাত গা-ধুই উঠিহে শিৱ মন্দিৰত পূজা কৰিবলৈ যায়। আকৌ হীৰা মাটিৰে দ - নাদ এটি মন্দিৰৰ ওচৰতে আছে। ইয়াৰ তলিতো বহুতো গোপন ৰহস্য লুকাই আছে। আগতে ইয়াক তেলৰ নাদ বুলি কোৱা হৈছিল।

**মেৰঘৰ ধ্বংসে ঃ**

কেশৰ বৰুৱা চণ্ডীকা পীঠৰ দলৈ হোৱাৰ পাছত চকু পৰিল মঠ পাৰাত থকা ধুনীয়া মেৰঘৰটোলৈ। তাত কিবা পোৱাৰ আশাত খাৰ-বাকদেৰে মেৰঘৰ ভাঙি চান্দ সদাগৰৰ জীয়া সাক্ষী শেষ কৰি দিয়ে। ভিতৰত থকা বহুতো বস্তু তেওঁ পালে। তাৰ ভিতৰত বহুতো ধন, সোণ, হাঁতীদাঁত, গঁড়ৰ খৰ্গ, সোণ খটোৱা ৰূপৰ হাৰ, সোণৰ আঙুঠি আদি লৈ যায়। লোক প্ৰবাদ মতে মেৰঘৰ ভঙাৰ অপৰাধত তেওঁ এটি মাত্ৰ কন্যা সন্তান জন্ম দি মৃত্যু মুখত পৰে আৰু এক্কে দোষতে তেওঁৰ বংশ চিৰদিনলৈশেষ হৈ যায়।

**সামৰণি ঃ**

অসমৰ প্ৰায়বোৰ ঐতিহাসিক সম্পদৰ ভিতৰত ছয়গাওঁ চম্পক নগৰস্থিত চান্দৰ মেৰঘৰে এক পুৰণিকলীয়া ঐতিহ্য বহন কৰি আহিছে। মেৰঘৰ সম্পৰ্কে নজনা মানুহ গোটেই অসমত নাই বুলিবই পাৰি। এই মেৰঘৰৰ ভিতৰ চৰাৰ পৰিৱেশ অতি মনোমোহা।মেৰঘৰটোৰ চাৰিওফালে থকা বহুতো সৰু-বৰ গছ -গছনিয়ে মেৰঘৰটো আৱৰি ৰাখিছে। মেৰঘৰৰ প্ৰতি আকৰ্ষিত হৈ অসমৰ বিভিন্ন ঠাইৰ পৰা বহুতো লোক মেৰঘৰ দৰ্শন কৰিবলৈ আহে।

আজিৰ পৰা কেইবাশ বছৰ আগতে চান্দ সদাগৰে নিৰ্মাণ কৰা মেৰঘৰটো বৰ্তমান চিন-চাব নাই যদিও ইয়াৰ ধ্বংসাৱশেষবোৰ প্ৰত্নতত্ত্ব বিভাগে সংৰক্ষণ কৰি ৰাখিছে। বৰ্তমান চান্দৰ মেৰঘৰটো প্ৰত্নতত্ত্ব বিভাগে চৰকাৰৰ সহযোগত নতুনকৈ নিৰ্মাণ কৰিছে।

**গ্ৰন্থপঞ্জী ঃ**

১। ঠাকুৰীয়া, চুৰেণ, চম্পকৰ ঐতিহ্য।

**সমল ব্যক্তি ঃ**

১। শ্ৰী নাৰায়ণ দাস (৪৫), ছয়গাওঁ, মঠপাৰা, কামৰূপ
২। শ্ৰীঅনন্ত দাস (৮০), ছয় গাওঁ, মঠপাৰা
৩। শ্ৰী যোগেন শৰ্মা (৮৫), ছয়গাওঁ, পাচম তোলা গাওঁ, ছয় গাওঁ, মঠপাৰা
৪। শ্ৰী ধৰ্মেশ্বৰ দাস (৭০), ছয় গাওঁ, মঠপাৰা

০০০



# অসমৰ বিভিন্ন জনজাতিৰ মাজত প্ৰচলিত বাদ্যযন্ত্ৰ


ময়ূৰী কলিতা
৫ ম ষাণ্মাসিক, অসমীয়া প্ৰধান

অসমত অনেক জাতি-উপজাতি আৰু জনজাতিৰ লোকে বসবাস কৰি আহিছে। তেওঁলোকৰ প্ৰত্যেকৰে নিজৰ নিজৰ চহকী কলা-সংস্কৃতি আছে। সেইসকলৰ নিজ-নিজ কলা-সংস্কৃতিৰ অনেক নাম আৰু আকাৰৰ বাদ্যযন্ত্ৰ আছে। যিহেতু অসমৰ সকলো জাতি-উপজাতি-জনজাতিৰ কলা-কৃষ্টিৰ সমন্বয়ত অসমীয়া বাবে বৰণীয়া সংস্কৃতিয়ে গঢ় লৈ উঠিছে; সেইবাবে সেইসকলৰ কলা-কৃষ্টিৰ বাদ্যযন্ত্ৰবোৰেও অসমীয়া লোক-সংস্কৃতিৰ ভৰাল টনকিয়াল কৰি ৰাখিছে।

ক) মিচিং সকলৰ বাদ্য ঃ মিচিংসকল আমোদপ্ৰিয়। তেওঁবিলাকে বিভিন্ন বাদ্যযন্ত্ৰ নিৰ্মাণ কৰি আনন্দোৎসৱ পালন কৰে। অসমীয়া সমাজ ব্যৱস্থাত প্ৰচলিত ঢোল (দুমদুম), গগণা (গুংগাং), বাঁহী (তাপুং), পেঁপা (পেম্পা), বীণা (বীণ), ঢুলুকি (দলুকি) আদি মিচিঙ সমাজতো প্ৰচলন থকা দেখিবলৈ পোৱা যায়।

তলত মিচিং সমাজত ব্যৱহৃত বাদ্যযন্ত্ৰ সমূহৰ শ্ৰেণী বিভাজন কৰি দেখুওৱা হ'ল।

শ্ৰেণী বিভাজন (মিচিং বাদ্যযন্ত্ৰ)



কবৰীয়া পুৰঠ লাও কাটি ৰ'দত শুকাই তাপুং সঁজুলি নির্মাণ কৰা হয়। লাওটোক গাৰ ফোঁপোলা অংশত ফুটাকৰি পিঃলি (কাঁহ) ভৰাই দি ফু মাৰিলে এক শ্রুতিমধুৰ শব্দ নির্গত হয়। এইবিধ তাপুং বজাই বাঞ্চিত সুৰ বা গীত বজাবলৈ যথেষ্ঠ পাকৈত আৰু অভিজ্ঞ হ'ব লাগে। পিঃপিসংযুক্ত তুম্ব, এজোগ আৰু পুমচু তামুংবোৰ ফু মাৰিলে পিঃলিৰ সংখ্যানুসৰি শব্দবোৰৰ প্রাবল্য নির্ণয় হয়। পিঃলিবোৰ লাওৰ ওপৰ পেটৰ ফালে সংলগ্ন হৈ থাকে আৰু প্রতিটো পিঃলিত এক বা তাতোধিক ফুটা বা বিন্ধা থাকে। এই বিন্ধাইদি বাদকে দুই হাতৰ আঙুলি অবিৰতভাৱে সঞ্চালন কৰি সুৰ বা ধ্বনি উলিয়াব পাৰে।

দবিকি আৰু তুংতুগ তাহংবোৰ বাঁহীৰ নিচিনা। নির্মাণ পদ্ধতিও একেই বুলিব পাৰি। কিন্তু এইবিধ বাদ্যযন্ত্র হেলনীয়া হোৱা বাবে ইয়াক তুঃতুগ অর্থাৎ তলমুখীয়া বুলি ক'ব পাৰি। দীবকি তাপুংবোৰৰ নির্মাণ সঁজুলি, পদ্ধতি তথা বজোৱা প্রণালী বাঁহীৰ নিচিনা একেই। কুএুৰ নামৰ এইবিধ বাদ্যযন্ত্র মনৰ দুখ বেদনা, বিৰহ আদি পাতলাবৰ বাবে বজায়।

দেনতুগ আৰু দুমপাগ অতি সৰল বাদ্যযন্ত্র আৰু ই বাঁহেৰে বনোৱা। এই দুবিধ বাদ্যযন্ত্রৰ মুলমন্ত্র হৈছে আবদ্ধ ছুঙাৰ ভিতৰৰ বায়ুত চাপ প্রয়োগ আৰু শব্দ সৃষ্টি।

বহিংকঃ বগি বাদ্যযন্ত্রৰ সঁজুলিৰ বাবে কবৰীয়া বা ঘৰচীয়া দঁতাল গাহৰিৰ জোঙাল আগদাঁত এটা অপৰিহার্য। লগত তামোল গা-গছৰ এডাল মাৰিৰ প্রয়োজন। মাৰিডালৰ এপিঠিত এক বা ডেৰ ইঞ্চি সমান দুৰত্বত শাৰী শাৰীকৈ কাটি খহটা কৰা হয়। বজোৱাৰ সময়ত মাৰিডাল বাহু বা কান্ধত হেঁচি ধৰি গাঁহৰিৰ দাতটোৰে খহটা অংশত অগা-পিছাকৈ ঘর্ষণ কৰিলে ইয়াৰ পৰা সুমধুৰ সুৰ আৰু ধ্বনি নির্গত হয়।

য়কচা মিচিং সমাজত ব্যৱহৃত সাতামপুৰুষীয়া সম্পত্তি বুলি ক'ব পাৰি। ইয়াৰ ব্যৱহাৰ সীমিত, কিয়নো মিচিং সমাজৰ পুৰহিত মিবুৰ দ্বাৰাহে ইয়াৰ পৰিচালনা সম্ভৱপৰ। সাধাৰণতে লৌহ ধাতুৰ দ্বাৰা নির্মিত এইবিধ সঁজুলি এক দীঘল পোন তৰোৱালৰ নিচিনা।

মিচিং জনগোষ্ঠীৰ বাদ্যযন্ত্রবোৰৰ ভিতৰত য়কচা আৰু মাৰবঙৰ বাহিৰে প্রায়বোৰ যন্ত্রই আনন্দ উৎসৱ পার্বনত ব্যৱহৃত হয়। যিহেতু মিবুৰ বাহিৰে য়কচা কোনেও ব্যৱহাৰ কৰিব নোৱাৰে, সেয়েহে পঃৰাগ, আলি আই লিগাং, লিদগ অনুষ্ঠান অথবা মিবুৰ জৰিয়তে মঙ্গল চোৱাওঁতে য়কচা ব্যৱহাৰ হয়।

ওপৰৰ উল্লিখিত উৎসৱ পার্বনবোৰৰ বাহিৰে মিচিঙৰ আন আন উৎসৱবোৰত



বাদ্যযন্ত্র ব্যৱহাৰ কৰা দেখা নাযায়। যেনে - উৰম, আমৰাগ, দবুৰ, দদগাং, তালীংউই আদিত।

মিচিংসকলৰ বাদ্যযন্ত্রবোৰৰ বিষয়ে বিস্তৃত পৰিসৰত পর্যালোচনাৰ থল আছে। সাতামপুৰুষীয়া এই সংস্কৃতিৰ সম্ভাৰবোৰৰ সংৰক্ষণ আৰু বিজ্ঞানসম্মতভাৱে বিশ্লেষণ আৰু অধ্যয়নে বহুতো নতুনত্ব প্রদান কৰিব পাৰিব, বিশেষকৈ তাহংবোৰৰ। ইয়াৰ প্রয়োগ হোৱা ক'লা-কৌশল আৰু শব্দ তৰংগৰ সৃষ্টিয়ে উন্নত প্রযুক্তিবিদ্যাৰ ক্ষেত্রত সমন্বয় ঘটাব পাৰিব। এইবোৰৰ প্রণালীবদ্ধ গৱেষণাত উন্নত যন্ত্রৰ শাৰীত স্থান লাভ কৰিবলৈ সক্ষম হ'ব পাৰিব বুলি আশা কৰিব পাৰি। কালক্রমত তাপংবোৰৰ ব্যৱহাৰৰ লগতে অভিজ্ঞবাদকৰ অভাৱ হোৱাটোৱে আজি সকলোৰে চিন্তনীয় বিষয় হৈ পৰিছে।

খ) বড়োসকলৰ বাদ্য ঃ অসমৰ অন্যতম প্রধান জনগোষ্ঠীৰ বড়োসকলৰ সাংস্কৃতিক অবদানে অসমীয়া সংস্কৃতিক জীপাল কৰি আছে। তেওঁলোকৰ খেৰাই, হাবাজানাই, বাগৰুম্বা, বৈশাগু আদি চাৰি প্রকাৰৰ উৎসৱ আৰু পূজা পার্বনত ভিন্ ভিন্ নৃত্য-গীতৰ আয়োজন কৰা হয়।

তেওঁলোকৰ নৃত্যগীতৰ আনুষংগিক বাদ্য হিচাপে চের্জা, চিফুং, খাম, বিডি, থামতাল, ওৱা খোবাং, গংগনা, জথো আদি ব্যৱহাৰ কৰে।

১। খাম ঃ বড়োসকলৰ ঢোল জাতীয় বাদ্যযন্ত্রটি হ'ল 'খাম'। 'খাম' এক প্রকাৰ মাদল শ্রেণীৰ বাদ্য। কাঠৰ খোলাত দুয়োফালে চামৰে চাই তাৰ মধ্যত ঘুণ লগাই খাম তৈয়াৰ কৰা হয়। তেওঁলোকৰ নৃত্য গীতৰ প্রধান বাদ্য হিচাপে খামৰ ব্যৱহাৰ অত্যাধিক।

২। চিফুং ঃ 'চিফুং' বড়োসকলৰ এবিধ দীঘলীয়া বাঁহী। ই পাঁচ বা ছটা বিন্ধাযুক্ত। চিফুঙৰ সুৰে সুৰে নচা বিভিন্ন নৃত্যৰ ছন্দই সকলোকে আকর্ষিত কৰিব পাৰে।

৩। চের্জা ঃ চাৰিন্তা নামৰ বাদ্য যন্ত্রটিয়েই বড়ো সমাজৰ 'চের্জা' বাদ্য। এই বাদ্যৰ ব্যৱহাৰ তেওঁলোকৰ মাজত ব্যাপক। চের্জা তাৰযুক্ত বাদ্য ইয়াক ধেপনিৰে সজোৱা হয়।

৪। জথা ঃ খুটিতাল সদৃশ জথাও এবিধ তাল বাদ্য।

৫। থৰ্কা ঃ বিহুনাচ আৰু বিহুনামত সংগত কৰা সাধাৰণ টকা বিধেই বড়ো সমাজতো ব্যৱহৃত হয়। তেওঁলোকে ইয়াক 'থুৰ্কা' বা 'ওৱাখোবাং' বুলি কয়।

৬। গগণা ঃ বিহুৰ অনুষ্ঠানত সংগত কৰা সাধাৰণ টকা বিধেই বড়ো সমাজতো ব্যৱহৃত হয়। তেওঁলোকে গগণাক গংগণা বুলি কয়।

গ) ৰাভা সকলৰ বাদ্য ঃ অসমৰ জনজাতিসকলৰ অন্যতম ৰাভাসকলৰ মাজতো

বহুবিধ বাদ্যযন্ত্রৰ প্ৰচলন আছে। সেইবোৰৰ ভিতৰত ব্ৰাংছি, লাখৰ বাঁহী, হেম বা খাম, খাবা ব্ৰাংছি বা কাড়ানল বাঁহী, জাপখাবা বাঁহী, ছিংগা বাদংদুপ্পা বা বগাডুং, মাঙ্কেলেংকা, গমেনা, গুগুমেল গংগ্ৰেং, দায়াদি বা কামি, বুবুবেঙা আদিয়েই প্ৰধান।

১। ব্ৰাংছি ঃ বাভাসকলৰ বাঁহী বা 'ব্ৰাংছি' বাঁহেৰে তৈয়াৰী এবিধ সুষিৰ বাদ্য। তেওঁলোকৰ বাঁহীত দুই, তিনি বা তাতোকৈ বেছি বিন্ধা কৰি বজোৱা হয়।

২। লাখৰ বাঁহী ঃ লাখৰ শব্দই গৰখীয়া ল'ৰাক সূচায়। গৰখীয়া ল'ৰাই ধেমালি কৰোঁতে এবিধ বাঁহী সাজি বজোৱা দেখা যায়। এই বাঁহীয়েই 'লাখৰ বাঁহী)।

৩। খাম ঃ বাভাসকলে ঢাক আৰু মাদল হিচাবে ঢোল বাদ্য 'হম' আৰু 'খাম' বজায়। নৃত্য গীতৰ সময়ত দীঘল ঢোল অৰ্থাৎ খাম সংগত কৰে।

৪। জাল খাবা বাঁহী ঃ খবা ব্ৰংছি'ৰ দৰে এই জালখাবা বাঁহী এবিধ দীঘল বাঁহী। অৱশ্যে ইয়াক কেইবাটাও বাঁহক চুডা খাপ-খাপকৈ থোৱা লগাই সজা হয়।

৫। ছিংগা ঃ ম'হৰ শিঙৰ ডাঙৰ শিঙা বাদ্যটোকেই বাভাসকলে 'ছিংগা' বাদ্য বুলি কয়। পৰম্পৰাগত ভাৱে তেওঁলোকৰ মাজত ইয়াৰো প্ৰচলন আছে।

ঘ) তিৱাসকলৰ বাদ্যঃ অসমৰ বিশেষকৈ নগাওঁ আৰু মৰিগাওঁ জিলাত তিৱা সম্প্ৰদায়ৰ লোকসকলে বসবাস কৰে। পৰম্পৰাগত ভাৱে তেওঁলোকৰ মাজতো লোককলা সংস্কৃতিয়ে প্ৰসাৰ লাভ কৰি আহিছে। তিৱাসকলৰ প্ৰধান বাদ্যযন্ত্ৰবোৰৰ ভিতৰত খ্ৰাম, খ্ৰামবাৰ, ঢোল, থোবাং আদিয়েই প্ৰধান।

১। খ্ৰাম ঃ প্ৰায় তিনি ফুট দীঘল আৰু আঠ ইঞ্চিমান ব্যাসৰ কাঠৰ খোলা এটাৰ খ্ৰাম তৈয়াৰ কৰা হয়। দুয়োফালৰ খোলা মুখ দুখনত গৰুৰ ছালেৰে ঢোৱা হয় আৰু বৰতিৰে দুয়োকে টনাটনি কৰি ৰখা হয়। হাতেৰে চপৰিয়াই খ্ৰাম বাদ্যটি বজায়।

২। খ্ৰামবাৰ ঃ 'খ্ৰামবাৰ' খ্ৰামতকৈ চুটি আৰু ইয়াৰ খোলাটোৰ মুখৰ ব্যাসো ডাঙৰ। বাকী সকলো খ্ৰামৰ দৰেই ই গঠিত।

৩। ঢোল ঃ সৰ্বসাধাৰণ অসমীয়া সকলে বজোৱা বিহুৰ ঢোলৰ দৰেই তিৱাসকলৰ ঢোলৰ আকৃতিও একে।

৪। দগাৰা ঃ তিৱাসকলৰ অন্য এবিধ ঢোল জাতীয় বাদ্য হ'ল দগাৰা বা তুম্বাং। এই ঢোলৰ আকৃতি চুটি আৰু মুখৰ ব্যাসো বহল। ইয়াৰ দুয়ো মুখ চামৰাৰে ঢোৱা হয়। নাগাৰাৰ দৰে ইয়াক দুডাল মাৰিৰে কোবাই বজোৱা হয়।

৫। পাংচি ঃ তিৱাসকলে 'পাংচি' নামৰ এবিধ বাঁহীৰ অনুশীলন কৰে। অৱশ্যে ই সাধাৰণ বাঁহীতকৈ চুটি।



ঙ) ডিমাছাসকলৰ বাদ্যঃ অসমৰ বিশেষকৈ উত্তৰ কাছাৰ জিলা,নগাওঁ জিলা, কাৰ্বি আলং জিলা আৰু কাছাৰ জিলাত ডিমাচা জনজাতিৰ লোকসকলে বসবাস কৰে। তেওঁলোকৰ 'বুচু' নামৰ বিহুৰ সময়ত বৰ উলহ-মালহ হয় আৰু ইয়াৰ বাবে নৃত্যগীত আদিৰো আয়োজন কৰা হয়। তেওঁলোকৰ নৃত্য গীতত ব্যৱহাৰ হোৱা বাদ্যবোৰ হৈছে - ১) মুৰি, ২) খ্ৰাম, ৩) চুপিন, ৪) মুৰিৱাটিছা আৰু ৫) খ্ৰামডুবুং আদিয়েই প্ৰধান।

১। মুৰিঃ 'মুৰি' (পেঁপা) সাধাৰণতে কাঠৰ দ্বাৰা তৈয়াৰী। ইয়াৰ মুঠ ছটা বিন্ধা আছে। মুৰি বজাবলৈ মিমু (খুৰি)ৰ আৱশ্যক। ইয়াৰ গুকান ন'ৰাত এক ইঞ্চিমান কাটি লৈ বনোৱা হয়। মিমুক সাথিৰ সৰু মুৰটোত বহৱাই ফুঁ দিলে শব্দৰ সৃষ্টি হয়।

২) খ্ৰাম ঃ ডিমাছা ভাষাৰ 'জাচিম' নামৰ গছ এডালৰ তিনি ফুটকৈ কাটি মাজে মাজে খুলিলৈ খ্ৰাম সজা হয়। দেওধনী উঠাৰ দৰে ডিমাছা সমাজতো ধৰ্মীয় অনুষ্ঠান এটিত 'পাগ্ৰী' বুলি একোজন লোকৰ ডাক উঠে। এই 'পাগ্ৰী' জনৰ জক উঠাৰ সময়ত 'মুৰি' আৰু খ্ৰামৰ সুকীয়া সুৰ বজোৱা হয়। এই অনুষ্ঠানত ব্যৱহৃত খ্ৰামটোৰ আকৃতি ছুটি আৰু বহল মুখৰ। ইয়াৰ একালে মাৰিৰে কোবাই আৰু আনফালে হাতেৰে চপৰিয়াই বজোৱা হয়।

৩। চুপিন(বাঁহী) ঃ বাঁহৰ দ্বাৰা চুপিন তৈয়াৰ কৰা হয়। অন্য বাঁহীতকৈ এই চুপিন বাঁহী অলপ পৃথক। 'চুপিন'ৰ মূৰৰ অংশত এটুকুৰা পৃথক বাঁহ খাপ কাটি লগোৱা হয় যাতে সহজে বজাব পৰা যায়। দুটা অংশ সংযোগ কৰি চুপিন তৈয়াৰ কৰা হয়।

৪। মুৰি ৱাটিছা(বাঁহী) ঃ মুৰিৱাটিছা (বাঁহী) সাজিবলৈ এবিধ সৰু বাঁহ (ৱাটিছা) ব্যৱহাৰ কৰা হয়। সৰু ল'ৰাই ইয়াক বজাবলৈ বৰ ভাল পায়। বাঁহৰ নাম ৱাটিছা হোৱা হেতুকে এই বাঁহীৰ নামো 'মুৰি ৱাটিছা' ৰখা হৈছে। মুৰি ৱাটিছাত আঙুলি খোলাই সুৰ সৃষ্টি কৰিবলৈ দুটা বিন্ধা তৈয়াৰ কৰি লোৱা হয়।

৫। খ্ৰামডুবুং ঃ সাধাৰণতে নাৰীসকলে ব্যৱহাৰ কৰা এই খ্ৰামডুবুং (কুম্বা) বনৰ ঠাৰিৰে তৈয়াৰ কৰা হয়। কম্বা ঠাৰিটোৰ পৰা চেঁচু উলিয়াই তাত অন্য ঠাৰি সোমোৱাই এখন চালনীৰ সমানকৈ সজা হয়। চেঁচুবোৰত আঙুলি বুলালে শব্দৰ সৃষ্টি হয়। এফুটমান বহল আৰু ডেৰ ফুটমান দীঘলকৈ এই খ্ৰামডুবুং তৈয়াৰ কৰে। মুৰি আৰু মুৰি ৱাটিছাৰ লগত সুৰ মিলাই এই বাদ্যটি বজোৱা হয়।

চ) কাৰ্বিসকলৰ বাদ্য ঃ অসমৰ অতি প্ৰাচীন জনগোষ্ঠীৰ অন্যতম হ'ল কাৰ্বিসকল।

তেওঁলোকৰ বাবেবহণীয়া লোক সংস্কৃতিৰ অবদানেৰে বৃহৎ অসমীয়া সংস্কৃতিও ঠন ধৰি উঠিছে। তেওঁলোকৰ 'বংকাৰ' 'হাচ্চা' 'চমাংকান' আদি ধৰ্মীয় আৰু সামাজিক উৎসৱ অনুষ্ঠানত নৃত্য-গীতৰ আয়োজন কৰা হয়। এনে সংগীত অনুষ্ঠানত নানা বিধ বাদ্য যন্ত্ৰও সংগত কৰি এইবোৰক আকৰ্ষণীয় কৰি তোলে। কাৰ্বি-সমাজত প্ৰচলিত বিবিধ বাদ্যৰ ভিতৰত - ১। চেং, ২। চেং বুকপ, ৩) মুৰিতংগ, ৪) পাংচে, ৫) চেংচ আদিয়েই প্ৰধান।

১। চেং ঃ কাৰ্বিসমাজৰ আটাইতকৈ জনপ্ৰিয় ঢোলটোক 'চেং' বুলি কোৱা হয়। এটা যোল্ল ইঞ্চি মান দীঘল আৰু দহ ইঞ্চিমান ব্যাসৰ কাঠৰ খোলাৰে চেং তৈয়াৰ কৰা হয়। খোলাটোৰ দুয়োখন মুখ চামৰাৰে বন্ধকৰা হয়। এডাল এফুটমান দীঘল আৰু আগটো ভিৰখোৱা বেতৰ মাৰিৰে এফালে কোবাই আৰু আনফালে হাতেৰে চপৰিয়াই চেং বাদ্যটি বজোৱা হয়। চেং বজোৱা প্ৰধান ঢুলীয়াজনক 'চেংক্ৰুপপি' আৰু সহকাৰীজনক 'চেংক্ৰুপছ' বুলি কোৱা হয়।

২। চেংবুকপ ঃ 'চেংবুকপ' এবিধ কঁকালত বান্ধি বজোৱা ঢোল আকৃতিৰ বাদ্য। কাঠৰ আঠ ইঞ্চিমান দীঘল আৰু আঠ ইঞ্চিমান ব্যাসৰ এটা খোলাত এই বাদ্য নিৰ্মাণ কৰা হয়। খোলাটোৰ মুখখন প্ৰায় আঠ ইঞ্চি মান ব্যাসৰ। ইয়াক চামৰাৰে বন্ধ কৰা হয়। আনফালে কাঠেৰে বন্ধ হৈ থাকে। চেংবুকপে বাদ্যটি দুডাল মাৰিৰে কোবাই বজোৱা হয়।

৩। মুৰিতংগ ঃ চেহনাইৰ দৰে আকৃতিৰে কাঠ এডাল খুলি 'মুৰিতংগ' তৈয়াৰ কৰা হয়। ইয়াত থকা দুটা বিন্ধাত আঙুলি বুলাই সুৰ তোলা হয়।

৪। পাংচে ঃ বাঁহৰ দ্বাৰা তৈয়াৰী বাঁহী বিধকেই কাৰ্বি সকলে 'পাংচে' বুলি কয়। তেওঁলোকৰ সংগীত জগতত উপৰোক্ত দুয়োবিধ বাঁহীয়েই বহুলভাৱে প্ৰচলিত।

৫। চেংচ ঃ কাৰ্বি সকলেও সচৰাচৰ বাঁহেৰে তৈয়াৰী খুটিতাল বাদ্যটি ব্যৱহাৰ কৰে। ইয়াক তেওঁলোকে 'চেংচ' বুলি কয়।

ছ) জেমী নগাসকলৰ বাদ্য ঃ অসমৰ উত্তৰ কাছাৰ পাৰ্বত্য জিলাত বসবাস কৰা জেমী নগাসকলেও তেওঁলোকৰ জাতীয় কৃষ্টি বজাই ৰাখি বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ পালন কৰে। তেওঁলোকে গোটেই বছৰ ধৰি পালন কৰা কৃষি উৎসৱ সমূহৰ ভিতৰত 'হেলেই বামৰে' 'চাং বামৰে', 'ফকফাটমি', 'ইংকামডি', 'চিয়ামি' 'কাগাধেই' আদিয়েই প্ৰধান। এই উৎসৱ সমূহ পালনৰ সময়ত খোৱা-বোৱাৰ উপৰি নৃত্য-গীত আৰু বাদ্যৰ অনুশীলনৰ লগতে সাংস্কৃতিক অনুষ্ঠানো পৰিবেশন কৰে -



তেওঁলোকৰ বহুবিধ বাদ্যযন্ত্ৰৰ ভিতৰত - ১) ইনচুম ঢোল, ২) হেমবেও কাঁহ, ৩) ইনটুবাই কৰতাল, ৪) কেবুইকে, ম'হৰ শিঙৰ দীঘল শিঙা, ৫)মেটিপম, বাঁহৰ বাঁহী আদিয়েই উল্লেখযোগ্য।

এইবোৰৰ ঐক্য সুৰ সমলয়ৰ উপৰি গীতৰ লগতো উৎসৱ মুখৰ পৰিৱেশত বাদ্যবোৰ সংগত কৰা হয়। গীত-মাত আৰু বাদ্যৰ ছেৱে জুমে-জুমে ডেকা-গাভৰুৱে জাতীয় পোচাক পৰিচ্ছদ পৰিধান কৰি হিয়া উজাৰি নাচে।

জ) কুকি সকলৰবাদ্য ঃ কুকিসকলৰ বহুবিধ বাদ্যযন্ত্ৰ আছে সেইবোৰৰ ভিতৰত ঘন, সুষিৰ, তত, আৰু আনদ্ধ শ্ৰেণীৰ সকলো বাদ্যই দেখা যায়।

ঘন বাদ্যৰ ভিতৰত ঃ ১) দাহ্‌পি, ২) দাহৱু আদি।

সুষিৰ বাদ্যৰ ভিতৰত ঃ ৩) ফেইফিট ৪) গচেম

তত বাদ্যৰ ভিতৰত ঃ ৫)চেলংদাহ বাদ্য বিধেই প্ৰধান।

আনদ্ধ বাদ্যৰ ভিতৰত ঃ (৬) খুবং আদি।

১। দাহ্‌পি ঃ ৰৰকাঁহ খনকেই কুকি সকলে 'দাহ্‌পি' বোলে। কুকিসকলৰ পৰিয়ালবোৰৰ ই এক আপুৰুগীয়া সম্পদ। বিয়া বাৰুৰ সময়ত কন্যাৰ লগত এনে সম্পদ দিব পাৰিলে কন্যাৰ অভিভাৱকৰ সম্মান বাঢ়ে।

২। দাহৱু ঃ 'দাহপি'তকৈ আকাৰত সৰুকৈ সজা কাঁহবিধক 'দাহ্‌বু' বাদ্য বোলা হয়।

৩। ফেইফিট ঃ ফেইফিট এবিধ, সুষিৰ বাদ্য। চিকাৰীসকলে ডাঙৰ জীৱ-জন্তু চিকাৰ কৰি অনাৰ বাবে তেওঁলোকক সম্মান জনাবলৈ 'ফেইফিট' বাদ্য বজাই নৃত্য-গীত আয়োজন কৰাৰ প্ৰথা কুকি সমাজত প্ৰচলিত। এইবিধ বাদ্য বাঁহৰ চুঙাৰে সজা হয়। বাঁহৰ চুঙাৰে সজা এইবিধ বাদ্যক কুকিসকলৰ উপৰি মৰে, বেইটে, তাইফে আদি জাতিৰ লোকেও বজায় আৰু এইদৰেই চিকাৰীক সম্মান জনাবলৈ 'ফেইফিট নাম' নৃত্যানুষ্ঠানৰো আয়োজন কৰে।

৪) গচেমঃ 'গচেম' কুকি জাতিৰ অন্য এবিধ বিশেষ পেঁপা বাদ্য। এটা তিতাশাধৰ খোলাৰ মাধ্যভাগত দুশাৰীকৈ বাঁহী ভৰাই লাউটোৰ মুখৰ ফালে ফুঁ দি এইবিধ পেঁপা বজোৱা হয়। কুকিসকলৰ দৰে বাংখল, মাৰ, ভাইফে আৰু বেইটে সকলেও পৰম্পৰাগতভাৱে এই 'গচেম' বাদ্যৰ ব্যৱহাৰ কৰি আহিছে।

৫। চেলেংদাহ ঃ অসমৰ সৰ্বসাধাৰণ লোকে ব্যৱহাৰ কৰা চাৰিন্তা বা চেপ্টা বাদ্যটিকেই কুকি সকলে 'চেলেংদাহ' বোলে। তেওঁলোকৰ মাজত ইয়াৰো বহুল প্ৰচলন আছে।

ঝ) দেউৰী সকলৰ বিশেষ বাদ্য ঃ অসমৰ বৰ্তমান লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ,

যোৰহাট আৰু শোণিতপুৰ জিলাত দেউৰী জনজাতিৰ সৰহসংখ্যক লোকে বসবাস কৰি আছে। তেওঁলোকে বছৰৰ বিভিন্ন সময়ত অনেক উৎসৱ - পাৰ্বন, পূজা-পাতল আৰু সামাজিক আচাৰ অনুষ্ঠানত বিবিধ লোকনৃত্য গীত পৰিৱেশন কৰি আহিছে। বহু প্ৰকাৰৰ বাদ্যযন্ত্ৰ সংগত কৰি এই অনুষ্ঠানসমূহ অধিক আকৰ্ষণীয় কৰি তোলা হয়। তেওঁলোকৰ মাজত ব্যৱহৃত এনে বাদ্যবোৰৰ ভিতৰত ঢোল, 'দুকৃম' বাদ্যটিয়েই বিশেষ স্থান অধিকাৰ কৰি আহিছে। তদুপৰি তাল, পেঁপা, গগণা, টকা, টোকাৰী, কাঁহ, ঘন্টা, বীণ, বাঁহী, খোল প্ৰভৃতি বাদ্য অতি পূৰণি কালৰে পৰা তেওঁলোকৰ মাজত প্ৰচলন হৈ আহিছে।

ঝ) **হাজং সকলৰ বাদ্য ঃ**

অসমৰ অন্যান্য জনগোষ্ঠী হ'ল হাজং সকল। তেওঁলোকৰ সংস্কৃতিৰ বহু ক্ষেত্ৰত ওচৰ চুবুৰীয়া জাতি-উপজাতিৰ প্ৰভাৱ পৰা লক্ষ্য কৰা যায়। অসমৰ সৰ্বসাধাৰণে ব্যৱহাৰ কৰা বাদ্য কিছুমানেই তেওঁলোকেও ব্যৱহাৰ কৰা দেখা যায়। সেইবোৰৰ ভিতৰত মাদলৰ দৰে দুয়ো মুখে চামৰাৰে ঢোৰা আৰু 'খিকতা' অৰ্থাৎ ঘুণ লগোৱা ঢোল বা 'ঢোলকি' বাঁহৰ 'বাশী', খুটিতাল, 'চবাস' বা দোতোৰা, 'চুতি' বা কৰতাল, লাওঁটোকাৰী, নিডুং অৰ্থাৎ খোল, আনন্দ লহৰী, কুড়িমাও' বা শংখ 'দাঙ্দাঙা' বা কাঁহ, জাপাকৰতাল বা ভোৰতাল, 'ডুপকি' অৰ্থাৎ খঞ্জৰী আৰু ডগৰ আদি বাদ্য যন্ত্ৰই উল্লেখযোগ্য। এই বাদ্যবোৰৰ বাহিৰেও বৰ্তমান আধুনিক বাদ্যসমূহো তেওঁলোকৰ লোকনৃত্য গীতত সংগত কৰিবলৈ লৈছে।

স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত অসমীয়া লোকসংস্কৃতিৰ বাদ্যযন্ত্ৰসমূহ আমাৰ সমাজত সদায়েই জীৱন্ত হৈ থাকিব। অতীজৰে পৰা চলি অহা বিভিন্ন বাদ্যযন্ত্ৰসমূহ আজিও আমাৰ সমাজৰ লোকৰ মাজত ব্যৱহাৰ হৈ আছে। অৱশ্যে ইয়াৰ ব্যৱহাৰৰ স্থান সময়ৰ লগে-লগে সলনি হৈ আহিছে। যেনে- ঢোল, পেঁপা, গগণা আদি বাদ্যযন্ত্ৰসমূহ আগতে ডেকা-গাভৰুৱে পথাৰত বিহু পৰিৱেশন কৰোঁতে ব্যৱহাৰ কৰিছিল কিন্তু বৰ্তমান এই বাদ্যযন্ত্ৰবোৰ বিভিন্ন প্ৰতিযোগিতামূলক সামূহিক অনুষ্ঠানতো ব্যৱহাৰ কৰা দেখা যায়।

অসমত প্ৰচলিত বাদ্যযন্ত্ৰসমূহৰ ঠাই ভেদে বেলেগ - বেলেগ হোৱা দেখা যায়। জনজাতীয় লোকৰ মাজত প্ৰচলিত বাদ্যযন্ত্ৰসমূহৰো গঠন প্ৰণালী যদিও একে সেইবোৰৰ নাম বেলেগ বেলেগ হোৱা দেখা যায়। বিশেষ মন কৰিবলগীয়া কথা যে অসমত থলুৱা বাদ্যযন্ত্ৰ - ঢোল, পেঁপা, টকা, গগণা, টোকাৰী, বীণ, বাঁমতাল,



খোল, সুতিলি, কড়িতাল আৰু পাহাৰ-ভৈয়াম উভয়ৰে পট ভূমিকাত গঢ় লোৱা অন্যান্য বাদ্যযন্ত্ৰ তেনে কোনো বিশেষ প্ৰভাৱ পৰা নাই। নানা জাতি উপজাতিৰ সমন্বয়ৰ কৃষ্টিৰ হেঙুল হাইতালৰ বঙেৰে বোলোৱা ঐতিহ্যমণ্ডিত বাদ্যযন্ত্ৰই বিবৰ্তনৰ সোঁতত উতি ভাঁহি আহি সাম্প্ৰতিক অসমীয়া সমাজৰ বৰপীৰা পাৰি বহিছে।

**গ্ৰন্থপুঞ্জী ঃ**


- দুৱৰা, ধৰ্মেশ্বৰ, অসমৰ বাদ্যযন্ত্ৰ, ২০০৫।
- পাটৰ, পদ্ম, জনজাতি সমাজৰ সংস্কৃতি, ২০০৮।
- বৰুৱা, বিৰিঞ্চি কুমাৰ, অসমৰ লোক-সংস্কৃতিৰ আভাস, ২০১১।
- বৰদলৈ, নিৰ্মলপ্ৰভা, অসমৰ লোক-সংস্কৃতি, ২০০১।


০০০

# শ্রী সূর্যপাহাৰ - এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

ৰবিতা বৰ্মন

৫ ম ষাণ্মাসিক, অসমীয়া প্ৰধান

**শ্রীসূর্যপাহাৰৰ পৰিচয় ঃ**

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত অৱস্থিত অসম এখন গুৰুত্বপূৰ্ণ ঠাই। এইখন অসমতে ভাৰতৰ বহুতো প্ৰাচীন মঠ-মন্দিৰ দেখিবলৈ পোৱা যায়। অসমৰ ভৌগলিক অৱস্থান প্ৰব্ৰজনৰ ফালৰ পৰা সুবিধাজনক বাবে ইয়াত ভিন-ভিন ধৰ্মৰ লোকৰ আগমন ঘটে। সেয়েহে ইয়াত হিন্দু ধৰ্মৰ উপৰিও আন আন ধৰ্মৰ প্ৰভাৱো দেখিবলৈ পোৱা যায়। নামনি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত শ্রীসূর্যপাহাৰ অসমৰ এখন তাৎপৰ্যপূৰ্ণ ঠাই। ই হিন্দু, বৌদ্ধ আৰু জৈন এই তিনিটা ধৰ্মৰ মিলনক্ষেত্ৰ হিচাপে পৰিগণিত হৈ আহিছে।

শ্রীসূর্যপাহাৰৰ সম্পৰ্কে কোনো নতুন বুৰঞ্জী পোৱা নাযায় যদিও, কালিকা পুৰাণত ইয়াৰ নাম 'ভাস্কৰ পৰ্বত' আৰু শিৱপুৰাণত ইয়াৰ নাম 'ৰবিক্ষেত্ৰ' বুলি পোৱা যায়। এই দুয়োটা নাম শ্রীসূর্য দেৱতাৰ নাম। শ্রীসূর্যপাহাৰত মুঠতে সাতোটা চূড়া আছে আৰু সেইকাৰণে বোধকৰো ইয়াক 'সাতালী পৰ্বত' নামেৰেও জনা যায়। সূৰ্যপূজাৰ লগত জড়িত হোৱা বাবে কালক্ৰমত ই শ্রীসূর্যপাহাৰ নামেৰে জনাজাত হয়। শ্রীসূর্যপাহাৰ আৰু ইয়াৰ ওচৰত লাগি থকা অঞ্চলবোৰক পুৰাতত্ত্ব বিষয়ৰ ফালৰ পৰা চাই ইয়াৰ উল্লেখ অসম বুৰঞ্জীত থাকিব লাগিছিল যদিও, তেনে কোনো কথা উল্লেখ নাই। গোৱালপাৰা জিলা পুৰণি কামৰূপৰ এটা গুৰুত্বপূৰ্ণ অংশ আছিল বুলিও কোৱা হয়। পুৰাতত্ত্ব বিষয়ৰ ফালৰ পৰা চালে শ্রীসূর্যপাহাৰ উত্তৰ-পূৰ্বৰ ভিতৰতে অতি পুৰণি আৰু গুৰুত্বপূৰ্ণ ঠাই। ভাৰতবৰ্ষত প্ৰচলিত তিনিটা প্ৰাচীন ধৰ্মৰ ভাস্কৰ্য ইয়াত পোৱা যায়। ইয়াত থকা বৌদ্ধস্তূপবোৰ আটাইতকৈ পুৰণি আৰু জৈন ভাস্কৰ্যবোৰ খ্ৰীষ্টাব্দ নৱম শতিকাৰ বুলি ঠাৱৰ কৰা হৈছে।



(ক) ভৌগলিক অৱস্থান

শ্রীসূর্যপাহাৰ গোৱালপাৰা জিলাৰ গোৱালপাৰা চহৰৰ পৰা দক্ষিণ - পূবে প্ৰায় ১২ কিলোমিটাৰ দূৰত অৱস্থিত। ই গুৱাহাটীৰ পৰা উত্তৰ-পশ্চিমে প্ৰায় ১৩৬ কিলোমিটাৰ দূৰত অৱস্থিত। শ্রীসূর্যপাহাৰ সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ৩৫ মিটাৰ ওখত। ই পাহাৰীয়া তথা সমতল ভূমিৰে বিস্তৃত হৈ আছে। ইয়াৰ মাটিকালি প্ৰায় ২৫২৫ বিঘা। ইয়াৰে ১৩৪ বিঘা ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ দ্বাৰা সংৰক্ষিত।

শ্রীসূর্যপাহাৰৰ চাৰিসীমা এনেধৰণৰ -

উত্তৰে - ৰঙাচৰণ পাহাৰ

দক্ষিণে - ভাটিপাৰা গাওঁ

পূবে - সৈনিক স্কুল, গোৱালপাৰা আৰু

পশ্চিমে - ডুবাপাৰা গাওঁ।

শ্রীসূর্যপাহাৰৰ তাপ উষ্ণতা ৩১.৬ ছেলছিয়াছ আৰু ইয়াত বৰষুণৰ পৰিমাণ ২০৫৫ ছেন্টিমিটাৰ।

খ) কিংবদন্তিমূলক বিশ্বাস

সুদৃশ্য নিজৰাৰ কুলু-কুলু ধ্বনিৰে মুখৰিত অসংখ্য বিগ্ৰহ আৰু মূৰ্তিৰে ভৰা শ্রীসূর্যপাহাৰ সম্পৰ্কে বহুত কথা শুনা যায়। জনশ্ৰুতি মতে ইয়াত এটা কম এক লাখ শিৱলিংগ আছে। জনসাধাৰণে বিশ্বাস কৰে যে ভগৱান ব্যাসদেৱে অন্য এক কাশী ৰচনা কৰিবলৈ হেনো ইয়াত ইমানবিলাক শিৱলিংগ শিলত কটাইছিল। সেই কাৰণে এই পাহাৰক আজিও ব্যাস-পাহাৰ বুলি জনা যায়। প্ৰচলিত লোকবিশ্বাস মতে ইয়াত থকা আকাশীগংগাৰ পানী খালে গড়ল বেমাৰ ভাল হয়। অপুত্ৰক সকলে পুত্ৰ প্ৰাপ্তিৰ কাৰণেও ইয়াত থকা গণেশকুণ্ডৰ গণেশক পূজা কৰা দেখা যায়।

**শ্রীসূর্যপাহাৰত বৌদ্ধধৰ্মৰ অস্তিত্ব ঃ**

বৌদ্ধ ধৰ্ম অসমত এটা গোপন ৰহস্যৰ নিচিনা হৈ আছে। ভাৰতবৰ্ষত বৌদ্ধধৰ্মৰ বিষয়ে কোনো সবিশেষ বা বহল তথ্য পোৱা নাযায়। আনকি ভগৱান বুদ্ধৰ জীৱনৰ বুৰঞ্জীতো কোনো বিশেষ তথ্য পোৱা নাযায় যদিও বুদ্ধদেৱৰ পুনদাবৰ্দ্ধনৰ পৰা জেতবনলৈ যোৱা ভ্ৰমণকালৰ এটি তথ্য পোৱা গৈছে। মহান মৌৰ্যসম্ৰাট অশোকৰ ৰাজত্ব কালত বৌদ্ধধৰ্মৰ কোনো সবিশেষ ব্ৰহ্মপুত্ৰ উপত্যকাত পোৱা নাই। কিন্তু এটা কথাৰ প্ৰমাণ পোৱা গৈছে যে - মৌৰ্যসাম্ৰাজ্যৰ বৃদ্ধি পশ্চিমবংগ বা পুণ্ডীৰ নগৰলৈকে আছিল। যেতিয়া কামৰূপৰ ৰজা ভাস্কৰবৰ্মাৰ নিমন্ত্ৰণত চীন পৰ্যটক হিউৱেন চাং অসমত আহিছিল তেতিয়া হিউৱেন চাঙে তেওঁৰ লিখনিত অসমত যে বৌদ্ধধৰ্মৰ কোনো অস্তিত্ব নাছিল সেই কথা উল্লেখ কৰিছে।

পুৰাতাত্ত্বিক গৱেষণা মতে নামনি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বৌদ্ধধৰ্মৰ অৱস্থান নাছিল। গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰ পাৰত অৱস্থিত পঞ্চৰত্ন পাহাৰ আৰু সূৰ্যপাহাৰে ইয়াৰ প্ৰমাণ উদঙাই দিয়ে। হীনযান বৌদ্ধসকলে পশ্চিমবংগৰ পৰা নদীক যাত্ৰাপথ হিচাপে লৈ ব্ৰহ্মপুত্ৰ উপত্যকাত আহে আৰু ইয়াত তেওঁলোকে উপনিৱেশ স্থাপন কৰে। ই হয়তো বেপাৰ বা বাণিজ্যিক কেন্দ্ৰ আছিল আৰু এই কেন্দ্ৰৰ পৰা তেখেতসকলে অসমত বৌদ্ধধৰ্মৰ প্ৰবৰ্তন কৰে। গতিকে এটা কথা ক'ব পাৰি যে খ্ৰীষ্টপূৰ্ব তিনি শতিকাত যেতিয়া মহান সম্ৰাট অশোকে তেখেতৰ সাম্ৰাজ্য পশ্চিমবংগলৈ বিস্তাৰিত কৰে, সেই সময়ছোৱাত বেপাৰ বাণিজ্যৰ কাৰণে ব্ৰহ্মপুত্ৰ উপত্যকাত বৌদ্ধ, ব্ৰাহ্মণ, হিন্দু তথা জৈন ধৰ্মৰ লোকসকলৰ আৱিৰ্ভাৱ হয় আৰু ইয়াক বাণিজ্যিক তথা সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলে। খ্ৰীষ্টপূৰ্ব প্ৰথম বা তাৰ আগৰ শতিকাত হীনযান বৌদ্ধসকলে সূৰ্যপাহাৰখনক তেখেতসকলৰ ধৰ্মৰ কেন্দ্ৰবিন্দু হিচাপে লয়। তাত তেওঁলোকৰ উপস্থিতি প্ৰমাণ হিচাপে ডাঙৰ বৌদ্ধস্তূপবোৰ গ্ৰেনাইট শিল বা জৈন শিলত খোদিত কৰি থৈ গৈছে। এনেকুৱা মনোমোহা শিলত কটা বৌদ্ধস্তূপ সূৰ্যপাহাৰত কেইবাটাও পোৱা গৈছে। বেলেগ-বেলেগ আকাৰ-আকৃতি থকা এই বৌদ্ধস্তূপবোৰ সংশ্লিষ্ট পূৰ্বতে বনোৱা। এই বৌদ্ধস্তূপবোৰত আকাৰ-আকৃতিৰ ক্ষেত্ৰত বিভিন্ন বৈশিষ্ট্য দেখা যায়।

পাহাৰৰ নামনিৰ উত্তৰ-পূৱ সীমাৰ কোণত অৱস্থিত পৰিত্যক্ত অৱস্থাত থকা গ্ৰেনাইট শিল এটাত তিনিটা শিলত কটা বৌদ্ধস্তূপ আছে। তিনিওটা উত্তৰৰ পিনে শাৰী শাৰী হৈ আছে আৰু ইহঁতৰ মুখ কেইখন পূব মুৱা হৈ আছে। মাজৰ স্তূপবোৰ আকাৰ-আকৃতি আন দুটাতকৈ তুলনামূলকভাৱে ডাঙৰ। ইয়াৰ উচ্চতা ১.৬০ মিটাৰ। ইয়াৰ বাওঁফালে থকা বৌদ্ধস্তূপটোৰ উচ্চতা ১.২০ মিটাৰ আৰু সোঁফালে থকা বৌদ্ধস্তূপটোৰ উচ্চতা ১.৫০ মিটাৰ। এই তিনিওটা বৌদ্ধস্তূপৰ মাজে মাজে ভক্তই প্ৰদৰ্শন কৰিব পৰাকৈ খালী ঠাই আছে। বৌদ্ধস্তূপৰ আকাৰ-আকৃতিৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি তলত দিয়া নামবোৰ ৰখা হৈছে -

১। বেদী (ভূমি বা তলভাগ)
২। মেদী (মাজৰ ভাগ)
৩। অণ্ডা (ওপৰৰ ভাগ)
৪। হৰমিকা (ওপৰৰ সমতল ভাগ)

ওপৰৰ স্তূপকেইটাৰ অলপ পিছত দুটা আৰু পৰি থকা ডাঙৰ শিল এটাৰ ওপৰত ছয়টাকৈ বৌদ্ধস্তূপ নিৰ্মাণ কৰা হৈছে। কিন্তু বৰ্তমান এই স্তূপকেইটা অংগহীনতা অৱস্থাত আছে। পাহাৰৰ ওপৰৰ পৰা ১০০ মাইল দূৰ পাহাৰৰ নামনিলৈ



বৈ অহা নিজৰা এটাৰ পাৰৰ ওচৰতে আঠটা শিলত কটা বৌদ্ধস্তূপ আছে। তাৰ ভিতৰত এটাৰ আকৃতি বাকীবোৰতকৈ ডাঙৰ। ইয়াৰ উচ্চতা প্ৰায় ১.৫ মিটাৰ। পাহাৰৰ দক্ষিণ পিনৰ বৈ অহা নিজৰাৰ পাৰতে বৌদ্ধস্তূপৰ গোট এটা দেখা পোৱা গৈছে। বছৰ বছৰ দিন ধৰি শক্তিশালী নিজৰাৰ পানীৰ সোঁতত বা ভূমিকম্পৰ ফলত হোৱা শৈলস্খলনৰ টুকুৰাবোৰ পাহাৰ তথা নিজৰাৰ পাৰতে জমা হৈ একত্ৰিত হৈ আছে। এই একত্ৰিত শিলৰ ওপৰত ছয়টা মজলীয়া বৌদ্ধস্তূপ আছে। কিন্তু আন বৌদ্ধস্তূপবোৰৰ লগত ইহঁতৰ আকাৰ আকৃতিৰ অমিল দেখা যায়। সম্ভৱতঃ এই স্তূপবোৰ খ্ৰীষ্টপূৰ্ব প্ৰথম বা দ্বিতীয় শতিকাতে বনোৱা। ইয়াৰ পৰা আধা কিলোমিটাৰ মান নিলগত দক্ষিণ পিনে অৰ্থাৎ জৈন গুহালৈ যোৱা পথৰ ওচৰতে আন এটি বৌদ্ধস্তূপৰ গোট দেখিবলৈ পোৱা যায়। ই উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে শিলত কটা ডাঙৰ বৌদ্ধস্তূপ। এই গোটেইবোৰ বৌদ্ধস্তূপ মিলি সূৰ্যপাহাৰত সৰ্বমুঠ ৩৪ টা বৌদ্ধস্তূপ আছে। এই সকলোবোৰ তথ্যৰ পৰা সূৰ্যপাহাৰত বৌদ্ধসকলৰ অস্তিত্ব থকাৰ প্ৰমাণ পোৱা যায়।

**শ্ৰীসূৰ্যপাহাৰৰ বৌদ্ধকলা ঃ** শ্ৰীসূৰ্যপাহাৰত থকা ঐতিহাসিক আৰু পুৰাতাত্ত্বিক সম্পদসমূহৰ মাজত বৌদ্ধ মূৰ্তিকলাৰ মহত্ব সৰ্বজ্ঞাত। এই বীথিকাত বুদ্ধ আৰু অৱলোকিতেশ্বৰ তথা অলংকৃত পুৰাৱশেষ, স্তম্ভ আকৃতিৰ ফলক, মূৰ্তিকলা, ময়ূৰ আকৃতিৰ ভাস্কৰ্য, বিদ্যাধৰ চৈত্যসদৃশ ভাস্কৰ্য, কল্প-বৃক্ষ, পশু-পক্ষীৰ আকৃতিৰ ফলক আদিৰে অতীতৰ চতুৰ্থ শতিকাৰ পৰা অষ্টম শতিকালৈ কামৰূপীয় ভাস্কৰ্যৰ নিদৰ্শন দাঙি ধৰিছে। তদুপৰি লতাকটা আৰু ফুল কটা কাম আৰু বৌদ্ধ মূৰ্তিবিলাকৰ গঠন শৈলীৰ ভিতৰত ভাৰতীয় ভাস্কৰ্য আৰু স্থাপত্য লগত সম্বন্ধ পৰিলক্ষিত হয়। যদিও পুৰণি কামৰূপ গুপ্তবংশীয় ৰজাসকলৰ শাসনৰ অধীনত নাছিল তথাপি গুপ্তযুগৰ ভাস্কৰ্যৰ নমুনা শ্ৰীসূৰ্যপাহাৰো ইয়াৰ ওচৰ-চুবুৰীয়া ঠাই বিলাকৰ পৰা প্ৰাপ্ত পুৰণি কালৰ মূৰ্তিকলা আৰু ধ্বংসাৱশেষত খোদিত ভাস্কৰ্যৰ লগত বহু সাদৃশ্য। শ্ৰীসূৰ্যপাহাৰত থকা শৈলকৃত বৌদ্ধস্তূপ এই অঞ্চলৰ আটাইতকৈ পুৰণি নিদৰ্শন। ইয়াৰ বৌদ্ধস্তূপবিলাকত বুদ্ধদেৱৰ মূৰ্তি দেখা নাযায়। সেয়েহে সম্প্ৰতি পুৰাতাত্ত্বিক অন্বেষণৰ ফলত প্ৰাপ্ত বৌদ্ধ মূৰ্তিবিলাকৰ নিদৰ্শন অতি গুৰুত্বপূৰ্ণ। এই স্থাপত্য আৰু ভাস্কৰ্যবিলাকে অতীতৰ এই অঞ্চলৰ গৌৰৱ উজ্জ্বল ইতিহাসৰ সাক্ষ্য বহন কৰি আছে।

**শ্ৰীসূৰ্যপাহাৰত হিন্দুধৰ্মৰ অস্তিত্ব ঃ**

মৌৰ্যসম্ৰাট চন্দ্ৰগুপ্তৰ দিনৰ পৰাই ব্ৰাহ্মণ হিন্দুৰ সাঁচ দকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত বিস্তাৰিত হৈ গৈছে। চীনা পৰ্যটক হিউৱেন চাঙে তেওঁৰ ভ্ৰমণকালত হিন্দু-ব্ৰাহ্মণ

মন্দিৰ যে সমগ্ৰ কামৰূপতে বৰ্তি আছিল সেই কথা তেওঁৰ লিখনিত উল্লেখ কৰা আছে। ব্ৰাহ্মণ-হিন্দু সকলে সকলো স্থাপত্য আৰু ধৰ্মৰ কেন্দ্ৰবিন্দু হিচাপে নদীৰ পাৰৰ উপত্যকাবোৰ বাছি লৈছিল। সেয়েহে সূৰ্যপাহাৰ ইয়াৰ অন্তৰ্গত হৈ পৰে। এই হিন্দু -ব্ৰাহ্মণ লোকসকলে সকলো হিন্দু সম্প্ৰদায়ৰ লোকক সামৰি লৈছিল। শিলত মূৰ্তি কটা, মন্দিৰ বনোৱা আদি এওঁলোকৰ মুখ্য কাম আছিল। প্ৰাচীন কালৰ পৰাই অসমত ভগৱান শিৱক গুৰুত্বপূৰ্ণ স্থান দিয়া হৈছে। সেয়েহে অসমৰ বিভিন্ন ঠাইত শিৱলিংগ আৰু শিৱ মন্দিৰ দেখিবলৈ পোৱা যায়। যিহেতু অসমখন এখন ধৰ্মতান্ত্ৰিক দেশ, সেয়েহে ইয়াত শিৱ মন্দিৰৰ উপৰিও ভগৱান গণেশ, বিষ্ণু, সূৰ্য, মা দুৰ্গা, কালী মন্দিৰ আদিৰ উপৰিও একত্ৰিত চিত্ৰ যেনে - হৰি-হৰ, অৰ্ধনাৰীশ্বৰ আদিৰ মূৰ্তিও দেখিবলৈ পোৱা যায়। সূৰ্যপাহাৰৰ নামনিভাগত হিন্দুসকলৰ কাৰুকাৰ্যৰ বিস্তৰ প্ৰমাণ পোৱা গৈছে। তাত থকা শিলত কটা ভগৱান বিষ্ণু, শিৱ, গণেশ, হৰি-হৰ, বিষ্ণুৰ পদক আৰু সূৰ্য চক্ৰ আদিয়ে হিন্দুসকলৰ অস্তিত্বৰ প্ৰমাণ দিয়ে।

শ্ৰীসূৰ্যপাহাৰৰ দক্ষিণ সীমাৰ ডাঙৰ শিল এটাত ভগৱান শিৱৰ মূৰ্তি কটা আছে। এই মূৰ্তিটোক দুটা খুঁটাৰ ওপৰত থিয় হৈ থকা অৰ্ধগোলকীয় মুধচ এখনে আৱৰি আছে। ইয়াৰ মাজ ভাগ খালী আৰু তাৰ ঠিক তলতে শিলত কটা কেইবাটাও মূৰ্তি দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত চতুৰ্ভূজ ভগৱান শিৱ থিয় হৈ থকা অৱস্থাত শিলত খোদিত কৰা হৈছে। মূৰ্তিটোৰ ওপৰৰ বাওঁহাতখনত ত্ৰিশূল আৰু তলৰ সোঁহাতখনত বৰদা-মুদ্ৰা অৱস্থাত আছে, তলৰ বাওঁহাত আৰু ওপৰৰ সোঁহাতখন অচিনাক্ত অৱস্থাত আছে। মূৰ্তিটো বেয়াকৈ ক্ষয় হোৱা স্বত্বেও হাতত থকা ত্ৰিশূল, কান্ধত থকা সাপ আৰু সোঁফালে ভগৱান শিৱৰ ফালে চাই থকা নন্দী অৰ্থাৎ ষাঁড়গৰুটোক ভালকৈ চিনাক্ত কৰিব পৰা গৈছে। মুধচখনৰ তলত থকা দ্বিতীয় মূৰ্তিটো দুটা পাহি থকা পদুম ফুলত সমপদ মুদ্ৰা কৰি থকা অৱস্থাত ভগৱান বিষ্ণুক খোদিত কৰা হৈছে। মূৰ্তিটো অক্ষত অৱস্থাত থকা স্বত্বেও তলৰ সোঁ আৰু বাওঁ হাতত থকা গদা আৰু চক্ৰ ভালকৈ চিনাক্ত কৰিব পৰা গৈছে। ওপৰৰ সোঁহাত বাওঁহাতখনত পদ্ম আৰু শংখ লৈ থকা দেখা পোৱা গৈছে। কান্ধৰ পৰা আঁঠুৰ তললৈ মূৰ্তিটোত বনমালা কৰা আছে। শিৰত কিৰীটি মুকুট পৰিধান কৰা চিত্ৰই মূৰ্তিটোৰ আকৃতিৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছে।

তৃতীয় মূৰ্তিটোত ভগৱান শিৱ অৰ্ধলিংগ অৱস্থাত আছে। ওপৰৰ সোঁহাত আৰু বাওঁহাতত ত্ৰিশূল আৰু অক্ষমালা আছে। তলৰ সোঁহাতখনত বৰদা অৱস্থাত আৰু বাওঁহাত খনত কি আছে চিনাক্ত কৰিব পৰা নাযায়। সোঁকান্ধত থকা সাপডাল স্পষ্টৰূপে চিনাক্ত কৰিব পৰা গৈছে। চতুৰ্থ সংখ্যাৰ মূৰ্তিটো অচিনাক্ত অৱস্থাত



আছে। পঞ্চম সংখ্যাৰ মূৰ্তিটো ভগৱান বিষ্ণুক সমপদ অৱস্থাত দুটা পাহি থকা পদুমৰ ওপৰত খোদিত কৰা আছে। মূৰ্তিটোৰ সোঁহাতত গদা আৰু বাওঁহাতত চক্ৰ দেখিবলৈ পোৱা যায়। মূৰ্তিটোত থকা বনমালা আৰু কিৰীটিমুকুট অচিনাক্ত অৱস্থাত আছে।

ষষ্ঠ আৰু সপ্তম সংখ্যাৰ মূৰ্তিটো ভগৱান বিষ্ণুৰে বুলি চিনাক্ত কৰা হৈছে।

অষ্টম সংখ্যাৰ মূৰ্তিটো আচৰিত যে ই একত্ৰিত অৱস্থাত থকা ভগৱান বিষ্ণু আৰু শিৱৰ মিলনৰ খোদিত শৈলচিত্ৰ। ইয়াক 'হৰি-হৰ' নামেৰেও জনা যায়। মূৰ্তিটোৰ সোঁফালে হাতত ত্ৰিশূল, কান্ধত সাপ, আৰু অৰ্ধলিংগ অৱস্থাত ভগৱান শিৱ, বাওঁফালে ওপৰৰ হাতত থকা চক্ৰ আৰু তলৰ হাতত থকা শংখৰ লগতে বনমালা পৰিধান কৰা ভগৱান বিষ্ণুৰ শৈলচিত্ৰটো সুন্দৰভাৱে খোদিত কৰা আছে।

নৱম সংখ্যাৰ মূৰ্তিৰ কলাটোত ভগৱান বিষ্ণু আগৰ সেই সাধাৰণ ৰূপতে আছে।

ডাঙৰ শিলটোৰ পিছফালে থকা আন এটি সৰু শিলত ভগৱান বিষ্ণুৰ লগতে শিৱ আৰু পাৰ্বতীৰ একত্ৰিত শৈলচিত্ৰ পোৱা যায়। ভগৱান শিৱ আৰু পাৰ্বতীৰ এই একত্ৰিত শৈলচিত্ৰটোক অৰ্দ্ধনাৰীশ্বৰ বুলি কোৱা হয়। এই মূৰ্তিটো সমপদ মুদ্ৰা অৱস্থাত খোদিত কৰা হৈছে। চতুৰ্ভুজ ৰূপত এই মূৰ্তিটোৰ ওপৰৰ সোঁহাতত ত্ৰিশূল, তলৰখন বৰদা মুদ্ৰা অৱস্থাত ভগৱান শিৱ আৰু ওপৰৰ বাওঁহাতত বজ্ৰ আৰু তলৰ বাওঁহাতখন অচিনাক্ত অৱস্থাত থকা মা-দুৰ্গাৰ মূৰ্তি। শিৱৰ জঁটা আৰু মা-দুৰ্গাৰ শিৰত কিৰীটি মুকুট চিনাক্ত অৱস্থাত আছে। বাকীবোৰ থিয় হৈ থকা অৱস্থাত ভগৱান বিষ্ণুৰ মূৰ্তি খোদিত কৰা আছে।

পাহাৰখনৰ দক্ষিণ সীমাত থকা প্ৰকাণ্ড শিলটোৰ পিছফালে আন এটি শিল পূৱপিনে থিয় হৈ থকা অৱস্থাত আছে। এই শিলটোতে ভগৱান বিষ্ণুৰ 'বিশ্ব ৰূপ' খোদিত কৰা আছে। যিটো ৰূপ মহাভাৰতৰ যুদ্ধত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনৰ সন্মুখত দৰ্শাইছিল। ই উত্তৰ-পূৰ্বাঞ্চলৰ এটি উল্লেখযোগ্য মূৰ্তি। বহুতে ইয়াক দশভূজা দুৰ্গাদেৱী বুলিও ক'ব খোজে। কিন্তু প্ৰকৃততে ই ভগৱান বিষ্ণুৰহে মূৰ্তি। ইয়াত ভগৱান বিষ্ণুই দুটা পাহিযুক্ত পদুমৰ ওপৰত বাৰখন হাতৰ সৈতে থিয় হৈ থকা অৱস্থাত আছে। ইয়াৰ ছখন হাত সোঁফালে আৰু ছয়খন হাত বাওঁফালে আছে। কিন্তু ইয়াৰ এখন হাততো কি অস্ত্ৰ আছে তাক চিনাক্ত কৰিব পৰা নাযায়। পূৰ্বৰ মূৰ্তিবোৰৰ দৰে এই বিষ্ণুৰ মূৰ্তিটো কান্ধৰ পৰা আঁঠুৰ তললৈ বনমালা পৰিধান কৰা অৱস্থাত আছে। ভগৱান বিষ্ণুৰ এই মূৰ্তিটোৰ মূৰৰ ওপৰত শেষনাগ ফনা ধৰি থকা অৱস্থাত আছে।

মহাবিষ্ণুৰ মূৰ্তিৰ পিছফালে চতুৰ্ভূজ ৰূপত ভগৱান গণেশৰ চিত্ৰ খোদিত কৰা আছে। এই মূৰ্তিটো বহি থকা অৱস্থাত আছে। মূৰ্তিটোৰ ওপৰৰ সোঁহাতখনত ত্ৰিশূল আৰু বাওঁহাতখনেৰে ভগা দাঁতটোত ধৰি আছে। তলৰ সোঁহাতখনত ঘূৰণীয়া অচিনাক্ত বস্তু আৰু বাওঁহাতখন বৰদা মুদ্ৰা অৱস্থাত আছে। গণেশ মূৰ্তিৰ শুড়ডাল সোঁপিনে আছে। ভগৱান গণেশৰ বাওঁহাতৰ কাষতে ভগৱান বিষ্ণুৰ চৰ্তুভূজ মূৰ্তি এটা খোদিত কৰা আছে। ভগৱান গণেশৰ মূৰ্তি আন শিলতো পোৱা গৈছে। এই মূৰ্তিবোৰো বহি থকা অস্থাত দেখা পোৱা গৈছে। ওপৰৰ সোঁহাতখনত অংকুশ আৰু তলৰ সোঁহাতখন অচিনাক্ত অৱস্থাত আছে। ওপৰৰ বাওঁখনত পাতেৰে সৈতে কুঁহিয়াৰ আৰু শুড়ডাল সোঁফালে আছে। গোটেই সূৰ্যপাহাৰখনৰ কোনো অংশতে সূৰ্যদেৱৰ মূৰ্তি দেখা পোৱা নাযায়। অৱশ্যে শেষবাৰ সূৰ্যপাহাৰ খনন কাৰ্য চলাওতে এটা ডাঙৰ সফলতা অৰ্জন কৰা হয়। এই খনন কাৰ্যত এখন ঘূৰণীয়া শৈলকটা মুখচ পোৱা যায়। ইয়াক সূৰ্য চক্ৰ বুলিও কোৱা হয়। বৰ্তমান ইয়াক অস্থায়ী শিৱমন্দিৰত থোৱা আছে। প্ৰকৃততে ই পুৰণি কালৰ সূৰ্য মন্দিৰৰ মুখচ আছিল। ইয়াৰ এটা চক্ৰ আছে তাৰ চাৰিওফালে বাৰটা পদুমৰ পাহি পৰি থকা অৱস্থাত আছে। শেষত ই গোটেইবোৰ মিলি সূৰ্যৰ ৰূপ ধাৰণ কৰিছে। সেইবাবে ইয়াক সূৰ্যচক্ৰ বুলি কোৱা হয়। এই চক্ৰৰ মাজভাগটোক প্ৰজাপতি বুলি কোৱা হয় আৰু ইয়াৰ বাৰটা পাহিয়ে সৌৰজগতৰ বাৰ গৰাকী ভগৱানক বুজাইছে। তেওঁলোকৰ নামসমূহ ক্ৰমান্বয়ে হ'ল - ধাত্ৰী, মিত্ৰ, আৰ্যমান, ৰুদ্ৰ, বৰুণ, সূৰ্য, ভাযা, বিৱস্বন, পুষাণ, সাবিত্ৰী, তৱষ্ট্ৰী আৰু বিষ্ণু।

সূৰ্যপাহাৰত হিন্দু দেৱ-দেৱীৰ মূৰ্তিৰ তালিকা এনেধৰণৰ - শিৱলিংগ - ২১০ টা, বিষ্ণু - ৯ টা, শিৱ - ২ টা, বিষ্ণুপদক - ২ যোৰা, মহাবিষ্ণু - ১ টা, অৰ্ধনাৰীশ্বৰ -১ টা, গণেশ - ৫ টা, আদিত্য - ১ টা, হৰি-হৰ - ১ টা আৰু হিন্দু মন্দিৰৰ ভগ্নাৱশেষ - ২ টা।

**সূৰ্যপাহাৰত জৈনধৰ্মৰ অস্তিত্ব ঃ**

জৈনসকলৰ কোনো বিশেষ পদক্ষেপৰ তথ্য পোৱা হোৱা নাই। সূৰ্যপাহাৰত থকা একমাত্ৰ প্ৰাকৃতিক গুহাৰ বাহিৰে জৈনসকলৰ অস্তিত্ব বেলেগ ঠাইত পোৱা নাই। আকাৰ-আকৃতিৰ ফালৰ পৰা চালে সূৰ্যপাহাৰত থকা জৈন মূৰ্তিবিলাকৰ মাজত অলপ পাৰ্থক্য আছে। কিন্তু তেওঁলোকৰ প্ৰথমতে এই মূৰ্তিবোৰ নগ্ন ৰূপত আছে। সেয়েহে এই মূৰ্তিবোৰক জৈনসকলৰ মূৰ্তি বুলি ভবা হয়। সূৰ্যপাহাৰৰ দক্ষিণ পিনে এটি প্ৰাকৃতিক গুহা দেখিবলৈ পোৱা যায়। এই গুহাটোৰ ভিতৰত জৈনসকলৰ শিলত কটা মূৰ্তি দেখা যায়। এই শিলত কটা মূৰ্তিবোৰ খ্ৰীষ্টাব্দ নৱম



শতিকাত নিৰ্মিত হৈছিল। গুহাটোৰ ভিতৰত থকা এটা গ্ৰেনাইট শিলত দুটা মূৰ্তি কটা আছে যদিও এই মূৰ্তি দুটা ভালদৰে চিনাক্ত কৰিব পৰা নাই। জৈনমূৰ্তিবোৰ থিয় হৈ থকা অৱস্থাত খোদিত কৰা আছে। মূৰ্তিবোৰৰ হাত দুখন আঁঠুৰ লগত লাগি আছে। আৰু তাৰ লগতে শিলত অচিনাক্ত অৱস্থাত এখন বিৱৰণি লিখা আছে। আন এটা শিলত কটা জৈন মূৰ্তি পাহাৰৰ ওপৰত বহি থকা অৱস্থাত আছে। ইয়াক 'আদিনাথ' বুলি চিনাক্ত কৰা হৈছে। এই মূৰ্তিটোৰ তলত দুটা ষাঁড়গৰু আঁকি থোৱা আছে।

**শ্ৰীসূৰ্যপাহাৰত উদ্‌যাপন হোৱা উৎসৱ পাৰ্বণ ঃ**

শ্ৰীসূৰ্যপাহাৰত পুৰাতাত্বিক দিশৰ ফালৰ পৰা যিমান গুৰুত্বপূৰ্ণ তেনেকৈ ধৰ্মীয় দিশৰ পৰাও জনসাধাৰণৰ মনত মহত্বপূৰ্ণ স্থান আছে। ইয়াত বছৰৰ প্ৰায় সকলো দিনতে বিভিন্ন ঠাইৰ পৰা যাত্ৰী আহি মন্দিৰত পূজা আগবঢ়ায়। দেখা পোৱা যায় যে বিভিন্ন ঠাইৰ পৰা বহু ভক্ত ইয়ালৈ মানস কৰি আহে আৰু আশা পূৰ্ণ হ'লে পূজাৰ লগতে বহুতো বস্তু মন্দিৰত দান দিয়ে। অপুত্ৰক সকলে পুত্ৰ প্ৰাপ্তিৰ কাৰণে ইয়াত থকা গণেশকুণ্ডৰ গণেশক পূজা কৰা দেখা যায়। শ্ৰীসূৰ্যপাহাৰত পৰম্পৰাগত ভাৱে শিৱৰাত্ৰি, গুৰুপূৰ্ণিমা পালন কৰাৰ লগতে নতুনকৈ 'বোলেবম' ও পালন কৰা দেখা গৈছে।

শ্ৰীসূৰ্যপাহাৰত উদ্‌যাপন হোৱা আটাইতকৈ ডাঙৰ উৎসৱ হ'ল - মাঘী পূৰ্ণিমাত হোৱা বিষ্ণু যজ্ঞ আৰু মেলা উৎসৱ। আজিৰ পৰা প্ৰায় ২৫০ বছৰ আগতে পৰমাচন্দ্ৰ অবধূত নামৰ সন্ন্যাসী এজনে বিষ্ণু যজ্ঞ পাতনি মেলে বুলি শুনা যায়। কালক্ৰমত ই বিশাল আকাৰ লয় আৰু বিষ্ণু যজ্ঞৰ মাধ্যমেৰে শ্ৰীসূৰ্যপাহাৰৰ নাম প্ৰচাৰ হয়। এই উৎসৱত বিষ্ণু যজ্ঞ সাত দিন হয় আৰু ইয়াত একলাখ আহুতি দিয়া হয়। এই উৎসৱত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা ভক্ত অহাৰ লগতে বিদেশৰো ভক্তই যোগদান কৰে।

**শ্ৰীসূৰ্যপাহাৰৰ বনজসম্পদ আৰু বন্যপ্ৰাণী ঃ**

শ্ৰীসূৰ্যপাহাৰ বনজ সম্পদত চহকী। লোক কথা মতে ই এক বনৌষধিৰ ভঁৰাল। কিয়নো বিভিন্ন ঠাইৰ পৰা বহু কবিৰাজে ইয়াত পোৱা বিভিন্ন গছ-গছনিৰ ছাল, পাত, শিপা আদি ঔষধত ব্যৱহাৰ কৰিবলৈ লৈ যায়। ইয়াত পোৱা গছ-গছনিবোৰৰ ভিতৰত - ভেল্গী, পমা, নেউৰী, মমশিঠা, কাটাকোহী, তিতাচাপ, বিভিন্ন প্ৰকাৰৰ বাঁহ, বটাগছ আদিয়ে প্ৰধান।

শ্ৰীসূৰ্যপাহাৰত বিভিন্ন প্ৰকাৰৰ প্ৰাণী দেখিবলৈ পোৱা যায়। ইয়াৰ বহু প্ৰাকৃতিক সম্পদৰ ধ্বংস হোৱা বাবে এইবোৰ প্ৰাণীৰ বাবে এই পাহাৰ বাসোপযোগী হৈ থকা নাই। তথাপিও বৰ্তমানেও বহু জন্তু, চৰাই দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত

- বান্দৰ, টুপীমুৰীয়া বান্দৰ, সুগৰী পহু, কেটেলা পহু, শহা পহু, লতামাকৰী- বাঘ,
বনৰৌ, অজগৰ আৰু বিভিন্ন প্ৰকাৰৰ সাপ, মইনা বিভিন্ন প্ৰজাতিৰ ভাটৌ আদিয়ে
প্ৰধান।

**শ্ৰীসূৰ্যপাহাৰত হোৱা খনন কাৰ্য আৰু সংগ্ৰাহালয় ঃ**

১৯৯৩ চনত ভাৰতৰ পুৰাতাত্বিক বিভাগে সূৰ্যপাহাৰৰ দায়িত্ব হাতত লৈছিল।
প্ৰথম খনন কাৰ্যত আচৰিতভাৱে বহুতো পৌৰাণিক সামগ্ৰী যেনে - শিৱত মুকুটৰ
সৈতে দেৱী মূৰ্তি, কিৰীটি মুখা, স্তূপৰ ভগা টুকুৰা, বঙচুৰা মাটিৰ পাত্ৰ, অপ্সৰা
মূৰ্তি, পূৰ্ণঘাট, পোৰা মাটিৰ খাপৰি, পানী খোৱা পাত্ৰ আদি পোৱা গৈছিল। ১৯৯৬
- ৯৭ চনত কৰা খনন কাৰ্যত পুৰাতত্ব বিভাগে এটা ডাঙৰ সফলতা অৰ্জন কৰে।
এই খনন কাৰ্যত বৌদ্ধস্তূপৰ সৈতে এটা বিহাৰা পোৱা যায়। তাৰে কিছু বছৰ পিছত
হোৱা খনন কাৰ্যত দুটা মন্দিৰ পোৱা যায়। তাৰে এটা ইটাৰে বনোৱা উত্তৰা-
দক্ষিণালৈ অৱস্থান কৰি আছে। এই খনন কাৰ্যত মন্দিৰৰ লগতে আন বহুতো
পৌৰাণিক বস্তু উদ্ধাৰ হৈছে। মন্দিৰৰ ওচৰতে হোৱা খনন কাৰ্যত পৌৰাণিক সামগ্ৰীৰ
লগতে ভগবান গণেশৰ মূৰ্তি আৰু মহিষাসুৰ মৰ্দিনী মূৰ্তি পোৱা গৈছে। পাহাৰৰ
দক্ষিণ পিনে খনিকৰ বিলাকে এটা শিলৰ কুণ্ড পাইছে। সম্ভৱত এনেকুৱা হেলনীয়া
শিলৰকুণ্ড প্ৰাকৃতিক পানী প্ৰবাহক বশ কৰিবৰ কাৰণে নিৰ্মাণ কৰিছিল। প্ৰচলিত
কথা মতে এই কুণ্ডটো তাত থকা ঋষি-মুনি বা আন লোকসকলে ব্যৱহাৰ কৰিছিল।
সূৰ্যপাহাৰত হোৱা খনন কাৰ্যত বিভিন্ন পুৰাতাত্বিক সামগ্ৰীৰ উপৰিও শিৱলিংগ
আৰু ঘৰৰ ভগ্নাৱশেষ পোৱা গৈছে। এই ঘৰ বিলাকে প্ৰমাণ কৰে যে প্ৰাচীন
কালত ইয়াত মানুহৰ বসতি আছিল। চীনা পৰ্যটক হিউৱেন চাঙে কুমাৰ ভাস্কৰ
বৰ্মাৰ ৰাজত্ব কালত যেতিয়া প্ৰাগজ্যোতিষপুৰত আছিল তেতিয়া তেওঁ সূৰ্যপাহাৰৰ
কথা তেখেতৰ লিখনিত উল্লেখ কৰিছে। সূৰ্যপাহাৰৰ ওচৰৰ পগলাটেক মন্দিৰে
ইয়াৰ প্ৰমাণ বক্ষা কৰে। যিহেতু সূৰ্যপাহাৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ওচৰতে অৱস্থিত,
সেয়ে ই বাণিজ্যিক কেন্দ্ৰ নহ'লে ৰজা-মহাৰজাসকলৰ প্ৰসাদ হোৱাৰ সম্ভাৱনা
আছিল।

ভাৰতৰ পুৰাতত্ব নিৰীক্ষণ বিভাগে সূৰ্যপাহাৰত হোৱা খনন কাৰ্যৰ ফলত উদ্ধাৰ
কৰা সামগ্ৰীসমূহ সংৰক্ষণৰ কাৰণে ২০০৮ চনৰ ২৫ নৱেম্বৰত এটা সংগ্ৰাহালয়
স্থাপন কৰে। এই সংগ্ৰাহালয়ত সূৰ্যপাহাৰত পোৱা বিভিন্ন পুৰাতাত্বিক সামগ্ৰীসমূহ
শাৰী-শাৰীকৈ সজাই থোৱা আছে। এই সংগ্ৰাহালয়টো গোৱালপাৰা চহৰৰ পৰা
২০ কিলোমিটাৰ দূৰত সূৰ্যপাহাৰৰ নামনিত পূৱদিশত অৱস্থিত। সংগ্ৰাহালয়টোত
খনন কাৰ্যৰ ফলত উদ্ধাৰ কৰা দেৱীৰ মূৰ্তি, কিৰীটি মুখা, পানী খোৱা পাত্ৰ, পূৰ্ণঘাট,



অপ্সৰা মূতি, মহিষাসুৰমৰ্দিনী, স্তম্ভ আকৃতিৰ ফলক, ময়ূৰ আকৃতিৰ ভাস্কৰ্য কল্প-
বৃক্ষ, চৈত্তসদৃশ ভাস্কৰ্য,পশু-পক্ষীৰ ফলক বিহাৰা আদি সংৰক্ষিত কৰি ৰখা আছে।

**শ্ৰীসূৰ্যপাহাৰৰ বৰ্তমানৰ অৱস্থা ঃ**

ভাৰতৰ ভিতৰতে এক উল্লেখযোগ্য পুৰাতাত্বিক স্থান হিচাপে সূৰ্যপাহাৰে সদায়
স্থান পাই আহিছে। কিন্তু বিভিন্ন সমস্যাই ইয়াৰ অৱস্থা দিনক দিনে জুৰুলা কৰিছে।
তাৰ ভিতৰত তলত দিয়া কাৰণসমূহ প্ৰধান -

শ্ৰীসূৰ্যপাহাৰৰ প্ৰাকৃতিক পৰিবেশ অতি মনোমোহা। এই প্ৰাকৃতিক শোভাৰ
লগত পুৰাতাত্বিক সম্পদবোৰে গোটেই পাহাৰখনকে অতি আকৰ্ষণীয় কৰি তুলিছে।
চৰকাৰী নিয়ম অনুযায়ী পাহাৰখন ভাৰতীয় পুৰাতত্ব বিভাগৰ দ্বাৰা সংৰক্ষিত যদিও,
ইয়াত থকা মন্দিৰৰ পৰিচালনা সমিতিবোৰে অধে-মধে ঘৰ-মন্দিৰ, পকীবেৰ নিৰ্মাণ
কৰি ইয়াৰ প্ৰাকৃতিক শোভা হ্ৰাস কৰিছে আৰু পুৰাতাত্বিক বিভাগৰ ফালৰ পৰা
ইয়াক নিম্নগামী কৰি তুলিছে।

ভাৰতৰ বিভিন্ন পুৰাতত্ব স্থলীবোৰত বনভোজ খোৱাটো নিষিদ্ধ। চৰকাৰৰ
ফালৰ পৰা কোনো অনুমতি নাই যদিও মন্দিৰ পৰিচালনা সমিতিয়ে ইয়াত বনভোজ
খোৱাৰ বাবে অনুমতি দিয়ে। সেয়ে অক্টোবৰ মাহ মানৰপৰা ফেব্ৰুৱাৰী মাহলৈ
ইয়াত প্ৰায় তিনিহাজাৰৰো অধিক বনভোজৰ দল আহে। ইয়াৰ ফলত গাড়ী, মটৰ-
গাড়ী আদিৰ পৰা সাংঘাতিক ধৰণে শব্দ প্ৰদূষণ হয় আৰু ইয়াৰ কুফল ইয়াত থকা
ভাস্কৰ্যবোৰত পৰে। বনভোজৰ এই দলবোৰে পেলোৱা আৱৰ্জনাবোৰেও ইয়াৰ
পৰিবেশ বিনষ্ট কৰে। ইয়াৰ বাবে সংশ্লিষ্ট লোকসকল সচেতন হোৱা প্ৰয়োজন।

শ্ৰীসূৰ্যপাহাৰৰ দাঁতিকাষৰীয়া ঠাইবোৰৰ মানুহে ইয়াৰ পৰা সদায়ে খৰিৰ বাবে
বহু মূল্যবান গছ কাটি নিয়ে, যাৰ ফলত পাহাৰখন প্ৰায় টকলা হৈ গৈ আছে। ইয়াৰ
নিজৰাবোৰ দিনক-দিনে শুকাই মৰি যোৱাৰ উপক্ৰম হৈছে আৰু তাৰ কাৰণে পাহাৰৰ
শিলবোৰ বেয়া ধৰণে ক্ষয় প্ৰাপ্ত হৈছে।

শ্ৰীসূৰ্যপাহাৰৰ এইবোৰ অপকৰ্ম যদি এনেদৰে অহৰহ গতিত চলি থাকে,
তেন্তে ১০০ বছৰ মানৰ ভিতৰত ইয়াত থকা ভাস্কৰ্যবোৰ অৱনতি ঘটিব। এই
ঐতিহাসিক সম্পদটো ৰক্ষণাবেক্ষণৰ কাৰণে জনসাধাৰণ আৰু চৰকাৰ উভয়েই
গুৰুত্ব প্ৰদান কৰা প্ৰয়োজন।

***

# বিহুগীতত প্ৰকৃতিৰ চিত্ৰ

ৰূপম ডেকা
৫ ম যান্মাসিক, অসমীয়া প্ৰধান

অসমীয়া লোকসাহিত্যৰ ভড়াল চহকী কৰিছে বিহু উৎসৱৰ স'তে জড়িত বিহুগীতসমূহে। বিহুগীতসমূহ যদিও চহা কবিৰ হিয়াত দোলা দিয়া আবেগ-অনুভূতিৰ প্ৰকাশ, তথাপি এই গীতবোৰৰ আছে সাৰ্বজনীন আবেদন। ইয়াত প্ৰতিজন অসমীয়া ডেকা-গাভৰুৰ মনৰ ভাব, আশা-আকাংক্ষাৰ স্ফুৰণ ঘটিছে। ইয়াত জিলিকি আছে অসমীয়া জনজীৱনৰ সুসংহত ছবি। বিষয়-বস্তুৰ ফালৰ পৰা বিহুগীতক প্ৰেমসৰ্বস্ব বুলি ক'ব পাৰি। লোকসংস্কৃতিৰ গৱেষক পণ্ডিত প্ৰফুল্ল দত্ত গোস্বামীয়ে বিহুগীত সুন্দৰ প্ৰেমৰ কবিতা বুলি অভিহিত কৰিছে। কিন্তু বিহুগীতসমূহক অকল যৌৱনৰ অথবা প্ৰেমৰ কবিতা বুলি কোৱাৰ লগতে ইয়াক প্ৰকৃতি আৰু মানৱৰ একাত্মকতাৰ কবিতা ৰূপেয়ো নামকৰণ কৰিব পাৰি। প্ৰকৃতিক পটভূমি ৰূপে লৈ এই গীতসমূহত বৰ্ণিত হৈছে অসমীয়া গ্ৰাম্য জীৱনৰ ছবি, সৰ্বসাধাৰণ মানুহৰ আশা আকাংক্ষা। স্বনামধন্য সাহিত্যিক পদ্মধৰ চলিহাদেৱৰ মতে এই গৰখীয়া গীতবিলাক অশ্লীল নাইবা চহা বুলি দলিয়াই পেলোৱা অনুচিত। আবৰ্জনাবিলাক বাদ দিলে দেখা যায় যে প্ৰায় বিলাকতে কবিতাৰ উপকৰণ বৰ্তমান। এই নিৰক্ষৰ কবিসকলে বিদ্যাৰ আড়ম্বৰ নকৰাকৈ ব্যাকৰণৰ কটকটীয়া বান্ধোনত নোসোমোৱাকৈ, দাৰ্শনিক তত্ত্বৰ মেৰপাকত পাকঘূৰণি নোখোৱাকৈ সৰলভাৱেৰে হৃদয়ৰ দুৱাৰ মুকলি কৰি অন্তৰৰ ভাব প্ৰকাশ কৰিছে।

প্ৰকৃতি আৰু পুৰুষৰ সম্পৰ্ক চিৰন্তন। প্ৰকৃতিৰ ভৰুণ বুকু মানৱৰ আনন্দ আৰু আশ্ৰয়ৰ শেষ স্থল। এই চিৰন্তন সম্পৰ্কই নিৰূপিত কৰিছে মানৱৰ জীৱন যাত্ৰাৰ প্ৰকৃতি আৰু প্ৰকৃতিৰ প্ৰতি থকা দুৰ্বলতা, আকৰ্ষণ তথা অপৰিহাৰ্যতা প্ৰকাশ পাইছে মানৱৰ সাহিত্য কৰ্মত। প্ৰকৃতিৰ শোভা-সৌন্দৰ্যক মানৱ জীৱনৰ স'তে ডোলেৰে বান্ধি বিহুগীতসমূহ অনন্য ৰূপত দাঙি ধৰা হয়। প্ৰকৃতি আৰু মানৱৰ পাৰস্পৰিক সম্পৰ্ক, একাত্মকতাৰ চিত্ৰ অংকণ কৰা বিহুগীতসমূহ ৰোমান্টিক ধাৰাৰ



কবিতাৰ অতি কাষৰ বুলিব পাৰি। বিহুগীতসমূহ জনসাহিত্য অথবা মৌখিক গীতৰ অন্তৰ্ভুক্ত আৰু গীতিপ্ৰধান যদিও ইয়াত সৱল ৰূপত কবিতাৰ লক্ষণ প্ৰত্যক্ষ কৰা যায়। ছন্দোবদ্ধ এই গীতসমূহৰ ভাষা সৰল যদিও ইয়াত কবিতাৰ অন্যতম উপাদান কল্পনাৰ বেথ, উপমা, সংকেত অথবা প্ৰতীকৰ সুন্দৰ ব্যৱহাৰ দেখা যায়। প্ৰকৃতিৰ বিশাল পটভূমিত বিভিন্ন সৰু-বৰ আহিলা ব্যৱহৃত হৈছে বিহুগীতত। প্ৰকৃতিৰ বুকুৰ পৰা বুটলি লোৱা উপমা, সংকেত আৰু চিত্ৰকল্পৰে সুন্দৰভাৱে ব্যক্ত হৈছে মানৱৰ মনোজগত। সুখৰ লগৰী প্ৰকৃতি কোনো সময়ত হৈ পৰিছে দুখৰ কাৰণ। মানৱৰ বিষাদ বেদনাৰ সৈতে সমমৰ্মিতা প্ৰকাশি বিষাদগ্ৰস্ত হোৱা প্ৰকৃতি কেতিয়াবা আকৌ হৈ পৰে অসন্তুষ্টিৰ কাৰণ। পৰ্বত, ভৈয়াম, জান-জুৰি, নৈ, গছ, বিৰিখ, ফুল, পশু, পক্ষী, আকাশ, বতাহকে ধৰি প্ৰকৃতিৰ সকলোবোৰ উপাদানেই বিহুগীতত স্থান লাভ কৰিছে।

ডেকা-গাভৰুৰ প্ৰেম, মিলন, বিৰহৰ বৰ্ণনা দিবলৈ ব্যৱহৃত হৈছে বিভিন্ন উপমা। বিহু অসমীয়াৰ আনন্দ-আশাৰ প্ৰতীক। সেমেকা আঁচল সামৰি শীতে মেলানি মাগিবলৈ ধৰোঁতে প্ৰকৃতিয়ে পুৰণি সাজ সলাই আনন্দ-উলাহৰ এসাজ পিন্ধিবলৈ আগবাঢ়ে। প্ৰকৃতিয়ো সাজু হয় বসন্তক আদৰিবলৈ, বসন্তই আনি দিয়ে মিলনৰ সোণালী সুযোগ। সেয়েহে প্ৰিয়জনৰো আগ্ৰহ প্ৰকট হয় বিহুটিৰ প্ৰতি-

আজি বিহু বিহু কালি বিহু বিহু
কেতিয়া ফুলিব নাহৰ
কেতেকী চৰায়ে কাটে সৰু সূতা
মকৰা কাঠৰে যঁতৰ।

কুলি-কেতেকীয়ে কঢ়িয়াই আনে বসন্তৰ আগমনৰ সংকেত। পাৰস্পৰিক সান্নিধ্যৰ বাবে ব্যাকুল, ডেকা-গাভৰুৰ গাত তত নাইকিয়া হয়। নাহৰ ফুলৰ গোন্ধত উত্ৰাৱল, 'গচকত ভাঙি যাওঁ যঁতৰ' বুলি গোৱা চঞ্চলা গাভৰুৰ মনোজগতৰ পৰিৱৰ্তনৰ আভাস পোৱা যায়। ব'হাগ বিহুৰ এবাৰ নোৱাৰা সংগী হ'ল ৰূপহী কপৌফুল। কপৌফুলক বিহুগীতত ব্যৱহাৰ কৰা হৈছে যৌৱনৰ আশা আৰু প্ৰেমৰ প্ৰতীক ৰূপে। প্ৰিয়জনৰ পৰা বিহুতে এপাহ কপৌফুল পাবলৈ আশা পুহি ৰাখে গাভৰুৱে। মনৰ গাভৰুগৰাকীলৈ কষ্টৰে সংগ্ৰহ কৰা কপৌফুলপাহ গাভৰুৱে খোপাত গুজি লোৱা বা গুজি ল'বলৈ মান্তি হোৱাই প্ৰেম গ্ৰহণকে বুজায়। প্ৰেমত সফল হ'বলৈ ডেকাই কৰা কষ্ট প্ৰতিফলিত হয় কপৌফুল সংগ্ৰহ কৰা কাৰ্যত -

বিঙেকৈ পহৰে শিঙে মোৰ মইনা
বিঙেকৈ পহৰে শিঙ

চতাই পৰ্ব্বতৰ          কপৌফুল আনিছো
খোপাতে পিন্ধায়ে দিম।

নৈপৰীয়া গাভৰুৰ অতি আপোন নৈ খন। সময়ে সময়েই দুখ দুদৰ্শাৰ কাৰণ হ'লেয়ো ইয়াৰ প্ৰতি আকৰ্ষণ প্ৰবল। বিহুগীতত ডেকা গাভৰুৰ নৈখনৰ সতে প্ৰিয়জনৰ তুলনা দেখা যায়। প্ৰিয়জনক লাভ কৰাৰ ব্যাকুলতাত মৰমৰ নৈখন এৰি যাবলৈয়ো প্ৰস্তুত গাভৰুৱে সেয়ে গায় 'জাজী নৈ এৰিব পাৰো কিন্তু তোমাক এৰিব নোৱাৰো' বুলি। প্ৰেমৰ বাবে যথাসৰ্বস্ব ত্যাগ কৰাৰ মানসিকতাকে প্ৰতিবিম্বিত কৰে ই।

মিলন পিয়াসী ডেকা-গাভৰুৰ অপূৰ্ব বাসনা, তেওঁলোকৰ বন্দীসদৃশ জীৱনৰ তুলনাত পক্ষীকুলৰ অবাধ স্বাধীনতাত ঈৰ্ষান্বিত হৈ পৰে তেওঁলোক। চৰাইৰদৰে পাখি থকা হ'লে দূৰত্ব তেওঁলোকৰ মাজৰ ব্যৱধান হ'ব নোৱাৰিলেহেঁতেন বুলি খেদ প্ৰকাশ কৰে -

চমকত চাবলৈ          নহওঁ মই বিজুলী
নহওঁ মই বোৱতী নৈ,
চৰাইয়ো নহ'লো          তোমাক উৰি চাবলৈ
দুকাষে দুপাখি লৈ।

যন্ত্ৰণাৰ ওৰ নপৰা জীৱনৰ পৰা বিৰহ কাতৰ ডেকা বিৰক্ত হৈ উঠে পক্ষীৰ আনন্দমুখৰ কল কাকলি শুনি -

কপৌ কুৰুলিয়াই          ৰাতি ঐ নুপুৱায়
ফেচাই কুৰুলিয়াই ডালত,
খেদিদে খেদি দে          অজাতি কপৌক
সৰন খেৰ মাৰি দে গাত।

মিলনৰ একমাত্ৰ বাধা দূৰত্বই নহয়। সামাজিক ৰীতি-নীতি, পাৰিবাৰিক অনুশাসনৰ লগতে প্ৰকৃতিয়ো কেতিয়াবা মিলনৰহেঙাৰ ৰূপে থিয় দিয়ে। প্ৰিয়জনৰ কাষলৈ যাবলৈ ওলোৱা ডেকাই সেয়ে 'হেৰো মেঘ দেৱতা বৰষুণ নিদিবা ৰাতি নুপুৱায় মানে' বুলি খাটনি ধৰিছে। প্ৰেমত সফল নোহোৱাকৈ প্ৰকৃতিয়ে যাতে কোনো ধৰণে বাটত বিঘিনি নিদিয়ে তাৰে এয়া কাতৰ অনুৰোধ বুলিব পাৰি। প্ৰকৃতিক প্ৰেমৰ প্ৰতিকূল অৱস্থা সৃষ্টিৰ বাবে জগৰীয়া কৰিছে এইদৰে -

হাবিৰ লতা পাতে          বাটটি ভেটিলে
বেলিয়ে মেলিলে ঠেং
তোমাৰনো ঘৰলৈ          যাবলৈ নোৱাৰি
বাটত দিলে বগৰী জেং।



বগৰী জেঙক মিলনৰ অন্তৰায় সমূহৰ সুন্দৰ প্ৰতীকৰূপে ব্যৱহৃত হৈছে বিহুগীতত -

যাবৰ মনে গ'লে          পিলিঙা ডেকালৈ
বাটতে বগৰী জেং।

সামাজিক তথা পাৰিবাৰিক অনুশাসনে মানৱৰ আচৰণ নিয়ন্ত্ৰণ কৰে আৰু সেয়ে মনে বিচৰা সকলো কাম কৰাটো সদায় সম্ভৱ নহয়। সদ্য যৌৱনা চঞ্চলা গাভৰুৰ আচৰণৰ ওপৰত আৰোপ কৰা নিয়ন্ত্ৰণকে 'পিলিঙাডেকালৈ যাব নোৱাৰা' কথাটো নিৰ্দেশ কৰে।

প্ৰকৃতিয়ে কেতিয়াবা মানৱৰ দুখৰ কাৰণৰূপে থিয় হ'লেও ই মানৱৰ দুখ, নিৰানন্দৰ সমভাগীও হয়। প্ৰকৃতিৰ সৈতে মানৱৰ ঘনিষ্ঠতা বা একাত্মতা প্ৰকাশৰ উদাহৰণ পোৱা যায় বিহুগীতত। ডেকা গাভৰুৰ বেদনাৰ উমান পাইয়ে যেন বনৰ কুলি-কেতেকীও বিমৰ্ষহৈ পৰে। চৰাইৰ বিননিয়ে বিৰহ বিধূৰ হিয়াক স্মৃতি বিজড়িত কৰে-

কি চৰাই কান্দিলে          হেট্টেলুকু হেট্টেলুকু
কণীযোৰ পাৰিলে বনত
সূতা কাটিছিলো          পাজি কাটিছিলো
চেনাইলৈ পৰিলে মনত।

বিধিৰ বিপাকত হিয়াৰ মানুহজনক এৰি আন এজনৰ সতে সংসাৰ কৰিবলৈ বাধ্য হোৱা গাভৰুৰ জীৱন চিটিকাত পৰা চৰাইৰ সদৃশ। দৈনন্দিন জীৱনৰ কৰ্মব্যস্ততাত চেনাইৰ কাষলৈ আহিব নোৱাৰা ডেকাটিৰ অৱস্থা সজাত বন্দী মইনা চৰাই অথবা শালত বন্দী হাতীৰ স'তে তুলনা কৰা হৈছে। গাভৰুৰ উচাটন মনে চেনাইক দেখা নেপাই গাইছে যেনেকৈ থিক একেদৰে ডেকাৰো মনত একেইভাৱে অহা-যোৱা কৰে। সাংসাৰিক ব্যস্ততাক মায়াজালৰ লগত তুলনা কৰিছে এইদৰে -

ভোগদৈৰ দাঁতিতে          পাতো লাভি জাল
উভতি লাগিলেমোৰা,
কিনো মায়াজালত          পৰিলি চেনাইটি
নেদেখো গধূলি পুৱা।

বিহুগীতত চেনাইৰ ৰূপ বৰ্ণনা কৰিবলৈ বুটলি লোৱা হৈছে প্ৰকৃতিৰ বুকুৰ পৰা বিভিন্ন উপমা। গাভৰুৰ ৰূপ বৰ্ণনা কৰিবলৈ কবিয়ে ফুল, ফল, চৰাই, গছপাত, জোন-বেলি তৰাকে ধৰি প্ৰকৃতিৰ বিভিন্ন উপাদান ব্যৱহাৰ কৰিছে।

খামুচিয়া কঁকালেৰে, কেঁচা হালধিৰ গাঠিৰ দৰে শৰীৰৰ, হাতীৰ শুৰৰ লেখীয়া

হাত, স্বৰ্গৰ তৰা যেন চকুৰ ৰূপহী গাভৰুক ‘কোনজন ঈশ্বৰে সৰজিলে তোমাক’ বুলি অভিহিত ডেকাৰ চকুত চোন, বেলি, তৰাৰ সৌন্দৰ্যও ম্লান যেন লাগে -

দিনৰে চিকুণ দিনৰে সবিতা
ৰাতিৰে চিকুণ জোন,
তাতকৈ চিকুণ মোৰে ঐ মইনা
যেন পূৰ্ণিমাৰ জোন।

প্ৰিয়াৰৰূপ বৰ্ণনা কৰিবলৈ ডেকাই গাইছে -

তোমাৰ মুখনি মালী মাছৰ নিচিনা
বামি মাছৰ নিচিনা চুলি।

বিহুগীতৰ ভাব আৰু ভাষা প্ৰাঞ্জল। ইয়াৰ স্বতঃস্ফূৰ্ততা, লয় আৰু ছন্দই বিহুগীতক কবিতাৰ ৰূপ প্ৰদান কৰিছে। বিহুগীতত পৰিলক্ষিত হোৱা অন্য এক কাব্যিক শৈলী হ'ল চিত্ৰকল্প তথা সংকেতৰ ব্যৱহাৰ। প্ৰকৃতিৰ পৰা আহৰণ কৰা একোটা ৰূপকৰ লগত সাঙোৰা হৈছে মানৱ হৃদয়ৰ ভাবাবেগ। যৌৱনৰ দাবীক আওকাণ কৰি পিৰিতী নকৰি ৰূপ-লাৱণ্যক অস্বীকাৰ কৰা গাভৰুৰ তুলনা হৈছে মদাৰ ফুলৰ স'তে। মদাৰ ফুল পূজা-পাতলত ব্যৱহাৰ নহয়। কবিৰ কল্পনাত তলভৰি সৰিধকা অনাদৃত কিন্তু আকৰ্ষণীয় মদাৰৰ অসাৰ্থকতা আৰু প্ৰেমৰ স্বাদৰ পৰা বঞ্চিত, অতৃপ্ত সুন্দৰী যুৱতীৰ জীৱনৰ অসাৰ্থকতা একেই। সেয়ে কবিয়ে অস্থায়ী মানৱ জীৱক সম্পূৰ্ণৰূপে উপভোগ কৰাৰ সপক্ষে যুক্তি দৰ্শাইছে -

ইমানকৈ বুজালে নুবুজা সাদৰী
কথালৈ নকৰা কাণ,
গছৰ গুটি নহয় বাৰে বাৰে লাগিব
যৌৱন গ'লে পাবলৈ টান।

প্ৰকৃতিৰ বিশাল কেনভাছৰ পৰা আহৰণ কৰা একোটা জীৱন্ত চিত্ৰৰ স'তে সাঙোৰা হৈছে মানৱ হৃদয়ৰ আকুলতা, আশা, আকাংক্ষাক। বিহুগীতৰ মূল উপজীব্য প্ৰেম যদিও, বিভিন্ন প্ৰতীক আৰু উপমাৰ জৰিয়তে ব্যক্ত কৰা হৈছে জীৱনৰ একোটা গভীৰ সত্যক। এনে ব্যঞ্জনাময় আৰু অৰ্থব্যঞ্জক ভাষাই বিহুগীতক প্ৰদান কৰিছে এক সুকীয়া মাত্ৰা।

ধনক ধনে কৰি ধনকে ঘটিলি
পৰম যতন কৰি
ধন গ'ল উছলি মন গ'লপিছলি
লগত গ'ল দুচলি খৰি।



বিহুগীতৰ আংগিকলৈ মন কৰিলে দেখা যায় প্ৰায় ক্ষেত্ৰতে ই একোটা চাৰিশৰীয়া কবিতা। প্ৰথম দুশাৰী কবিতাত প্ৰায়ে উপস্থাপিত হয় প্ৰকৃতিৰ একোটা বৰ্ণনা আৰু পিছৰ দুশাৰীত দেখা যায় মানৱ জীৱনৰ এক প্ৰকাশৰ কলাত্মক ৰূপ। আপাততঃ দৃষ্টিত অৰ্থহীন যেন লাগিলেও দুয়ো পংক্তিৰ মাজত এক সম্পৰ্ক থাকে আৰু ধ্বনিগত মিল দেখা যায় দ্বিতীয় আৰু চতুৰ্থ শাৰীৰ মাজত।

চ'তে মাহতে শিমলু ফুলিলে
উপৰে উৰিলে তুলা,
লোকৰে বুধি পাই আমাকে এৰিলা
জনমৰ শতৰু হ'লা।

চ'ত মাহত শিমলু তুলা আকাশে-বতাহে বিচৰণ কৰে। শিমলু কলৰ পৰা বিচ্ছিন্ন হোৱা পাতল তুলাবোৰৰ ওপৰত নিয়ন্ত্ৰণ নাথাকে কাৰো। এই চঞ্চল তুলাবোৰৰ স'তে বিজনি হৈছে গাভৰু চঞ্চলা মনৰ। আনৰ কথামতে ডেকাৰ সৈতে পুৰণি সম্পৰ্ক ছেদ কৰি আঁতৰি যোৱা গাভৰুৰ মনৰ সমালোচনা হৈছে এনেদৰে -

আঠিয়া কলৰে পাতে নেকাটিবা
চিটিকি পৰিব এঠা
লোককে দেখুৱাই কেটেৰা মাতিবা
ভিতৰি নেৰিবা বেথা।

এইবুলি গীতত নিৰ্দেশ কৰাহৈছে গোপন পিৰিতীলৈ, যি কঢ়িয়াই আনিব পাৰে কলৰ এঠাৰদৰে গুচাব নোৱাৰা সামাজিক কলংক অথবা দাগ।

পিতৃ-মাতৃৰ চেনেহৰ ছাঁত ডাঙৰ দীঘল হোৱা ছোৱালী আন এঘৰলৈ উলিয়াই দিয়াটো কষ্টকৰ। কিন্তু ই যে প্ৰকৃতিৰ নিয়ম। সেয়ে ছোৱালী জীৱন হৈছে ক্ষন্তেকীয়া। ‘জিৰণীয়া মৌ'ৰ দৰে পিতৃ গৃহলৈ আহে কিছু সময়ৰ জিৰণিৰ বাবে আৰু তাৰ পিছত গুচি যাব লগা হয়। আকৌ ছোৱালী জীৱনৰ দুখ-কষ্টৰ বিজনি হৈছে সৰিয়হৰ সৈ'তে -

কামুৰি নেখাওঁ মই মুচৰি নেভাঙো
কথাযাৰ শুনোচোন বৈ
সৰিয়হৰ জনম লৈ বেতেৰি চেপালৈ
কেনৈ কৰিছো ভয়।

প্ৰেমত ব্যৰ্থ ডেকাৰ বেদনা আৰু ভাটি দিয়া যৌৱনৰ হা-হুমুনিয়াহ ব্যক্ত হৈছে এইদৰে -

পূবৰ অৰুণ পশ্চিমত ঘূৰিলে
মলয়াত ঘূৰিলে বগ,
মনৰ কথাষাৰি মনতে ঘূৰিলে
ক'বলৈ নেপালো লগ।

পশ্চিমৰ বেলি আৰু মলয়াত ঘূৰা বগ জাকৰ নিৰন্তৰ ঘূৰ্ণন প্ৰক্ৰিয়াই ভাটি দিয়া যৌৱনৰ জীৱনৰ আৰু ডেকাৰ মনত অনবৰত খুন্দিয়াই থকা প্ৰেমৰ জোৱাৰৰ নিৰৰ্থকতা প্ৰকাশ কৰিছে। মানৱ জীৱনৰ জটিল চিন্তনৰ পৰা বিহুগীতসমূহ মুক্ত যদিও সহজ সৰল ভাষাত জীৱনৰ একোটা সত্য, জীৱন দৰ্শনৰ বেঙণি ৰূপে বিহুগীতত প্ৰকাশ পাইছে।

আগবাৰী গুৱনি কাকিনি তোমোল
পাছবাৰী গুৱনী পাণ,
ৰৰঘৰ গুৱনী জীয়ৰী ছোৱালী
উলিয়াই দিবলৈ টান।

আকৌ,

চৰায়ে তুলিলে হু-বুৰি পোৱালি
গছৰ ডাল গুৱনি কৰি,
মাৰ বাপেৰে তোমাক ঐ তুলিলে
লোকৰ ঘৰ গুৱনি কৰি।

এইদৰে বিহুগীত সমূহে সাবলীলভাৱে উন্মোচিত কৰিছেপ্ৰকৃতিৰ সতে সম্পৃক্ত হৈ থকা মানৱ সম্পৰ্ক। বিহুগীত সমূহে প্ৰকৃতিক পটভূমি হিচাবে লৈ অংকন কৰিছে গ্ৰাম্য জীৱনৰ নিভাজ ছবি। বিহুগীত সমূহে প্ৰকাশ কৰিছে মানৱ জীৱনত সাহিত্য শিল্প কৰ্মত  প্ৰকৃতিৰ অপৰিহাৰ্যতা। ই দোহাৰিছে মানৱ আৰু প্ৰকৃতিৰ চিৰন্তন সম্পৰ্কৰ কথা। বিহুগীত সমূহক সেয়ে ক'ব পাৰি প্ৰকৃতি আৰু মানৱৰ একাত্মতাৰ প্ৰকাশ বুলি।

***



# বেজবৰুৱাৰ গল্পত প্ৰকাশিত সমাজ

মৃদুস্মিতা দেৱী
নমিতা ডেকা
গীতিকা বৰ্মন
৩ য় ষান্মাসিক, অসমীয়া বিভাগ

**লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিচয় ঃ**

আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসৰ সন্দেহাতীতভাৱে সৰ্বোচ্চ সাহিত্যিক ব্যক্তিত্ব, পিছলৈ 'সাহিত্যৰথী' বিভূষাৰে বিভূষিত লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰে নায়ক নহয়, আধুনিক অসমীয়া মানুহৰ বৌদ্ধিক চেতনা আৰু জাতীয় চেতনাৰো নায়ক আছিল। তেওঁ যিদৰে এটা যুগৰ সৃষ্টি আছিল, তেওঁ সেইদৰে আছিল এটা যুগৰ স্ৰষ্টাও। সুদীৰ্ঘকাল সাহিত্যক নেতৃত্ব আৰু হাস্যৰসিকতাৰ বাবে লক্ষ্মীনাথ বেজবৰুৱা 'সাহিত্যৰথী' আৰু 'ৰসৰাজ' উপাধিৰে বিভূষিত।

বৰ্তমানৰ ব্যস্ততাপূৰ্ণ জীৱনযাত্ৰাত আটাইতকৈ জনপ্ৰিয় সাহিত্যবিধেয় হৈছে চুটিগল্প। অসমীয়া  সাহিত্যলৈ পাশ্চাত্য সাহিত্যৰ আমদানিৰ প্ৰাৰম্ভিক কালতেই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰৱাৰ হাতত জন্ম লাভ কৰা অসমীয়া চুটিগল্পই বৰ্তমান সময়তো আধুনিক অসমীয়া কথা সাহিত্যৰ এক অন্যতম ধাৰা হিচাপে নিৰবচ্ছিন্ন গতিৰেই বিকাশৰ পথত ধাৱমান হৈ আছে। তেওঁৰ চুটিগল্পৰ সংকলন কেইখন হৈছে - ১। সুৰভি (১৯০৯), ২। সাধুকথাৰ কুকি (১৯১০),  ৩। জোনবিৰি (১৯১৩), ৪। কেহোঁকলি।

ইয়াৰ প্ৰথম তিনিখন গল্পসংকলনহে বেজবৰুৱাৰ জীৱিত কালত প্ৰকাশ পোৱা। 'কেহোঁকলি' শীৰ্ষক সংকলনটি বেজবৰুৱাৰ দেহাৱসানৰ পিছতহে প্ৰকাশ হয়। সাহিত্যক বিষয় ঃ অসমীয়া সাহিত্যত চুটিগল্পৰ উদ্ভৱ হৈছিল ঊনবিংশ শতিকাত। সাহিত্যক সমাজৰ দাপোন বুলি কোৱা হয়। কাৰণ সাহিত্যৰ মাজেৰে সমসাময়িক সমাজৰ এটি চিত্ৰ প্ৰতিবিম্বিত হয়। চুটিগল্পও হৈছে এক সাহিত্য ৰূপ। সেয়ে চুটিগল্পৰ

জনক বেজবৰুৱাৰ গল্পটো সমসাময়িক সমাজৰ চিত্ৰ প্ৰতিফলিত হয়। তেওঁৰ হাতত অসমীয়া চুটিগল্পৰ প্ৰাৰম্ভিক স্তৰটো চহকী হৈছে।

বেজবৰুৱা আছিল এগৰাকী তীক্ষ্ণধী সমাজ-সংস্কাৰক। তেওঁৰ বেছিভাগ গল্পত ধৰা পৰে এজন সমাজ সচেতন লেখকৰ সমাজ সংস্কাৰৰ প্ৰচ্ছন্ন মনোভাৱ। সিবোৰৰ পৰোক্ষ উদ্দেশ্য ব্যক্তিৰ শুদ্ধিকৰণ, সমাজৰ শুদ্ধিকৰণ আৰু ভণ্ডামিৰ মুণ্ডপাতকৰণ। বেজবৰুৱাই যি সময়ৰ সমাজ জীৱনক গল্পৰ মাজেৰে প্ৰকাশ কৰিছিল সেই সমাজৰ এতিয়া বহু পৰিবৰ্তন হ'ল। বহুক্ষেত্ৰত তেনে সমাজ দুৰ্লভ বুলিও ক'ব পাৰি। বেজবৰুৱাই নিজৰ জীৱনৰ সময়ছোৱাক গল্পত প্ৰতিফলিত কৰিছিল। বেজবৰুৱাৰ গল্পত স্থান পোৱা সমাজখনৰ পৰিধি বিশাল। সেয়ে সুদূৰ উৰিষ্যা আৰু বংগৰ পৰা অসমলৈকে বিস্তৃত এক বৃহৎ সমাজ। সমসাময়িক সমাজখনৰ লগতে তেওঁৰ গল্পত প্ৰকাশিত হৈছে পৌৰাণিক বা প্ৰাচীন সমাজৰ এটি চিত্ৰ। তেওঁৰ গল্পত বাল্যবিবাহ, বিধৱা বিবাহৰ আইন থকা স্বত্বেও ইয়াৰ বিৰোধিতা কৰা সমাজৰ উল্লেখে ইয়াৰ উমান দিয়ে। সেই সময়ৰ সামাজিক সমস্যা, মূল্যবোধ, জীৱন প্ৰণালী, প্ৰচলিত ৰীতি-নীতিকে কেন্দ্ৰ কৰি বিভিন্ন চৰিত্ৰৰ সৃষ্টি কৰা হৈছে বেজবৰুৱাৰ গল্পত।

গল্পকাৰ হিচাপে বেজবৰুৱাৰ সমাজ সচেতনা প্ৰকাশ পাইছে বিভিন্ন গল্পৰ মাজত। সমাজ সংস্কাৰৰ ভাৱ এটা তেওঁৰ মনত বিয়পি থকাৰ বাবে গল্পবোৰৰ মাজত কঠোৰ মন্তব্য আৰু নিৰ্মোহ সমালোচনা দেখা যায়। বেজবৰুৱাৰ বহু গল্পৰ মাজেৰে প্ৰকাশ হৈছে সামাজিক ৰক্ষণশীলতাৰ প্ৰতি বিৰোধ মনোভাৱ। আন কিছুমান গল্পৰ মাজেৰে প্ৰকাশিত হৈছে মধ্যবিত্ত শ্ৰেণী আৰু নতুনকৈ ইংৰাজী শিক্ষাপ্ৰাপ্ত লোকৰ অন্তঃসাৰশূন্য গৰ্ব অহংকাৰ। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে সমসাময়িক সমাজৰ বৰ্ণাঢ্য ৰূপ আৰু অনুকৰণীয় ৰচনাশৈলীৰে বেজ বৰুৱাৰ গল্পবোৰ অপূৰ্ব আৰু অমূল্য।

বেজবৰুৱাৰ প্ৰথম গল্প সংকলন 'সুৰভি'ৰ প্ৰথম গল্পটো হৈছে 'গীতা'। এই গল্পটোত বেজবৰুৱাই কয়দী এজনৰ জীৱনৰ স্খলন কেনেকৈ ঘটিছিল তাৰে ব্যাখ্যা আগবঢ়াইছে।

'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি' নামৰ গল্পত হিন্দু আৰু মুছলমানৰ মাজৰ তথাকথিত বিদ্বেষ ফুটাই তোলা হৈছে। এনে বিদ্বেষৰ ফলস্বৰূপে এগৰাকী নাৰীৰ জীৱন কেনেদৰে বিপন্ন কৰি তুলিছে তথা আমাৰ সমাজক ধৰ্মীয় ৰক্ষণশীলতাই কেনেদৰে তললৈ নিছে তাৰে বৰ্ণনা আছে।

বেজবৰুৱাৰ 'লম্বোদৰ ডেকা' নামৰ গল্পটোত প্ৰকাশ পাইছে বৈষম্যমূলক



বিষয়বস্তু। দুখীয়া লম্বোদৰ ডেকাই বিজাতীয়ৰ ঘৰত ভাত খোৱাক কেন্দ্ৰ কৰি বিভেদৰ সূত্ৰপাত ঘটিছে। গল্পটোৰ মাজেৰে এই কথাকে বুজাব বিচৰা হৈছে যে ধৰ্ম, জাত-পাত ইত্যাদিৰ পৰা মানুহ উৰ্ধ্বত। ইয়াত অসমীয়া জাত-পাতৰ বিচাৰ কৰা গাৱলীয়া সমাজ এখনৰ ছবি চিত্ৰিত হৈছে।

'লাওখোলা' গল্পত বংগদেশীয় সমাজৰ ছাঁ পৰা দেখিবলৈ পোৱা যায়। এই গল্পত কলিকতাৰ চহকী মানুহৰ আভিজাত্যৰ চিন 'বসতাবাড়ী' আৰু 'বাগানবাড়ী'ৰ উল্লেখৰ পৰা আমি এই কথাৰে উমান পাওঁ। এই গল্পত পুৰুষ শাসিত সমাজ ব্যৱস্থাত নাৰী কিদৰে অবহেলিত তাৰ বৰ্ণনা পোৱা যায়। এই গল্পটোৰ মাজেৰে সমাজত দেখা দিয়া আৰু ইতিমধ্যে প্ৰচলিত নাৰীক অপমানিত পদদলিত কৰি ৰখা ব্যৱস্থাৰ ফোপোলা স্বৰূপটো উদঙাই দেখুৱাইছে। গল্পটোৰ বিষয়বস্তুৰ দৃষ্টিভংগীয়ে সমাজ সচেতনতা দাঙি ধৰিছে আৰু সমাজত নাৰী জাতিৰ দুৰ্দশা প্ৰতিফলিত কৰিছে। চিৰচৰিতভাৱে এই সমস্ত দুৰ্দশাৰ কাৰণে যে জগৰীয়া পুৰুষ জাতি তথা পুৰুষ শাসিত সমাজ ব্যৱস্থা সেই কথাও গল্পটোত প্ৰতীয়মান হৈছে।

'মলক গুইন গুইন' গল্পত ইংৰাজী শিকি, বগা চাহাবৰ পোছাক পিন্ধি চাহাব বুজাবলৈ যোৱা ডেকা মলখু গগৈয়ে নিজৰ বাপেককো চিনি নাপায়। সমাজৰ এনে মানুহৰ ভণ্ডামিক গল্পকাৰে উদঙাই দি মুখা খুলি, মুখাৰ আঁৰত থকা কুৰূচ মুখখন পোহৰলৈ আনিছে।

'কন্যা' গল্পটিত উৰিষ্যাৰ আদিবাসী সমাজখনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। ইয়াত উৰিষ্যাৰ কোল সম্প্ৰদায়ত ডেকা গাভৰুৰ সহজ সৰল জীৱনৰ প্ৰেমৰ স্বৰূপ অতিশয় জীৱন্ত ৰূপত প্ৰকাশ ঘটিছে। কোল গাভৰুৰ মূক প্ৰীতিৰ ইংগিত তাই চাকনৈয়াত পৰি আত্মহত্যা কৰাৰ পাছতহে গম পোৱা যায়।

'জয়ন্তী' গল্পটিত অসম দেশ মানে আক্ৰমণ কৰাৰ কথা উল্লেখ আছে। ইয়াৰ লগতে এগৰাকী নাৰীয়ে কিদৰে তেওঁৰ প্ৰত্যুৎপন্নমতিত্ব আৰু সাহসিকতাৰে তিনিজন মানক বধ কৰিবলৈ সক্ষম হ'ল তাৰে বৰ্ণনা আছে। বেজবৰুৱাৰ এই গল্পটিত অসম বুৰঞ্জীৰ চিত্ৰ এটিও চিত্ৰিত হৈছে।

'সেউতী' গল্পত সামাজিক কু-সংস্কাৰৰ তাড়নাত কেনেকৈ স্বামী পৰিত্যক্তা স্ত্ৰীৰ জীৱনৰ করুণ পৰিসমাপ্তি ঘটিছে তাৰ বৰ্ণনা আছে।

'আমালৈ নেপাহৰিব' গল্পটিত উৰিষ্যা, কলিকতা তথা অসম এই তিনিওখন ঠাইৰে সমসাময়িক সমাজৰ চিত্ৰ প্ৰতিফলিত হৈছে। উৰিষ্যা দেশৰ জগন্নাথ মন্দিৰৰ ব্ৰাহ্মণ পাণ্ডা এজনে আজলী অসমীয়া ছোৱালী ফুচুলাই লৈ আহি কলিকতাৰ ডিপোত বেচা কথাৰ উল্লেখ আছে।

'বাপিবাম' গল্পটিত প্ৰকাশ পাইছে অসমীয়া বাগানীয়া সমাজখন। এই গল্পটি প্ৰতিবাদী সুৰৰ। উনবিংশ শতিকাৰ অসমলৈ চাহ খেতি কৰিবলৈ অহা চাহাববিলাকৰ নাৰীৰ প্ৰতি আকৰ্ষণ আৰু চাহাববিলাকৰ অনুগত এচাম অসমীয়া কৰ্মচাৰীৰ অৰ্থ আৰু ক্ষমতা লিপ্সা আৰু অনাথিনী-নাৰী জীৱনক লৈ খেলা কৰা বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ তথা মানবীয়তাৰ গভীৰ আবেদন এই গল্পটিত দেখিবলৈ পোৱা যায়। দীঘলিটিং বাগিছাৰ ৰবচাহাব মিষ্টাৰ স্কট, স্কটৰ ভূধৰৰ ভতিজা ছোৱালী তিলকাৰ প্ৰতি থকা আকৰ্ষণ, অৰ্থ আৰু ক্ষমতা লিপ্সা থকা বাগানৰ কৰ্মচাৰী ভূধৰ তথা এই অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰা সহজ-সৰল বিশ্বাসী বাপিবামৰ উল্লেখে ওপৰোক্ত কথাটিক স্পষ্ট কৰি দিয়ে।

'চোৰ' গল্পটিত অসমীয়া গাঁৱলীয়া সমাজৰ চিত্ৰ দেখিবলৈ পাওঁ। গল্পটিত উল্লেখ থকা চক্ৰধৰ ফুকনৰ আমোলাপাট্টিত থকা ঘৰ, এগোহালি গৰু, এভঁৰাল ধান, এবাৰী তামোল-পাণ, এবাৰী বাঁহ, এপুখুৰী পানী ইত্যাদি কথাই এখন গাঁৱলীয়া ছবি ফুটাই তোলে। 'মাধৈমালতী' গল্পটো অসমীয়া গাঁৱলীয়া সমাজৰেই ছবি দেখা যায়।

'ভুৰুকী বৌ' গল্পটিত বংগদেশীয় সমাজৰ চিটিকনি পৰিছে। এই গল্পটিত উল্লেখিত বংগদেশীয় মানুহে কানি খোৱা কথাই ইয়াৰ উমান দিয়ে। বেজবৰুৱাৰ ৰচনাৰ সমসাময়িক সময়ত বংগদেশৰ আভিজাত্য ভদ্ৰলোকসকলৰ মাজত কানিৰ প্ৰচলন আছিল।

'স্বৰ্গাৰোহণ' গল্পটিত অসমীয়া তথা কলিকতীয়া সমাজৰ চিত্ৰ অংকিত হোৱা দেখা গৈছে। গল্পটিত উল্লেখিত চ'তৰ বাবে খৰ, বঙালী ন ব'হাগ, অসমৰ পুঠি-খলিহা মাছ, আমগছৰ কুঁহিপাত, মলয়া বতাহ আদিয়ে অসমৰ চিত্ৰ ফুটাই তোলে।

'বিহু' নামৰ গল্পটিত অসমৰ ঐতিহ্য আৰু পৰম্পৰাৰে পুষ্ট অসমীয়া সমাজৰ আভাষ পোৱা যায়। লগতে পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি আকৰ্ষিত এচাম অসমীয়াই কেনেদৰে নিজৰ ঐতিহ্য - সংস্কৃতিৰ প্ৰতি আওকণীয়া মনোভাব গ্ৰহণ কৰিছে তাৰো প্ৰকাশ ঘটিছে।

**সামৰণি ঃ**

লক্ষ্মীনাথ বেজবৰুৱা এজন সমাজ সচেতন ব্যক্তি আছিল। অসমৰ গ্ৰাম্য আৰু নগৰীয়া সমাজৰ লগতে কলিকতীয় সমাজ আৰু উৰিষ্যাৰ আদিবাসী সমাজৰ লগত তেওঁৰ সম্বন্ধ আছে। কিন্তু সৰহভাগ গল্পচৰিত্ৰ গ্ৰাম্য জীৱনৰ পৰা অনা। তেওঁ আছিল সমসাময়িক সমাজৰ তীক্ষ্ণ পৰ্যবেক্ষক। মানুহৰ দুখ-দুৰ্দশা, অশান্তি-অনীতিৰ কাৰণ বিচাৰি সমাজৰ অৰ্থনৈতিক দুৰ্গতিৰ কথাটো ধৰা পেলাইছে।



বেজবৰুৱাৰ গল্পত সমাজ সংস্কাৰৰ দৃষ্টিভংগীয়ে পোনপটীয়াভাৱে দেখা যায়। অসম, বংগৰ কলিকতা তথা উৰিষ্যা এই তিনিওখন সমাজৰে স্বচ্ছ চিত্ৰ বেজবৰুৱাই অতি সুনিপুণতাৰে তেওঁৰ গল্পত অংকণ কৰিছে।

সাম্প্ৰতিক সময়ত তেওঁৰ জীৱন আৰু সাহিত্য কৃতি সম্পৰ্কে অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। কাৰণ তেওঁ ব্যৱহাৰ কৰা আমাৰ অসমীয়া ভাষাৰ যি কালিকা, অসমীয়া-সমাজ সংস্কৃতিৰ প্ৰতি সচেতনতা ; সেই সচেতনতা ক্ৰমে হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেয়ে আমি বেজবৰুৱাৰ সাহিত্যকৃতিৰ মাজত প্ৰকাশ পোৱা সমাজ আৰু ইয়াৰ বিভিন্ন দিশসমূহ বিচাৰ বিশ্লেষণ কৰাৰ যথেষ্ট প্ৰাসংগিকতা আছে।

**গ্ৰন্থপঞ্জী ঃ**


১। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আৰু লক্ষ্মীনাথ বেজবৰুৱা।

২। লক্ষ্মীনাথ বেজবৰুৱাৰ নিৰ্বাচিত অসমীয়া সাহিত্য (পাঠ্যপুথি)

৩। লক্ষ্মীনাথ বেজবৰুৱা আৰু অসমীয়া ঐতিহ্য।

৪। সাহিত্যৰথী - কটকী প্ৰদ্যুম্ন

৫। লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ - সম্পা. গগৈ হৃদয়ানন্দ

৬। আধুনিক সাহিত্য, চিন্তা আৰু সৃষ্টি - ভট্টাচাৰ্য্য পৰাগকুমাৰ

৭। অসমীয়া সাহিত্যৰ ৰূপৰেখা - নেওগ ড° মহেশ্বৰ


***

# বড়ো জনগোষ্ঠীৰ লোক সংস্কৃতি

ভাগ্যশ্ৰী ঠাকুৰীয়া
৫ ম ষাণ্মাসিক, অসমীয়া প্ৰধান

বড়োসকল ভৈয়ামৰ জনজাতীয় সম্প্ৰদায়ৰ লোক। বড়োসকলে সাধাৰণতে পাহাৰ নতুবা ভৈয়াম অঞ্চলত একেলগে সমাজ পাতি বসবাস কৰে। বড়ো-কছাৰী লোকসকল মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত তিব্বতো-ধৰ্মীয় শাখাৰ চিনোতিব্বত বা তিব্বত-চিনীয় ভাষা পৰিয়ালৰ অন্তৰ্ভুক্ত বুলি ক'ব পাৰি। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ মতে পূৰ ভাৰতত প্ৰথমে বাস কৰা সময়ত মঙ্গোলীয় গোষ্ঠীৰ মানুহ পৰ্বতৰ দাঁতি কাষৰীয়া ঠাইত বাস কৰিছিল। সেইকাৰণে তেওঁলোকক কিৰাত বাস কৰিছিল। সেইকাৰণে তেওঁলোকক কিৰাত বুলিছিল। সংস্কৃত ভাষা 'কক্ষবট বা কক্ষত (কচ্ছত)' শব্দৰ অৰ্থ নিম্নভূমি, কচ্ছত শব্দৰ পৰা কাছাৰ হোৱা নিম্নভূমি, কচ্ছত শব্দৰ পৰা কাছাৰ হোৱা বুলি ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে কয়। কাছাৰত বাস কৰা কাৰণে কাছাৰী নাইবা কছাৰী নাম পাব পাৰে বুলিও কিছুমানে ধাৰণা কৰে। তদুপৰি কাছাৰী শব্দটো পৰৱৰ্তী কালত ওচৰ-চুবুৰীয়া অৰ্থাৎ হিন্দুসকলে দিয়া নাম বুলি অনুমান কৰিব পাৰি। *

বড়োসকলৰ প্ৰায়ে দ্বিভাষা ভাষী। তেওঁলোকে বড়ো ভাষাৰ উপৰিও অসমীয়া সমতল ভূমিত অজনজাতীয় অসমীয়া সকলৰ ওচৰা-ওচৰিকৈ বড়ো-কছাৰী লোকসকলে বাস কৰি আহিছে। অবিভক্ত গোৱালপাৰা, কামৰূপ, বাক্সা, দৰং, কোকোৰাঝাৰ আদি জিলা সমূহতো সৰহ সংখ্যক বড়ো-কছাৰীৰ লোক বসবাস কৰি আছে বুলি জানিব পৰা গৈছে।

মংগোলীয় নৃগোষ্ঠীৰ অন্যতম হ'ল তিব্বত বৰ্মী ভাষা। ইয়াৰ অসম বৰ্মী শাখাৰ ভিতৰত পৰে বড়ো, নগা, কুকিচীন, বৰ্মী, লোলোমচু আৰু মক বা লুই আদি জনজাতি সকল। বড়ো শাখাৰ ভিতৰত পৰে কাছাৰী লালুং, ডিমাচা, গাৰো, কোচ, ৰাভা, ত্ৰিপুৰা, চুটিয়া আৰু মৰাণ।

বড়োসকলৰ 'বড়ো' পদটোৱে ইংগিত দিয়ে যে তেওঁলোক তিব্বতৰ পৰা অসমলৈ আহিছে। 'বড়ো' শব্দৰ ব্যুৎপত্তিৰ এনেদৰে দেখুওৱাব পাৰি -



ক) বড়ো (বাৰোক, অৰ্থ মানুহ)
খ) বড়ো (বোড্ডা। 'বোড্ডো' বড়োসকলৰ প্ৰথম ৰজা। তেওঁ ধৰ্মফা আৰু নামেৰেও জনা যায়।)
গ) S.N. Wolfendenৰ মতে 'বড়ো-ফিচা' (অৰ্থাৎ বড়োৰ সন্তানসকল) পদটো তিব্বতীয় শব্দ 'হব্ৰুঙ-বুহ্ছা' (Hbruing-bu-hsa) ৰ পৰা আহিছে। ইয়াৰ অৰ্থ গছ-গছনি নোহোৱা সমতল ভূমিত বাস কৰা লোকৰ সন্তানসকল।

ধৰ্মীয় দৃষ্টিভংগীৰ ফালৰ পৰা বড়ো-কছাৰীসকলক প্ৰকৃতি পূজক বুলিব নোৱাৰি। তেওঁলোক আচলতে বাথৌ ছিব্ৰাইৰহে পূজক। বাথৌৰ লগত হিন্দুসকলৰ বিশ্বাসত স্থান পোৱা শিৱ মহাদেৱৰ সাধাৰণ সাদৃশ্য পৰিলক্ষিত হোৱা দেখা যায়। অনেক বড়ো-কছাৰীয়ে ইতিমধ্যে হিন্দু ধৰ্ম গ্ৰহণ কৰিছে। অনেক আকৌ খৃষ্টধৰ্মও গ্ৰহণ কৰিছে। শৰণীয়া হৈ কোচলৈ উন্নীত হোৱা সকলৰ বাহিৰে বাকী বড়ো-কছাৰীৰ ধৰ্মীয় জীৱনত হিন্দু ধৰ্মৰ গভীৰ প্ৰভাৱ সুস্পষ্ট পৰিলক্ষিত হোৱা দেখা যায়। আকৌ হিন্দু ধৰ্ম গ্ৰহণ কৰা বড়ো-কছাৰীসকলে তেওঁলোকৰ পৰম্পৰাগত ধৰ্মীয় বিশ্বাসো ৰক্ষা কৰি আহিছে।

বড়ো-কছাৰীসকলক কেইবাটিও উপশাখাত বিভক্ত কৰিব পাৰি। যেনে - স্বৰ্গীয়াৰী, বসুমতাৰী, মুছাহাৰী, খাখলাৰী, চিৰিংগাৰী, গাব্ৰেতাৰী, নাৰ্জাৰী, দৈমাৰী, বামচিয়াৰী, বিবিজিয়াৰী আদি।

বড়ো-কছাৰীসকলৰ উপাস্য দেৱতা বাথৌ, গিলা, দামৰা, খাৰিয়া, বৌৰায়, ছিব্ৰায়, বাথৌ বৌৰায় আদিৰ নামেৰে পৰিচিতা বুলি জানিব পৰা গৈছে। বাথৌৰ বাহিৰেও বৌৰায়, গামবাৰী, দৗহৗনছিৰি, মৌনছিৰি, আয়ঠাকুৰানী, বাৰ গো লাল, বাৰ গোপিনী, ঠাকুৰাণী, লাওখাৰ গছায় আদি দেৱ-দেৱীয়েও বড়ো-কছাৰীসকলৰ ধৰ্মীয় বিশ্বামত স্থান লাভ কৰা দেখা যায়।

বড়োসকলৰ জীৱিকাৰ ব্যৱসায়ৰ ভিতৰত ধান খেতিয়েই প্ৰধান। তাৰ বাবে তেওঁলোকে ধানখেতিৰ উপযোগী পথাৰ, খেতিত সহায় কৰা পোহনীয় জন্তু, গৰু-ম'হ চৰিবৰ কাৰণে ঘাঁহনি পথাৰ। উপ-আহাৰৰ মাছ-পুঠি পাবৰ বাবে ওচৰত বিল বা নদী থকাটো লক্ষ্য কৰা যায়। ইয়াৰ উপৰিও বড়ো-কছাৰী লোকসকলৰ মাজত গাহৰি প্ৰতিপালন কৰাটো প্ৰচুৰ পৰিমাণে দেখা পোৱা যায়। সেই গাহৰি বজাৰত বিক্ৰী কৰিও জীৱিকাৰ পথ মুকলি কৰা দেখিবলৈ পোৱা যায়। খৰি-খেৰ পাবৰ বাবে ওচৰত ঝাৰণিৰ সুবিধা থকা ঠাইত গাওঁ পাতি বাস কৰিবলৈ ভাল পায়।

খেতিৰ পথাৰ নাইকিয়া হ'লে, সেই ঠাইৰ পৰা গাওঁ ভাঙি তেওঁলোকে আকৌ নতুন মাটি বিচাৰি যায়গৈ।

বড়ো শাখাৰ লোকসকলৰ প্ৰধান জীৱিকা কৃষি। তেওঁলোকক সাধাৰণতে কৃষিজীৱী লোক বুলি ক'লেও ভুল নহ'ব। এই কৃষি পদ্ধতি অসমীয়া সংস্কৃতিলৈ প্ৰব্ৰজিত হৈছে। অজনজাতীয় অসমীয়া লোকৰ নিচিনাকৈ বড়ো-কছাৰী লোকসকলে আহু, শালি আৰু বাওঁ এই তিনিটা খেতি প্ৰধানভাৱে কৰে। ইয়াৰ উপৰিও চিকাৰ কৰা, মাছমৰা আদিতো তেওঁলোক সুদক্ষ। ভাত বড়ো-কছাৰী সকলৰ প্ৰধান খাদ্য। শুকান মাছ-মঙহ তেওঁলোকৰ ৰুচিকাৰক খাদ্য হিচাপে ব্যৱহাৰ কৰা দেখা যায়। শুকান মাছ ঢেকীত বা উৰালত খুন্দি বাঁহৰ চুঙাত ভৰাই থৈ বহুদিন ৰাখি নাকাম্ (নাখাম্) কৰি খোৱাৰ তেওঁলোকৰ অভ্যাস আছে। শোকোতা, মেস্তা টেঙা, লফা, লতি, বাঁহৰ গাজ বা খৰিচা, লাফু, ছিক্ৰি, দৌছ্ৰেম আদি শাক তেওঁলোকৰ ৰুচিকাৰক আঞ্জা। তেওঁলোকে ৰুছি পাবৰ বাবে আদা, নহৰু, জাব্ৰাং ধনীয়াৰ পাত আদি আঞ্জাত দি খায়।

উত্তৰ বঙ্গ আৰু অসমৰ দক্ষিণ তথা পশ্চিমাঞ্চলত বড়ো-কছাৰী সকলৰ ভাং বা মোদক খোৱা অভ্যাস নাই বুলি ক'ব পাৰি। লাওঁপানীয়েই তেওঁলোকৰ মাজত বহুতো সামাজিক আৰু ব্যক্তিগত ক্ৰিয়া কৰ্ম আচাৰতজাড়িত হৈ আছে। লাওঁপানী (জুমায় জৌ) বড়ো-কছাৰী লোকসকলৰ জাতীয় পানীয় খাদ্য বুলি জনা যায়। পূজা উপাসনা, উৎসৱ-অনুষ্ঠান আদিত জুমায় ব্যৱহাৰ কৰাৰ বাহিৰেও ৰোগৰ প্ৰতিষেধক ঔষধ ৰূপেও জুমায় ব্যৱহাৰ কৰা দেখা যায়। পাৰিবাৰিক আৰু সামাজিক জীৱনতো লাওপানী বা জুমায়ৰ প্ৰভাৱ সুদুৰ প্ৰসাৰী।

বড়োসকলৰ পোছাক-পৰিচ্ছদ আৰু অয়-অলংকাৰৰ ক্ষেত্ৰত বড়ো-কছাৰীৰ লগত অ-জনজাতীয় অসমীয়ালোকৰ যথেষ্ট সাদৃশ্য লক্ষ্য কৰিব পাৰি। একালত বড়ো-কছাৰীসকলে এড়ি-মুগা-পাট কাপোৰ বোৱা কটা কৰি নিজেও পিন্ধিছিল আৰু বিক্ৰী কৰি দু-পইচা আৰ্জনো কৰিছিল। অৱশ্যে আজিকালি তেওঁলোকে এড়িৰ বাহিৰে মুগা আৰু পাট বোৱা-কটা নকৰে। তিৰোতাসকলে বুকুত 'দখ্না' পিন্ধে আৰু দেহৰ উপৰিভাগ আলোৱানেৰে আবৃত কৰি ৰাখে। ৰঙা আৰু কমলা ৰঙৰ কাপোৰ তেওঁলোকে বেছি পচন্দ কৰে। ঠিক তেনেকৈ পুৰুষসকলেও ধুতি-চোলা, কামিজ, বনিয়ন আদি পোছাক পৰিধান কৰে।

তিৰোতা সকলে দখ্না পিন্ধাৰ উপৰিও তেওঁলোকে সোন ৰূপেৰে তৈয়াৰী বিভিন্ন ধৰণৰ অলংকাৰ পিন্ধা দেখা যায়। যেনে - খেৰা, জাপখ্ৰিং, তালিংলৰা, গংনি, বৌলা চন্দ্ৰহাৰ, বিছাহাৰ, খাৰু (আছান মুঠি, বালা আছান) আখতাম আদি।



ভৈয়ামৰ বড়ো-কছাৰীসকলে চাৰিওফালে সুন্দৰকৈ ঘৰ সজায়। মাজতে চোতাল ৰাখি গৃহস্থী পাতি বসবাস কৰে। এওঁলোকৰ ঘৰবোৰ বৰ ওখ নহয়। ঘৰৰ চাপবোৰ চাপৰ আৰু ঘৰত খিৰিকীৰ ব্যৱস্থা খুউব কম দেখা যায়। ঘৰৰ খুটা আৰু গোটেই ঘৰটোৰ গাথনি বাঁহেৰে নিৰ্মিত। ওপৰৰ চালিবোৰ ঢাকিবৰ কাৰণে খেৰ ব্যৱহাৰ কৰা দেখা যায়। বাট বা দীঘল জাতীয় খেৰৰ দ্বাৰা ঘৰৰ বেৰা দিয়ে আৰু গোটেই ঘৰটোৰ গাঁথনি গাঁথিবৰ কাৰণে কোমল বাঁহৰ টঙালি ব্যৱহাৰ কৰা পৰিলক্ষিত হোৱা দেখা গৈছে। ঘৰবোৰ দুচলীয়া। পুতলতকৈ দীঘ বেছি। উত্তৰ ফালৰ ঘৰটো ২৭ ফুটৰ পৰা ৩৩/৩৪ ফুটলৈকে থাকে। বাকী ঘৰবোৰ গৃহস্থই আৱশ্যক অনুসৰি ডাঙৰ-সৰু কৰি বান্ধি লয়।

বড়োলোকসকলৰ পৰিয়ালৰ ভিতৰত ৰবঘৰ, ভৰাঁলঘৰ আৰু গোলাহি ঘৰ, এইকেইটা গৃহস্থৰ অতি আৱশ্যকীয় ঘৰ। বড়ো-কাছাৰীৰ উত্তৰ ৰবঘৰটোত তিনিটা কোঠা থাকে। পূৱ ফালৰটো ইছিং, ইয়াত লক্ষ্মী, বাথৌ বৌড়ায় আৰু বাথৌ বুঢ়ীৰ থাপনা থাকে। তাৰে ওচৰতে ৰন্ধা বঢ়াৰ কামো কৰা দেখা যায়। মাজৰ কোঠাতোৰ নাম 'ওখ্ৰং' তাত পৰিয়ালে খোৱা বোৱা কৰে। পশ্চিমৰ কোঠাটোৰ নাম খ্ৰোম্ফ্ৰা। তাত পৰিয়ালৰ ল'ৰা-ছোৱালী আৰু গৃহস্থ শোৱে।

ভৈয়ামৰ বড়ো-কছাৰীৰ একোটা পৰিয়ালত কম পক্ষেও ছয় / সাতটামান ঘৰ থাকে। এই অস্থায়ী ঘৰবোৰ প্ৰত্যেক বছৰে মেৰামতি কৰিবলগীয়া হোৱাত সময়ৰ অপব্যৱহাৰ আৰু বহুত অৰ্থক্ষতি হোৱাও দেখিবলৈ পোৱা যায়।

বড়ো-কছাৰীসকলে চাউল সিজাই পচাই মদ তৈয়াৰ কৰিবৰ কাৰণে মাটিৰ বাচন ব্যৱহাৰ কৰে। খোৱা-পানী জমা ৰাখিবৰ বাবেও মাটিৰ কলহৰ আৱশ্যক হয়। কাঁহী, বাটি, ঘটি আৰু ৰন্ধা-বঢ়াৰ কাৰণে ব্যৱহৃত বাচন-বৰ্তনবোৰ কাঁহ, পিতল আদিৰে তৈয়াৰী বুলি ক'ব পাৰি।

তেওঁলোকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সামগ্ৰীৰ ভিতৰত বাঁহ জাতীয় আহিলা নিজ হাতেৰে সাজি ব্যৱহাৰ কৰে। কাঠৰ পৰাও আৱশ্যকীয় সৰু-সুৰা আহিলা নিজে বনাই লয়। লো জাতীয় আহিলাবোৰ হাট-বজাৰৰ পৰা কিনি আনি ব্যৱহাৰ কৰে।

বড়োসকলৰ জন্ম, মৃত্যু আৰু বিবাহৰ লোকাচাৰ সমূহো বৈশিষ্ট্যপূৰ্ণ। প্ৰসূতিৰ সন্তান হোৱাৰ পিছত ধাআইসকলে বাঁহৰ ধাৰ থকা কাচিৰে কেঁচুৱাটোৰ নাড়ী কাটে। তাৰ পিছত দুবৰি আহ নডালি, পাত থকা তুল সীৰ এটা ঠানি, সোণৰ আঙুঠি এইবোৰ একেলগ কৰি সূতাৰে নগুন মেৰিয়াই লয় আৰু ভৰা কলহৰ নাইবা নাদ, বিল নদীৰ পৰা এঘটি পানী লৈ সেই দুবৰি তুলসীৰে মাটিৰ পৱিত্ৰ পানী ছটিয়াই

জাতকক সুধিব ক'ব কেচুবাটি, তুমি পূৰ্বজন্মত মুছলমান আছিলি নে বৰ্ণ হিন্দু আছিলা? গাৰো নে নেপালীয়েই আছিলা? তুমি আজিৰ পৰা কছাৰী হ'লা। এইবুলি কেচুবাটি উদ্ধাৰ কৰি লয়।

ঠিক তেনেকৈ বড়োসকলৰ মাজত মৃত্যুৰ ক্ষেত্ৰত পালন কৰা লোকচাৰ সমূহো জড়িত হৈ আছে। তেওঁলোকৰ মাজত কাৰোবাৰ বিয়োগ হ'লে ওচৰৰ মানুহবোৰ একেলগ হৈ সেই মৰা শটো নিৰ্দিষ্ট মৰিশালীত পুথি থৈ আহে নাইবা পেলাই দিয়ে। কিছুমানে আকৌ জ্বলাই দিয়াও দেখিবলৈ পোৱা যায়। মানুহ মৰিলে ঘৰৰ বয়সস্থ লোকসকলে সেইদিনা লঘোনে থাকে, সৰু ল'ৰা-ছোৱালীবোৰক নিবামিষ ভোজন কৰায়। তেওঁলোকৰ মাজত নাৰ্জাৰী আৰু স্বৰ্গীয়াৰী নামে দুই শ্ৰেণীৰ মানুহৰ দ্বাৰাহে উদ্ধাৰ বা প্ৰায়শ্চিত হ'ব পাৰে। কিছুমান লোকো আকৌ মৰাশটো মৰিশালীত নিয়াৰ আগতে ঘৰৰ বাহিৰত কোনো আচুতীয়া ঠাইত মাটিৰ পাত্ৰ এটাত ভাত আৰু মুৰ্গী মাংস বনাই মৃতকৰ মুখত ঘৰৰ প্ৰত্যেকজন পৰিয়ালৰ সদস্যই খোৱাই দি নিয়ম পালন কৰা দেখা পোৱা গৈছে। তাৰ পিছতহে মৃত শৰীৰটো শ্মশানলৈ লৈ যোৱা হয়। দহ দিনৰ দিনা শ্ৰাদ্ধাদি সমাপন কৰি মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে কামনা কৰা হয়। শ্ৰাদ্ধৰ দিনা ভোজ-ভাত, মদ, মাছ, মাংস আদি খুওৱা হয়।

জন্ম, মৃত্যুৰ দৰে বিবাহৰ ক্ষেত্ৰতো লোকচাৰ জড়িত হোৱা দেখা পোৱা গৈছে। বড়ো-কছাৰীসকলৰ সমাজ ব্যৱস্থা মুখ্যত পিতৃ প্ৰধান সমাজৰ আদৰ্শৰ ভিত্তিত প্ৰতিষ্ঠিত হ'লেও মাতৃ প্ৰধান সমাজ ব্যৱস্থাৰ উপাদানো তাত নিহিত হৈ থকা চকুত পৰে। তেওঁলোকৰ সমাজত ছয় প্ৰকাৰৰ বিবাহ প্ৰচলিত হোৱা দেখা যায় -

ক) প্ৰচলিত ৰীতি মতে সম্পাদিত বিয়া।
খ) ঘৰ-জোৱাই ৰাখি সম্পাদন কৰা বিয়া।
গ) খাৰছন্নায় অৰ্থৎ ছোৱালীয়ে নিজে যাচি গৈ দৰাত ঘৰত কন্যা ৰূপে থকা।
ঘ) ঢকা বা ঢোকা ৰখা পদ্ধতি।
ঙ) বলপূৰ্বক ছোৱালীক টানি নি পতা বিয়া
চ) ছোৱালী পলুৱাই নি পতা বিয়া।

প্ৰথম চাৰিবিধ বিয়া বড়ো-কছাৰী সমাজৰ পৰা স্বীকৃত, বাকী দুবিধ অবৈধ ৰূপে দিয়া বিয়া হিচাপে পৰিগণিত বুলি জানিব পৰা গৈছে।

বিবাহ অনুষ্ঠানক কেন্দ্ৰ কৰি তেওঁলোকে বিয়াত গীত গাই, নাচি-বাগি বৰ



আমোদ-প্ৰমোদ, আনন্দ উল্লাসেৰে উৎসৱ পালন কৰে। গীতবোৰৰ ভিতৰত দাৰ্শনিকতা, ৰূপ-অৰ্জনা আৰু দৰা ঘৰীয়াই খুওৱা-বুওৱা কৰাত ত্ৰুটি-বিচ্যুতি কৰিলে তাক লৈ ইতিকিং কৰাই প্ৰাধান্য লাভ কৰে।

ক) বিধৱাৰ মাক-পিতাকে সমাজক ভোজৰ বাবে কিছু টকা ৰাখি আৰু নিজে সমাজে বান্ধি দিয়া গা-ধান লৈ বিয়া দিয়ে।
খ) এৰহুলমান ঘৰত জোৱাই ৰাখিও বিবাহ দিয়ে।
গ) কোনো বিধৱাই পূৰ্বতা মৃত স্বামীৰ ল'ৰা-ছোৱালী থাকিলে, মৃত স্বামীৰ বংশ ঢকা সোমাই পুনৰ বিবাহ কৰে।

উল্লেখযোগ্য যে বড়ো-কছাৰীৰ বিয়ানামত দৰাক 'ৰাম' আৰু 'কৃষ্ণ' বুলি সম্বোধন কৰা দেখা যায় আৰু কইনাক 'সীতা' আৰু 'ৰাধা' বুলি সম্বোধন কৰা হয়। কেতবোৰ বিয়ানাম অসমীয়া 'খিচা' গীতৰ নিচিনা। এনে গীতত কেতিয়াবা দৰাক আৰু তাৰ প্ৰত্যুত্তৰ ৰূপে কইনাক জোকাই বিয়া নাম গাই আনন্দ উল্লাস কৰা হয়।

বড়োসকলে পালন কৰা উৎসৱ-অনুষ্ঠান তথা নৃত্য-গীতসমূহো যথেষ্ট আকৰ্ষনীয় আৰু বৈশিষ্ট্যপূৰ্ণ। বিশেষকৈ তেওঁলোকে বতৰ, প্ৰকৃতি, দেৱতা, বেমাৰ-আজাৰ আদিক সন্তুষ্ট কৰিবলৈ যাদুমূলক বিভিন্ন উৎসৱ অনুষ্ঠান উদ্‌যাপন কৰে। এই অনুষ্ঠানসমূহৰ ভিতৰত গাৰ্জা পূজা, খেৰায় পূজা, ফুছি হাবা, বৈশাগু, দমাসী, আম্‌খিছুৱা, ছাবাব কৌৰনায় আদি উল্লেখযোগ্য। বিভিন্ন উৎসৱ-অনুষ্ঠান আৰু পূজা উপাসনাত বড়ো-কছাৰীসকলে বিবিধ পৰিবেশ্য কলাৰীতি অনুষ্ঠিত কৰে। এই বিলাকৰ ভিতৰত বাথৌ পূজা, বাগুৰুম্বা নৃত্য, খেৰায় নৃত্য, বৈশাগু উৎসৱ আদিয়ে প্ৰধান বুলি ক'ব পাৰি।

বাথৌ পূজা এওঁলোকৰ পূৰ্ব পুৰুষৰ পৰা চলি অহা এটি উৎসৱ বুলি ক'ব পাৰি। বড়ো-কছাৰীৰ ই বসন্তকালীন পূজা। এই পূজাৰ লগত জাতিটোৰ আচাৰ-ব্যৱহাৰ, পৰম্পৰা, ৰীতি-নীতি আদি দৈনন্দিত জীৱনৰ সকলো দিশ জড়িত আছে। বাথৌ শব্দৰ তত্ত্ব গধুৰ অৰ্থ হ'ল বাথৌ শব্দৰ 'বা' ধ্বনিক ভৌতিক ধ্বনি হিচাপে সৰ্বব্ৰহ্মাৰপ্ৰতীক আৰু 'থৌ মানে পঞ্চতত্ত্ব অৰ্থাৎ ভৌতিক জগতৰ আধাৰ। এই পঞ্চতত্ত্ব হ'ল ক্ষিতি, অপ, তেজ, মৰৎ আৰু ব্যোম। ইয়াৰ অৰ্থ হৈছে এই জগতক যি নেদেখা শক্তিয়ে জাগ্ৰত কৰি ৰাখে তাকে বাথৌ বোলে। বাথৌ পূজা পাঁচটা গভীৰ দৰ্শনৰ সমষ্টি হ'ল অগ্নি, বায়ু, পানী, মাটি আৰু আকাশ। ই মূলতঃ মহাদেৱ শিৱ। সিজু গছৰ পাত পাঁচ শাৰীকৈ থকা কাঁইটীয়া শাৰী। তেওঁলোকে পঞ্চভূতৰ প্ৰতীক হিচাপে লয়। এই কাঁইটীয়া থোপাবোৰৰ লগত আকৌ দুথোপা কাঁইট একেলগে বাথৌ তাৰে দুয়োপাত প্ৰকৃতি আৰু পুৰুষ হিচাপে ভাবে। পাতবোৰ

পেঁটী সাপৰ দৰে দেখি বাবে ইয়াক কাল বা সময়ৰ প্ৰতীক হিচাপে ধৰে। এই কাল বা সময়ৰ প্ৰতীক হিচাপে ধৰে। এই কালে কাক কেতিয়া দংশন কৰে তাৰ হিচাপ নাই। আমি ইয়াৰ পৰা পৰিত্ৰান পাবলৈ সচেতন হোৱা উচিত। ইয়ে বাথৌ পূজাৰ অৰ্থ। বড়োসকল শিৱক গিলা দঘাত্ৰা খৌবিয়া বৰায়, শ্ৰীবৌৰায়ু নামেৰে জনা যায়। শিৱক বাথৌ ৰূপত বছৰি ঘৰৰ চোতালত সম্মুখত পূৱ দিশত মাটিত বেদী সজাই তাত সিজু গছ পুতি পূজা কৰে।

বাথৌ পূজাত ধৰ্মীয় ৰীতিৰে পূজা কৰি পৰমাত্মাক পূজা কৰে। সিজু গছৰ থকা পঞ্চশিৰবোৰক বাথৌ ধৰ্মৰ পঞ্চ সমাহাৰিক চিন্তা দৰ্শনৰ প্ৰতীক হিচাবে লয়। এই পূজাত এজন পূজাৰী বা দেউৰী থাকে পূজাৰ লগে-লগে খেৰাই বা-গৰুম্বা নৃত্য কৰে। নৃত্যত ঢোল, বাঁহী, তাল বজায় 'চিখলা' ছোৱালী আৰু ল'ৰাবোৰে কৃষিৰ উন্নতিৰ বাবে বেদীৰ মুখত নৃত্য কৰে। ই দেওধনীৰ নিচিনা। পৰৱৰ্তী কালত পূজাৰ সালসলনি হ'ল। সুৰা, মদ, ছাগলী, কুকুৰা আদি বলি দিয়ে। ফাগুন মাহত এই পূজা কৰা দেখা যায়। বাগুৰুম্বা নৃত্য সাধাৰণতে বাথৌ প্ৰভুক সন্তুষ্ট কৰিবৰ বাবে গাভৰুসকলে পৰিৱেশন কৰে। বসন্ত কালত ৰং-বিৰঙৰ বস্ত্ৰ পৰিধান কৰি বড়ো চিখলাসকল পঞ্চমুদ্ৰাৰে মূৰ্চ্ছনাৰ ৰহন তুলি এই নৃত্য পৰিৱেশন কৰে। বিশেষকৈ বাথৌ পূজাত পুৰুষসকল খাম (মাদল), চিফুং (বাঁহী) জথা (মঞ্জুৰা) চেৰজা আদি বাদ্যযন্ত্ৰ বজায়। এই নৃত্যত পখিলা আকাৰে নাচে কাৰণে বহুতে ইয়াক পখিলা নৃত্যও বোলে।

খেৰাই পূজা বড়োসকলে কল্যাণমুখী উদ্দেশ্যৰে অনুষ্ঠিত কৰা উৎসৱ। মানুহ, জীৱজন্তুৰ কল্যান আৰু শস্য বৃদ্ধিৰ উদ্দেশ্যৰে অনুষ্ঠিত কৰা এই উৎসৱ ব্যয়বহুল হোৱা বাবে আজিকালি ই ৰাজহুৱা ভাৱে অনুষ্ঠিত হয়। ব্যক্তিগতভাৱে এনে অনুষ্ঠান সম্ভৱতঃ শক্তিশালী জনজাতি প্ৰধানসকলে এসময়ত পাতিছিল। খেৰাই উৎসৱৰ কোনো নিৰ্দিষ্ট স্থান বা নিৰ্দিষ্ট মূৰ্তি নাই। মুকলি সমান, অপ্ৰদূষিত স্থান সাধাৰণতে খেৰাই পূজাৰ বাবে বাচি লোৱা হয়। এনে স্থানত উত্তৰা-দক্ষিণা ভাৱে দীঘল বেদী নিৰ্মাণ কৰা হয়। এএন বেদী দক্ষিণ ফালৰ পৰা আৰম্ভ হয় আৰু উত্তৰ ফালে শেষ হয়।

দীঘল বেদীখনৰ দুটা ভাগ। প্ৰধান ভাগ আৰু শান্তিৰ প্ৰতীকী অৱস্থান বুজোৱা ভাগ। এই শান্তি বুজোৱা ভ াগত আৰি ৰখা হয় এখন বস্ত্ৰৰ নিচান। আহাতে, প্ৰধান ভাগত বাথৌ বুৰা বা বাথৌ ব'ৰাইৰ স্থান। বাথৌ বুৰাক প্ৰতিনিধিত্ব কৰে সিজু গছে।

খেৰাই পূজা বড়োসকলৰ পৰম্পৰাগত প্ৰাধান পূজা। এই পূজাৰ নিজা পূজাৰী



ওজা আছে। এওঁক দেউৰী নামেৰেও জনা যায়। কিন্তু ওজা বা দেউৰীতকৈ দেউধনী ৰূপী মহিলা পূজাৰী-নৰ্তকী গৰাকীয়েহে পূজাৰ সমগ্ৰ ৰীতিগত কামখিনি প্ৰতিনিধিত্ব কৰে।

পূজাৰ দিনা দেউৰীয়ে সূৰ্য ডুবাৰ লগে লগে প্ৰাৰ্থনা আৰম্ভ কৰে। পূজাৰ প্ৰাৰ্থনা চলি থকা সময়খিনিত দেউধনী গৰাকীয়ে বেদীৰ সম্মুখত আঠু কাঢ়ি সেৱা কৰে।

খেৰাই উৎসৱ তিনিদিন তিনি ৰাতি ধৰি অনুষ্ঠিত হয়। সন্দেহ নাই যে পৰম্পৰাগত খেৰাই পূজা মূলতঃ এক শক্তিশালী কৃষি উৎসৱ যি সকলো শৌৰ্য বীৰ্য সৌন্দৰ্য আৰু সামূহিক কল্যানকামী চিন্তাৰ সমন্বয় ঘটাইছে। পৰম্পৰাগত বড়ো ধৰ্ম ত্যাগ কৰি ব্ৰহ্মধৰ্মী আৰু খৃষ্টান হোৱাসকলে এই খেৰাই পূজা নকৰে। খেৰাই পূজাৰ আনুষংগিক নৃত্য-গীত আৰু বাদ্য জাতীয় কৃষ্টি। গতিকে ধৰ্ম নিৰ্বিশেষে প্ৰায় সকলো বড়োৱে কৃষ্টি হিচাপে দেউধনীৰ প্ৰায় বাৰবিধ নৃত্য পৰিৱেশন কৰা দেখা যায়।

বড়োসকলে ব'হাগ মাহত বৈছাগু উৎসৱ পালন কৰে। চ'ত মাহত বৈছাগু উৎসৱ পালন কৰে। চ'ত-বহাগৰ দোমাহীৰ দিনা আৰম্ভ হোৱা ৰঙালী বিহু যিদৰে অজনজাতি অসমবাসীৰ অৰ্থাৎ অসমীয়াৰ জাতীয় উৎসৱ ঠিক সেইদৰে জনজাতি বড়োসকলৰো স্বকীয় সাৰ্বজনীন উৎসৱ হ'ল 'বৈছাগু' আৰু অন্যান্য বিহু উৎসৱ কেইটা। অসমীয়া অজনজাতিৰ দৰেই বড়োসকলৰো বিহু তিনিটা। বৈছাগুৰ পিছতে আহিন-কাতিৰ দোমাহীত আৰম্ভ হয় 'কাত্ৰি গাছা' (কাতি বিহু) আৰু পুহ-মাঘৰ দোমাহীত ভোগীল বা দোমাহী উৎসৱ।

ৰঙালী বিহুৰ প্ৰথম দিনা বড়োসকলেও আৰম্ভ কৰে গো পূজা। গৰু নোওৱা, ধুওৱা, নতুন পঘা দিয়া, পিঠা খুওৱা, দীঘলতী, চাটমাৰি, মাখিয়তী আদি ব্যৱহাৰ কৰা সকলো ক্ষেত্ৰতে অজন-জাতিৰ ৰঙালী বিহুৰ গো-পূজাৰ লগত বড়োসকলৰ বৈ খাজুৰ গো-পূজাৰ মিল আছে।

গৰু বিহুৰ পিছদিনা অৰ্থাৎ ব'হাগৰ প্ৰথম দিন মানছুই দোমাহী তৃতীয় দিনা ছাইমা অৰ্থাৎ কুকুৰৰ বিহু, চতুৰ্থ দিনা আমা অৰ্থাৎ গাহৰিৰ বিহু, পঞ্চম দিনা দাওনিকুকুৰাৰ বিহু, ষষ্ঠ দিনা হাঁহৰ বিহু আৰু সপ্তম দিনা সমূহ আলহী-অতিথিৰ বাবে বিহু পালন কৰা দেখা যায়।

ব'হাগৰ প্ৰথম দিনা কছাৰীসকলে সিজু গছৰ প্ৰতীক ৰোপন কৰি বাথৌ পূজা কৰে, পিতৃ পুৰুষৰ পূজা কৰে আৰু নকৈ মৃত্যু হোৱা লোকসকলৰো পূজা কৰা দেখা যায়। বৈশাগুৰ বতৰত ডেকা-গাভৰু কৰে নতুন বছৰক আদৰি নাচে।

এনেদৰেই বড়োসকলৰ মাজত উৎসৱ- অনুষ্ঠান, নৃত্য-গীত আদি পালন কৰা দেখা যায়। বড়ো ভাষা লিখিত পৰম্পৰাত চহকী নহ'লেও মৌখিক পৰম্পৰাত বিশেষকৈ বাচিক কলাত চহকী। মৌখিক সাহিত্যত সূচিত কৰিবলৈ বড়ো-কছাৰীৰ 'খুগা- থুনলাইক' তলত দিয়াৰ নিচিনাকৈ বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি -

ক) খুগা-মেথায় অৰ্থাৎ লোকগীত
খ) বাথ্ৰা-নিভাও অৰ্থাৎ প্ৰবচন
গ) দিষ্টান অৰ্থাৎ সাঁথৰ,
ঘ) মিথ, সুবুং ছ'ল-ছলবানা অৰ্থাৎ মিথ, জনশ্ৰুতি আৰু সাধুকথা।
ঙ) মোন্থাৰ অৰ্থাৎ মন্ত্ৰ।

বড়োলোকসকলৰ মাজত বিভিন্ন ধৰণৰ লোকগীত প্ৰচনল হোৱা দেখা যায়। যেনে -

ক) ঋতুকালীন আৰু খেতি-বাতিৰ লগত সম্পৰ্কযুক্ত উৎসৱ-অনুষ্ঠানৰ লগত জড়িত খুগা-মেথায়।
খ) জীৱন-বৃত্তৰ সৈতে সম্পৰ্কযুক্ত খুগা-মেথায়।
গ) ক্ৰিয়া কাণ্ডৰ লগত যুক্ত খুগা-মেথায়।
ঘ) মৌন্থাৰ।
ঙ) দাৰ্শনিক খুগা-মেথায় বা বৈদাশী মেথায় অথবা দাৰ্শনিক চৰিনায় মেথায়।
চ) প্ৰণয় আৰু আসক্তিৰ মেথায় অৰ্থাৎ গীসীথৌনায় মেথায়।
ছ) বেলাড বা জৌহৈলাও মেথায়।
জ) নিচুকনী গীত বা গথেবুৰ খায়নায় মেথায়।

বড়ো-কছাৰী সকলে তেওঁলোকৰ নানা ধৰণৰ প্ৰবচন বা বাথ্ৰ-নিভাও ব্যৱহাৰ কৰা দেখা যায়। অসমীয়া সমাজত প্ৰচলিত প্ৰবচনৰ লগত বড়ো-কছাৰী লোকসকলে ব্যৱহাৰ কৰা প্ৰবচনৰ লগত বিশেষভাৱে সাদৃশ্য লক্ষ্য কৰিব পাৰি। এনেধৰণৰ কেইটিমান প্ৰবচন হ'ল -

ক) ঔংখাম গুফুৰ থায়ৌৰ লাদাউথানি আংখাল গৈয়া।
(বগা ভাত দেখিলে কাউৰিৰ অকাল নাই)
খ) সৈমা সৌংনাইয়া অৰুৌ বীঙা।
(ভুকা কুকুৰে কামুৰিব নোৱাৰে)
গ) ঘাই মূলায়া এৰগৌন বিখৌ গাংনৈ লাইয়াওনী চিনায়া।
(যি মূলা বাঢ়ে তাৰ দুপাততে চিন) আদি।

বড়ো-কছাৰীৰ সমাজত সাঁথৰক বুজাবলৈ 'দিষ্টান' পদটো ব্যৱহাৰ কৰা হৈছে।



অৱশ্যে অসমীয়া সমাজতো বিশেষকৈ নামনি অসমত সাঁথৰৰ প্ৰতিশব্দ ৰূপে দিষ্টান শব্দটোৰ প্ৰচলন লক্ষ্য কৰিব পাৰি বুলি জানিব পৰা গৈছে। বিয়া-বাৰু আদি বিভিন্ন প্ৰসংগত সাঁথৰৰ ব্যৱহাৰ হোৱা দেখা পোৱা যায়। বড়োলোকসকলৰ মাজত প্ৰচলিত দুটামান সাঁথৰ হ'ল -

ক) বিফা লাউগা, বিমা জেব্ৰী
ফিস্থ খাঙৌ থ্ৰি থ্ৰি। (উঃ গয় বিফ্ৰাং)
খ) গীসীম বিবৌনাং বি গুমৌইনি
আংফাৰ্থা গীথৌনথ্ৰৌমবৌ দৈ লৌঙৌ । (উঃ বৌবশি)

অৰ্থাৎ

ক) বাপেক ওখ, মাক কুটকুৰী
পুতেক তোলে ঘন ঘন কৈ। (উঃ তামোল গছ)
খ) ক'লা খুলশালী ভিনিয়েকৰ লগত যায়
ঘাটে ঘাটে পানী খায়। (উঃ বৰশী) আদি

পৃথিৱীৰ সকলো দেশত সকলো সংস্কৃতিতেই কাহিনী কোৱা পৰম্পৰা প্ৰবাহমান বুলি ক'ব পাৰি। বড়ো জনগোষ্ঠীৰ লোকসকলৰ সংস্কৃতিতো সাধু কথা কোৱা ঐতিহ্য প্ৰচলিত আছে। বড়ো ভাষাত এতিয়ালৈ সংগৃহীত তথা প্ৰকাশিত জন্তুকেন্দ্ৰিক সাধুসমূহৰ ভিতৰত ভেকুলীৰ সাধু, হৰিণা আৰু কাউৰীৰ সাধু, বুঢ়া মানুহ আৰু বাঘৰ সাধু, বান্দৰ আৰু শহাপহুৰ সাধু আদিয়েই বিশেষভাৱে উল্লেখযোগ্য।

অসমীয়া জাতি গঠনত বড়োসকলৰ অৱদান অতুলনীয়। সমন্বিত অসমীয়া সাংস্কৃতিক মৌলিক স্তৰত বড়ো-কছাৰীসকলৰ সংস্কৃতি গুৰুত্বপূৰ্ণ ভূমিকা লক্ষ্য কৰিব পাৰি। অসমৰ ক্ষেত্ৰত স্পষ্টভাৱে ক'ব পাৰি যে ভাৰতৰ আন আন অঞ্চলত পৰিদৃষ্ট হোৱাৰ নিচিনাকৈ ইয়াত জনজাতি আৰু জাতিৰ মাজত পাৰ্থক্য প্ৰায়ে দেখা নাযায়। বড়ো-কছাৰীৰ পৰাশৰণীয়া হৈ হিন্দু হোৱা লোকেই অজনজাতীয় অসময়া সমাজৰ মূল ভিত্তি।

পানী বুজোৱা বড়ো 'দি' শব্দৰে গঠিত অসমৰ নদীৰ নাম দিখৌ, দিচাং, দিহিং, ডৌগদৈ আদিৰ সৃষ্টি হৈছে। বড়োসকলে মাছ মৰাৰ বিবিধ সঁজুলি তৈয়াৰ কৰিছিল। খোকা, লামখে, লাঙ্গি এই সকলোবোৰ তেওঁলোকৰহে অৱদান। মাজৰ বাহিৰেও নানা বিধ জন্তুৰ মঙহ খোৱা অভ্যাসে বড়োৰ পৰা পোৱা হৈছে। চাউলৰ পৰা জু, ফটিকা, লাওপানী তৈয়াৰ কৰা হৈছিল। কানিৰ প্ৰচলনো তেওঁলোকৰ পৰাই হৈছে।

বাদ্য-যন্ত্ৰৰ ভিতৰত ডবা, ভোৰতাল, চিফুং, গগনা, টকা আদি বড়োজনগোষ্ঠীৰ পৰা অহা দেখা যায়। বড়ো-কছাৰী তিৰোতাৰ বিহা-মেখেলাৰ পাতনিত ফুল বচা অসমীয়ালৈ অহা দেখা যায়। গছ-পূজা, শিৱ পূজা, বিভিন্ন দেৱ-দেৱীৰ পূজা বড়োসকলৰ পৰাই অহা। নৃত্যৰ ক্ষেত্ৰত অসমীয়া সংস্কৃতিলৈ বিশেষ অৰিহণা বড়োসকলৰ দেখা যায়।

এইদৰে চালে দেখা পোৱা যায় যে অসমীয়া সংস্কৃতিৰ লোকগীত, লোক সাহিত্য, উৎসৱ-পাৰ্বন, লোক বিশ্বাস, লোকাচাৰ, সাজপাৰ, খাদ্যভ্যাস, শিল্প সুকুমাৰ কলা আটাইবোৰতে কম-বেছি পৰিমাণে বড়োগোষ্ঠীৰ অৱদান থকাটো স্বীকাৰ কৰিবই লাগিব।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) ভট্টাচাৰ্য্য, প্ৰমোদ চন্দ্ৰ ঃ অসমৰ জনজাতি, পৃষ্ঠা ৫৪ (সম্পা.)
২) শৰ্মা, ৰাজেন্দ্ৰ মোহন ঃ অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি; পৃষ্ঠা - ৬৫
৩) শৰ্মা, ৰাজেন্দ্ৰ মোহন ঃ অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি; পৃষ্ঠা - ৬৬
৪) শৰ্মা, ৰাজেন্দ্ৰ মোহন ঃ অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি; পৃষ্ঠা - ৬৭
৫) ভট্টাচাৰ্য্য প্ৰমোদ চন্দ্ৰ (সম্পা.) ঃ অসমৰ জনজাতি; পৃষ্ঠা - ৬১
৬) ভট্টাচাৰ্য্য প্ৰমোদ চন্দ্ৰ (সম্পা.) ঃ অসমৰ জনজাতি; পৃষ্ঠা - ৬৩
৭) ভট্টাচাৰ্য্য প্ৰমোদ চন্দ্ৰ (সম্পা.) ঃ অসমৰ জনজাতি; পৃষ্ঠা - ৬৪
৮) শৰ্মা, ৰাজেন্দ্ৰ মোহন ঃ অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি; পৃষ্ঠা - ৬৬
৯) বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ অসমীয়া লোকসাহিত্য; পৃষ্ঠা - ২৯৭
১০) বৰ্মন,সদানন্দ ঃ অসমৰ ভিন্ন গোষ্ঠীৰ সংস্কৃতি; পৃষ্ঠা - ১৬৩
১১) শৰ্মা, ৰাজেন্দ্ৰ মোহন ঃ অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি; পৃষ্ঠা - ৩৪

***



## সংস্কৃত ভাষাত একৰ পৰা এশ লৈ সংখ্যা গণনা*

| সংখ্যা | উচ্চাৰণ | সং. উচ্চাৰণ |
|---|---|---|
| ১ | এক | প্ৰথম |
| ২ | দুই | দ্বিতীয় |
| ৩ | তিনি | তৃতীয় |
| ৪ | চাৰি | চতুৰ্থ |
| ৫ | পাঁচ | পঞ্চম |
| ৬ | ছয় | ষষ্ঠ |
| ৭ | সাত | সপ্তম |
| ৮ | আঠ | অষ্টম |
| ৯ | ন | নৱম |
| ১০ | দহ | দশম |
| ১১ | এঘাৰ | একাদশ |
| ১২ | বাৰ | দ্বাদশ |
| ১৩ | তেৰ | ত্ৰয়োদশ |
| ১৪ | চৈধ্য | চতুৰ্দশ |
| ১৫ | পোন্ধৰ | পঞ্চদশ |
| ১৬ | ষোল্ল | ষোড়শ |
| ১৭ | সোতৰ | সপ্তদশ |
| ১৮ | ওঠৰ | অষ্টাদশ |
| ১৯ | ঊনৈশ | ঊনবিংশ / ঊনবিংশতিতম |
| ২০ | বিশ, কুৰি | বিংশ, বিংশতিতম |
| ২১ | একৈশ | একবিংশতিতম |
| ২২ | বাইশ | দ্বাবিংশতিতম |
| ২৩ | তেইশ | ত্ৰয়োবিংশতিতম |
| ২৪ | চব্বিশ | চতুবিংশতিতম |
| ২৫ | পঁচিশ | পঞ্চবিংশতিতম |

* ড° গোলোকচন্দ্ৰ গোস্বামী- অসমীয়া ব্যাকৰণ প্ৰৱেশ নামৰ গ্ৰন্থখনত থকা (পৃ ১৭৩-১৭৬) তালিকা অনুসৰি

| | | |
|---|---|---|
| ২৬ | ছব্বিশ | ষড়্‌বিংশতিতম |
| ২৭ | সাতাইশ | সপ্তবিংশতিতম |
| ২৮ | আঠাইশ | অষ্টাবিংশতিতম |
| ২৯ | উনত্রিশ | একত্রিংশত্তম |
| ৩০ | ত্রিশ | ত্রিংশত্তম |
| ৩১ | এক্‌ত্রিশ | একত্রিংশত্তম |
| ৩২ | বত্রিশ | দ্বাত্রিংশত্তম |
| ৩৩ | তেত্রিশ | ত্রয়ত্রিংশত্তম |
| ৩৪ | চৌত্রিশ | চতুস্ত্রিংশত্তম |
| ৩৫ | পঁয়ত্রিশ | পঞ্চত্রিংশত্তম |
| ৩৬ | ছয়ত্রিশ | ষট্‌ত্রিংশত্তম |
| ৩৭ | সাতত্রিশ | সপ্তত্রিংশত্তম |
| ৩৮ | আঠত্রিশ | অষ্টাত্রিংশত্তম |
| ৩৯ | উন্‌চল্লিশ | উনচত্বারিংশত্তম |
| ৪০ | চল্লিশ | চত্বারিংশত্তম |
| ৪১ | একচল্লিশ | একচত্বারিংশত্তম |
| ৪২ | বিয়াল্লিশ | দ্বাচত্বারিংশত্তম |
| ৪৩ | তিয়াল্লিশ | ত্রিচত্বারিংশত্তম |
| ৪৪ | চৌৰাল্লিশ | চতুশ্চত্বারিংশত্তম |
| ৪৫ | পঞ্চল্লিশ | পঞ্চচত্বারিংশত্তম |
| ৪৬ | ছয়চল্লিশ | ষট্‌চত্বারিংশত্তম |
| ৪৭ | সাতচল্লিশ | সপ্তচত্বাংৰিশত্তম |
| ৪৮ | আঠচল্লিশ | অষ্টচত্বাৰিংশত্বম |
| ৪৯ | উনপঞ্চাশ | উনপঞ্চাশত্তম |
| ৫০ | পঞ্চাশ | পঞ্চাশত্তম |
| ৫১ | একাৱন | একপঞ্চাশত্তম |
| ৫২ | বাৱন | দ্বাপঞ্চাশত্তম |
| ৫৩ | তেপ্পন, তেৱন | ত্রিপঞ্চাশত্তম |
| ৫৪ | চৌৱন | চতুঃপঞ্চাশত্তম |
| ৫৫ | পাঁচপন | পঞ্চপঞ্চাশত্তম |
| ৫৬ | ছাপন | ষট্‌পঞ্চাশত্তম |



| | | |
|---|---|---|
| ৫৭ | সাতাৱন | সপ্তপঞ্চাশত্তম |
| ৫৮ | আঠাৱন | অষ্টপঞ্চাশত্তম |
| ৫৯ | উনষাঠি | উনষষ্ঠিতম |
| ৬০ | ষাঠি | ষষ্ঠিতম |
| ৬১ | এষষ্ঠি | একষষ্ঠিতম |
| ৬২ | বাষষ্ঠি | দ্বাষষ্ঠিতম |
| ৬৩ | তেষষ্ঠি | ত্রয়ঃষষ্ঠিতম |
| ৬৪ | চৌষষ্ঠি | চতুঃষষ্ঠিতম |
| ৬৫ | পঁয়ষষ্ঠি | [illegible] |
| ৬৬ | ছয়ষষ্ঠি | ষট্‌ষষ্ঠিতম |
| ৬৭ | সাতষষ্ঠি | সপ্তষষ্ঠিতম |
| ৬৮ | আঠষষ্ঠি | অষ্টষষ্ঠিতম |
| ৬৯ | উনসত্তৰ | উনসপ্ততিতম |
| ৭০ | সত্তৰ | সপ্ততিতম |
| ৭১ | এসত্তৰ | একসপ্ততিতম |
| ৭২ | বাসত্তৰ | দ্বাসপ্ততিতম |
| ৭৩ | তেসত্তৰ | ত্রয়ঃসপ্ততিতম |
| ৭৪ | চৌসত্তৰ | চতুঃসপ্ততিতম |
| ৭৫ | পঁয়সত্তৰ | পঞ্চসপ্ততিতম |
| ৭৬ | ছয়সত্তৰ | ষট্‌সপ্ততিতম |
| ৭৭ | সাতসত্তৰ | সপ্তসপ্ততিতম |
| ৭৮ | আঠসত্তৰ | অষ্টসপ্ততিতম |
| ৭৯ | উনাশী | উনাশীতিতম |
| ৮০ | আশী | অশীতিতম |
| ৮১ | একাশী | একাশীতিতম |
| ৮২ | বিৰাশী | দ্বি-অশীতিতম |
| ৮৩ | তিৰাশী | ত্রি-অশীতিতম |
| ৮৪ | চৌৰাশী | চতুৰশীতিতম |
| ৮৫ | পঁচাশী | পঞ্চাশীতিতম |
| ৮৬ | ছিয়াশী, ছয়াশী | ষড়শীতিতম |
| ৮৭ | সপ্তাশী | সপ্তাশীতিতম |

| | | |
|---|---|---|
| ৮৮ | অষ্টাশী | অষ্টাশীতিতম |
| ৮৯ | ঊনানব্বৈ | ঊননৱতিতম |
| ৯০ | নব্বৈ | নৱতিতম |
| ৯১ | একান্নব্বৈ | একনৱতিতম |
| ৯২ | বিৰান্নব্বৈ | দ্বিনৱতিতম |
| ৯৩ | তিৰান্নব্বৈ | ত্রিনৱতিতম |
| ৯৪ | চৌৰান্নব্বৈ | চতুৰ্নৱতিতম |
| ৯৫ | পঁচান্নব্বৈ | পঞ্চনৱতিতম |
| ৯৬ | ছিয়ান্নব্বৈ | ষণ্ণৱতিতম |
| ৯৭ | সাতান্নব্বৈ | সপ্তনৱতিতম |
| ৯৮ | আঠানব্বৈ | অষ্টানৱতিতম |
| ৯৯ | নিৰানব্বৈ | নৱনৱতিতম |
| ১০০ | এশ | শততম |
| ১০০০ | এহাজাৰ / হাজাৰ | সহস্রতম |

—